# সাহিত্য আৰু সংস্কৃতি

শশী শৰ্ম্মা
নলবাৰী

অজন্তা
কিতাপ বিক্ৰেতা আৰু প্ৰকাশক
বেজবৰুৱা পথ : নলবাৰী

# সাহিত্য আৰু সংস্কৃতি

ৰচনা : শশী শৰ্মা, লক্ষ্মীকুটিৰ,
নলবাৰী - ৭৮১ ৩৩৫

প্ৰকাশক : শ্ৰীসুৰেন্দ্ৰ নাথ শৰ্মা
অজন্তা : বেজৰকৰা পথ
নলবাৰী— ৭৮১ ৩৩৫

মূল্য : খনে ৩৫.০০ টকা

যোগানন্দ গৱেষণাগাৰ
লক্ষ্মীকুটিৰ
নলবাৰী— ৭৮১ ৩৩৫

মুদ্ৰণ :
ম[illegible]হ ছপাশাল
কলেজ ৰোড্ : বিদ্যাপুৰ
নলবাৰী : ৭৮১ ৩৩৫

প্ৰথম প্ৰকাশ : ১৯৯৭ এপ্ৰিল

# অৰ্পণ

মোৰ শুভ অনুধ্যায়ী
শ্ৰীনগেন্দ্ৰ নাথ ভট্টাচাৰ্যৰ হাতত

শশী শৰ্মা

GUWAHATI
GUWAHATI

# এখানি মনৰ কথা

নলবাৰীৰ 'অজন্তা'ৰ স্বত্বাধিকাৰী শ্ৰীসুৰেন শৰ্মা মোৰ সহপাঠী বন্ধু। লেখা পালেই এখন পুথিৰ কথা কয়। শাৰীৰিক অসুস্থতাৰ উপৰি আগতে হাত দিয়া কাম থকা কাৰণে এখন নতুন পুথি লেখি দিয়া সম্ভৱপৰ নহ'ল। অ'ত ত'ত প্ৰকাশিত এই ছয়টা আলোচনা খুপাত পুথিৰ ৰূপ দিয়াৰ আশাৰে বন্ধু শৰ্মাৰ হাতত তুলি দিলোঁ। পুথিখনৰ পাঁচটা আলোচনাই সাহিত্য বিষয়ক, ষষ্ঠ আলোচনাটোহে লোক-সংস্কৃতি বিষয়ক। অনুসন্ধিৎসু ছাত্ৰ-ছাত্ৰীৰ উপৰি সাধাৰণ পঢ়ুৱৈ সমাজে পুথিখন পঢ়ি আনন্দিত হ'ব বুলি বিশ্বাস আছে।

প্ৰায় সমগ্ৰ বিশ্বযুৰিয়ে ভাববাদী আলোচনাৰ দিন ক্ৰমে ক্ৰমে উকলি গৈছে। 'সাহিত্য আৰু সংস্কৃতি'ৰ আলোচনাকেইটাত কিঞ্চিৎ পৰিমাণে হ'লেও পঢ়ুৱৈ সমাজৰ মানসিকতাত বস্তুবাদী চিন্তাৰ চেতনা উন্মেষ কৰা বুলি অনুভৱ কৰিব পাৰিলে পৰম আনন্দ লভিম।

প্ৰকাশক শ্ৰীশৰ্মাৰ আগ্ৰহৰ শলাগ লৈছোঁ। ছপাশালৰ কৰ্মী-কৰ্মচাৰী সকলে পৰম কৰা সত্বেও যত্নৰে ছপাকাম সম্পন্ন কৰি দিয়া কাৰণে তেওঁলোকলৈ আগবঢ়াইছোঁ আন্তৰিক শুভেচ্ছা। শ্ৰীমতী পূৰৱী বৈশ্যাই একাধিক নিবন্ধৰ পাণ্ডুলিপি প্ৰস্তুত কৰি দিছে। তেওঁৰো শুভ কামনা কৰিলোঁ।

পঢ়ুৱৈ সমাজৰ মৰমৰ পৰা বঞ্চিত ন'হম বুলিয়ে ভাবনা।

মৰমৰ আশাত—

লক্ষ্মীকুটিৰ
নলবাৰী— ৭৮১ ৩৩৫

শশী শৰ্মা
২১/৮/৯৬

# সূচীপত্ৰ


১। ৰাজনীতি আৰু সাহিত্য ॥ ১ ॥

২। সাহিত্য, সাহিত্যিক আৰু সমাজ ॥ ১৩ ॥

৩। শিশু সাহিত্যৰ সমস্যা ॥ ৩৮ ॥

৪। বিপ্লৱী মনীষা জ্যোতি প্ৰসাদ ॥ ৫৮ ॥

৫। ভাত নদী নাছিল : এখন আধুনিক উপন্যাস ॥ ৬৫ ॥

৬। লোক নাট্যৰ স্বৰূপ :
নলবাৰী জিলা অঞ্চলৰ লোকনাট্যৰ আধাৰত ॥ ৭৬ ॥

# ৰাজনীতি আৰু সাহিত্য

বহুতেই ৰাজনীতি আৰু সাহিত্যৰ সম্পৰ্ক 'তেল পানী'ৰ দৰে অমিল বুলি ভাবে। কিন্তু ৰাজনীতি আৰু সাহিত্যৰ আদৰ্শ আৰু লক্ষ্যলৈ সূক্ষ্মভাৱে চকু দিলে দেখা যায় যে লক্ষ্য আৰু আদৰ্শৰ ক্ষেত্ৰতো মিল আছে আৰু ৰাজনীতি আৰু সাহিত্য উভয়ে পৰস্পৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিও আহিছে, ৰাজনৈতিক আদৰ্শহীন বা ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত নাগৰিক সাহিত্য সৃষ্টি হোৱাই নাই বুলি ক'লে সত্যৰ সত্তাৰ অপলাপ কৰা ন'হব।

ৰাজনীতি সমাজ, ৰাজ্য বা ৰাষ্ট্ৰ পৰিচালনা কৰা নীতিয়েই। ৰাজনীতিৰ উদ্ভৱ কেতিয়া হ'ল সঠিককৈ কোৱা টান, কিন্তু সভ্য মানুহে সমাজ পাতি স্থায়ীভাৱে বসতি কৰিবলৈ লোৱাৰে পৰা ৰাজনীতিৰ উদ্ভৱ হ'ল। ৰাজনীতিৰ লগত ৰাজ্য ক্ষেত্ৰ আৰু ৰাইজ বা জনগণ সম্পৰ্কিত হৈ আছে। কৌটিল্যৰ অৰ্থশাস্ত্ৰক ৰাজনীতি বিজ্ঞান বোলা হয়। স্বয়ং কৌটিল্যই 'অৰ্থ'ক 'জনগণৰ সৈতে ৰাজ্য' বুলি ব্যাখ্যা কৰিছে আৰু 'অৰ্থশাস্ত্ৰ'ক বুলিছে : 'ৰাজ্যৰ সংবৃদ্ধি বা বিকাশৰ উপায় বা নীতি বিষয়ক শাস্ত্ৰ বা গ্ৰন্থ' (কে, পি, জয়চোৱাল, হিন্দু পলিটি : পৃ ৪ / ৫)।

'নীতি' 'নী' ধাতুৰ পৰা উদ্ভৱ হৈছে, অৰ্থ আগবঢ়াই লৈ যোৱা, যিয়ে আগবঢ়াই লৈ যায় অৰ্থাৎ সমাজক যথোপযুক্ত ভাৱে বিকাশৰ পথত আগবঢ়াই নিয়ে, সিয়ে 'নীতি'।

প্ৰাচীন কালৰে পৰা ৰাজনীতি বিজ্ঞানী সকলৰ স্পষ্ট অভিমত যে ৰাজ্য-ৰাষ্ট্ৰৰ জনগণৰ পৰিপূৰ্ণ বিকাশত সহায় কৰাই ৰাজনীতিৰ প্ৰকৃত লক্ষ্য আৰু আদৰ্শ। আদিম সমাজবাদী জনগোষ্ঠী সমাজত এই আদৰ্শ বাস্তৱত ৰূপায়িত হৈছিল বুলি ভবাৰ থলো আছে।

সম্প্ৰতি এই কথাও অনুসন্ধিৎসু মাত্ৰেই জানে আৰু বিশ্বাস কৰে যে মানৱ সমাজৰ বিৱৰ্তনৰ ইতিহাস মানে প্ৰকৃততে সংঘাত-সংগ্ৰামৰ ইতিহাস। আদিতে এই সংগ্ৰাম আছিল প্ৰকৃতিৰ ওপৰত আধিপত্য বিস্তাৰৰ সংগ্ৰাম। সংগ্ৰামী জীৱনৰ অভিজ্ঞতা আৰু সফলতাই মানুহক আত্ম বিশ্বাসী কৰি তুলিছিল। এই

আত্ম বিশ্বাসেই হ'ল আত্ম চেতনা বা আত্মশক্তিৰ ভেটি। এই আত্ম শক্তিয়েই মানুহক মানুহৰ পৰা বিচ্ছিন্নও কৰিলে, এসময়ত একাংশ মানুহে নিজক আন অংশতকৈ উন্নত বুলি বিবেচনা কৰিবলৈ ধৰিলে। উন্নতৰূপে প্ৰতিপন্ন অংশই আপেক্ষিক ভাবে অনুন্নত অংশৰ ওপৰত প্ৰভাব বা প্ৰতিপত্তিও বিস্তাৰ কৰিব ধৰিলে। তেতিয়াই সৃষ্টি হ'ল শ্ৰেণী সমাজৰ আৰু তেতিয়াই আপেক্ষিকভাৱে উন্নত অংশই মতবাদ প্ৰতিষ্ঠা কৰিলে 'যোগ্য জোগ্যা বসুন্ধৰা' (Survival of the fittest) — (এঙ্গেলচ : এন্টি ডুৰিং : পৃ: ৯৮)। উন্নত অংশ কালক্ৰমত প্ৰভুৰূপে প্ৰতিষ্ঠিত হ'ল আৰু অনুন্নত অংশ বুৰ গৈ থাকিল শাৰীৰিক শ্ৰমৰ মাজত। সময়ত এই শ্ৰমকাৰী অংশক বোলা হ'ল দাস। শ্ৰমৰ বিকাশে মানুহ আৰু সমাজক সভ্যতাৰ পথত আগবঢ়াই নিছে আৰু নিবও, লগতে সভ্যতাৰ বিকাশেই আনি দিছে দাসত্বও। এঙ্গেলচে সাৰ্থক ভাবেই কৈছে যে সভ্যতাৰ প্ৰতিটো খোজেই মানুহৰ মাজত বৈষম্যবো সৃষ্টি কৰিছে। (এন্টি ডুৰিং পৃ: ১৯৩)।

আজি এই কথাও অনুসন্ধিৎসু মাত্ৰেই জানে আৰু অনুভৱ কৰে যে শ্ৰেণী সমাজত শ্ৰমকাৰী মানুহে কোনো দিনেই মানৱীয় মৰ্যাদা পোৱা নাই। যি বেদৰ কাৰণে আমি ভাৰতীয় সকল পৰম গৌৰৱান্বিত সেই বেদেই শ্ৰমকাৰী মানুহক চতুৰ্থীয়া পশু বুলি উপহাস কৰিবলৈ পাহৰা নাই। (ঋগ্বেদ : ৩ / ৬২ / ১৪)। শ্ৰেণী সমাজত সমাজ মানে শ্ৰেণী প্ৰভুসকল, সমাজৰ বিকাশ মানে শ্ৰেণী প্ৰভুসকলৰ বিকাশ। শ্ৰেণী সমাজৰ ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, সাহিত্য, সংস্কৃতি সকলোবোৰ শ্ৰেণীপ্ৰভু অভিমুখী। মাৰ্ক্সে সঠিক ভাবেই কৈ গৈছে যে "যি কোনো যুগতে শাসক (শোষক) শ্ৰেণীৰ ভাবাদৰ্শই হয় সেই যুগৰ ভাৱ ৰাজ্যৰ বিধানকৰ্তা।" (জাৰ্মান দৰ্শন)। এৰিষ্টটলকে ধৰি আৰু প্লেটোৰ সকলোবোৰ ৰাজনীতি বিষয়ক গ্ৰন্থই এই তত্ত্ব সমৰ্থন কৰে।

সাহিত্যৰ সৃষ্টি কেতিয়া হ'ল এই কথাও সঠিককৈ কোৱা টান। সম্ভৱ যিদিনা মানুহে কথা কবলৈ শিকিছিল, সিদিনাই সাহিত্যৰ সৃষ্টি হৈছিল। কাৰণ কথা কবলৈ বা মাত মাতিবলৈ শিকাৰ লগে লগে মানুহে জীৱন আৰু জগত বিষয়ক অভিজ্ঞতা বা অনুভূতি আনৰ আগত কবলৈ বা নিজস্ব আবেগৰ তাড়নাত ব্যক্ত কৰিবলৈ লৈছিল। আৰু সম্ভৱতঃ তেনেকৈয়ে এদিন আদিম সমাজত সাহিত্যৰ উদ্ভৱ হৈছিল। ৰাজনীতিৰ উৎপত্তি, বিকাশ আৰু বিবৰ্তনৰ লগতো ব্যক্তি আৰু সমাজ সংযুক্ত হৈ আছে। সাহিত্যৰ সুদীৰ্ঘকালীন ইতি-

হাসৰ পৰা ইয়াকো দেখা যায় যে ৰাজনীতিৰ দৰে সাহিত্যৰো মূল লক্ষ্য সমাজৰ কল্যাণ সাধন কৰা।—অন্যায়ৰ ঠাইত ন্যায়, অসত্যৰ ঠাইত সত্য, হিংসাৰ ঠাইত অহিংসা, ঘৃণাৰ ঠাইত প্ৰেমৰ, প্ৰভুত্বৰ ঠাইত বন্ধুত্বৰ পৰিবেশ গঢ়ি তোলা।

কিন্তু শ্ৰেণী সমাজত, ৰাজনীতি যেনেকৈ শ্ৰেণী শোষণ চৰিতাৰ্থ কৰাৰ অস্ত্ৰত পৰিণত হয়, সাহিত্যও হয় তেনেকৈ শ্ৰেণী স্বাৰ্থ ৰক্ষা কৰাৰ আহিলা হে। ভাৰতীয় সকলৰ পৰম্পৰাগত বিশ্বাস যে "মা নিষাদ..............' শ্লোকটো আদি শ্লোক ছন্দ। ইয়াৰ ৰচক মহৰ্ষি বাল্মীকি। এই শ্লোকটো এটা প্ৰবল প্ৰতিবাদ। কাম মোহিত অৱস্থাত থকা ক্ৰৌঞ্চ চৰাই হালৰ এটাক কোনো এজন ব্যাধে শৰ হানি নিৰ্মম ভাৱে বধ কৰাত আনটো চৰাই বিৰহ বেদনাত আকুল হৈ ইচাট বিচাট কৰি উৰি ফুৰিব ধৰিলে। এই শোকাবহ দৃশ্যই ঋষি বাল্মীকিক মৰ্মব্যথিত কৰি তুলিলে, তেওঁৰ অন্তৰ ভেদি যেন প্ৰতিবাদৰ ধ্বনি প্ৰকাশ পালে,—"হে নিষাদ, তোৰ কল্যাণ নহ'ব.... ।

'মা নিষাদ........' শ্লোকৰ স্ৰষ্টা বাল্মীকিয়েই ৰচনা কৰিছে আদিকাব্য ৰামায়ণ। ৰামায়ণৰ ৰচক বাল্মীকি কিন্তু শ্ৰেণী সমাজৰ দৃঢ় সমৰ্থক, বাল্মীকি ব্ৰাহ্মণ্যধৰ্মৰ প্ৰবক্তা। ক্ৰৌঞ্চ চৰাইৰ দুখত ব্যথিত হৃদয়ৰ কবি একেজনা বাল্মীকিয়ে মহাকাব্য ৰামায়ণ ৰচনা কৰা বুলি ভাবিবই নোৱাৰি। কাৰণ ৰামায়ণত শ্ৰেণী সমাজক দৃঢ় সমৰ্থন জনাইছে, ব্ৰাহ্মণ্যধৰ্মৰ বিৰোধী সকলক ৰাক্ষস ৰূপে চিত্ৰিত কৰিবলৈও এৰা নাই। ইতিহাসৰ লগত সামান্য সম্পৰ্ক থকা জনেও জানে যে ব্ৰাহ্মণ্য ধৰ্ম অনুসৰি সমাজত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ৰ স্থান আছিল সবাৰো ওপৰত। ক্ষত্ৰিয়ক ৰজা ৰূপে অভিষিক্ত কৰিছিল ব্ৰাহ্মণ পুৰোহিত সকলেই। অভিষেকৰ সময়ত ব্ৰাহ্মণ-পুৰোহিত শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ অৰ্থে ক্ষত্ৰিয় ৰজাই শপত খাব লাগিছিল। ব্ৰাহ্মণ পুৰোহিত শ্ৰেণীয়ে বংশ পৰম্পৰা অনুসৰি যাতে ক্ষত্ৰিয় সকলে অবাধে ৰাজত্ব কৰিব পাৰে তাৰ কাৰণে আৱশ্যকীয় নীতিশাস্ত্ৰ ৰচনা কৰিছিল। এই নীতিৰ বিৰোধীক ঘৃণনীয় ৰাক্ষস ৰূপে চিত্ৰিত কৰিবলৈও অকণো সুযোগ নেহেৰুৱাইছিল। (এ. এচ, আলটেকাৰ, ষ্টেট এণ্ড গৱৰ্ণমেণ্ট ইন এনচিয়েণ্ট ইণ্ডিয়া : ১৯৭৭ সংস্কৰণ, পৃষ্ঠা, ৭৮)

ভেদনীতিৰ ওপৰত প্ৰতিষ্ঠিত ব্ৰাহ্মণ্যধৰ্মক ৰক্ষা কৰচ পিন্ধোৱা আৰু ব্ৰাহ্মণ্য ধৰ্মৰ বিৰোধী ৰাক্ষস বংশ নিৰ্বংশ কৰাই হ'ল প্ৰকৃততে ৰামায়ণৰ মূল লক্ষ্য। 'মনুসংহিতা' ব্ৰাহ্মণ্যধৰ্মৰ মুখপত্ৰ স্বৰূপ। মনুসংহিতাত বৰ্ণিত সকলো ধৰণৰ বিধি-ব্যৱস্থা ৰামায়ণৰ কবিয়ে, প্ৰকৃততে আখৰে আখৰে পালন কৰিছে। ৰাম

আদৰ্শ পুৰুষ, কাৰণ মনুসংহিতাত কথিত ক্ষত্ৰিয়ৰ সকলো গুণৰ অধিকাৰী ৰাম। তেনেকৈ সীতাও আদৰ্শ নাৰী, কাৰণ সীতাৰ মাজেদিও আদৰ্শ নাৰীৰ চৰিত্ৰ মনুসংহিতাৰ অনুকৰণতেই প্ৰকাশ পাইছে। কিন্তু ৰাৱণ ৰাক্ষস, কাৰণ ব্ৰাহ্মণ্য-ধৰ্মৰ বিদ্বেষী, শূৰ্পণখা ৰাক্ষসী, কাৰণ ব্ৰাহ্মণ্যধৰ্মৰ মুখপত্ৰ মনুসংহিতাত বৰ্ণোদ্ধাৰ দৰে শূৰ্পণখাই পুৰুষৰ অধীন হৈ নাথাকি স্বাধীনভাৱে দণ্ডক বণ্যত ৰাজ্য শাসন কৰিছিল, মুকলি ভাৱে আহাৰ বিহাৰ আৰু আনকি প্ৰেম নিবেদন কৰিবলৈও এৰা নাছিল। গতিকে শূৰ্পণখা ৰাক্ষসী, ব্ৰাহ্মণ্যধৰ্মৰ বিদ্বেষী শূৰ্পণখাৰ নাক কাণ লক্ষ্মণৰ দ্বাৰা কটাই আদি কবি বাল্মীকিয়ে সমুচিত দণ্ড বিহিহে এৰিছিল। 'ৰামায়ণ'ৰ শম্বুকবধ ব্যাপাৰ? শম্বুক শূদ্ৰ। মনুসংহিতা অনুসৰি তাৰ পবিত্ৰ কৰ্তব্য হ'ল অসূয়াহীন ভাৱে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যৰ সেৱা-শুশ্ৰূষাত আত্ম নিয়োগ কৰা (মনু: ১/৯১)। শাস্ত্ৰৰ বিধান, পণ্ডিতৰ আদেশ,— যি শূদ্ৰই স্বামী প্ৰভুশ্ৰেণীৰ তুষ্টিৰ কাৰণে সৰ্বতোপ্ৰকাৰে আত্ম নিয়োগ কৰে,— সি পৰ-লোকত অমৃতময় স্বৰ্গ লাভ কৰিব। শূদ্ৰ হৈয়ো শম্বুকে এই নীতি, আদেশ উলংঘা কৰিলে,— দেৱলোক জয় কৰি সশৰীৰে দেৱত্ব লাভ কৰিবলৈ সি আৰম্ভ কৰিলে তপস্যা। ব্ৰাহ্মণ্য ধৰ্ম অনুসৰি শম্বুকৰ এনে বিদ্ৰোহ অক্ষমনীয়। ৰামৰ কুলগুৰু সকল বশিষ্ঠ, মাৰ্কণ্ডেয়, মৌদ্গল্য, বামদেৱ, কাশ্যপ, কাত্যায়ন, জাবালি, গৌতম, নাৰদ প্ৰভৃতি পণ্ডিত বৰ্গই বিধান দিলে, শম্বুকৰ মহাপাপৰ উপযুক্ত শাস্তি শিৰশ্ছেদ। গতিকে ব্ৰাহ্মণ্যধৰ্মৰ পৰম অনুগামী আদৰ্শ বীৰ ৰাম-চন্দ্ৰই শূদ্ৰতপস্বী শম্বুকক বিচাৰি উলিয়াই আপোনহাতে তাৰ শিৰশ্ছেদ কৰি আদৰ্শ প্ৰতিষ্ঠা কৰিলে, যাতে আন কোনো শূদ্ৰই জ্ঞানৰ অৰ্থে তপস্যাৰত হ'বলৈ মনসাহ নকৰে। দেৱত্ব লাভৰ অভিলাষী শম্বুকক আদি কবি বাল্মীকিয়ে জানি শ্ৰেণী সমাজক ৰক্ষা কৰিবৰ বাবে অৰ্থহ নিৰ্মম ভাৱে নিহত নকৰালে?

এই দেৱত্ব-না কি? দেবী প্ৰসাদ চট্টোপাধ্যায়ে এটাইত লেখিছে,— "পুৰো-হিত শ্ৰেণীৰ একাংশই বস্তুক অৱস্থ কৰি দেখুৱালে, তেওঁলোকৰ মতে বস্তু ব জগত মিছা, ব্ৰহ্মহে সত্য-সঁচা। এওঁলোক ব্ৰহ্মবাদী। আৰু যি সকলে বস্তু বা জগতক মিছা নুবুলি সঁচা-সত্য বুলিলে সমগ্ৰ সমাজে তেওঁলোকক অসুৰ, দৈত্য, দানৱ, ৰাক্ষস বুলি অভিহিত কৰিলে। সমাজে ব্ৰহ্মবাদী সকলক বুলিলে দেৱতা।" (ইণ্ডিয়ান ফিলোচফী: পৃ: ১০১)। বস্তুবাদী চাৰ্বাকৰ কাহিনী এই প্ৰসংগত উল্লেখযোগ্য। চাৰ্বাক মানৱীয়বাদী আছিল। ৰাজ্য আৰু ৰাজত্বৰ লোভত কুৰুক্ষেত্ৰ যুদ্ধত পাণ্ডৱসকলে কৌৰৱৰ লগতে উনৈশ অক্ষৌহিণী

সেনা-সেনানী নিধন কৰা কাৰ্য্য চাৰ্বাকে সমৰ্থন কৰা নাছিল, চাৰ্বাকে প্ৰত্যক্ষ ভাবে বিৰোধহে কৰিছিল। কিন্তু অন্যান্য ব্ৰহ্মবাদী ঋষি মুনি সকলে যুদ্ধজয়ী পাণ্ডৱক দুহাত তুলি আশীৰ্বাদহে দিছিল। ব্ৰহ্মবাদী ঋষি মুনি সকলে চাৰ্বাকক ৰাক্ষসৰূপে প্ৰতিপন্ন কৰিলে আৰু ধৰ্মবীৰ পাণ্ডৱসকলৰ সাক্ষাততে জ্বলা জুইত জাঁপি দি ব্ৰহ্মবাদী সকলে চাৰ্বাকক পুৰি মাৰিলে।

ৰামায়ণ-মহাভাৰতক ভাৰতীয় সভ্যতা-সংস্কৃতিৰ ভেটি বোলা হয়। ভাৰতীয় সভ্যতা সংস্কৃতিৰ ইতিহাসৰ লগত সম্যক ভাবে পৰিচিত হ'বলৈ হ'লে ৰামায়ণ-মহাভাৰতৰ অধ্যয়ন অপৰিহাৰ্য্য। কিন্তু সূক্ষ্ম ভাবে বিচাৰ কৰিলে দেখা যায় যে দুয়োখন মহাকাব্যৰ মূলভেটি ব্ৰাহ্মণ্যধৰ্ম আৰু তাৰ পৰা উদ্ভৱ হোৱা শ্ৰেণী সমাজ। ৰামায়ণ মহাভাৰতৰ কবিৰ দ্বৈত ৰূপ,— প্ৰকৃতি জগতৰ ইতৰ প্ৰাণীৰ ক্ষেত্ৰত তেওঁলোক মহান, উদাৰ। ক্ৰৌঞ্চ চৰাইৰ দুখত ব্যথিত হৈ বিগলিত কণ্ঠেৰে ৰামায়ণৰ কবিয়ে পৰম সহানুভূতি সূচক ছন্দ 'মা নিষাদ...' ৰচনা কৰে, কিন্তু যুগধৰ্ম ব্ৰাহ্মণ্যবাদৰ ৰক্ষাৰ অৰ্থে স্বৈৰ বিহাৰিণী হেতুকে নাৰী শূৰ্পণখাৰ নাক-কাণ কটাবলৈ বা জ্ঞান পিপাসু শূদ্ৰ শম্বুকৰ শিৰশ্ছেদ কৰিবলৈও কুণ্ঠাবোধ নকৰে। মহাভাৰতৰ কবিয়েও 'ন মনুষ্যাৎ শ্ৰেষ্ঠতৰং হি কিঞ্চিত্' বুলি মানুহৰ তথা মানৱতাৰেই জয় ঘোষণা কৰিছে। কিন্তু ব্ৰাহ্মণ্যধৰ্মৰ স্বাৰ্থত মহাবীৰ কৰ্ণক সততে অপমান অৱহেলা কৰিছে, কাৰণ বৰ্ণ শূদ্ৰ অধীৰথ সূতৰ ঘৰত লালিত পালিত হৈছিল, মহাগুণী আৰু সাধক হোৱা সত্ত্বেও ব্ৰাহ্মণ্যধৰ্মৰ পৰম পৰিত্ৰাতা কালিমা দ্ৰোণাৰ আশকাত শূদ্ৰ নিষাদ একলব্যৰ হাতৰ আঙুলি নিৰ্মম ভাবে কটাইছিল, ব্ৰাহ্মণ্যবাদৰ বিৰোধী কাৰণে চাৰ্বাকক জ্বলা জুইত জাঁপি দি পুৰি মৰাইছে। শ্ৰেণী সমাজৰ সামন্তযুগীয়া ৰাজনীতিৰ পূৰ্ণ বিকাশ ৰামায়ণ-মহাভাৰত।

মহাকবি কালিদাসৰ তেওঁৰ অতুলনীয় কবিত্ব শক্তিৰ বিষয়ে সন্দেহৰ অৱকাশ নাই। কিন্তু তেওঁ ব্ৰাহ্মণ্যধৰ্মৰ সমৰ্থক ভিন্ন আন একো নাছিল। তেওঁৰ উৎকৃষ্ট সাহিত্য কৃতি শকুন্তলা নাটকলৈ লক্ষ্য কৰিলেও এই কথা স্পষ্ট হৈ পৰে। নায়ক ৰজা দুষ্মন্ত সামন্তযুগীয় শোষক ৰজা। একাধিক পত্নী থকা সত্ত্বেও ৰূপহী শকুন্তলাক দেখাৰ লগে লগে কামমুগ্ধ হয়, পালিত পিতৃ কণ্ব বা পালিতা মাতৃৰ অনুমোদনলৈ অপেক্ষা নকৰি আশ্ৰমৰ গছ-লতিকাৰ মাজতে শকুন্তলাক সম্ভোগ কৰিলে। সম্ভোগ চৰিতাৰ্থ কৰি গুচি গ'ল ৰাজধানীলৈ আৰু তাত নানা সম্ভোগ বিলাসিতাৰ মাজত জীৱন অতিবাহিত কৰিবলৈ লোৱা ৰজা

দুষ্মন্তই আশ্ৰম কন্যা শকুন্তলাক পাহৰি গ'ল। পত্নীৰূপে জীৱন নিৰ্বাহ কৰিবলৈ অহা শকুন্তলাক নিৰ্মমভাৱে অপমান কৰি খেদি দিলে। এনে কাৰ্য্য সামন্তযুগীয়া শোষণৰ কদৰ্যপূৰ্ণ ৰূপ ভিন্ন আন একো নহয়। কবি কালিদাসে এইজন চৰিত্ৰহীন ৰজাক আদৰ্শবান ৰূপে চিত্ৰিত কৰাৰ অৰ্থে কিন্তু উদ্ভাৱন কৰিলে দুৰ্বাশাৰ অভি-শাপ। কালিদাসৰ অন্যান্য সৃষ্টিতো একে কথাকে দেখা যায়। চৰিত্ৰহীন ৰজাক মহান আদৰ্শবান ৰূপে চিত্ৰিত কৰি মুঠিয়ে মুঠিয়ে স্বৰ্ণ মুদ্ৰা লাভ কৰাই বোধহয় মহাকবি কালিদাসৰ জীৱনৰ মহান লক্ষ্য আছিল। মহাপুৰুষ শংকৰদেৱেও ভাগৱতত কৈ গৈছে—

তেজস্বীক সিটো        পাতকে নাপাৱে
আত কোন দোষ আছে
যেন সৰ্বভক্ষ        বহ্নি তথাপিতো
তাংক কোন ভনে বাছে॥

—(ভাগৱত : ১০ / ১৫৩৭)

এনে বিচাৰহীন অন্ধ আনুগত্যপূৰ্ণ নীতিৰেই আছিল মধ্যযুগৰ ভাৰত তথা সমগ্ৰ পৃথিৱীত জয়জয়কাৰ। কিন্তু তথাপি কালিদাস মহান, ব্যাস, বাল্মীকি কেৱল ঋষিয়েই নহয়, অৱতাৰী পুৰুষো। কাৰণ প্ৰচলিত ৰাজনীতি আৰু ৰক্ষণশীল সমাজ সংস্কৃতিক তেওঁলোকে ৰচনাৱলীৰ মাজেদি ৰক্ষাকবচ পিন্ধাই গৈছে।

শ্ৰেণী সমাজৰ নীতি মানেই হ'ল 'যোগ্য ভোগ্য বসুন্ধৰা'। এই যোগ্য সকল হ'ল শ্ৰেণী প্ৰভু। শ্ৰেণী সমাজত সমাজ মানেই হ'ল এই প্ৰভুসকল আৰু সমাজৰ লক্ষ্য যেন এই প্ৰভু শ্ৰেণীৰ তুষ্টি সাধন কৰা। এই শ্ৰেণী প্ৰভু শ্ৰেণীয়ে নিজক ঈশ্বৰৰ প্ৰতিনিধি ৰূপে প্ৰতিপন্ন কৰিয়ে তুষ্ট নাথাকিছিল, নিজক স্বয়ং ঈশ্বৰ বুলিয়েও দাবী কৰিছিল। ৰুচিয়াৰ জাৰ সম্ৰাটেও জানো দাবী কৰা নাছিল,—"মোৰ সিংহাসনেই ভগৱানৰ বেদী, ইয়াৰ আগত মূৰ দোঁৱোৱাই তোমাৰ ধৰ্ম, মোৰ আদেশেই ভগৱানৰ বাণী আৰু এই আদেশ পালন কৰাই তোমাৰ ধৰ্ম"। (হেম বৰুৱা, - বিপ্লৱৰ পূৰ্বে ৰুচিয়া)। সামন্তযুগীয়া ৰাজনীতি আৰু সাহিত্য-সংস্কৃতিৰ ভেটি আছিল এনে অবিসম্বাদী দাসত্বই। এনে দাসত্বৰ পৰা নিজক আৰু সমাজক মুক্ত কৰিবলৈ আগবাঢ়ি অহাৰ সাহসেই বা আছিল কিমানৰ? ধৰ্ম, সম্প্ৰদায়ৰ নামত থান-থান বান বান হৈ থকা সেই সমাজত অন্যায়-অনাচাৰৰ বিৰুদ্ধে যুঁজিবলৈ কোনো সংগঠন নাছিল। উগ্ৰসাহসী যি দুই-এজনে অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ দাবীত প্ৰতিবাদ কৰিবলৈ মনসাহ কৰি ওলাই

আহিছিল, তেওঁলোকৰ অৱস্থা হৈছিল মহাভাৰতৰ চাৰ্বাকৰ দৰে। এই কাৰণেই মধ্যযুগত প্ৰগতিবাদী অংশটো শ্ৰেণী প্ৰভু শোষক শ্ৰেণীৰ ওপৰত আঘাত কৰিবলৈ বাধ্য হৈছিল। অসমত নৱবৈষ্ণৱ আলোড়নৰ প্ৰৱৰ্তক মহাপুৰুষ শংকৰদেৱেই এই ক্ষেত্ৰত উজ্জ্বলতম নিদৰ্শন; যেতিয়া মহাৰাজ নৰনাৰায়ণলৈ বুলি নিবেদন কৰা প্ৰশস্তি চুটিয়ে জানো এই কথা সমৰ্থন নকৰে!

সময় গতিশীল আৰু সমাজো পৰিবৰ্তনশীল। এই গতিশীলতাই হ'ল জগতৰ অগ্ৰগতিৰ মূল। এঙ্গেলছে সঠিক ভাবেই কৈ গৈছে "ক্ষুদ্ৰতমৰ পৰা বৃহত্তমলৈ, এটা ধূলিকণাৰ পৰা সূৰ্য্যলৈ, আদিম জীৱকোষৰ পৰা মানুহলৈ, সমগ্ৰ পৃথিৱী আবিৰ্ভূত আৰু তিৰোহিত হৈছে, প্ৰতি মুহূৰ্ত্তে পৰিবৰ্তন সংঘটিত হৈয়ে আছে, সকলো বস্তু নিৰৱচ্ছিন্ন গতি আৰু ৰূপান্তৰৰ অৱস্থাত আছে।" ( এন্টি ডুহ্ৰিং পৃঃ ৮৫/৮৬ ) এই গতি আৰু ৰূপান্তৰ শাশ্বত, এই ৰূপান্তৰৰ গতিত যিবোৰ ক্ষয়-প্ৰাপ্ত হৈছে সিবোৰ ক্ষয়িষ্ণু আৰু যিবোৰৰ বিকাশ ঘটিছে সিবোৰ হ'ল বৰ্দ্ধিষ্ণু বা বিকাশমান।" ক্ষয়িষ্ণু শক্তি অতীত মুখী বিকাশমান শক্তি কিন্তু ভৱিষ্যৎ মুখী। অতীতমুখী শক্তি ৰক্ষণশীল আৰু ভৱিষ্যৎমুখী শক্তি প্ৰগতিশীল।

বিশ্ব প্ৰকৃতিৰদৰে মানৱ সমাজো চিৰপৰিবৰ্তনশীল। নাস্তিক্যবাদ ( *The law of the negation of negation* ) হ'ল বিবৰ্তনবাদৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। আদিম সাম্যবাদী সমাজৰ পৰা বৰ্তমানৰ বৈজ্ঞানিক সমাজতন্ত্ৰবাদলৈ লক্ষ্য কৰিলেই এই তত্ত্ব সহজে উপলব্ধি কৰিব পৰা যায়। বৰ্তমানবোৰ অতীতৰ বুকুত বিলীন হৈয়ে আছে আৰু তাৰ ঠাইত নতুন ভৱিষ্যতও সৃষ্টি হৈয়ে আছে। এই বিবৰ্তনবাদৰ নিৰৱচ্ছিন্ন গতিত এসময়ৰ প্ৰগতিবাদ যেন অতন্দ্ৰ হোৱা ভাবাদৰ্শ সময়ত প্ৰতিক্ৰিয়াশীল ৰূপে প্ৰতীয়মান হোৱাই স্বাভাৱিক। কাৰণ জগতৰ সকলোবোৰ তথ্য আৰু তত্ত্ব আপেক্ষিক ভাবেহে সত্য। যুগৰ লগে লগে সত্যবো পৰিবৰ্ত্তন— পৰিবৰ্দ্ধন ঘটাই স্বাভাৱিক।

প্ৰতিক্ৰিয়াশীল শক্তিয়ে কিন্তু সমাজক অতীতৰ বুকুত ধৰি ৰাখি ৰাখিবলৈকে আত্মপুৰুষাৰ্থ কৰে আৰু আপেক্ষিক সত্যকে পৰমসত্য বা চিৰসত্য ৰূপেও প্ৰতিপন্ন কৰে। এই অংশই নানা অপকৌশলেৰে কেৱল অৰ্থনৈতিক বা ৰাজনৈতিক জীৱনতেই প্ৰভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা নকৰে, মানুহৰ ধ্যান, ধাৰণা আৰু চিন্তা অৰ্থাৎ সংস্কৃতিৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিবলৈ প্ৰতাড়নাৰ জাল পেলায়। আজিৰ যুগ বিজ্ঞানৰ যুগ, বৈজ্ঞানিক সমাজতন্ত্ৰৰ যুগ। বিজ্ঞানময় চিন্তা-চৰ্চা, ধ্যান-ধাৰণা বিনে যে আজিৰ মানুহৰ কাৰণে নতুন ভৱিষ্যতৰ কোনো সম্ভাৱনা

নাই, এই কথা আজিৰ দিনত প্ৰায় সকলো মানুহেই অনুভৱ কৰে। অথচ শোষক পুঁজিপতি— সাম্ৰাজ্যবাদী চক্ৰই মানুহক মধ্যযুগীয়া অন্ধ সংস্কাৰৰ মাজত বুৰাই ৰাখি শোষণৰ পথ হে মুকলি কৰি ৰাখিবলৈ অপকৌশল চলায়। মাৰ্কিন যুক্ত ৰাষ্ট্ৰই শোষণৰ জাল তৰি সমগ্ৰ পৃথিৱীকে লুণ্ঠন কৰি আছে। অথচ এওঁলোকৰ একাংশ মানুহ লিপ্ত হৈছে মহাকাশত মহানাম প্ৰচাৰ কৰি মধ্যযুগীয়া কায়দাত বিশ্বশান্তি প্ৰতিষ্ঠা কৰিবলৈ। আন এখন পুঁজিবাদী ৰাষ্ট্ৰ জাপানৰ চোৰাং চোৱা বাহিনীয়ে খোল, তাল, মৃদং লৈ গেৰুৱাবসনধাৰী হৰিনাম প্ৰচাৰ কৰা এই মাৰ্কিনী লোকসকলক কুখ্যাত 'চিয়া' (*CIA*)ৰ লোক বুলি প্ৰমাণ কৰি দেখুৱাইছে। অসমীয়া দুই এক লেখকৰ ৰচনাতো এনে অতীত মুখী চিন্তা পৰিৱেশৰ সৃষ্টি কৰা দেখোঁ। বিশিষ্ট কথা সাহিত্যিক লক্ষ্মীনন্দন বৰা বিজ্ঞানৰ শিক্ষকেই নহয়, সৰ্ব-ভাৰতীয় স্বীকৃতিপ্ৰাপ্ত এজন বিশিষ্ট গৱেষক আৰু গৱেষণা পৰিচালক ৰূপেও খ্যাত। অথচ তেৱেঁই ৰচনা কৰিছে 'আদথনীয়া চৰিত' ৰ দৰে গল্প, য'ত তেওঁ পাঁচশ বছৰ আগতে মহাপুৰুষ শংকৰদেৱে 'অজামিল উপাখ্যান'ত সৃষ্টি কৰাৰ দৰে যমদূত-বিষ্ণুদূতৰ সৃষ্টি কৰি আমাৰ সমাজক অন্ধ সংস্কাৰৰ মাজলৈ ঠেলি দিয়'ৰ অপকৌশল চলাইছে।

কোনো সন্দেহ নাই যে ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাই হ'ল সমাজৰ ভিত্তিভূমি বা কাঠামো আৰু চিন্তা-চৰ্চা, ধ্যান-ধাৰণা অৰ্থাৎ সাহিত্য-সংস্কৃতি উপৰি সৌধ। কিন্তু সমাজ সচেতন ব্যক্তি মানেই অনুভৱ কৰে যে প্ৰগতিশীল আদৰ্শৰ ভেটিত প্ৰতিষ্ঠিত সাহিত্য-সংস্কৃতিয়ে সমাজৰ ভিত্তিভূমি বা কাঠামো পৰিবৰ্তনত অনুপম সহাৰি জনায়। নাস্তিক্যবাদৰ তত্ত্ব অনুসৰিয়েই আজিৰ পৃথিৱী সমাজতন্ত্ৰ-বাদলৈ আৰু সমাজতন্ত্ৰবাদৰ পৰা সাম্যবাদলৈ গতি কৰিছে অ..। আজিৰ যুগৰ সাহিত্যিক-শিল্পীৰ কৰ্তব্য হ'ল মানুহক বৈজ্ঞানিক সমাজতন্ত্ৰবাদৰ প্ৰতি আকৃষ্ট কৰা, মানুহৰ চিন্তা-চৰ্চা, ধ্যান-ধাৰণাৰ মাজেদি সুদৃঢ়ভাৱে প্ৰকাশ পোৱাব লাগে যে সমাজতন্ত্ৰত শ্ৰেণী শোষণ আৰু শ্ৰেণী দ্বন্দ্বৰ অৱসান ঘটিবই, শ্ৰেণীহীন শোষণ মুক্ত সমাজত হে ব্যক্তিৰ স্বাধীন চিন্তাৰ বিকাশ সম্ভৱপৰ। তেতিয়াহে সমাজ বিকাশৰ গতি দ্ৰুত হ'ব। মধ্যযুগীয়া অন্ধ সংস্কাৰৰ মাজলৈ ঠেলি নিব বিচৰা সাহিত্য কেৱল ৰক্ষণশীল আদৰ্শযুক্তই নহ'ব, ই হ'ব শোষণৰো হাতিয়াৰ।

আজিৰ যুগ আন্তৰ্জাতিক যুগ। বিজ্ঞানৰ ক্ৰম বিকাশে আজি সমগ্ৰ বিশ্বক একাকাৰ কৰি পেলাইছে। অৱশ্যে 'বসুধৈৱ কুটুম্বকম্', 'বান্ধৱাঃ মানৱাঃ সৰ্বে', 'স্বদেশ ভুৱন ত্ৰয়ম্' আদি আদৰ্শৰ প্ৰচাৰ আমাৰ দেশতো বহুদিন আগৰে পৰা

আছিল। কিন্তু সন্দেহ হয়, তেতিয়াৰ বিশ্ব কিমান ব্যাপক আছিল। যোগাযোগ ব্যৱস্থা অত্যন্ত হীন হৈ থকা কাৰণে মাথোঁ কিছুদিন আগলৈকেও আমাৰ মানুহে গাঁৱৰ সিকালে ওলমি থকা দিগন্তকেই পৃথিৱীৰ ওৰ বুলি ভাবিবলৈ বাধ্য হৈছিল। আজি যোগাযোগ ব্যৱস্থাৰ প্ৰচুৰ বিকাশ ঘটা হেতুকে বাতৰি কাকত, ৰেডিঅ', টেলিভিশ্যন আদিৰ মাধ্যমত ক্ষন্তেকৰ ভিতৰতে সমগ্ৰ বিশ্বৰ জগত, আনকি মহাকাশৰ জগতো ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলা সম্ভৱপৰ হৈছে। বৈজ্ঞানিক আৱিষ্কাৰ আৰু প্ৰযুক্তিবিদ্যাৰ বিনিময়ে দেশ-দেশান্তৰৰ মানুহৰ মাজত ভেদাভেদ সম্পূৰ্ণ ৰূপে দূৰ কৰি এখন বিশ্বসমাজ গঢ়ি তুলিবলৈ আজিৰ মানুহক অনুপ্ৰাণিত কৰিছে। গৰ্কীয়ে কোৱাৰ দৰে, আজিৰ এক বিশিষ্ট সংখ্যক সাহিত্যিকে এই নতুন যুগক প্ৰতিনিধিত্ব কৰি মানুহৰ ব্যক্তিগত সামৰ্থ্যক নিৰৱচ্ছিন্ন বিকাশ সাধনৰ জৰিয়তে সীমাহীন প্ৰয়োজন পূৰণৰ অৰ্থে জগতৰ আমূল পৰিৱৰ্তন সাধি মানৱ জাতিক এটা সুন্দৰ সুখী পৰিয়ালৰ দৰে গঢ়ি তুলিবলৈ যেন দৃঢ় পৰিকৰ। এই অংশ সাহিত্যিকৰ মানত "জাতি এক ; সেই জাতি অনন্য আৰু বিশ্বব্যাপক, সেই জাতিৰ মানুহে দুখ ভোগ কৰে, সংগ্ৰাম কৰে, বাৰে বাৰে তৰিৰ ওপৰত ভৰ দি উঠি থিয় হয়, তেজেৰে তিতি থকা কঠিন পথেৰে অশ্ৰান্তভাৱে আগবাঢ়ে। সেই জাতি সকলো মানুহৰ এক জাতি। এই জাতিৰ প্ৰতিজন মানুহেই আমাৰ ভাই।"
(ৰোঁমা ৰোঁলা)

দুৰ্ভাগ্যৰ বিষয় যে এই আন্তৰ্জাতিক বৈজ্ঞানিক সমাজতন্ত্ৰৰ যুগত আমাৰ অসমীয়া সাহিত্যত একাংশ সাহিত্যিকে জোঁৰাৰ তুলিছে উগ্ৰজাতীয়তাবাদৰ। লক্ষ্মীনন্দন বৰাৰ 'আকৌ শৰাইঘাট' উপন্যাসখনে বাৰু সাম্ৰাজ্যবাদৰ নিকৃষ্টৰূপ উগ্ৰজাতীয়তাবাদী ফেচীবাদকেই সমৰ্থন কৰা নাইনে? এনে সাহিত্যই ৰাইজৰ ঐক্য-সংহতি বিনষ্ট কৰি ভাতৃঘাতী সংঘাতত লিপ্ত হ'বলৈ উচটোৱা নাই নে? বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য বিশিষ্ট প্ৰগতিবাদী সাহিত্যিক ৰূপে পৰিচিত অসমীয়া সাহিত্যিক। তেওঁৰ কাপৰ পৰা ওলাইছে 'ৰাজপথে ৰিঙিয়াই', 'প্ৰতিপদ', 'ৰঙামেঘ' আদিৰ দৰে উপন্যাস আৰু 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি'ৰ লেখীয়া সমাজতান্ত্ৰিক বাস্তৱবাদৰ আদৰ্শ প্ৰতিফলিত কৰা কবিতা। অথচ সেইজন বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই 'ঔৰ্ধ্বদৈহিক ক্ৰিয়া'ৰ দৰে গল্প লেখি উগ্ৰজাতীয়তাবাদী সকলক 'নাৰায়ণী সেনা' বুলি অভিহিত কৰি সমাজক বিভ্ৰান্ত কৰিবলৈ এৰা নাই। আৰু দুখৰ কথা যে কবি সমালোচক ভবেন বৰুৱাই কিবা ব্যক্তিগত আক্ৰোশতে ধৈৰ্য্য হেৰুৱাই (সম্ভৱতঃ) সমাজতন্ত্ৰবাদক 'দাঙাবাদ' বুলি, আৰু

ভাৰতৰ সমাজতান্ত্ৰিক আলোড়নক 'ব্ৰাহ্মণ্যবাদ' ভিন্ন আন একো নহয় বুলি চিঞৰি-বাখৰি তাল-আফাল লগাবলৈ কুণ্ঠাবোধ কৰা নাই। এওঁলোকে নিজেও চিন্তা কৰক আৰু সমাজকেও ভাবক— এওঁলোকে কাক প্ৰতিনিধিত্ব কৰিছে। "সমাজতান্ত্ৰিক সমাজৰ মানুহৰ মাজতহে যে মুক্তি মূৰ্তমান হৈ উঠে।" (মাৰ্ক্স) তাক আজিৰ মুক্তিকামী মানুহে মৰ্মে মৰ্মে অনুভৱ কৰে।

পেটি বুৰ্জোৱা মনোবৃত্তিৰ আত্মশ্লাঘাৰ প্ৰিয় লেখক— সাহিত্যিক, তথা বুদ্ধিজীৱি এনেদৰে বিভ্ৰান্তিৰ খালত পৰা একো নতুন কথা নহয়। স্বয়ং ৰবীন্দ্ৰনাথো ইয়াৰ পৰা মুক্ত থাকিব পৰা নাছিল। সম্ভৱতঃ বৈজ্ঞানিক সভ্যতাৰ 'অগ্ৰদূত' বুলি বিশ্বাস কৰি তেওঁ এদিন "আন্তৰিক শ্ৰদ্ধা নিয়ে ইংৰাজকে হৃদয়েৰ উচ্চাসনে বসিয়েছিলেম।" (সভ্যতাৰ সংকট)। এনে বিভ্ৰান্তিৰ ফলতে এদিন ইংৰাজকে 'ভাৰত ভাগ্য বিধাতা' ৰূপে প্ৰতিপন্ন কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। সেইদিন ৰবীন্দ্ৰনাথৰ প্ৰশংসাত ইংৰাজ, সাহিত্যিক সমালোচক সকল শতমুখ হৈ উঠিছিল, "ৰবীন্দ্ৰ নাথ অনন্য সাধাৰণ, সুললিত আৰু অনায়াসপটু কবি।" কিন্তু যেতিয়া ৰবীন্দ্ৰনাথৰ জনসম্পৰ্ক গঢ় লৈ উঠিল, ইংৰাজ শাসনৰ দুৰ্দ্দশা, কদাকাৰ ৰূপৰ লগত পৰিচয় ঘটিল, ভাৰতীয় জনগণক শোষণ কৰি ইংৰাজ কিদৰে ঐশ্বৰ্য্যশালী হৈ উঠিছে তাকো দেখিলে, আৰু লগে লগে সৃষ্টিৰ মাজেদি ইংৰাজৰ বিৰুদ্ধে প্ৰতিবাদ মুখৰ হৈ উঠিল, আনকি 'অচলায়তন'ৰ দৰে নাটকো ৰচনা কৰিলে, তেতিয়া আনকি, ইমাৰ্চনৰ দৰে বিদগ্ধ সাহিত্যিক— সমালোচক জনেও ৰবীন্দ্ৰনাথক কেৱল 'কাল অনুসৰি' বুলি অৱজ্ঞা কৰিবলৈ নেৰিলে। অৱশেষ ১৯৩০ চনত ষ্টালিনৰ শাসন কালৰ ছোভিয়েট ৰুচিয়া ভ্ৰমণ কৰি অহাৰ পিছত ইংৰাজ তথা ইউৰোপীয় সভ্যতাৰ প্ৰতি থকা মোহ তেওঁৰ ভালকৈয়ে ভংগ হৈছিল। তেওঁ মুকলি ভাৱে ঘোষণা দিছিল, "সমস্ত য়ুৰোপে বৰ্বৰতা কি ৰকম নখদন্ত বিকাশ কৰে বিভীষিকা বিস্তাৰ কৰতে উদ্যত এই মানব পীড়নেৰ মহামাৰী পাশ্চাত্য সভ্যতাৰ মজ্জাৰ ভিতৰ থেকে জাগ্ৰত হয়ে উঠে আজ মানবাত্মাৰ অপমানে দিগন্ত থেকে দিগন্ত পৰ্যন্ত বাতাস কলুষিত কৰে দিয়েছে।" (সভ্যতাৰ সংকট)। পুঁজিবাদী ইউৰোপৰ মানৱবিদ্বেষী কদাকাৰ ৰূপৰ বিপৰীতে বিশ্বকবি জনাই কিন্তু সমাজতান্ত্ৰিক ছোভিয়েট দেশত দেখিলে— "বিশুদ্ধ মানব সম্বন্ধৰ প্ৰভাৱ সৰ্বত্ৰ বিস্তাৰ কৰেছে। তাৰ দ্ৰুত এবং আশ্চৰ্য্য পৰিণতি দেখে একই কালে ঈৰ্ষা এবং আনন্দ অনুভৱ কৰেছি।" (সভ্যতাৰ সংকট)। এইখন সমাজতান্ত্ৰিক ছোভিয়েট ৰুচিয়াৰ সৰ্বাত্মক বিকাশমান ৰূপে কবিক মুগ্ধ কৰিছিল। সেয়েহে তেওঁ বিস্ময়-

বিমুগ্ধ চিত্তেৰে ঘোষণা দিব পাৰিছিল,— "আপাতত ৰাশিয়াই এসেছি,— না এলে এজন্মের তীৰ্থদৰ্শন অসমাপ্ত থাকত।" (ৰাশিয়াৰ চিঠি: ৩য় খণ্ড)।

এই ক্ষেত্ৰত এটা প্ৰশ্ন উত্থাপন হ'ব পাৰে। সমাজতন্ত্ৰতো চৰকাৰ বিৰোধীক ভাল চকুৰে চোৱা নহয়, কথা সঁচা। সমাজতন্ত্ৰ শ্ৰমকাৰী জনগণ তথা শ্ৰমিক শ্ৰেণীৰ নেতৃত্বৰ দ্বাৰা পৰিচালিত। সমাজৰ বৃহত্তম সংখ্যক জনগণেই শ্ৰমকাৰী মানুহ। সমাজতন্ত্ৰৰ শাসন ব্যৱস্থাৰ লক্ষ্য হ'ল এই বৃহত্তম সংখ্যক জনগণৰ পৰম কল্যাণ সাধন। পূৰ্বৰ বুৰ্জোৱা বা পেটি বুৰ্জোৱা ভিন্ন আন সকলো লোকেই সমাজতন্ত্ৰত সুখী, আনন্দিত। পূৰ্বৰ বুৰ্জোৱা শ্ৰেণীৰ লোকেহে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিবলৈ ষড়যন্ত্ৰত লিপ্ত হয়। সেয়ে সমাজতন্ত্ৰত চৰকাৰ বিৰোধীক ভাল চকুৰে নোচোৱাটো স্বাভাৱিক। সমাজতন্ত্ৰৰ ভাব-আদৰ্শ, সাহিত্য-সংস্কৃতি, নীতিবোধ আচাৰ-ব্যৱহাৰ বুৰ্জোৱাতন্ত্ৰতকৈ সম্পূৰ্ণ সুকীয়া। সমাজতান্ত্ৰিক নীতিবোধৰ বিষয়ে আলোচনা প্ৰসঙ্গত লেনিনে কৈছিল— 'মানুহে যেতিয়া আমাৰ আগত নীতিবোধৰ কথা কয় তেতিয়া মই তেওঁলোকক কওঁ,— সমাজতান্ত্ৰিক সকলৰ মতে নীতিবোধ হৈছে সংহতি, ঐক্যবদ্ধ শৃংখলা, আৰু শোষক শ্ৰেণীৰ বিৰুদ্ধে সচেতন গণ সংগ্ৰাম। শাশ্বত নীতিবোধ বোলা কথাত মোৰ বিশ্বাস নাই, বৰং শাশ্বত নীতিবোধ বোলা যিবোৰ অদ্ভুত অদ্ভুত কথাৰ চলতি আছে, সিবোৰৰ আমি মুখা খুলি দিওঁ। নীতিবোধৰ লক্ষ্য হৈছে মানৱ সমাজক উন্নততৰ স্তৰলৈ উঠাত সহায় কৰা আৰু শ্ৰমিক শ্ৰেণীৰ ওপৰত চলা সকলো প্ৰকাৰৰ শোষণৰ অৱসান ঘটোৱা।"

কোনো সন্দেহ নাই যে এনে সমাজতান্ত্ৰিক আদৰ্শৰ ভেটিত ৰচিত সাহিত্যক ৰক্ষণশীলসকলে [illegible] প্ৰচাৰৰ আহিলা বুলি উপহাস কৰিবহে পাৰে। কিন্তু আমি এই আলোচনাত পাই আহিছোঁ যে শ্ৰেণী সমাজৰ সৃষ্টি মানেই প্ৰকৃততে প্ৰচাৰৰ আহিলা,— ৰামায়ণ-মহাভাৰতৰ দৰে মহাকাব্য সমূহো ইয়াৰ পৰা হাত সাৰি থাকিব পৰা নাই। ভাৰতীয় আলংকাৰিক সকলে সাহিত্য সমালোচনাৰ গ্ৰন্থ লেখি তাত স্পষ্ট ভাবে কৈ গৈছে— "ৰামাদিবৎ প্ৰৱৰ্তিতব্যং ন তু ৰাৱণাদিবৎ।" কাৰণ ৰাম আদিৰ মাজেদিহে ব্ৰাহ্মণ্যবাদৰ আদৰ্শৰ প্ৰচাৰ হৈছে, ৰাৱণ আদি ব্ৰাহ্মণ্যবাদৰ বিৰোধী আছিল কাৰণে ৰাৱণ আদিৰ আদৰ্শক চিৰকাল তুচ্ছ আৰু হীন ৰূপেহে প্ৰচাৰ কৰিছে। বিশিষ্ট ৰাজনৈতিক আদৰ্শৰ প্ৰচাৰৰ বাহন হ'ল বুলিয়েই সাহিত্য অসাহিত্য হ'ব নোৱাৰে। যদিহে ৰাজনৈতিক বা অৰ্থনৈতিক আদৰ্শক জীৱনৰ লগত একাকাৰ কৰি মানুহক মুক্তিপথৰ সন্ধান দিব পৰা হয়। এই মুক্তি সুস্থ জীৱন ধাৰণৰ কাৰণে আৱশ্যকীয় সকলো প্ৰকাৰৰ বাধাৰ পৰা

মুক্তি, সংস্কাৰৰ সকলো প্ৰকাৰৰ শিকলিৰ বান্ধোনৰ পৰা মুক্তি, আৰু মনুষ্যত্বৰ সকলো প্ৰকাৰৰ গ্লানিৰ পৰা মুক্তি। সমাজতন্ত্ৰ-সাম্যবাদৰ আদৰ্শ চিত্ৰিত সাহিত্য ভিন্ন আন আদৰ্শৰ বাহক সাহিত্যই এনে মহান মুক্তিৰ সন্ধান দিব নোৱাৰে।

আনন্দৰ কথা যে শ্ৰেণী প্ৰভুৰ পৰা পোৱা বাধা বিঘিনি আৰু নানা বিভ্ৰান্তিৰ আৱৰণ ভেদ কৰি এদল সাহসী সাহিত্যিকে আজি এই মহান মানবীয় মুক্তিৰ সন্ধান দিবলৈ জীৱন পণ কৰিছে। এই মহান মানবীয় মুক্তিৰ সন্ধান দিবলৈ অসমৰ্থ সকল আজিৰ যুগৰ সাহিত্যিক ৰূপে পৰিগণিত হ'বই নোৱাৰে। অন্ধ সংস্কাৰ যুক্ত সাহিত্যিক প্ৰকৃততে অতীতৰ ফচিল।

---

● বৰ্তমান, বিশেষ সমালোচনা সংখ্যা, ১৯৮৬ ত প্ৰকাশিত।

# সাহিত্য, সাহিত্যিক আৰু সমাজ

সম্প্ৰতি প্ৰায় সমগ্ৰ বিশ্বব্যাপী এক বিপুল সংখ্যক শ্ৰমকাৰী জনগণে আৰু বিশেষকৈ সাহিত্যিক শিল্পীয়ে এখন বিভেদ-বিচ্ছিন্নতাহীন নতুন সমাজ গঢ়ি তোলাৰ আকাংক্ষা পোষণ কৰে। আকাংক্ষিত নতুন সমাজখনৰ সাহিত্যিক-শিল্পীৰ আদৰ্শ সমাজতান্ত্ৰিক বাস্তৱবাদ। এই সমাজতান্ত্ৰিক বাস্তৱবাদৰ বিষয়ে আলোচনা প্ৰসঙ্গত মেক্সিমগৰ্কীয়ে কৈছিল— "সমাজতান্ত্ৰিক বাস্তৱতাই এনে কাৰ্য্য বা সৃষ্টিক বুজাই যাৰ উদ্দেশ্য হ'ল মানুহৰ ব্যক্তিগত সামৰ্থ্যক নিৰৱচ্ছিন্ন ভাৱে বিকাশ সাধনত সহায় কৰা, যাতে মানুহে প্ৰকৃতিৰ ওপৰত জয়লাভ কৰিব পাৰে আৰু তাৰ কাৰণে মানুহে সীমাহীন প্ৰয়োজন পূৰণৰ অৰ্থে জগতখনৰ আমূল পৰিবৰ্তন সাধি মানৱ জাতিক এটা পৰিয়ালৰ দৰে বাস কৰিব পৰা এখন সুন্দৰ বাসস্থানলৈ ৰূপান্তৰ কৰিব পাৰে।"

এই সমাজতান্ত্ৰিক বাস্তৱবাদৰ আদৰ্শ ৰূপায়িত কৰিবলৈ সংকল্পবদ্ধ হোৱা সাহিত্যিক সকলকে বোলা হয় প্ৰগতিশীল। প্ৰগতিশীল সাহিত্য আন্দোলনৰ প্ৰবৰ্তক সকলে প্ৰগতিশীল সাহিত্যিকৰ চিন্তা, চৰিত্ৰ আৰু আদৰ্শ বিশ্লেষণ কৰি কৈছিল—

১) সেইসকল হে প্ৰগতিশীল যিয়ে সকলো প্ৰকাৰৰ সংস্কাৰ বা মতান্ধতা পৰিহাৰ কৰি মাৰ্ক্সবাদী আদৰ্শেৰে অনুপ্ৰাণিত হ'ব পাৰিছে; মাৰ্ক্সবাদী আদৰ্শ সম্পূৰ্ণৰূপে আয়ত্ত কৰিব নোৱাৰিলেও যিয়ে নিৰ্য্যাতিত সকলৰ পক্ষে সাহসেৰে থিয় দিব পাৰিছে, বৰ্তমানৰ মাজত ভৱিষ্যতৰ শ্ৰেণীহীন সমাজৰ সম্ভাৱনা দেখা পাইছে আৰু আনৰ চকুত সেই সম্ভাৱনাৰ চিত্ৰ সাহসেৰে দাঙি ধৰিব পাৰিছে।

২) যথাৰ্থ প্ৰগতিশীল মাত্ৰেই ব্যক্তিত্ববাদৰ ঠাইত সমাজতন্ত্ৰবাদ বা সমাজ মুখী আদৰ্শহে স্বীকাৰ কৰে।

৩) প্ৰগতিশীল সাহিত্যিকে শোষকৰ বিৰুদ্ধে শোষিত শ্ৰেণীকহে সমৰ্থন কৰে।

৪) প্ৰগতিশীল সাহিত্যিকে ব্যক্তিগত কল্পনাৰ সলনি গণজীৱনৰ আশা-

আকাঙ্ক্ষাক যে সৃষ্টিৰ মাজেদি জীৱন্ত কৰি তুলিব বিচাৰে।

৫) যিয়ে নানা অপকৌশলেৰে গণজীৱনৰ বিকাশৰ পথ বন্ধ কৰিব বিচাৰে, প্ৰগতিশীল সাহিত্যিকে সাহসেৰে তাৰেই মুখা খুলি দিয়ে।

৬) গণজীৱনৰ জড়তা বা বিসন্নতা দূৰ কৰি সমাজজীৱনৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ অৰ্থে আৱশ্যকীয় কলা-কৌশল অৱলম্বন বা প্ৰয়োগ কৰাও প্ৰগতিশীল সাহিত্যিকৰ লক্ষ্য।

৭) প্ৰগতিশীল সাহিত্যিক মানেই সমাজ বিবৰ্তনৰ বৈজ্ঞানিক তত্ত্ব নিজেও স্পষ্টকৈ জানে আৰু সমাজকো জানিব দিয়ে।

৮) প্ৰগতিশীল সাহিত্য জগতত আদৰ্শৰ দেশী বিদেশী নাই, আদৰ্শৰ ক্ষেত্ৰত দেশী-বিদেশীৰ ভিন্নতা যে কেৱল শ্ৰেণী সমাজৰ সৃষ্টি তাক তেওঁলোকে অনুভৱ কৰে, তেওঁলোকে ইয়াকো জানে যে শ্ৰমকাৰী মানুহ মাত্ৰেই সৎ আৰু নৈতিকতাও ওখ, তাৰ বিপৰীতে শোষক শ্ৰেণীৰ লোক মাত্ৰেই অসৎ আৰু সমাজৰ শত্ৰু।

৯) কোনো প্ৰকাৰৰ উগ্ৰতাৰ স্থান প্ৰগতিশীল সাহিত্যত নাই। উগ্ৰ দেশপ্ৰেম, উগ্ৰ জাতিপ্ৰেম, উগ্ৰ ভাষাপ্ৰেম, উগ্ৰ সাম্প্ৰদায়িকতা, আনকি উগ্ৰ মাৰ্ক্সবাদী আদৰ্শৰ স্থানো প্ৰগতিশীল সাহিত্যত নাই।

এনেবোৰ ৰাজনৈতিক আৰু সামাজিক উদ্দেশ্য সাধনৰ অৰ্থে ৰচিত সাহিত্যক যে প্ৰতিক্ৰিয়াশীল চক্ৰই প্ৰচাৰধৰ্মী সাহিত্য বুলি চ'ব মাৰি চিৰদিন তুচ্ছ তাচ্ছিল্য আৰু অৰ্বাচীন বুলি উপহাস উপলুণ্ঠা কৰি আহি আছে তাৰো আমি নজনা নহয়। আমি ইয়াকো নজনা নহয় যে এই সকল অপপ্ৰচাৰকাৰী নিজেই গোঁড়া ৰাজনৈতিক দল-মতৰ আৰু অন্ধ পৰম্পৰাৰ দৃঢ় সমৰ্থক। তেওঁলোকে নিজেও জানে যে তেওঁলোক এক মুষ্টিমেয় সংখ্যক শোষক-শাসকৰহে সমৰ্থক আৰু বৃহত্তম সংখ্যক শ্ৰমকাৰী জনগণৰ প্ৰতাৰক; শ্ৰমকাৰী জনগণে যে তেওঁলোকক ঘৃণা কৰে এই কথাও তেওঁলোকে নজনা নহয়। এই কাৰণে স্বৰূপ লুকাই ৰখাৰ অৰ্থে নিজক ৰাজনীতি নিৰপেক্ষ বুলি পৰিচয় দিয়াৰ চলায় অপকৌশল। ব্যক্তিগত তুচ্ছ স্বাৰ্থ পূৰণৰ বেদীত বৃহত্তৰ জনগণৰ স্বাৰ্থক প্ৰতাৰণা আৰু প্ৰবঞ্চনা কৰা এই চাম আদৰ্শৰ মেৰুদণ্ডহীন সাহিত্যিকক বৰেণ্য কথা সাহিত্যিক আণ্টন চেখভে বুলিছিল আদৰ্শহীন দুৰ্বৃত্ত। দল-মত নিৰপেক্ষ ব্যক্তি প্ৰকৃততে নাই আৰু তেনে আদৰ্শ সম্পূৰ্ণৰূপে লক্ষ্যহীন। সমাজ বিবৰ্তনৰ ইতিহাসে স্পষ্ট কৰি তুলিছে যে ৰাজনৈতিক বিপ্লৱ বিনে সমাজৰ অৰ্থনৈতিক বুনিয়াদ জনগণৰ বিকাশৰ

অনুকূলে গঢ়ি তোলা অসম্ভৱ। সমাজতান্ত্ৰিক ৰাজনৈতিক বিপ্লৱে সমাজক ক্ৰমে ক্ৰমে পোহৰৰ পথলৈ আগবঢ়াই নি থকাৰ লগে সমাজতান্ত্ৰিক বাস্তৱবাদৰ আদৰ্শৰ ভেটিত ৰচিত সাহিত্যও হব সমাজৰ চলমান শক্তি স্বৰূপ।

মহান কাৰ্ল মাৰ্ক্স সঠিকভাৱেই কৈ গৈছে যে "যিকোনো যুগতে শাসক শ্ৰেণীৰ ভাবাদৰ্শই হয় সেই যুগৰ ভাবৰাজ্যৰ বিধানকৰ্তা।" ব্যাস-বাল্মীকিকে ধৰি সাহিত্যিক সকলৰ সৃষ্টিৰ মাজেদি এই তত্ত্বৰ বিকাশ ঘটা আমি কটকটীয়াকৈ অনুভৱ কৰোঁ। ক্ৰৌঞ্চ চৰাইৰ বিৰহ-বেদনাত ব্যথিত আদি কবি বাল্মীকিয়ে সামন্তযুগীয় বিভেদ-বিচ্ছিন্নতাক ৰক্ষা কৱচ পিন্ধাইছিল কাৰণেহে শূদ্ৰ তপস্বী শম্বুকক ৰামচন্দ্ৰৰ দ্বাৰা শিৰশ্ছেদ কৰাইছিল। একে সামন্তযুগীয়া ৰাজনীতি নতশিৰে মানি লোৱা কাৰণে নিষাদ সন্তান একলব্যক ঘৃণীয়া কবিসকলে বা নিম্ন-কুলীয়া অধিৰথ সূতৰ ঘৰত লালিত-পালিত হোৱা অপৰাজিত গুণী-জ্ঞানী আৰু মহাবীৰ হোৱা সত্ত্বেও কৰ্ণক জীৱন-যোৰা লাঞ্ছনা-গঞ্জনা দিবলৈ ব্যাসদেৱে কুণ্ঠাবোধ নকৰিলে। বৈষ্ণৱ সকলৰ শ্ৰেষ্ঠ ধৰ্মগ্ৰন্থ ভাগৱত। কিন্তু তাতো দাসীৰ সন্তান হোৱা হেতুকে ভক্ত শ্ৰেষ্ঠ নাৰদৰ পূৰ্বজন্মত ঈশ্বৰ প্ৰাপ্তি সম্ভৱপৰ নহ'ল। পৰজন্মত ব্ৰহ্মাৰ মানস পুত্ৰ ৰূপে জন্ম লাভ কৰা কাৰণেহে নাৰদৰ ঈশ্বৰ প্ৰাপ্তি সম্ভৱ হ'ল। আমাৰ শ্ৰীমন্ত শংকৰদেৱ পৰম বৈষ্ণৱ। তেওঁক অসমীয়া সাহিত্য-সংস্কৃতিৰ জনকৰূপেও সন্মান কৰা হয়।

ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যাৰ দৃষ্টি সমতুল॥
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাকেসে পণ্ডিত বুলি সি সি সৰ্বজান॥

(১১শ স্কন্ধ ভাগৱত/২৫৬)

আদিৰ দৰে উদাৰ ভাবৰ ছন্দৰ ৰচক শংকৰদেৱ। অথচ তেওঁ বৰপেটাৰ কুমাৰকুছিত থকা কালত ঘৰৰ ওচৰত চৰাল বা চঁৰা মানুহ এঘৰ থকা কাৰণে তেওঁ বিৰক্ত হৈ কুমাৰকুছি এৰি পাটবাউসীলৈ উঠি গ'ল (বৰদোৱা চৰিত্ৰ, পৃষ্ঠা ১১১)। সেই একেজনা শংকৰদেৱেই মাধৱদেৱক ৰজা, কমী বামুণ আৰু তিৰোতাৰ গুৰু নহ'বলৈ উপদেশ দি তিৰোতা'ৰ চৰিত্ৰৰ বৰ্ণনা দি কৈছিল— "স্ত্ৰী পাপমতি, সদায় মিছা কথা কয়। মিছা ভিন্ন সঁচা নাই।" (বৰদোৱা চৰিত্ৰ, পৃষ্ঠা ১৬৭)। সেই একেজন শংকৰদেৱেই যেতিয়া পদত গায়—

কিৰাত কছাৰি খাচি গাৰো মিৰি
যৱন কংক গোৱাল ।
অসম মলুক ধুবা যে তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল ॥
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পবিত্ৰ হয় ।

(ভাগৱত ২/৪৭৪—৪৭৫)।

তেতিয়া শংকৰদেৱো যে মধ্যযুগীয়া সামন্ত প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত নাছিল তাক অনুভৱ কৰা অকণো টান নহয় । এই একেজনা শংকৰদেৱেই জীৱন আৰু জীৱিকাৰ তাড়নাত ৰাজপ্ৰশস্তি ৰচনা আৰু কীৰ্ত্তন কৰি মহাৰাজ নৰনাৰায়ণৰ মনোনয়ন সাধি ৰজাঘৰীয়া মান-সৎকাৰ আৰু বিষয়বাব লাভ কৰা নাছিল জানো ? এনেদৰে বহলাই বিশ্লেষণ কৰিলে স্পষ্ট হৈ উঠে যে কোনো লেখক-সাহিত্যিকেই ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত নহয় । অসমীয়া সাহিত্যৰ বৈজ্ঞানিক প্ৰভাৱপুষ্ট যিটো যুগক আমি আধুনিক যুগ বুলি কওঁ বা গ্ৰহণ কৰিছোঁ এই যুগৰ প্ৰবৰ্তক সকলৰ কোনো জনেই ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত নহয় । আনন্দৰাম ঢেকীয়াল ফুকনে ১৮৫৭ চনৰ স্বাধীনতা সংগ্ৰামক ৰাজদ্ৰোহ বুলিছে । একে সুৰতে সুৰ মিলাই গুণাভিৰাম বৰুৱায়ো ১৮৫৭ চনৰ বিদ্ৰোহক ৰাজদ্ৰোহ বুলি তেওঁৰ 'অসম বুৰঞ্জী'ত লেখি গৈছে । প্ৰথম বিলাত ফেৰত ইঞ্জিনিয়াৰ বলিনাৰায়ণ বৰাই ইংৰাজ শাসনৰ গুণানুকীৰ্তন কৰি লেখিছিল— "যি শাসনৰ গুণে দুই হাজাৰ বছৰৰ শিপা মেলা জাতি বিগ্ৰহও নিৰ্মূল হবলৈ ধৰিছে সেই শাসনেই হে আমাৰ মনত আচৰিত কথা, সেই শাসনৰ মাহাত্ম্য ভাবি ভাবি আমি মাথোন বিভোল হওঁ । সেই শাসন যেন চিৰকলীয়া হয় এয়েহে আমাৰ অন্তৰৰ ও অন্তৰৰ কথা ।" (মৌ— প্ৰকাশন পৰিষদ প্ৰকাশিত, পৃষ্ঠা ৯৬)। পদ্মনাথ গোহাঞি বৰুৱাৰ মানত ইংৰাজ সদায়ে বাপ-মা, লক্ষ্মীনাথ বেজবৰুৱায়ো লেখিছিল— "ইংৰাজে ভাৰতৰ অনেক উপকাৰ কৰিছে আৰু ভাৰতবৰ্ষ ইংৰাজৰ ওচৰত অনেক প্ৰকাৰে ধৰুৱা ।" বেণুধৰ ৰাজখোৱাৰ ভাষাত "ইংৰাজ ৰাজ্য ৰামৰাজ্য, ইংৰাজে অন্ততঃ ছশ বছৰ ৰাজত্ব কৰা উচিত ।" ৰজনীকান্ত বৰদলৈয়ে 'ৰঙ্গিলী' উপন্যাসত পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ মুখেদি প্ৰকাশ কৰাইছে— "মই এইটোও দেখিছোঁ যে মানৰ হাতত মোৰ সোণৰ অসম দেশ ছুকলা-ভুপুৰা হোৱাৰ পিছত এই দেশ সাগৰৰ সিপাৰৰ প্ৰবল প্ৰতাপী বৃটিছ জাতিৰ

ভাগলৈ যাব। বৃটিছৰ শাসনত অসমে আকৌ গা-কৰি উঠিব।"

এনে ধৰণৰ নিদৰ্শন দাঙি ধৰি দেখুৱাব পাৰি আধুনিক অসমীয়া সাহিত্যৰ যুগ প্ৰবৰ্তক সকল কিদৰে শাসক শ্ৰেণীৰ ৰাজনৈতিক বাদত আবদ্ধ হৈ আছিল। একে অন্ধ পৰম্পৰাৰ প্ৰভাৱত গণতান্ত্ৰিক ভাৰতৰ এক বিপুল সংখ্যক সাহিত্যিক আৰু বুদ্ধিজীৱীয়ে স্বৈৰতান্ত্ৰিক আৰু আধা ফেচীবাদী চৰকাৰৰ প্ৰশস্তি গাবলৈ লাজ অনুভৱ নকৰে। এই সকলৰ দৃষ্টিত যোৱ কেৱল শ্ৰমকাৰী জনগণৰ স্বাৰ্থ ৰক্ষাৰ সংগ্ৰামত ৰাজনৈতিক আদৰ্শৰে অনুপ্ৰাণিত হোৱাহে; শাসক শ্ৰেণীৰ স্বাৰ্থৰক্ষা তেওঁলোকৰ মানত গুণ। এনেবোৰ ৰচনাৰ প্ৰতি শ্ৰমকাৰী জনগণৰ অনীহা ওপজা স্বাভাৱিক। আজিৰ প্ৰগতিশীল সাহিত্যিকৰ কৰ্তব্য হ'ল এইবোৰ ৰচনাৰ বিজ্ঞান সন্মত বিচাৰ বিশ্লেষণ দাঙি ধৰি জনগণৰ মনৰ পৰা ভ্ৰান্তি আঁতৰোৱা। লিকৰ হিউগোই 'শেক্সপিয়েৰ' গ্ৰন্থত কোৱাৰ দৰে আজি আমি উপলব্ধি কৰা উচিত হ'ব যে "ইতিহাস নতুনকৈ লেখিবই লাগিব, এতিয়ালৈকে ভথাৰ হীন দৃষ্টিৰেই ইতিহাস লেখি থকা হৈছে, এতিয়া নীতিৰ দিশৰ পৰা ইতিহাস লেখাৰ সময় আহিছে।"

আমি আজি স্পষ্টকৈ উপলব্ধি কৰাৰ সময় উকলি যাব ধৰিছে যে শ্ৰেণী সমাজত কেৱল শ্ৰমকাৰী মানুহেই বন্ধনযুক্ত নহয়, সাহিত্যিক-শিল্পী প্ৰমুখ্যে বুদ্ধিজীৱী সকলো শ্ৰেণীপ্ৰভু সকলৰ দ্বাৰা শৃঙ্খলাবদ্ধ, ৰাজনৈতিক তথা অৰ্থনৈতিক স্বাধীনতা লাভ নিবিনে মুক্তিৰ কল্পনা তেনেই অস্বাভাৱিক। ক্ৰিষ্টোফৰ কডওৱেলে সঠিকভাৱে উপলব্ধি কৰিছিল যে অৰ্থনীতি আৰু সাহিত্যৰ সম্পৰ্ক মাক আৰু ভ্ৰূণস্থ শিশুৰ সম্পৰ্কৰ সদৃশ। অৰ্থাৎ তেওঁ ক'ব বিচাৰিছে যে সমাজৰ অৰ্থনৈতিক ভেটি শোষণমুক্ত আৰু শক্তিশালী নহলে সৎ সাহিত্যৰ সৃষ্টি অসম্ভৱ। অৱশ্যে তেওঁ দ্বন্দ্বাত্মক আদৰ্শত বিশ্বাসী, তেওঁ বিশ্বাস কৰে যে পীড়াদায়ক নীতিয়েও সৎ সাহিত্য সৃষ্টিত সহায় কৰে। বিশিষ্ট মাৰ্ক্সীয় নন্দনতাত্ত্বিক সমালোচক প্লেখানভে তেওঁৰ 'কলা আৰু সমাজ জীৱন' বোলা গ্ৰন্থত এই বিষয়ে উদাহৰণেৰে বিশদ আলোচনা দাঙি ধৰি কৈছে যে মানুহৰ মানসিক গঠন, চিন্তা আৰু আবেগৰ প্ৰকৃতি নিয়ন্ত্ৰণ কৰে উৎপাদন পদ্ধতি, উৎপাদনৰ পাৰ্থিব উপকৰণ, উৎপাদনৰ কলা-কৌশল, সংগঠন আৰু উৎপাদন সম্পৰ্কই। প্লেখানভে ফটফটীয়াকৈ বিশ্লেষণ কৰি দেখুৱাইছে যে শ্ৰেণী সমাজত শ্ৰমকাৰী জনগণৰ কল্যাণকৰ মহৎ শিল্পৰ কোনো দিনেই সৃষ্টি হোৱা নাই। একে প্ৰসঙ্গতে দৃঢ়তাৰে অভিমত তুলি ধৰি তেওঁ কৈছে যে শ্ৰমকাৰী জনগণৰ সৰ্বাত্মক মুক্তিৰ

অৰ্থে আৰু শ্ৰেণীপ্ৰভু বুৰ্জোৱাইতৰ বিৰুদ্ধে থিয় দিব নোৱাৰে মানে আধুনিক সমাজত প্ৰকৃত অৰ্থত মহৎ শিল্প-সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে।

আনন্দৰ কথা যে সমগ্ৰ বিশ্বজুৰি সমাজতান্ত্ৰিক বাস্তৱবাদৰ আদৰ্শৰে অনু-প্ৰাণিত এদল শক্তিশালী সাহিত্যিকৰ সৃষ্টি হোৱাৰ দৰে অসম-ভাৰততো সমাজ-তান্ত্ৰিক বাস্তৱবাদৰ আদৰ্শৰে অনুপ্ৰাণিত শিল্পী সাহিত্যিকৰ সংখ্যা ক্ৰমে বাঢ়িছে। ৰূপকোঁৱৰ আগৰৱালাই যেন এই দল নতুন সাহিত্যিক শিল্পীৰ অন্তৰৰ বাসনাকে গভীৰ আন্তৰিকতাৰে উপলব্ধি কৰি গাইছিল—

আকৌ নিলিখোঁ পদুম কলিৰ
কবিতা মই সখি
আকৌ নাচাওঁ পদুম কলিৰ
পাহিবোৰ লেখি লেখি
আজি মই গাম
বোকাত জহি যোৱা
মানুহৰ জয়গান
কঁপাই জনৰ প্ৰাণ।

এই জন মহান শিল্পী জ্যোতিপ্ৰসাদে শ্ৰমকাৰী জনগণৰ অনুপম সৃষ্টি-ক্ষম-তাৰ কথা গভীৰ শ্ৰদ্ধাৰে অনুভৱ কৰিব পাৰিছিল কাৰণে জনগণক তেওঁ ৰূপকৰ সহায়ত 'নিমাতী কইনা' বুলিছিল। অপৰূপ ৰূপ সৌন্দৰ্যৰ অধিকাৰী কিন্তু মূক জনতাৰ মুখত মাত ফুটোৱা অৰ্থাৎ প্ৰতিবাদমুখৰ কৰি তোলাই যে প্ৰকৃত শিল্পী সাহিত্যিকৰ লক্ষ্য হোৱা উচিত তাকো 'নিমাতী কইনা'ৰ মাজেদিয়ে তেওঁ অনুপম সহানুভূতিৰে প্ৰকাশ কৰি গৈছে।

বিপ্লৱী শিল্পী বিষ্ণুপ্ৰসাদ ৰাভায়ো তেওঁৰ সৃষ্টিৰ মাজেদি অনুৰূপ ভাব-আদৰ্শ ফুটাই তুলিছে। জনগণৰ সৃজনী শক্তিৰ মহিমা গভীৰ সহানুভূতিৰে উপলব্ধি কৰিবলৈ তেওঁ সমৰ্থ হৈছিল বুলিয়ে জনগণক বুলিছিল তেওঁ 'গণপতি গণেশ'। গণেশৰ ব্যাখ্যা দাঙি ধৰি তেওঁ কৈছে— "মানৱ সমাজত গণপতি আন একোৱেই নহয়, স্বয়ং জনগণ আৰু সেই জনগণেই গণপতি...... স্বয়ং জন-গণেই ঈশ বা ঈশ্বৰ, গণেশ, গণেশ্বৰ। তেওঁৰ অৰ্থাৎ একতাবদ্ধ জনতাৰ সিদ্ধি সৰ্বত্ৰ। এই কাৰণে তেওঁ সিদ্ধিদাতা সিদ্ধেশ্বৰ। এই সিদ্ধিদাতা এগুটীয়া বাই-জেই সমাজৰ মহাৰ্ঘ প্ৰগতিৰ অব্যৰ্থ বাহন। এই গণেশ যেই সেই গণেশ নহয়, এদঁতীয়া গণেশ— একতা ডোংগৰে গুঁথা গণেশ গণদেৱতা" (সাতনি—সোণপাহি)।

এই মহাসভা অন্যান্য বিপ্লৱী সাহিত্যিকৰ লগে মহান বিপ্লৱী শিল্পী পল ৰবছনেও উপলব্ধি কৰিছিল কাৰণে ক'ব পাৰিছিল বোলে— "এটা জাতিৰ চৰিত্ৰ নিৰ্ধাৰণ কৰা হয় সেই জাতিৰ শ্ৰমকাৰী সাধাৰণ মানুহৰ অৱস্থাৰ দ্বাৰাহে।" ( Here I stand )

জোচেফ ষ্টেলিনে সাৰ্থক ভাৱেই উপলব্ধি কৰিছিল যে সাহিত্যিক-শিল্পী সমাজৰ ইঞ্জিনীয়াৰ, অভিযন্তা। নিষ্ঠা, সততা আৰু নিপুণতাৰে অভিযন্তাই ঘৰ-দুৱাৰ আদি সাধাৰণতে যুগমীয়াকৈ নিৰ্মাণ কৰে, অন্যথাই নিৰ্মাণ কাৰ্য্য ধ্বংস স্তূপত পৰিণত হ'ব পাৰে। সমাজৰ অভিযন্তা সাহিত্যিক শিল্পীয়ে অখণ্ড মানৱ জাতিৰ সত্তাক স্পষ্টকৈ অনুভৱ কৰিবলৈ সমৰ্থ হ'লে, জাতি-বৰ্ণ, ভাষা-ধৰ্ম আদিৰ সংকীৰ্ণ আৱৰণৰ পৰা নিজক মুক্ত কৰি ৰাখি বহল ব্যাপক শ্ৰমকাৰী মানুহৰ পৰম কল্যাণ সাধনৰ মন্ত্ৰেৰে দীক্ষিত হলেহে সৎ সাহিত্যিক বা সৎ শিল্পীৰ সন্মান লভিবলৈ সমৰ্থ হ'ব পাৰে। শোষক বুৰ্জোৱা শ্ৰেণীৰ বহতীয়া আৰু আদৰ্শৰ মেৰুদণ্ডহীন পেটি বুৰ্জোৱা চৰিত্ৰ সম্পন্ন সাহিত্যিক-শিল্পীয়ে ন সমাজ গঢ়িব নোৱাৰে; তেওঁলোকে ন সমাজ গঢ়িবলৈ দৃঢ় পৰিকৰ হোৱা মোহমুক্ত সৎ সাহিত্যিক আৰু সৎ শিল্পী সকলক শ্ৰমকাৰী জনগণৰ আগত বিকৃত ৰূপত দাঙি ধৰি জনগণৰ সংগ্ৰামী চেতনাক বিভ্ৰান্ত কৰিবলৈহে অপকৌশল চলায়। পেটি বুৰ্জোৱা চেতনা সম্পন্ন এই অংশ সাহিত্যিক-শিল্পী প্ৰমুখ্যে বুদ্ধিজীৱী মত্ত খোৱা, পিয়া, পিন্ধা, উৰা, চলন, ফুৰণ আদিত আনতকৈ বৈশিষ্ট্যপূৰ্ণ ৰূপে পৰিচয় দি জনগণৰ পৰা মান-সংকাৰ আদায় কৰাত। ইয়াকে কৰিবলৈ ধন ঘটাৰ অৰ্থে আশ্ৰয় লয় দুৰ্নীতিৰ। আত্ম প্ৰতিষ্ঠা, আত্ম প্ৰচাৰ আৰু আত্ম অভিমানতকৈও যে জীৱনৰ আন কিবা মহৎ লক্ষ্য থাকিব পাৰে, তাক উপলব্ধি কৰাৰ ক্ষমতাও যেন এই চাম বুৰ্জোৱা শ্ৰেণীৰ বহতীয়া সাহিত্যিক, শিল্পী প্ৰমুখ্যে বুদ্ধিজীৱীয়ে হেৰুৱাই পেলাইছে। এওঁলোকৰ বদ্ধমূল ধাৰণা যে সামাজিক মান, প্ৰতিপত্তি, আদিহে মূলধন। গতিকে ধনাঢ্য হোৱাৰ কাৰণে যিকোনো ধৰণৰ অপকৌশল বা দুৰ্নীতিৰ আশ্ৰয় ল'বলৈ এওঁলোক সততে তৎপৰ। সমাজৰ প্ৰতি আনকি উদীয়মান যুৱসমাজৰ প্ৰতিও এওঁলোক সম্পূৰ্ণৰূপে উদাসীন। বুদ্ধিজীৱীৰূপে জনাজাত এই অংশ পেটি বুৰ্জোৱাই নিকৃষ্ট ধৰণৰ আৰু বিৰক্তিকৰ ধন আৰু মানসন্মান লাভৰ পুতিগন্ধময় প্ৰবাহত নিজকে এনেদৰে উটুৱাই দিছে যে বৈজ্ঞানিক মানৱতাবাদৰ কথা নতুন পুৰুষৰ

আগতো বাট নধৰে আনকি নিজেও প্ৰকৃত অৰ্থত জনাৰ চেষ্টা নকৰে। এনে তুচ্ছ স্বাৰ্থত পৰতে লেটি বাগৰ লোৱা সাহিত্যিক বুদ্ধিজীৱীয়ে সমাজক ধ্বংসৰ পথলৈহে ঠেলি দিয়ে।

এই অংশ পেটি বুৰ্জোৱা চেতনা সম্পন্ন সাহিত্যিক, শিল্পী প্ৰমুখ্যে বুদ্ধিজীৱীয়ে যুৱ সমাজৰ প্ৰতি দেখুৱা অনীহা, অৱহেলা, অৱমাননাই যেন যুৱশক্তিক বিক্ষুব্ধ বিৰক্ত আৰু উশৃংখল হ'বলৈ বাধ্য কৰিছে। অথচ চিন্তাশীল মাত্ৰেই অভিজ্ঞতা আৰু পৰ্যবেক্ষণৰ পৰা দেখিছে যে পেটি বুৰ্জোৱা চেতনা সম্পন্ন অংশই প্ৰভুশ্ৰেণীৰ স্বাৰ্থসাধনৰ বেদীত এই যুৱশক্তিক উত্তেজিত কৰি নিয়োগ কৰে শ্ৰমকাৰী মানুহৰ সংগ্ৰামী চেতনাক ছিন্ন ভিন্ন কৰিবলৈ। সাধাৰণতে এয়াকে কৰা হয় উগ্ৰজাতি অভিমান, উগ্ৰ দেশপ্ৰেম, উগ্ৰ সাম্প্ৰদায়িকতা, উগ্ৰবৰ্ণ বিদ্বেষ আদি মানৱতাৰ বিধ্বংসী অস্ত্ৰবোৰ নিক্ষেপ কৰি। শোষণ-শাসন, বিভেদ-বিচ্ছিন্নতা দূৰ কৰি ঐক্য, সংহতি, সমন্বয় আৰু সমাহৰণৰ আদৰ্শৰ ভেটিত আজি যি সময়ত নতুন ভাৰত-নতুন অসম গঢ়াৰ অৰ্থে শ্ৰমকাৰী মানুহে সচেতন বৈপ্লৱিক সংগঠন গঢ়ি তুলিছে সেই সময়ত এই পেটি বুৰ্জোৱা অংশ মত্ত হৈছে উগ্ৰজাতীয়তা, উগ্ৰ-সাম্প্ৰদায়িকতা আদি বৰ্বৰ মানৱতাৰ বিধ্বংসকাৰী ধ্বনিৰে ভাতৃঘাতী সংঘাত দীৰ্ঘকালীন ব্যাপী জীয়াই ৰাখিবলৈ। এই শতিকাৰ প্ৰথম ভাগৰ পৃথিৱীৰ জাগ্ৰত বিবেকৰূপে সন্মানিত ৰোমাঁ ৰোলাঁই উগ্ৰজাতীয়তাবাদক বুলিছে বৰ্বৰতা, যুদ্ধ আৰু ফেচীবাদ উভয়কে বুলিছে তেওঁ সহোদৰ আৰু পশু। শোষক শ্ৰেণীয়ে সাম্ৰাজ্য বিস্তাৰৰ অৰ্থে উগ্ৰজাতীয়তাবাদৰ নামত সৃষ্টি কৰে এদল ফেচিষ্ট পশুৰ। পৃথিৱীযোৰা দ্বিতীয় মহাসমৰ আৰু সাম্প্ৰতিক বিশ্বৰ পুঁজিবাদী বা আধাপুঁজি-বাদী ৰাষ্ট্ৰ সমূহত উগ্ৰজাতীয়তাবাদৰ নামত চলি থকা ভ্ৰাতৃঘাতী সংঘাত এই ফেচিষ্ট পশু শ্ৰেণীৰ সৃষ্টি। অসম তথা সমগ্ৰ ভাৰত যুৰি আজি উগ্ৰজাতীয়তা-বাদৰ নামত ভাতৃঘাতী সংঘাতৰ জুই দাউ দাউকৈ জ্বলি উঠিছে, হয়ে হাজাৰ হাজাৰ সৎ, সাহসী আৰু নিৰ্দোষ মানুহক হত্যা কৰিছে বা কৰিয়ে আছে, লাখ লাখ মানুহক কৰিছে সৰ্বস্বান্ত আৰু গৃহহাৰা, উগ্ৰজাতীয়তাবাদৰ স্ৰষ্টা শোষক শ্ৰেণীয়ে ভাৰতীয় জাতীয়ত্ব আৰু অসমীয়া প্ৰমুখ্যে জাতিসত্তা সমূহৰ অস্তিত্বকেই প্ৰকৃততে বিপন্ন কৰি তুলিছে।

ভূতাত্ত্বিক, নৃতাত্ত্বিক আৰু পুৰাতাত্ত্বিক অনুসন্ধানৰ পৰা জনা যায় যে অসম তথা ভাৰতত আদিম মানুহৰ উদ্ভৱ হোৱা নাই; নানা সময়ত নানা প্ৰজাতিৰ মানুহৰ প্ৰব্ৰজনৰ ফল স্বৰূপে ভাৰতত জনবসতি হৈছিল। পৃথিৱীৰ আদিম

মানৱ প্ৰজাতি নিগ্ৰোইড প্ৰজাতিৰ পৰা মঙ্গোলীয়, ককেচীয়, আলপাইন প্ৰভৃতি নানা প্ৰজাতিৰ মানুহ চামে চামে প্ৰব্ৰজন কৰি আহি বসবাস কৰিছিল এই-খন ভাৰতবৰ্ষত। বিষ্ণু পুৰাণৰ এটা শ্লোকত আছে—

উত্তৰং যৎ সমুদ্ৰস্য হিমবদ্দক্ষিণঞ্চ যৎ।
বৰ্ষংতৎ ভাৰতং নাম যত্ৰেয়ং ভাৰতী প্ৰজা:

অৰ্থাৎ সাগৰৰ উত্তৰে আৰু হিমালয়ৰ দক্ষিণে যিখন দেশ তাৰ নাম ভাৰতবৰ্ষ আৰু তাৰ প্ৰজা (জনগণ) ভাৰতীয়।

'হিন্দু'— 'হিন্দুস্থান' নাম আহিছে বিদেশৰ পৰা। পুৰাতাত্ত্বিক অনুসন্ধানৰ পৰা জনা গৈছে যে প্ৰাচীন ইৰানৰ সম্ৰাট দৰায়ুছে কেবাখনো 'লিপি'ত 'হিন্দু' শব্দ ব্যৱহাৰ কৰিছে। আৰু 'হিন্দু' তেওঁৰ ৰাজ্যৰ ভিতৰুৱা বুলিছে। পুৰাতাত্ত্বিক সকলৰ মতে এখন দেশক বুজাবলৈ 'হিন্দু' শব্দৰ এয়ে প্ৰথম ব্যৱহাৰ। দৰায়ুছৰ পুত্ৰেক জাৰাক্সিচেও তেওঁৰ লিপিত 'হিন্দু' শব্দৰ প্ৰয়োগ কৰিছে। কিন্তু প্ৰাচীন ভাৰতীয় লিপি আৰু গ্ৰন্থত 'হিন্দু' শব্দৰ ক'তো ব্যৱহাৰ নাই, ভাৰত-ভাৰতীয় জম্বুদ্বীপ-জম্বুদ্বীপবাসী আদি শব্দৰ প্ৰয়োগ হে দেখা যায়। পুৰাতাত্ত্বিক পণ্ডিত সকলে অনুমান কৰে যে ইৰানী সকলে 'হিন্দু' শব্দটো সিন্ধু উপত্যকাক বুজাবলৈ হে প্ৰয়োগ কৰিছিল। বিদেশী ইৰানীৰ মুখত 'সিন্ধু' উচ্চাৰণ হৈছিল 'হিন্দু' ৰূপে, কালক্ৰমত এই 'হিন্দু'ৰ পৰাহে নাম 'হিন্দুস্থান'। ভাৰতত বিজয় নগৰৰ 'সত্যমংগলম্' লিপিত ১৪শ শতিকাত পোন প্ৰথমে 'হিন্দু' শব্দৰ ব্যৱহাৰ বুলি কোৱা হয়।

ভৰতৰ সন্তান ভাৰতীয় আৰু ভৰতৰ ৰাজ্য ভাৰত বুলি ভাৰতবাসীৰ মাজত যি বিশ্বাস আছে তাক অবাস্তৱ বুলিব নোৱাৰি। কাৰণ আদিতে একে বংশৰ পৰা বহু-মানুহ একেলগে বসবাস কৰি সমাজ জীৱন যাপন কৰিছিল, কালক্ৰমে ই ৰাজ্য বা ৰাষ্ট্ৰত পৰিণত হৈছিল। অন্যান্য ৰাষ্ট্ৰ বা জাতিৰ দৰে ভাৰতো আজি বৰ্ণসংকৰৰ জাতি, পৃথিৱীৰ কোনো পৰিয়ালেই আজি নিৰ্ভেজালৰ দাবী কৰিব নোৱাৰে। আজিৰ সমগ্ৰ পৃথিৱীৰ মানৱ জাতি সংমিশ্ৰণ, সমন্বয় আৰু সমাহৰণৰ ফল মাথোন। তেজ, বংশ বা জাতিৰ নিৰ্ভেজত্ব আজি এক বিৰাট প্ৰহসন। আৰ্য্য-অনাৰ্য্য, হিন্দু-মুছলমান, শিখ-খ্ৰীষ্টান, জনজাতীয়-অজনজাতীয় সকলোৰে ক্ষেত্ৰত ই সত্য, সকলোৰে আজিৰ জীৱন বিৰাট মিলন-মিশ্ৰণ, সমন্বয়-সমাহৰণৰ ফল। আৰ্য্যৰ ত্ৰিকালজ্ঞ ঋষি সকলেই অনাৰ্য্য ৰমণীক পত্নীৰূপে গ্ৰহণ কৰিছিল, ভাৰতীয় ধৰ্মগ্ৰন্থ সমূহৰ ৰচক ৰূপে সন্মানিত স্বয়ং ব্যাসদেৱৰ জীৱনেই ইয়াৰ উত্তম নিদৰ্শন। ভাৰতত মুছলমান বসতি আৰম্ভৰ আগতেই

মুছলমানৰ তেজত ভাঁজ আহিছিল, ভাৰতীয় মুছলমানৰ অনেকেই পূৰ্ব্ব অনা-মুছলমান। কোনো কোনো বুৰঞ্জীমতে টাই-আহোম জাতিৰ মানুহ সকলে লগত তিৰোতা লৈ অহা নাছিল, অসমত হে খপুৰা মাহুহৰ জীয়াৰী-বোৱাৰীক পত্নী-ৰূপে গ্ৰহণ কৰিছিল। এনে অসংখ্য নিদৰ্শনৰ পৰা দেখুৱাব পাৰি যে বৰ্ত্তমান ভাৰতীয় জাতীয়তা মিলন-মিশ্ৰণৰ প্ৰক্ৰিয়াৰ ফলত গঢ় লৈ উঠিছে।

অসমীয়া আদি কৰি জাতিসত্তা সমূহৰ ক্ষেত্ৰতো আমি একে সত্যকেই অনুভৱ কৰিবলৈ পাওঁ। প্ৰান্তীয় অসমীয়া ভাষাই স্বকীয়া ৰূপ লাভ কৰাৰ পিছতো এই দেশৰ মানুহে নিজক অসমীয়া বুলি নকৈ ভাৰতীয় বুলি কৈহে আনন্দ অনুভৱ কৰিছিল। স্বয়ং শংকৰদেৱ-মাধৱদেৱৰ ৰচনাই এই কথাৰ সত্যতা নিৰূপণ কৰে। সাম্ৰাজ্যবাদী ইংৰাজৰ আগমনৰ আগলৈকে ভাৰতত উগ্ৰ-জাতীয়তাবাদৰ স্থান নাছিল। সুবিশাল ভাৰতবৰ্ষৰ অগণন ৰাইজৰ ওপৰত শাসন-শোষণ অব্যাহত ৰখাৰ অৰ্থে আঞ্চলিকতা, সাম্প্ৰদায়িকতা, বৰ্ণবিদ্বেষ আদিৰ উদ্ৰেক কৰি ভাৰতবাসীৰ যুগমীয়া ঐক্য-সংহতি বিনষ্ট কৰিছিল বিদেশী বণিক ইংৰাজ শাসনেই। অসমত বঙালী ভাষাৰ প্ৰচলন আৰু অসমীয়া বঙালীৰ মাজত ভাষাৰ নামত ঘটা সংঘাত-সংগ্ৰামেও ইংৰাজ শাসনৰ ভেদ নীতিৰ স্বৰূপ প্ৰকাশ কৰে। অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীকাৰ মাত্ৰেই এতিয়ালৈ কৈ আহিছে যে একাংশ বঙালী আমোলাৰ কূট পৰামৰ্শৰ ফলতহে অসমত বঙালী ভাষা প্ৰচলন হৈছিল। কিন্তু সম্প্ৰতি ন ন তথ্য উদ্‌ঘাটন হোৱাত আৰু বহুতো পুৰণি ৰচনাৰ পুনৰ মুদ্ৰণ বা উদ্‌ঘাটনৰ ফলত প্ৰকাশ পাইছে যে অসমত বঙলা ভাষা প্ৰচলন কৰিছিল ইংৰাজ প্ৰশাসনেহে। উদ্‌ঘাটিত তথ্যৰ পৰা জনা যায় যে অসমত বঙলা ভাষা প্ৰচলনত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছিল প্ৰশাসক জেনকিন্‌চে। আনকি ১৯৮১ চনত প্ৰকাশিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলা বিভাগ সমূহৰ আলোচনী Journal of the University of Gauhati (Volumes XXVII—XXIX) ত লেখা 'মিশ্যনেৰী আৰু অসমৰ ভাষ-বিবাদ' (Missionaries and the Language Controversy in Assam) বোলা নিবন্ধত সত্য তথ্যৰ ভেটিত ফ্ৰেডেৰিক এচ, ডাউন্সে সুন্দৰকৈ দেখুৱাইছে যে অসমত বঙলা ভাষাৰ প্ৰচলনৰ গুৰিত আছিল তেতিয়াৰ অসমৰ শিক্ষা বিভাগৰ পৰিদৰ্শক উইলিয়াম ৰবিন্সন। এইজন বিষয়াইহে অসমীয়া ভাষাক বঙলা ভাষাৰ অপভ্ৰংশ বুলিছিল। আনকি নাথন ব্ৰাউন আৰু মাইলচ ব্ৰন্সনে অসমীয়াৰ স্বকীয়ত্ব প্ৰমাণ কৰি অসমত অসমীয়া ভাষা পুনঃ প্ৰবৰ্তনৰ অৰ্থে যুক্তি উত্থাপন কৰাৰ পাছতো ৰবিন্সনে আকোৰগোজ দি বঙালীকহে সমৰ্থন

কৰি আছিল। প্ৰকাশন পৰিষদে পুনৰ মুদ্ৰণ কৰি প্ৰকাশ কৰা 'অৰুণোদয়'ৰ পাতনি লেখি ডঃ মহেশ্বৰ নেওগে তথ্যৰ ভেটিত স্বীকাৰ কৰিছে যে বঙালী বুদ্ধিজীৱী ৰমেশ চন্দ্ৰ দত্তই হে ইংৰাজ প্ৰশাসনক পতিয়ন নিয়াব লগাত পৰিছিল যে অসমীয়া-বঙালীৰ পৰা সুকীয়া ভাষা। আনকি অসমত অসমীয়া ভাষা পুনঃ প্ৰবৰ্তন হব লাগে বুলি ১৮৭২ চনত যিখন স্মাৰকপত্ৰ চৰকাৰক দিছিল, তাত স্বাক্ষৰকাৰী সকলৰ ভিতৰত অসমত বসবাস কৰা জানকী নাথ সেন, ৰামলোচন সেন প্ৰমুখ্যে বঙালী লোক সকলো আছিল। 'অৰুণোদয়'ৰ সকলোবোৰ সংখ্যা পুনৰ প্ৰকাশ হলে আৰু সেই সময়ৰ ব্ৰন্চন প্ৰমুখ্যে মিশ্যনেৰী সকলৰ সমগ্ৰ ৰচনাৱলীও পাব পৰা হলে অসমীয়া ভাষাক কেন্দ্ৰ কৰি তেতিয়াৰ ইংৰাজ প্ৰশাসনে চলোৱা ষড়যন্ত্ৰৰ স্বৰূপ নিশ্চয়কৈ উদ্‌ঘাটন হ'ব।

তাহানি পঞ্জাবৰ গৱৰ্ণৰ চাৰজন মেনাড়ে 'ফৰেইন এফেয়াৰ্চ' বোলা খোদ ইংলণ্ডৰ পৰা প্ৰকাশিত আলোচনীতে প্ৰবন্ধ লেখি স্বীকাৰ কৰিছিল যে ভাৰতত হিন্দু আৰু মুছলমানে একে মাতৃৰ সন্তানৰ দৰে সম্প্ৰীতিৰে বসবাস কৰিছিল। এই সম্প্ৰীতিৰ ফলতে ১৮৫৭ চনৰ বিদ্ৰোহৰ সময়ত বৃটিছ সাম্ৰাজ্যৰ বেলি ভাৰতত বুৰ যোৱাৰ উপক্ৰম হৈছিল। আৰু এই কাৰণে ইংৰাজ প্ৰশাসন ব্যস্ত হৈছিল হিন্দুৰ পৰা মুছলমানক আঁতৰাই নি দুয়ো সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক দ্বেষ-বিদ্বেষ, হিংসা-ঘৃণাৰ সৃষ্টি কৰিবলৈ। যিজন চৈয়দ আহমেদ খাঁই হিন্দু-মুছলমান দুই সম্প্ৰদায়ৰ ঐক্য-সংহতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৈছিল— যোনে হিন্দু আৰু মুছলমান ভাৰত মাতৃৰ দুটি চকু, শেষলৈ ইংৰাজৰ প্ৰৰোচনাত তেৱেঁই ভাৰতত মুছলিম লীগৰ অন্যতম আগশাৰীৰ প্ৰতিষ্ঠাপকত পৰিণত হ'ল। যিজন কবি ইকবালে হিন্দুস্থানত জন্ম লাভ কৰা কাৰণে পৰম গৌৰববোধ কৰি কবিতা ৰচনা কৰিছিল, সাম্প্ৰদায়িক বিদ্বেষৰ ফলত সেইজন কবি ইকবালেই জন্ম দিলে 'পাকিস্থান' শব্দৰ।

সাম্ৰাজ্যবাদী ইংৰাজ শাসনে ভাৰতীয় জাতীয়তা আৰু অসমীয়া প্ৰমুখ্যে জাতিসত্তাৰ মাজত সৃষ্টি কৰা বিভেদ-বিচ্ছিন্নতাৰ ফলতে ভাৰত যুৰি সৃষ্টি হৈছিল জাতিসত্তাই-জাতিসত্তাই, ভাষাই-ভাষাই, সম্প্ৰদায়ে-সম্প্ৰদায়ে হিংসা-ঘৃণাৰ আৰু ভাতৃঘাতী সংঘাত-সংগ্ৰামৰ। এই সকলোবোৰ আজি ঐতিহাসিক সত্য। কিন্তু দুখৰ বিষয় যে আন্তৰ্জাতিক আৰু জাতীয় পুঁজিপতি শোষক-শ্ৰেণীৰ কবলৰ পৰা মুক্ত হ'ব নোৱাৰা কাৰণে এক বিশিষ্ট সংখ্যক শিল্পী, সাহিত্যিক প্ৰমুখ্যে বুদ্ধিজীৱীয়ে জনগণৰ আগত এই ঐতিহাসিক সত্য উদঙাই দাঙি ধৰাত ব্যৰ্থ হৈছে; তুচ্ছ

ক্ষমতা, পদৰী বা ধনৰ লোভত শোষক শ্ৰেণীৰ আঙুলি নিৰ্দেশত হে এইলোকে উঠা বহা কৰিছে। জনগণৰ ঐক্য বিধ্বংসী আন্দোলন বা আলোড়ন মানেই যে শোষক শ্ৰেণীৰ শোষণৰ পথ নিষ্কণ্টক কৰা এই তথ্য এই সকল সংকীৰ্ণ স্বাৰ্থান্বেষী বুদ্ধিজীৱীয়ে জানিও নজনাৰ ভাও ধৰি উগ্ৰজাতীয়তাবাদী আন্দোলনত লিপ্ত কৰিছে আনকি শ্ৰমকাৰী জনগণকো।

ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে অসমতো ধ্বনি তুলিছে অসম অসমীয়াৰ। কিন্তু অসমীয়া কোন? বিভিন্ন প্ৰান্তৰ পৰা প্ৰব্ৰজন কৰি অহা লোকসকলৰ সংমিশ্ৰণ, সমন্বয় আৰু সমাহৰণৰ ফলতেই জানো কালক্ৰমত অসমীয়া জাতি-সত্তা গঢ় লৈ উঠা নাই। বড়ো-কছাৰী সকলৰ বৰাহী ফৈদৰ মহামাণিক্য ৰজাৰ আদেশেৰে কবি মাধৱ কন্দলিয়ে সপ্তকাণ্ড ৰামায়ণ অসমীয়া পদত ৰচনা কৰি অসমীয়া লিখিত সাহিত্যৰ নিশ্চিত বুৰঞ্জীৰ পাতনি মেলে। অথচ বড়ো-কছাৰী প্ৰমুখ্যে জনজাতি সকলৰ নিজস্ব ভাষা চিৰদিনেই আছে। শ্ৰীশংকৰদেৱক অসমীয়া সাহিত্য-সংস্কৃতিৰ সূৰ্য্য বোলা হয়। অথচ তেওঁৰ পূৰ্বপুৰুষ চণ্ডীবৰ গৌড়ৰ পৰা অহা বঙালী। মাধৱদেৱৰ পিতৃৰ ঘৰ বৰ্ত্তমানৰ বাংলাদেশৰ ৰংপুৰৰ বণ্ডুকাতহে আছিল। যিজন বীৰ লাচিতৰ কাৰণে আমি অসমীয়াসকল গৌৰৱত আপ্লুত সেইজন লাচিতৰ পূৰ্বপুৰুষ চুকাফা আদি বিশিষ্টসকল দেখোন অসম আক্ৰমণকাৰী শ্যান জাতিৰহে মানুহ আছিল। প্ৰবল-প্ৰতাপী ভাৰত বিজেতা মোগলক শৰাইঘাটৰ যুদ্ধত মুৰ দাঙিব নোৱাৰাকৈ পৰাজিত কৰাত বীৰ লাচিতক সহায় কৰিছিল এজন মুছলমান সেনাপতি বাঘ হাজৰিকাইহে। এইজন বাঘ হাজৰিকাৰে বংশধৰ জ্ঞানমালিনীৰ কবি মফিজুদ্দিন আহমেদ হাজৰিকা, অসম সাহিত্য সভাৰ অন্যতম বিশিষ্ট সভাপতি। যিজন লক্ষ্মীনাথ বেজবৰুৱাক আধুনিক অসমীয়া সাহিত্যৰ মুকুট বিহীন সম্ৰাট বোলা হয় তেওঁৰ পূৰ্বপুৰুষ কণৌজৰ পৰা অহা পৰ্যটনকাৰীহে আছিল। অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক সুসাহিত্যিক শৰৎ চন্দ্ৰ গোস্বামী, অসম সাহিত্য সভাৰ সভাপতি ত্ৰৈলোক্য নাথ গোস্বামী প্ৰমুখ্যে নলবাৰী সত্ৰৰ গোস্বামীসকল শ্ৰীচৈতন্যৰ ভাতৃ নিত্যানন্দৰ বংশধৰ। অসমীয়া সাহিত্যত 'জোনাকী' যুগৰ প্ৰৱৰ্ত্তক চন্দ্ৰকুমাৰ আগৰৱালাৰ ককাক নৱৰত্তম আগৰৱালা ইংৰাজ শাসনৰ লগে লগে জীৱিকাৰ অৰ্থে অসমত প্ৰৱেশ কৰা এজন ৰাজস্থানী যুৱক। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ প্ৰমুখ্যে তেজপুৰৰ বিশিষ্ট আগৰৱালাসকল এই বংশতে ওপজা লোক। এনেদৰে অসংখ্য ঐতিহাসিক উদাহৰণ দাঙি ধৰি দেখুৱাব পাৰি নানা

জাতি, উপজাতি, জনজাতি, জনগোষ্ঠীৰ সংমিশ্ৰণ, সমন্বয় আৰু সমাহৰণে অসমীয়া আদি জাতিসত্তা কিদৰে গঢ়ি তুলিছে। মধ্যযুগৰে পৰা অসমত বিভিন্ন ভাষা-ভাষীলোকৰ বাসস্থান; দেশ স্বাধীন হোৱাৰ পিছত ন অসমীয়া ৰূপে জন্মজাত পমুৱা মুছলমান সকলে অসমীয়া ভাষা মাতৃভাষাৰূপে গ্ৰহণ কৰাৰ ফলত্-হে দেখোন অসমীয়া ভাষা অসমৰ প্ৰধান ৰাজ্যিক ভাষাৰ সম্মান পাবলৈও সমৰ্থ হৈছে।

মহা পৰিশ্ৰমী এই ন অসমীয়া সকলে যে অসমৰ অৰ্থনৈতিক ভেটিহে শক্তি-শালী কৰি তুলিছে অকল তেনে নহয়, এওঁলোকৰ মাজৰ পৰা ওলোৱা সাহিত্যিক-শিল্পীয়ে অসমীয়া ভাষা, সাহিত্য তথা সংস্কৃতিৰ ভেটিও সুদৃঢ় আৰু বহল বিস্তৃত কৰি তুলিছে। ভাৰত বিভাজনৰ ফলত অহা আশ্ৰয়প্ৰাৰ্থী বঙালী হিন্দুসকলৰ মাজত জন্মা অসমীয়া কবি, সাহিত্যিক, গৱেষক আৰু সমাজতাত্ত্বিকেও অসমীয়া জাতিসত্তা আৰু সংস্কৃতিৰ ভেটি বহল-বিস্তৃত আৰু সুদৃঢ় কৰাত কম অবিহণা যোগোৱা নাই। নেপালী প্ৰমুখ্যে অন্যান্য জনগোষ্ঠীৰ মানুহেও অসম তথা ভাৰতীয় জাতীয়তাৰ ভেটি গঢ়াত বিশিষ্ট অবিহণা আগবঢ়াই আছে। জাতীয় জীৱনৰ মিলন, মিশ্ৰণ, সমন্বয়, সমাহৰণলৈ লক্ষ্য কৰিয়ে লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল— "এইটো ধ্ৰুৱপ যে জগতত এনে জাতি নাই, যি জন্মৰ পৰা আজিলৈকে নিজৰ ৰক্ত বিশুদ্ধ আৰু অবিমিশ্ৰ কৰি ৰাখিব পাৰিছে। বৰ্ণসংকৰৰ ভয়ত আমাৰ শাস্ত্ৰকাৰ সকল সশংকিত, কিন্তু এইটোও ঠিক যে বৰ্ণসংকৰেই নতুন নতুন সবল জাতিৰ সৃষ্টিৰ গুৰি। সেই দেখি কোনো এটা জাতিত বিশুদ্ধতা বিচৰাটো যেনেকৈ পৰ্বতত কাছকণী বিচৰা, কোনো এটা ভাষা আৰু সাহি-ত্যতো বিশুদ্ধতা বিচৰাটো তেনে কথা। বহুতৰ ভ্ৰমধাৰণা আছে যে বৈদিক সংস্কৃত ভাষা আৰু সাহিত্য বিশুদ্ধ আৰু অবিমিশ্ৰ। সংস্কৃত ভাষাৰ যেতিয়া পয়োভৰৰ অৱস্থা, যেতিয়া তাৰ জীৱনীশক্তিয়ে ভাৰতৰ ধমনীত প্ৰবল ৰক্ত প্ৰবাহ চলাইছিল, তেতিয়া সি কতশত অনাৰ্য্য আৰু যাবনিক মাত-কথাক উদৰস্থ কৰি নিজে নিপোটলটো হৈছিল, ভাষাৰ তুলনামূলক সমালোচনা কৰোঁতা সকলে এই কথাৰ অনেক সম্ভেদ পাইছে। ব্ৰাহ্মণৰ অস্পৃশ্য ম্লেচ্ছৰ কত শব্দই কৃত তন্ত্ৰিতৰ উত্তৰীয় বস্ত্ৰ গাতলৈ অনুস্বাৰৰ টিকনি পিন্ধি, বিসৰ্গৰ কাহ কাহি ভগৱৎ ভট্টাৰক ভট্টাচাৰ্য্যৰ দৰে চিনিব নোৱাৰা হৈ ব্ৰাহ্মণৰ মন্ত্ৰৰ মাজত সোমাই, শিৰফুটা আধ্যাশৰেৰে সৈতে সমানে শাৰি পাতি, যজ্ঞ হোমৰ বৰ ভাগনা আজিলৈকে চাই ফুৰিছে, কেইজন নৈষ্ঠিক ব্ৰাহ্মণে তাৰ ভু ৰাখিছে বা সেইবোৰ চোৰক ধৰিবই

পাৰিছে।" (গ্ৰন্থাৱলী : ২য় খণ্ড : পৃষ্ঠা ১৮৬২)।

এনে উদাৰ দৃষ্টিৰিনে জাতীয়তা বা জাতীয় ভাষা, সাহিত্য, সংস্কৃতিৰ বিকাশ অসম্ভৱ। সাম্ৰাজ্যবাদী ইংৰাজ শাসন প্ৰবৰ্তনৰ আগতে ভাৰতত কোনো দিনেই উগ্ৰজাতীয়তা বা উগ্ৰসাম্প্ৰদায়িকতাৰ স্থান নাছিল। বিদেশী বুলি হিউৱেনচাং প্ৰমুখ্যে পৰ্যটনকাৰীক জানো ভাৰতীয়লোকে কেতিয়াবা অসম্মান কৰিছিল? বিভেদ-বিচ্ছেদ শ্ৰেণীসমাজ প্ৰবৰ্তন হোৱা কালৰে পৰা আছিল, কিন্তু সাম্ৰাজ্য-বাদী শোষক গোষ্ঠীয়ে কৌশলেৰে সংমিশ্ৰণ, সমন্বয় আৰু সমাহৰণৰ পথ যেনেকৈ বন্ধ কৰি তোলে, তেনেকুৱা আগতে নাছিল। পুঁজিবাদ আৰু সাম্ৰাজ্যবাদ আজিৰ পৃথিবীৰ মানুহৰ মিলন পথৰ প্ৰধান অন্তৰায়। আজিৰ জনগণে এই সত্য তথ্যবোৰ নিভু'ল আৰু অবিকৃত ৰূপে জানিব লাগে; তেওঁলোকে ইয়াকো জানিব লাগে যে জাতীয় প্ৰেম আদৰণীয়, কিন্তু উগ্ৰজাতীয়তা বৰ্জনীয়। তেওঁ-লোকে ইয়াকো জানিব লাগে যে উদাৰ জাতীয় প্ৰেমৰ পৰিণতি স্বৰূপে এসময়ত বৰ অসম গঢ় লৈ উঠিছিল আৰু উগ্ৰজাতীয়তাবাদৰ ফলত বৰ অসম ভাগি-থানবান হ'ল, বৰ অসমৰ বৰ ভেটি সুদৃঢ় ৰূপে গঢ়ি তোলা বিশিষ্ট অসমীয়া সকলে সংখ্যা গৰিষ্ঠ অসমীয়া ভাষী সকলৰ উগ্ৰ আচৰণৰ পৰিণতি স্বৰূপে আজি নিজক অসমীয়া বুলি পৰিচয় দিবলৈ বা অসমীয়া মাধ্যমত শিক্ষা লাভ কৰিবলৈ বা ভাবৰ বিনিময় কৰিবলৈ লাজ আৰু ক্ৰোধ অনুভৱ কৰা হৈছে। উগ্ৰজা-তীয়তাবাদৰ বিষক্ৰিয়াৰ পৰিণতি স্বৰূপেই বৰ্তমানৰ ক্ষুদ্ৰ অসমখন আকৌ চূৰ্ণ-বিচূৰ্ণ হোৱাৰ আশংকাও আঁতৰি যোৱা নাই। প্ৰকৃত সংস্কৃতি সম্পন্ন লোক কিন্তু সততে উদাৰ, সংযত আৰু দূৰদৃষ্টি সম্পন্ন। সংস্কৃতি সম্পন্ন লোক মাত্ৰেই আনৰ ভাষা, সাহিত্য, সংস্কৃতিক শ্ৰদ্ধা সম্মান কৰে আৰু আনৰ সাংস্কৃতিক উপাদানেৰে নিজৰ সংস্কৃতিক মহীয়ান কৰিবলৈ হয় সততে সচেষ্ট। এই সাংস্কৃতিক বিকাশ সাধনৰ ওপৰলৈ লক্ষ্য কৰিয়ে মহান শিল্পী জ্যোতিপ্ৰসাদে কৈছিল— "যি সংস্কৃতি বিশ্বশৃংগলৈ উঠিব তাৰ ভেটি বান্ধিব লাগিব বিশ্বজনতাৰ হৃদয়ত, মনত, মুখত, আনন্দত। তেতিয়া হলেহে মানৱ সংস্কৃতিয়ে তাৰ স্বাভাৱিক বিশ্বৰূপত ওলাব।" (ৰচনাৱলী : পৃষ্ঠা, ৪৩১)।

আমি ইয়াকো নজনা নহয় যে জাতি এটা মৰা বা পোতা পুখুৰী নহয়, জাতি এটা জীৱন্ত প্ৰবাহ হে! মৰা পুখুৰীত ভূতে নাচে, ধন ওলৈ ওলায়, মৰা পুখুৰী কেৱল ভয়-শংকা, বিপদ-বিঘিনি, অশান্তি অন্যায়ৰ কাৰণ হয়। জীৱন্ত প্ৰবাহ কিন্তু সকলোৰে সুখ স্বাচ্ছন্দ্য আৰু আনন্দৰ কাৰণ। ক্ষুদ্ৰ ক্ষুদ্ৰ

প্ৰবাহৰ সমন্বয়ে যিবাট শক্তিশালী প্ৰবাহ বা নৈৰ সৃষ্টি কৰাৰ দৰে মিলন, মিশ্ৰণ, সমন্বয় আৰু সংশ্লেষণৰ ফলত ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীয়ে সৃষ্টি কৰে মহান শক্তিশালী জাতি বা জাতিসত্তাৰ। অবৈধ বিদেশীৰ অৱস্থিতি কোনেও সমৰ্থন নকৰে, কিন্তু ভাষা, সাহিত্যৰ সমন্বয়-সমাহৰণ প্ৰগতিবাদী মাত্ৰেই কামনা কৰে।

ইতিহাসৰ পৰা আমি জানো যে এক জাতি, এক ভাষা এক নায়কৰ ধ্বনি কেন্দ্ৰীবাদী শোষকৰ ধ্বনি। এটা জাতিৰ সৰ্বাত্মক বিকাশ সাধন কৰিব লাগিলে বা জাতিৰ ভাষা, সাহিত্য, সংস্কৃতিৰ বিকাশ সাধন কৰিব লাগিলে এনে অশুভ আৰু মানৱতাৰ পৰিপন্থী কেন্দ্ৰীবাদী চিন্তা, চৰ্চা আৰু কাৰ্য্য সম্পূৰ্ণৰূপে পৰিহাৰ কৰি সংমিশ্ৰণ, সমন্বয় আৰু সমাহৰণৰ আদৰ্শৰ ভেটিত হে জাতীয় ভাষা, সাহিত্য, সংস্কৃতিৰ প্ৰাচীৰ গঢ়ি তুলিব লাগিব। আজিৰ পৃথিৱীত জাতিয়ে জাতিয়ে, ভাষাই ভাষাই, সংস্কৃতিয়ে সংস্কৃতিয়ে যি সংঘাতৰ সৃষ্টি হৈছে তাৰ মূলত আছে শোষণ; সকলো প্ৰকাৰৰ হিংসা-ঘৃণা আৰু ভাতৃঘাতী সংঘাতৰ মূলতো আছে শোষণ। আনকি শোষক শ্ৰেণীৰ মাজত হিংসা-ঘৃণাৰ সৃষ্টি হৈছে শোষণ আৰু লুণ্ঠনৰ পাৰস্পৰিক প্ৰতিযোগিতাৰ পৰা আৰু শোষিত শ্ৰমকাৰী মানুহৰ মনত হিংসা-ঘৃণাৰ উদ্ৰেক হৈছে শোষক শ্ৰেণীৰ বিৰুদ্ধে। ইতিহাসৰ পৰা আমি শিকিবলৈ পাইছো যে সফল সমাজতান্ত্ৰিক বিপ্লৱেহে মাথোঁ এই হিংসা-ঘৃণাৰ অৱসান ঘটাই শান্তি আৰু সম্প্ৰীতিৰ ভেটিত সকলো স্তৰৰ মানুহৰ কাৰণে পৰম মঙ্গলময় সমাজ ব্যৱস্থা গঢ়ি তুলিব পাৰে। ইতিহাসে আমাক ইয়াকো জানিব দিছে যে যেতিয়ালৈকে সকলো মানুহৰ জীৱন-জীৱিকাৰ নিৰাপত্তা সুনিশ্চিত নহ'ব, তেতিয়ালৈকে সমাজৰ বুকুৰ পৰা ভাতৃঘাতী সংঘাত সংগ্ৰামবো অৱসান নঘটিব। আজিৰ পৃথিৱীৰ সমাজতান্ত্ৰিক দেশবোৰে এই তথ্য দিন যেন পোহৰ কৰি তুলিছে। সমাজতন্ত্ৰৰ পিতৃভূমি আজিৰ ছোভিয়েট দেশৰ ভাষা, ধৰ্ম, বৰ্ণ, সম্প্ৰদায়ৰ সমস্যালৈ লক্ষ্য কৰিলেই এই কথা উপলব্ধি কৰা সহজ হৈ পৰে। ছোভিয়েট দেশত ১২৬ টা জাতিৰ মানুহে স্থায়ী ভাৱে বসবাস কৰিছিল। তেওঁলোকে প্ৰায় ১০০ টা ভাষাৰ মাধ্যমত শিক্ষা-দীক্ষা লাভ কৰিছিল, প্ৰত্যেকেই নিজ নিজৰ ভাষাৰ মাধ্যমত কেন্দ্ৰীয় চৰকাৰ চুপ্ৰিম ছোভিয়েটৰ লগত যোগাযোগ কৰাৰ সুব্যৱস্থা সংৰক্ষিত আছিল। এটা নিৰ্দ্দিষ্ট ভাষা-ভাষী লোক যিমানেই লাগে কম সংখ্যক নহওক কিয়, দাবী উত্থাপন কৰিলে সেই নিৰ্দ্দিষ্ট ভাষাৰ মাধ্যমত শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ ছোভিয়েট দেশৰ ৰাষ্ট্ৰযন্ত্ৰ বাধ্য। প্ৰতিগৰাকী নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ সুৰক্ষিত কৰাত ছোভিয়েট

দেশত সবাতোকৈ অধিক গুৰুত্ব আৰোপ কৰিছিল। সংখ্যা গৰিষ্ঠই সংখ্যা লঘুৰ আশা-আকাঙ্ক্ষা, ভাষা, সংস্কৃতি সম্প্ৰদায়ক হেঁচি ৰখাক গণতন্ত্ৰ নোবোলে, সি স্বৈৰতন্ত্ৰ বা স্বেচ্ছাচাৰ হে। শ্ৰমকাৰী মানুহৰ গণতান্ত্ৰিক অধিকাৰ সুৰক্ষাৰ আলোচনা প্ৰসংগত লেনিনে কৈছিল— "মোক কোনোবাই সুধিব পাৰে বোলে সমঅধিকাৰৰ ভেটিত পিটাৰ্চবাৰ্গৰ ৪৮,০৭৬ জন স্কুলীয়া ছাত্ৰৰ মাজত জানো মাথোঁ এজন জৰ্জিয়ান ছাত্ৰৰ স্বাৰ্থৰক্ষা সম্ভৱ। মোৰ উত্তৰ এয়ে যে জৰ্জিয়ান সংস্কৃতিৰ আধাৰত মাথোঁ এজন ছাত্ৰৰ কাৰণে এখন বিশেষ জৰ্জিয়ান স্কুল স্থাপন কৰা অসম্ভৱ। তথাপি মই ভাবোঁ জৰ্জিয়ান ছাত্ৰজনৰ কাৰণে জৰ্জিয়ান ভাষাত শিক্ষা-দীক্ষাৰ কাৰণে ৰাষ্ট্ৰৰ খৰচত এজন শিক্ষক নিযুক্তিৰ কাৰণে দাবী কৰাটোক অসম্ভৱক সম্ভৱ কৰিব বিচৰা বা অনিষ্টকৰ কিবা কৰা বুলিব নোৱাৰি।" আমাৰ সমাজত নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত যদি লেনিন বৰ্ণিত আৰু চোভিয়েট দেশ প্ৰদৰ্শিত আৰু সাম্প্ৰতিক বিশ্বৰ প্ৰায় সকলোবোৰ সমাজতান্ত্ৰিক দেশত প্ৰতিফলিত এনে গণতান্ত্ৰিক আদৰ্শৰ অনুশীলন হয়, তেনেহলে অসম তথা ভাৰতত যুবি বিয়পি পৰা অন্ধবিশ্বাস, অসহিষ্ণুতা, হিংসা-ঘৃণা আৰু সকলো প্ৰকাৰৰ ভাতৃঘাতী সংঘাত লোপ পাবলৈ বহুকাল নালাগিব। দুখৰ কথা এয়ে যে আমাৰ সমাজত এজন ছাত্ৰৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাত ৰাষ্ট্ৰশক্তিয়ে সহায় কৰিব দূৰতে থাওক, লাখ লাখ, কোটি কোটি মানুহৰ ন্যায়-সঙ্গত গণতান্ত্ৰিক অধিকাৰো স্বৈৰতান্ত্ৰিক কৌশলেৰে উপেক্ষা কৰি থকাত বিশেষ অসুবিধা পোৱা নাই।

ভাষা-সংস্কৃতি, ধৰ্ম-সম্প্ৰদায় প্ৰভৃতি অতি স্পৰ্শকাতৰ বিষয়; ই মানুহৰ আবেগ অনুভূতি জনিত। এইবোৰৰ ক্ষেত্ৰত অতি সতৰ্কতাৰ প্ৰয়োজন। ঐক্য-সংহতিৰ ভেটিত জাতীয় জীৱন সুন্দৰ-সৌষ্ঠৱপূৰ্ণ কৰি তুলিব লাগিলে এইবোৰ বিষয়ত অত্যন্ত সতৰ্ক হ'বই লাগিব, প্ৰতিটো শব্দ উচ্চাৰণ বা লেখাৰ আগতে সাহিত্যিক শিল্পীয়ে দূৰদৰ্শিতাৰে সেই শব্দৰ সম্ভাব্য প্ৰতিক্ৰিয়াৰ কথা বিবেচনা কৰিবই লাগিব। এই ক্ষেত্ৰত সংখ্যা গৰিষ্ঠ সকলৰ উদাৰতা, সহিষ্ণুতা আৰু দূৰদৰ্শিতাৰ বিশেষ প্ৰয়োজন। সংখ্যা গৰিষ্ঠ সকলে তেওঁলোকৰ উদাৰ আৰু সহানুভূতিপূৰ্ণ আচৰণ আৰু কাৰ্য্যৰে সংখ্যা লঘিষ্ঠসকলৰ ভয়-শংকা, দ্বিধা-সন্দেহ আঁতৰাব নোৱাৰিলে জাতীয় ঐক্য আৰু সংহতি হয় সুদূৰ পৰাহত। জাতীয়তা ভাষা, সাহিত্য, সংস্কৃতিৰ গ্ৰহণ-বৰ্জনৰ ক্ষেত্ৰত বাধা বাধকতাও থাকিব নালাগিব। কাৰণ বাধ্য বাধকতাই সাধাৰণতে সংখ্যা লঘু শ্ৰেণীৰ গণতান্ত্ৰিক অধিকাৰৰ ওপৰত কুঠাৰাঘাত কৰে।

বাধ্যবাধকতাহীন স্বেচ্ছামূলক সহযোগিতাৰ পৰিৱেশতহে মানুহৰ মনত আত্মশ্ৰদ্ধা আৰু আত্মপ্ৰত্যয়ৰ পৰিৱেশ গঢ় লৈ উঠে, তাৰ ফলত পাৰস্পৰিক শ্ৰদ্ধা সহানুভূতি বাঢ়ে, ইয়ে জাতীয় ঐক্য আৰু সংহতি কৰি তোলে হীৰাৰ দৰে সুদৃঢ় অথচ উজ্জ্বল।

আমি পাহৰা উচিত নহয় যে মতান্ধতা একপ্ৰকাৰ অপৰসায়ন, কিন্তু জাতি বা জাতিসত্তা অপৰসায়ন নহয়, ই সংমিশ্ৰণ সমন্বয় আৰু সমাহৰণৰ ফলত স্বতঃস্ফূৰ্ত ভাৱে গঢ় লয়। অবিচাৰ, অনাচাৰ, দমন, পীড়ন আদি অপৰসায়নৰ লক্ষণ, এই লক্ষণবোৰ পুঁজিবাদী শোষণৰ পৰা উদ্ভৱ হয়; জাতীয় জীৱনক সকলো প্ৰকাৰৰ শোষণৰ পৰা মুক্ত কৰিব নোৱাৰালৈকে জাতি বা জাতিসত্তাৰ প্ৰকৃত বিকাশ অসম্ভৱ। পাৰস্পৰিক সহায়, সৰ্বতোমুখী সহযোগিতা, আৰু উভয়পক্ষীয় স্বাৰ্থ আৰু আদৰ্শযুক্ত সমান অধিকাৰ সম্পন্ন জাতিগোষ্ঠী, জনগোষ্ঠী, জনজাতি আদিৰ সমন্বয় আৰু সমাহৰণ বিনে জাতি বা জাতিসত্তাৰ ভেটি কোনো পধ্যেও শক্তিশালী হ'বও নোৱাৰে। আমি নিশ্চিত ভাৱে জনা উচিত যে যেতিয়ালৈকে প্ৰতিটো জাতিসত্তা, উপজাতি, জনজাতি বা জনগোষ্ঠীৰ নিজস্ব ভাষা, সাহিত্য, সংস্কৃতিৰ অবাধ বিকাশৰ নিৰাপত্তা সুনিশ্চিত নহয়, তেতিয়ালৈকে জাতি বা জাতিসত্তাৰ মাজত বৰ্তি থকা বিভেদ-বিচ্ছিন্নতাও আঁতৰি নাযায়। অৱশ্যে নিৰাপত্তাৰ পৰিৱেশ নিশাৰ ভিতৰতে গঢ় লৈ নুঠে; সংখ্যাগৰিষ্ঠসকলে সংখ্যালঘিষ্ঠ সকলৰ ভাষা, সাহিত্য, সংস্কৃতিৰ প্ৰতি দেখুৱা আন্তৰিক শ্ৰদ্ধা, সহানুভূতি উদাৰতা আৰু সহিষ্ণুতাৰ দ্বাৰাহে সংখ্যালঘুসকলৰ ভয়, শংকা আৰু আতংক সম্পূৰ্ণৰূপে আঁতাৰৰ পাৰে, কোনো ক্ষেত্ৰতেই বাধ্য-বাধকতা আৰোপ নহ'লে বিদ্বেষ-বিদ্ৰূপ নাথাকিলে, ক্ৰমে ঐক্য-সংহতিৰ পৰিৱেশ গঢ় লৈ উঠিব যে নিশ্চিত। স্বেচ্ছামূলক সংঘবদ্ধতাৰ নীতিৰ ওপৰত আস্থা ৰাখিলে জাতীয় বাধা বিপত্তিবোৰো ক্ৰমে আঁতৰি যাব, ভয়ংকৰ দুখ-দুৰ্গতিৰ পৰাও জাতিক ৰক্ষা কৰিব পৰা যাব।

জাতিৰ বিকাশ সাধনৰ ক্ষেত্ৰত ভাষা, ধৰ্ম, বৰ্ণ সম্প্ৰদায়ৰ উচ্চমন্য ধাৰণাও বিপদজনক। এনে ধাৰণাই এটা অংশক আন এটা অংশৰ বিৰুদ্ধে বা এজন ব্যক্তিক আন এজন ব্যক্তিৰ বিৰুদ্ধে উচটাই দি জাতীয় উন্নতিৰ পথত বাধাৰ সৃষ্টি কৰে। এনেবোৰ বাধা-বিপত্তি বা বিভেদ-বিচ্ছিন্নতাৰ মূলত আছে প্ৰকৃততে শ্ৰেণীপ্ৰভু শোষক শ্ৰেণী। শোষণ অব্যাহত ৰখাৰ অৰ্থে উচ্চমন্যতাৰ ধাৰণাৰে একাংশ লোকক আন একাংশৰ বিৰুদ্ধে উত্তেজিত কৰি এওঁলোকে কেৱল নন ভ্ৰাতৃঘাতী সংঘাতহে সৃষ্টি কৰে।

বহুতে আকৌ জাতি ( Nation ) আৰু সম্প্ৰদায়ক ( Community ) একাকাৰ কৰি পেলায়। এনে বিভ্ৰান্তিৰ ফলত হিন্দু-মুছলমান দ্বিজাতি সূত্ৰ প্ৰতিষ্ঠা কৰি অখণ্ড ভাৰতক কৰিলে দ্বিখণ্ড। সাধাৰণতে এটা জাতিত অনেক সম্প্ৰদায়ৰ মানুহ থকাই স্বাভাৱিক, হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টান আদি জাতি নহয় সম্প্ৰদায়হে। বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ ঐক্য, সমন্বয় আৰু সমাহৰণৰ ফলত গঢ় লৈ উঠে জাতীয় জীৱন। একে সম্প্ৰদায়ৰ মানুহৰ মাজতহে জাতীয় ঐক্য সহজে গঢ় লৈ উঠে আদিৰ দৰে ধাৰণা অশুদ্ধ। সম্প্ৰতি পাকিস্থান বাংলাদেশ আদি ইছলামিক-ৰাষ্ট্ৰ, তাত শান্তি, সম্প্ৰীতি আৰু সংহতি অটুট থাকিব লাগিছিল। কিন্তু ই সম্ভৱ হোৱা নাই, কাৰণ শোষণ লোপ পোৱা নাই, ন ন কৌশল অৱলম্বন কৰি অবাধ শোষণৰ পথ নিষ্কণ্টক কৰাৰ অপকৌশলহে তাত প্ৰৱৰ্তন কৰা হৈছে; শোষক শ্ৰেণীয়ে আনকি শোষণৰ অনুকূলে ধৰ্মগ্ৰন্থ কোৰাণৰ ব্যাখ্যা প্ৰতিষ্ঠা কৰিবলৈও তাত এৰা নাই। সম্প্ৰদায় সামন্তযুগৰ সৃষ্টি, অবাধ শোষণৰ পথ সুগম কৰি ৰখাৰ অৰ্থে সামন্ত প্ৰভুসকলে সৃষ্টি কৰিছিল বৰ্ণ-সম্প্ৰদায় আদিৰ। আজিও সাম্প্ৰদায়িক অনৈক্যৰ বীজ সিচি শোষক শ্ৰেণীয়ে নতুন কুৰুক্ষেত্ৰৰ সৃষ্টি কৰিবলৈ এৰা নাই। শোষণ লোপ পোৱা কাৰণে কিন্তু আজিৰ পৃথিবীৰ সমাজতান্ত্ৰিক সমাজৰ পৰা সাম্প্ৰদায়িক দ্বেষ-বিদ্বেষ, হিংসা-ঘৃণা সম্পূৰ্ণৰূপে লোপ পোৱাৰ পথত অগ্ৰসৰ হৈছে। সহ অৱস্থানৰ নীতি আৰু সংখ্যা গৰিষ্ঠ সম্প্ৰদায়ৰ উদাৰতা, সংযম, আৰু দুৰদৰ্শিতাৰ ওপৰত সাম্প্ৰদায়িক সম্প্ৰীতি সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে। ছোভিয়েট দেশ ধৰ্ম-সম্প্ৰদায় নিৰপেক্ষ। তাত ৰাষ্ট্ৰই কোনো ধৰ্ম সম্প্ৰদায়কে নামানে, কিন্তু ধৰ্ম সম্প্ৰদায় তাৰ পৰা লোপ হৈ যোৱা নাই। ধৰ্মৰ ক্ষেত্ৰত বিবেকৰ স্বাধীনতা সুৰক্ষিত হৈছে। ব্যক্তিয়ে নিজস্ব অভিৰুচি অনুসৰি কোনো ধৰ্ম মানিব পাৰে। খ্ৰীষ্টান, ইছলাম, ইহুদী আদি ধৰ্ম সম্প্ৰদায়ৰ মানুহ তাত আছে আৰু তেওঁলোকে শান্তিপূৰ্ণ পৰিবেশত নিজ নিজ ধৰ্মৰ ৰীতি-নীতি আদি পালন কৰে। ৰাষ্ট্ৰই কিন্তু কাৰো ওপৰত প্ৰভাৱ বিস্তাৰ নকৰে, ৰাষ্ট্ৰই ধৰ্মীয় অনুষ্ঠানলৈ সহায় সাহায্যও আগ নবঢ়ায়; বিশেষ বিশেষ ধৰ্ম-সম্প্ৰদায়ৰ লোকে নিজ নিজ ধৰ্ম মতে৷ পালন কৰে আৰু আৱশ্যকীয় ব্যয়ো বহন কৰে। ৰাষ্ট্ৰৰ দায়িত্ব হ'ল কেৱল পৰ্য্যবেক্ষণ তথা চকু ৰখা যাতে ভিন্ন ভিন্ন সম্প্ৰদায়ৰ মাজত কোনো পধ্যেও অপ্ৰীতিৰ সৃষ্টি নহয় আৰু কোনেও আনৰ ওপৰত অন্যায়ভাৱে প্ৰভাৱ বিস্তাৰ নকৰে। ইয়াৰ অৰ্থে শিক্ষাক সম্পূৰ্ণৰূপে ধৰ্ম বা সম্প্ৰদায়ৰ প্ৰভাৱৰ পৰা মুক্ত কৰিছে। ছোভিয়েট দেশৰ আজাৰবাইজান

মুছলমান প্ৰধান ৰাষ্ট্ৰ আৰু আৰ্মেনিয়া খ্ৰীষ্টান প্ৰধান ৰাষ্ট্ৰ। এই দুখন ৰাষ্ট্ৰত নাগৰিক সকলৰ নিজৰ প্ৰচেষ্টাত নিজ নিজ ধৰ্মৰ বিষয়ে আনকি গৱেষণা কৰা বিশিষ্ট অনুষ্ঠানো গঢ় লৈ উঠিছে; পৃথিৱীৰ ভিন ভিন দেশৰ পৰা খ্ৰীষ্টান আৰু মুছলমান গৈ তাত ধৰ্মীয় চৰ্চা বা গৱেষণা কৰে, ৰাষ্ট্ৰ শক্তিয়ে কিন্তু প্ৰভাৱ বিস্তাৰো নকৰে আৰু হস্তক্ষেপো নকৰে। সহঅৱস্থানৰ আদৰ্শৰ ভেটিত গঢ় লৈ উঠা ধৰ্ম-নিৰপেক্ষ নীতিয়ে তাত জাতীয় ঐক্য সংহতিৰ পৰিৱেশ গঢ় লৈ উঠাতো সহায় কৰিছে। শান্তিকামী মাত্ৰেই এনে উদাৰ আৰু সহঅৱস্থানৰ নীতিৰ প্ৰতি শ্ৰদ্ধাবান হোৱা কাম্য।

এই ক্ষেত্ৰত আমি মন কৰা উচিত যে আজিৰ যুগ সাম্প্ৰদায়িক অভ্যুত্থানৰ যুগ নহয়, আজিৰ যুগ বিজ্ঞানৰ যুগ, বিচাৰ-বিবেচনা'ৰ যুগ। আজিৰ পৃথিৱীৰ জনগণে সেইবোৰ নীতিহে বিচাৰে যিয়ে তেওঁলোকৰ আৰ্থিক সমস্যা সমাধানত সহায় কৰিব, বা যিয়ে সকলো প্ৰকাৰৰ অন্ধবিশ্বাস, কুসংস্কাৰ, ধৰ্ম-সম্প্ৰদায়ৰ মাজত চলা ছলনা-বঞ্চনা আদি লোপ কৰাত সহায় কৰিব। বাস্তৱ অভি-জ্ঞতাই আমাক ইয়াকো জানিব দিয়ে যে শ্ৰমকাৰী জনগণৰ মাজত ধৰ্ম আৰু সম্প্ৰদায়কলৈ কোনো বিভেদ-বিচ্ছিন্নতা নাই, শোষক শ্ৰেণীয়েহে নানা অপ-কৌশলৰ সহায়ত বিভেদ-বিচ্ছিন্নতাৰ সৃষ্টি কৰে। শ্ৰমকাৰী জনগণৰ মাজত সম্প্ৰদায়ে সম্প্ৰদায়ে সাংস্কৃতিক সমন্বয়ৰ অনুসন্ধিৎসাও দেখা যায়। মোগল যুগত ইছলামধৰ্মী একাংশ লোকে সংস্কৃত ভাষাৰ গ্ৰন্থ অধ্যয়ন বা অনুবাদ কৰা কাৰ্যাক কোনোৱে ৰাজনৈতিক ছলনা বুলি কলে ওকৰাই দিয়া হয়তো টান হ'ব। কিন্তু যোৱা আৰব দেশত সংস্কৃত ভাষাৰ গ্ৰন্থ আৰবীকলৈ অনুবাদ কাৰ্য্যত ছলনা বা বঞ্চনা নাই। সংস্কৃত সাহিত্যৰ অন্যতম বুৰঞ্জীৰচক উইণ্টাৰ নিৎচে ৰচনা কৰা তৃতীয় খণ্ড বুৰঞ্জীত এই তত্ত্ব স্পষ্টভাৱে উল্লেখ কৰি কৈছে যে ইউৰোপৰ গ্ৰীক, ইটালী, জাৰ্মান, লাটিন, শ্লাভ, ফৰাচী, স্পেনীয়, হিব্ৰু আদি ভাষালৈ ভাৰতৰ পঞ্চতন্ত্ৰ অনুবাদ হৈছে আৰবীক ভাষাৰ পৰা। এই অনুবাদ কাৰ্য্যৰ লগত নিহিত আছিল সাংস্কৃতিক সমন্বয়ৰ অনুসন্ধিৎসা। এনে সাংস্কৃতিক সমন্বয়ৰ অনুসন্ধিৎসাই হ'ল আধুনিক পৃথিৱীৰ জ্ঞান-বিজ্ঞান, সাহিত্য-সংস্কৃতিৰ বিকাশৰ মূল ভেটি। এই সমন্বয় বিশ্বমানৱৰ সাংস্কৃতিক সমন্বয়। এই সমন্বয় গঢ় লৈ উঠে সত্যক আশ্ৰয় কৰি, আৰু এই সত্য হ'ল সমাজতান্ত্ৰিক বাস্তৱবাদৰ আদৰ্শ। সমাজতান্ত্ৰিক বাস্তৱবাদে যে সমগ্ৰ পৃথিৱীকে এখন ঘৰ আৰু সমগ্ৰ মানৱ জাতিকে এখন পৰিয়ালৰ দৰে গঢ়ি তুলিব বিচাৰে, এই মহান সমন্বয়ৰ আদৰ্শ লৈ

লক্ষ্য কৰি বোঁমা বোঁলাই কৈছিল,— "একমাত্ৰ সত্যক হে আমি মানিম। আমি মানিম সেই সত্যক যাৰ ভৰিত কোনো শিকলি নাই, যি সত্যৰ পূৰ্ণতাক কোনো ভৌগোলিক সীমাৰ প্ৰাচীৰে খণ্ড-বিখণ্ড কৰিব নোৱাৰে, যি সত্যৰ বিস্তৃতিৰ শেষ নাই, জাতি আৰু বৰ্ণৰ সংকীৰ্ণতাই যি সত্যক স্পৰ্শ কৰাৰ সাহস নাই। ...... আমাৰ মানৱতা পূৰ্ণ মানৱতা, খণ্ডিত মানৱতা নহয়। বহু জাতিকো আমি স্বীকাৰ কৰা নাই। আমাৰ মানত জাতি এক, জাতি অনন্য আৰু বিশ্বব্যাপক, সেই জাতিৰ মানুহে দুখ ভোগ কৰে, সংগ্ৰাম কৰে, বাৰে বাৰে ভৰিৰ ওপৰত ভৰ দি থিয় হয়, তেজেৰে সিঁতি থকা কঠিন পথেৰে অশ্ৰান্ত ভাৱে আগবাঢ়ে। এই জাতি সকলো মানুহৰ এক জাতি। এই জাতিৰ প্ৰতিজন মানুহেই আমাৰ ভাই। তেওঁলোকো য'তে আমাৰ দৰে ভাতৃত্ব যাকোনৰ বিষয়ে সচেতন হ'ব পাৰে তাৰ কাৰণে তেওঁলোকৰ অন্ধ কলহৰ শীৰ্ষ-স্থানত মৈত্ৰীৰ তোৰণ আমি প্ৰতিষ্ঠা কৰিছোঁ। এই তোৰণ এক বহু বিচিত্ৰ চিৰন্তন মুক্ত মনৰ মহাতোৰণ। এনে বিশ্ব দৃষ্টি সমন্বয় আৰু সংহতিৰ নীতিয়েই হ'ল সমাজতান্ত্ৰিক বাস্তৱবাদৰ মূল মন্ত্ৰ।" প্ৰকৃততে চিন্তা-ভাবনা, আবেগ-অনুভূতিৰ ফালৰ পৰা দেশ, কাল, পাত্ৰ ভেদে মানুহ এক আৰু অভিন্নই, সাহিত্য কৃতিৰ মাজেদিও এই অভিন্নতাৰ ৰূপ আমি অনুভৱ কৰোঁ। উদাহৰণ স্বৰূপে শেক্সপিয়েৰৰ অৰ্থলিপ্সু ছাইলক আৰু ৰামসৰস্বতীৰ ধনকুবেৰৰ মাজত কোনো ভিন্নতা নাই, মহাভাৰতৰ শকুনি আৰু শেক্সপিয়েৰৰ ইয়েগোৰ মাজতো আমি পূৰা সাদৃশ্য দেখোঁ। ইউৰোপীয় সাহিত্যৰ কুখ্যাত চৰিত্ৰ ফাউষ্টে যেনেকৈ ব্যক্তিগত সুখভোগ আৰু মানুহ আৰু প্ৰকৃতিৰ ওপৰত আধিপত্য বিস্তাৰৰ অৰ্থে নিজৰ আত্মাকেই বেচি দিছিল, তেনে হাজাৰ-বিজাৰ ফাউষ্টে বাস্তৱ জগততে আমাৰ মাজত কিলবিলাই ফুৰা আমি দেখিবলৈ পাওঁ। গৰ্কীৰ মাতৃ পেলেগী আৰু প্ৰেমচন্দৰ নগৰী বুঢ়ীৰ মাজতো আমি সাদৃশ্য বিচাৰি পাওঁ। এনে ধৰণৰ অসংখ্য সাদৃশ্য বিচাৰ কৰি দেখুৱাব পাৰি যে দেশ, কাল, পাত্ৰ ভেদে মানুহ এক আৰু অভিন্নই।

বিজ্ঞানৰ বিকাশৰ লগে লগে মানুহৰ আন্তৰ্জাতিক যোগাযোগ ক্ৰমে বৃদ্ধি পাইছে। ৰোগ নিবাময়ৰ কাৰণে ব্যৱহাৰ কৰা দৰৱ কি কি উপাদানেৰে প্ৰস্তুত হৈছে বা বাহুনি যবৰ কোন বিধ খাদ্য মুছলমান দেশত প্ৰস্তুত বা কোন বিধ খাদ্য খ্ৰীষ্টান দেশত প্ৰস্তুত তাৰ খতিয়ান লোৱাৰ আৱশ্যকতা আজি ব্যক্তি-বিশেষে কোনোৱে অনুভৱ নকৰে। কাৰণ আজিৰ আন্তৰ্জাতিক যোগাযোগৰ

দিনত নিজক আৰু সমাজক বিচ্ছিন্ন কৰি চোৱাৰ দিন উকলিল। আজিৰ পৃথিবী কেৱল সম্ভাৱনাপূৰ্ণ ভৱিষ্যতৰ বুকুলৈ আগবাঢ়িছে, আজিৰ প্ৰগতিশীল সমাজৰ মানত অতীত কেৱল ঘোপমৰা অন্ধকাৰ; অন্ধবিশ্বাস, কুসংস্কাৰ, বিভেদ-বিচ্ছিন্নতাৰে ভৰা অন্ধ অতীতলৈ উভতি যোৱাৰ প্ৰশ্ন আজি অবাস্তৱ, অতীতক লৈ তুষ্ট লোকক আজিৰ প্ৰগতিশীল পৃথিৱীয়ে বুলিব নিৰ্জীৱ শিল বা ফোচিল বুলিছে। যুগোপযোগী চিন্তা আৰু কাৰ্যৰে নিজক গঢ়ি তুলিব নোৱাৰিলে প্ৰবাদ পুৰুষ জ্যোতিপ্ৰসাদে কোৱাৰ দৰে আমি কেৱল নতুন পৃথিৱী গঢ়া মানুহৰ খৰিকাটী আৰু পানীযোগনিয়াৰ হৈয়ে হা-হুতাশৰ মাজেদি জীৱন-যাপন কৰিব লাগিব। এই একেজনা চিন্তা নায়ক জ্যোতিপ্ৰসাদে কোৱাৰ দৰে কেৱল আজিৰ দিনত জন্মা কাৰণে আমি আজিৰ দিনৰ মানুহ বুলি দাবী কৰাৰ কোনো অধিকাৰ নাথাকিব, যদিহে যুগোপযোগী চিন্তা আৰু কাৰ্য্যৰে নিজকে গঢ়ি তুলিব নোৱাৰোঁ। আমি জানোঁ যে আজিৰ যুগ বৈজ্ঞানিক সমাজতন্ত্ৰৰ যুগ। সমাজতন্ত্ৰ গঢ়া সংগ্ৰামৰ সেনানী হ'ল শ্ৰমকাৰী বিপ্লৱী জনগণ। আজিৰ দিনৰ সাহিত্যিক, শিল্পী প্ৰমুখ্যে বুদ্ধিজীৱী সকলৰ জীৱনৰ পৱিত্ৰতম কৰ্তব্য হ'ল তেওঁলোকে নিজক সমাজতন্ত্ৰ গঢ়া বিপ্লৱী শ্ৰমকাৰী জনগণৰ সহযোদ্ধাৰূপে প্ৰতিপন্ন কৰা। আজিৰ দিনৰ সাহিত্যিক-শিল্পীয়ে সমাজ, সভ্যতা আৰু সংস্কৃতিৰ নিৰ্মাতা এই সংগ্ৰামী জনগণৰ শক্তি সামৰ্থ্য, চিন্তা-ভাৱনাৰ লগত নিজক মিলাই দিবলৈ অভ্যস্ত হ'ব লাগে। শিল্পী-সাহিত্যিকে শ্ৰদ্ধাৰে অনুভৱ কৰিব পাৰিব লাগে যে নতুন পৃথিৱী গঢ়া মঞ্চৰ সবাতোকৈ শক্তিশালী নায়ক হ'ল জনতা-জনগণ।

শ্ৰেণী সমাজৰ সাহিত্যিক-শিল্পী প্ৰমুখ্যে বুদ্ধিজীৱী সকলৰ পৰম্পৰাগত ধাৰণা যে তেওঁলোকেহে নৱ নৱ জ্ঞান-বুদ্ধিৰে সমাজক নিত্য নতুন ৰূপত গঢ়ি তুলিছে। গতিকে তেওঁলোকৰ বদ্ধমূল ধাৰণা যে জনগণ তেওঁলোকৰ আদৰ্শৰ অনুগামী হ'ব লাগে। সমাজতান্ত্ৰিক নতুন পৃথিৱীৰ নিৰ্মাতা কিন্তু জনগণহে, এইখন নতুন পৃথিৱী গঢ়া সংগ্ৰামত সাহিত্যিক-শিল্পী প্ৰমুখ্যে বুদ্ধিজীৱী সকলেহে সংগ্ৰামী জনগণৰ অনুগামী হ'ব লাগিব, তেওঁলোকে অত্যাচাৰীৰ বিৰুদ্ধে অত্যাচাৰিত জনগণৰ পিছত আৰু শোষকৰ বিৰুদ্ধে শোষিতৰ পিছত থিয় দিবই লাগিব। নতুন পৃথিৱী গঢ়ি তোলাৰ অৰ্থে আজিৰ দিনৰ সাহিত্যিকে কেৱল শোষণ, নিপীড়ন আৰু বঞ্চনাৰ ছবি চিত্ৰিত কৰিলেই নহ'ব, তেওঁলোকে শ্ৰেণীশত্ৰু শোষক শ্ৰেণীকো চিহ্নিত কৰিব পাৰিব লাগিব আৰু শ্ৰেণী সংগ্ৰাম শক্তিশালী কৰাৰ অৰ্থে শোষক শ্ৰেণীৰ বিৰুদ্ধে তীব্ৰ ঘৃণাবো উদ্ৰেক কৰিব পাৰিব লাগিব। অন্যথাই তেওঁলোক হ'ব কেৱল পেটি বুৰ্জোৱা মনোবৃত্তি সম্পন্ন আৰু অতীতৰ ফোচিল।

আমাৰ সমাজত আজিও একাংশ সাহিত্যিক শিল্পী প্ৰমুখ্যে বুদ্ধিজীৱী আছে যিয়ে ভাবে আৰু কয় যে তেওঁলোকৰ চিন্তা আৰু চেতনাইহে সমাজক নৱ জ্ঞান আৰু বিদ্যাৰে ভূষিত কৰি তুলিছে। এই অংশ বুদ্ধিজীৱীয়ে নিজক সমাজদেহৰ মস্তিষ্ক বুলিও গৌৰৱ কৰে। কিন্তু তেওঁলোকে চিন্তা নকৰে যে দেহহীন মস্তিষ্কৰ কোনো মূল্য নাই। জাৰ্মান দাৰ্শনিক নিৎছেৰ দৰে অহং পৰ্বতত উঠি থকা বুদ্ধিজীৱীও আমাৰ মাজত নথকা নহয়। নিৎছেয়ে নিজক ইতিহাসৰ সৰ্ববৃহৎ বিপ্লৱৰ স্ৰষ্টা ৰূপে ঘোষণা দি কৈছিল যে এনে নিৎছেৰ পিছত ইতিহাসৰ যুগ বিভাগ হ'ব নিৎছেৰ আগ (BN) আৰু নিৎছেৰ পাছ (AN) ৰূপে হে। অহং পৰ্বতত উঠি থকা এই বুদ্ধিজীৱী অংশই অনুভৱ নকৰে যে সমাজ আছে বুলিহে তেওঁলোক আছে, তেওঁলোকৰ আদৰ বা মান-সন্মানৰ মূল সমাজহে, আনকি তেওঁলোকৰ জ্ঞান বিদ্যাৰো মূল সমাজহে, সামাজিক ঐতিহাসিক পটভূমিত থিয় হৈহে তেওঁলোকে জ্ঞান-বিদ্যাৰ চৰ্চা কৰিছে, আনকি সমাজৰ শ্ৰমেই জ্ঞান-বিদ্যাৰ চৰ্চা কৰিবলৈ তেওঁলোকক জীয়াই ৰাখিছে। অহং পৰ্বতত উঠি থকা এই দাম্ভিক বুদ্ধিজীৱী অংশই এই সত্য তত্ত্ব উপলব্ধি কৰিবলৈ অভ্যস্ত হলে কিন্তু নিজক সমাজৰ জ্ঞান-বিদ্যাৰ অধিষ্ঠাতা বুলি ভাবিবলৈ বা কবলৈ স্বাভাবিকতেই লাজ অনুভৱ কৰিব আৰু তেতিয়া এই দাম্ভিক বুদ্ধিজীৱী অংশই অৰ্থনৈতিক আৰু ৰাজনৈতিক আন্দোলনত শ্ৰমকাৰী জনগণৰ লগত নিজক মিলাই দি প্ৰকৃত গণতান্ত্ৰিকৰ পৰিচয় দিবলৈহে সচেষ্ট হ'ব। একাংশ শিল্পী, সাহিত্যিক প্ৰমুখ্যে বুদ্ধিজীৱী যি অহমিকাবোধৰ মাজত আবদ্ধ আছে, শ্ৰমকাৰী জনগণে সেই অহমিকাবোধক কিন্তু ঘিণ কৰে। শিল্পী-সাহিত্যিক প্ৰমুখ্যে বুদ্ধিজীৱীসকলে এই কৃত্ৰিম অহমিকাবোধ পৰিহাৰ কৰিবই লাগিব। তেতিয়াহে বহল সমাজ ব্যাপী এক মহামিলনৰ মহাআনন্দৰ আবেশ গঢ লৈ উঠা সম্ভৱপৰ হ'ব। অহমিকাবোধ সম্পন্ন শিল্পী, সাহিত্যিক প্ৰমুখ্যে বুদ্ধিজীৱী সকলে অনুভৱ কৰিবলৈ যত্নপৰ হোৱা উচিত যে জীৱনৰ অভিজ্ঞতাই নিৰক্ষৰ নিৰন্ন জনগণক প্ৰবুদ্ধ কৰি তুলিছে আৰু ইয়ে মুক্তিৰ প্ৰেৰণাত তেওঁলোকক জগাই তুলিছে। এই মুক্তি সুস্থ জীৱন ধাৰণৰ কাৰণে সকলো প্ৰকাৰৰ বাধাৰ পৰা মুক্তি, সংস্কাৰৰ সকলো প্ৰকাৰৰ শিকলিৰ পৰা মুক্তি আৰু মনুষ্যত্বৰ সকলো প্ৰকাৰৰ গ্লানিৰ পৰা মুক্তি। এই মহান মুক্তিৰ স্পৃহাই আজি সংগ্ৰামী জনগণক আকুল কৰি তুলিছে। জনগণৰ এই মুক্তি সংগ্ৰামত নিজক মিলাই দি সহযোদ্ধা ৰূপে গঢ়ি তোলাতকৈ সাহিত্যিক, শিল্পী আৰু অন্যান্য বুদ্ধিজীৱীৰ

কাৰণে মহৎ কাম আন একোৱেই হব নোৱাৰে। জাতি, বৰ্ণ, ধৰ্ম, সম্প্ৰদায় আৰু সকলো প্ৰকাৰৰ শোষণ আৰু কুসংস্কাৰৰ প্ৰভাৱ আৰু যুদ্ধৰ বিভীষিকাৰ পৰা মুক্ত শ্ৰমকাৰী জনগণৰ এক মহামিলনৰ পথ গঢ়ি তোলাৰ অৰ্থে আহ্বান কৰাতকৈ বুদ্ধিজীৱীৰ কাৰণে মহৎআনন্দৰ কাৰণেই বা আন কি হ'ব পাৰে।

আজি সাম্ৰাজ্যবাদী শোষক গোষ্ঠীয়ে আণৱিক ক্ষেপণাস্ত্ৰকে ধৰি নন মাৰণাস্ত্ৰ নিৰ্মাণ আৰু স্থাপনেৰে এক মহাযুদ্ধৰ বিভীষিকাৰ সৃষ্টি কৰিছে, যি যুদ্ধৰ ফলত সমগ্ৰ মানৱজাতি আৰু মানৱ সভ্যতা ধ্বংস স্তূপত পৰিণত হোৱাৰ আশংকাও ক্ৰমে তীব্ৰ হৈ উঠিছে। সাম্ৰাজ্যবাদ আৰু শোষণ থাকে মানে যুদ্ধৰ বিভীষিকাও থাকিবই। মানৱ জাতিৰ প্ৰধান শত্ৰু তিনিটা— (১) দাৰিদ্ৰ্য (২) ৰোগ আৰু (৩) যুদ্ধ। এই তিনিটাৰে মূল হ'ল শোষণ। শোষণেই সৃষ্টি কৰিছে দৰিদ্ৰ শ্ৰেণীৰ আৰু দাৰিদ্ৰ্যহেতুকেহে মানুহ ৰোগগ্ৰস্ত হয়, শোষক শ্ৰেণীয়ে নানা ভাল-ভেজালৰ সহায়তে মানুহক ৰোগগ্ৰস্ত কৰে। আনহাতে শোষণৰ প্ৰতিযোগিতাৰ পৰাও সৃষ্টি হয় মানৱতাৰ নিকৃষ্টতম শত্ৰু যুদ্ধৰ। আদিম সমাজত অস্ত্ৰ শস্ত্ৰ ব্যৱহাৰ হৈছিল প্ৰকৃতিৰ বিৰুদ্ধে সংগ্ৰাম কৰি জয়যুক্ত হ'বলৈহে, কিন্তু আজি শ্ৰেণী সমাজত শোষক শ্ৰেণীয়ে অস্ত্ৰ-শস্ত্ৰ প্ৰয়োগ কৰে মানৱজাতিক ধ্বংস কৰিবলৈহে। সাম্ৰাজ্যবাদী মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নেতৃত্বত আজিৰ পৃথিৱীৰ পুঁজিবাদী শোষক চক্ৰই নিতে নতুন আণৱিক ক্ষেপণাস্ত্ৰ স্থাপনেৰে সমগ্ৰ বিশ্বক সন্ত্ৰাসিত কৰি তুলিছে। আজিৰ শিল্পী-সাহিত্যিকে সংগ্ৰামী জনগণৰ কান্ধত কান্ধ মিলাই পৃথিৱীযোৰা সফল সমাজতান্ত্ৰিক মহাবিপ্লৱ গঢ়ি তুলিব নোৱাৰে মানে জগতৰ বুকুৰ পৰা যুদ্ধৰ ভয় আৰু বিভীষিকাও আঁতৰিব নোৱাৰে। কাৰণ সমাজতন্ত্ৰত শ্ৰেণীস্বাৰ্থ পূৰণৰ অৰ্থে অস্ত্ৰ-শস্ত্ৰ গঢ়ি দিবলৈ কোনো শ্ৰমিক ৰাজী নহ'ব আৰু শ্ৰমকাৰী মানুহৰ বিৰুদ্ধে অস্ত্ৰ-শস্ত্ৰ প্ৰয়োগ কৰিবলৈও কোনো সৈনিক সন্মত নহ'ব। মাৰ্কিন যুক্তৰাষ্ট্ৰৰেই প্ৰসিদ্ধ দাৰ্শনিক এমাৰ্চনে কোৱাৰ দৰে "এইখন নতুন পৃথিৱীত মানুহ আৰু মানুহৰ মাজত প্ৰকৃত বন্ধুত্ব গঢ় লৈ উঠিব আৰু লগে লগে এই বিশ্বজগতত চমকপ্ৰদ পৰিবৰ্তন ঘটিব। ৰণৰ তম্বুঘৰ উৰলি যাব, বৰ'টাপৰ নলী ৰাজপথৰ বস্তিলৈ ৰূপান্তৰিত হ'ব আৰু আক্ৰমণকাৰী হ'ব ক্ষমতাচ্যুত, মাৰ্চ কৰি যোৱা সৈন্যৰ দলবোৰ নতুন দেশৰ সন্ধানত শান্তিকামী অভিযাত্ৰীৰ দলত পৰিণত হ'ব।"

সাহিত্যিক-শিল্পীৰ দায়িত্ব অতি গধুৰ, তেওঁলোক অকল নতুন সমাজ গঢ়া ইঞ্জিনীয়াৰেই নহয়, তেওঁলোক সমাজৰ প্ৰহৰী আৰু জাগ্ৰত বিবেকো।

শোষক শ্ৰেণীৰ ভুৱা, ভণ্ডামি আৰু প্ৰতাৰণাৰ সীমাসংখ্যা নাই, সিহঁত বহুৰূপী। সিহঁতৰ বহতীয়া একাংশ শাস্ত্ৰকাৰেই প্ৰচাৰ কৰিছে জীৱ মাত্ৰেই ব্ৰহ্ম, জীৱ ঈশ্বৰৰ অংশ বা মানুহ মাত্ৰেই ঈশ্বৰৰ সন্তান। অথচ এই ঈশ্বৰৰ অংশ বা ঈশ্বৰৰ সন্তান মানুহৰ ওপৰতে চলাই সিহঁতে নিকৃষ্টতম শোষণ আৰু মানুহক ধ্বংস কৰিবলৈয়ে পাতে যুদ্ধ। আজিৰ সাহিত্যিক-শিল্পী এই বহুৰূপী আৰু বহুমুখী শোষক দানৱৰ বিষয়ে অকল প্ৰহৰীৰ দৰে সজাগ থাকিলেই নচলিব, সমাজকো ইহঁতৰ বিৰুদ্ধে সচেতনভাৱে সংগঠিত কৰিবই লাগিব। আজিৰ দিনত প্ৰগতিশীল সাহিত্যিক, শিল্পীয়ে জনগণক ইয়াকো জানিব দিব লাগিব যে সমাজতান্ত্ৰিক সংগ্ৰাম বিমুখ সাহিত্যিক শিল্পীসকল সুবিধাবাদীত বাজে আন কোনো নহয়। শোষক শ্ৰেণীয়ে আগবঢ়োৱা সন্মান বা সুযোগ সুবিধাক লৈ তুষ্ট থকা এই অংশ সুবিধাবাদী সাহিত্যিক, শিল্পী প্ৰমুখ্যে বুদ্ধিজীৱী যে প্ৰকৃততে জনগণৰ মুক্তিৰ আদৰ্শৰ বিশ্বাসঘাতক তাকো সমাজক জানিব দিয়াৰ দায়িত্ব এই প্ৰগতিশীল শিল্পী-সাহিত্যিক সকলৰেহ।

মানুহ হিচাপে সাহিত্যিকৰ কৰ্তব্য হ'ল মানুহৰ অপূৰ্ণতা দূৰ কৰি পূৰ্ণতাৰ পথত অনুপ্ৰাণিত কৰা। মানুহক মনুষ্যত্বৰ স্বৰূপ উপলব্ধি কৰিব দিয়া, মানুহক সাহস আৰু শক্তিৰে উদ্দীপ্ত কৰি মুক্ত কৰা, মানৱিকতাৰ সৈতে সাম্যবাদৰ একাত্মতা বা স্বাভাৱিক আৰু যুক্তিসঙ্গত মিলন ঘটোৱা। (আঁদ্ৰে মালৰো)। নিখিল বিশ্বৰ চিন্তাধাৰাৰ বিশাল সমুদ্ৰত স্নান নকৰিলে কিন্তু মানুহ প্ৰকৃত অৰ্থত পৰিপূৰ্ণ মানুহ হ'ব নোৱাৰে। মানুহক পূৰ্ণ মানুহৰূপে গঢ়ি তুলিব লাগিলে আজিৰ সাহিত্যিকে সমগ্ৰ জগতখনকে নিজৰ ঘৰ বা আপোন পৰিয়ালৰ ৰূপত গ্ৰহণ কৰিব লাগিব, তেতিয়াহে বিশ্বৰ জ্ঞানৰ সাগৰত বুৰ মাৰাও সম্ভৱপৰ হ'ব। সাহিত্যিক সকলে এই কথাও আন্তৰিকতাৰে অনুভৱ কৰিব পাৰিব লাগিব যে শ্ৰম আৰু চিন্তাৰ মাজত, অৰ্থাৎ শ্ৰমজীৱী আৰু বুদ্ধিজীৱীৰ মাজত মধুৰ সমন্বয় স্থাপন নহয় মানে এই পৃথিৱী প্ৰকৃত অৰ্থত সুখময় বা শান্তিময় হ'ব নোৱাৰে। শ্ৰমিক আৰু বুদ্ধিজীৱী উভয়ৰে লক্ষ্য একেই, উভয়ে সমাজৰ ৰূপান্তৰ সাধিব বিচাৰে, কেৱল কাম কৰা পথহে ভিন্ন ভিন্ন। শ্ৰমিকে গঢ়ি তোলা পথত সাহিত্যিক-শিল্পী প্ৰমুখো বুদ্ধিজীৱীয়ে পোহৰৰ সম্ভেদ দিব লাগিব, শ্ৰম আৰু চিন্তা অৰ্থাৎ নিপুণ হাতৰ লগত চিন্তাশীল মূৰৰ মিলন ঘটিলে সমাজ বা পৃথিৱী স্বাভাৱিকতেই হ'ব সুখময় আৰু আনন্দময়। নতুন দিন আৰু নতুন সমাজ গঢ়িবলৈ দৃঢ় পৰিকৰ হোৱা ন ন সাহিত্যিক সকলে মহান শিল্পী

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ মহান আশা—

আমি কৰিব লাগিব পৃথিৱী আলোকময়
জ্ঞান-বিজ্ঞানৰ সকলো ধৰ্মৰ
নানা আদৰ্শৰ নানা বিভেদৰ
কৰিব লাগিব মহান সমন্বয়,
মহামংগলৰ বিৰোধী আসুৰী
সকলো শক্ৰ কৰিব লাগিব জয়।
এই পৃথিৱীত আনিব লাগিব মহত্বৰ মহাজয়
ক'ৰিব লাগিব গোটেই জগত অমৃত আনন্দময়।

ৰ কথাও সততে স্মঁৰিব লাগিব।

* নতুন সাহিত্য পৰিষদৰ নলবাৰী অধিৱেশন দ্বিতীয় বাৰ্ষিক সম্মিলনৰ সভাপতিৰ অভিভাষণ।

# শিশু সাহিত্যৰ সমস্যা

আজিৰ শিশু কালিৰ নাগৰিক বোলা কথাষাৰৰ আবৃত্তি প্ৰায়েই শুনোঁ; আৰু ই সঁচাও। কাৰণ আজি শিশুক যি ৰূপত গঢ় দিব পৰা যায়, কাইলৈ শিশুই নিজে সেই ৰূপত সমাজক গঢ় দিবলৈ যত্নপৰ হ'ব বুলি আশা কৰিব পাৰি। এই প্ৰসঙ্গত লিঅ' টলষ্টয়ৰ এটা গল্পৰ কথা মনত পৰে। গল্প অনুসৰি বাপেক বুঢ়া হ'ল। পুতেক-বোৱাৰীয়েকে বুঢ়াক একেখন মেজতে খাবলৈ নিদিয়া হ'ল; আনকি ভাঙিব-ছিঙিব বুলি সন্দেহ কৰি কাঠৰ থালত হে খাব দিয়া কৰিলে। বুঢ়াৰ শিশু নাতিয়েকে এই কথা লক্ষ্য কৰি আছিল। এদিনাখন অস্ত্ৰ-শস্ত্ৰ লৈ সি এখন কাঠৰ থাল তৈয়াৰ কৰিবলৈ ললে। তাৰ মাক-বাপেকে তাৰ কাণ্ড দেখি অবাক, তেওঁলোক ওচৰ চাপি গৈ সুধিলে,—

— ইয়াত কি কৰিছা ?

— এখন কাঠৰ থাল সাজিছোঁ।

— থালেৰে কি কৰিবা ?

— তোমালোক বুঢ়া-বুঢী হ'লে খাবলৈ দিম।

শিশু পুতেকৰ কথাত মাক-বাপেকৰ চমক ভাঙিল। তেওঁলোকে বিবেকৰ পোহৰত নতুনকৈ চিন্তা কৰিবলৈ বাধ্য হ'ল। সিদিনাৰ পৰা তেওঁলোকে বুঢ়া বাপেকক একেখন মেজত একেলগে আৰু একে ধৰণৰ থালতে খাবলৈ দিয়া কৰিলে।

এই গল্পটো অত্যন্ত তাৎপৰ্যপূৰ্ণ গল্প। ইয়াৰ মাজেদি মূলতঃ ক'ব বিচৰা হৈছে যে মানৱ জীৱন এটা বিৰাট অনুকৰণ মাথোন। আৰু ক'ব বিচৰা হৈছে যে শিশুই আজি যি দেখে, কাইলৈ তাকেই লেখে। গল্পটোৰ মাজেদি শিশু মনস্তত্বৰো বিকাশ ঘটিছে সঁচা; কিন্তু গল্পটোৰ মাজেদি অভিভাৱকৰ দায়িত্ব-বোধৰ ওপৰতহে খাইকৈ গুৰুত্ব আৰোপ কৰা হৈছে। গল্পটোৱে কিন্তু চকুত আঙুলি দি দেখুৱাই দিছে যে অভিভাৱক বা প্ৰাপ্তবয়স্ক সকলে নিজৰ কাম-কাজ আৰু চিন্তা-ভাৱনাৰ মাজেদি শিশুৰ আগত সৎ আৰু মহৎ আদৰ্শ দাঙি ধৰিবলৈ অত্যন্ত নহয় মানে, শিশুক সৎ আৰু মহৎ ৰূপত পাবলৈ কৰা আকাংক্ষা কেৱল

দুৰাকাংক্ষা মাথোন। এই গল্পটো প্ৰকৃততে শিশুৰ কাৰণে ৰচনা কৰা হোৱা নাছিল, অভিভাৱক বা প্ৰাপ্তবয়স্ক সকলক সংযত আৰু সংশোধিত কৰাৰ কাৰণেহে ৰচনা কৰা হৈছিল। গল্পটোৱে আন এটা সত্যাৰো সন্ধান দিয়ে, সেইটো হ'ল এয়ে যে শিশুৰ উপযোগীকৈ সাহিত্য ৰচনা কৰা'ৰ লগতে শিশুক সৎ আৰু মহৎ ৰূপত পাবলৈ হ'লে অনুকূল পৰিৱেশৰ বিশেষ আৱশ্যক। মনস্তত্ববিদ আৰু নৃবিজ্ঞানী সকলৰ অনুসন্ধান অনুসৰি শিশু জন্মতে কলা আৰু বোবা হৈহে জন্মে। জন্মৰ কালত শিশু যেন ধপধপীয়া বগা এখন কাগজৰ দৰে নিষ্কলুষ। মনস্তত্ববিদ সকলৰ মতে তিনিমাহ হোৱাৰ পিছতহে শিশুৰ মস্তিষ্ক কোষ গঠন হ'বলৈ আৰম্ভ কৰে। তাৰ লগে লগে আৰম্ভ হয় চৰিত্ৰ গঠন। মনস্তত্ববিদ সকলৰ সমিধান অনুসৰিয়ে তিনি বছৰৰ ভিতৰত শিশু-চৰিত্ৰ বিশিষ্ট ৰূপে গঢ় লৈ উঠে। এনেকে সূত্ৰৰ পৰা জনা যায় যে তিনি বছৰৰ ভিতৰত শিশুৰ চৰিত্ৰই যি গঢ় লয়, পিছত বহু চেষ্টা কৰিলেও তা'ৰ ৰূপান্তৰ ঘটোৱা সম্ভৱপৰ নহয়। তিনি মাহৰ পৰা তিনি বছৰৰ ভিতৰত শিশুৱে যেনে পাৰিপাৰ্শ্বিকতা বা পৰিৱেশ লাভ কৰে, শিশুৱে তেনে ৰূপ লয় বুলিও কোৱা হয়। মন কৰিবলগা কথা এয়ে যে শিশু জীৱনৰ এই কাল চোৱাৰ পৰিৱেশ মূলত: অভিভাৱক আৰু প্ৰিয় পৰিজনৰ দ্বাৰা গঢ়ি তোলা পৰিৱেশহে। শিশুসাহিত্য ৰচনাৰ ক্ষেত্ৰত এই কথালৈ বিশেষ মনোযোগ দিয়া আৱশ্যক। অভিভাৱক তথা প্ৰাপ্তবয়স্ক সকলে যদি শিশুৰ আগত নিষ্কলুষ বা পৱিত্ৰমনা ৰূপে অৱতীৰ্ণ হোৱাৰ প্ৰয়াস নকৰে, তেনেহলে শিশু চৰিত্ৰ কলুষিত হোৱা অতি স্বাভাৱিক কথা। এই ক্ষেত্ৰত উল্লেখ কৰি অহা টলষ্টয়ৰ গল্পটোৰ সদৃশ সাহিত্য সৃষ্টিৰ বিশেষ প্ৰয়োজন আছে। কাৰণ শিশুক পৱিত্ৰ আৰু নিষ্কলুষ ৰূপে গঢ়াৰ আগতে নিজক নিষ্কলুষ আৰু পৱিত্ৰমনা ৰূপে গঢ়ি নুতুলিলে সকলো প্ৰয়াস ব্যৰ্থতাত পৰিণত হোৱাই স্বাভাৱিক কথা।

সম্প্ৰতি আমাৰ দেশত শ্ৰেণী শাসন আৰু শোষণে কদৰ্যপূৰ্ণ ৰূপ লাভ কৰা হেতুকে হিংসা-ঘৃণা, ভয়-সন্ত্ৰাসে সমাজখনক গিলিপ মাৰি ধৰিছে। ইয়াৰ ফলত বিভেদ-বিচ্ছিন্নতাই হৈ পৰিছে আমাৰ এই যুগৰ বিশেষকৈ যুৱ বৃদ্ধ সকলৰ চিন্তা-চৰ্চা, আলাপ-আলোচনাৰ কেন্দ্ৰীয় বিষয়বস্তু। ইয়ে শিশু চৰিত্ৰৰ ওপৰত কি বিষ ক্ৰিয়া কৰিব ধৰিছে সেই বিষয়ে কিন্তু এই প্ৰাপ্তবয়স্কসকলৰ চিন্তা-চেতনা নাই। ইয়ে যেন অজ্ঞাতসাৰে শিশুকে ধৰি সমগ্ৰ সমাজখনকেই ঈৰ্ষা-হিংসা, ঘৃণা-সন্ত্ৰাস বিভেদ-বিচ্ছিন্নতাৰ এটা কৃত্ৰিম খোলৰ মাজত আবদ্ধ কৰি পেলাইছে বা পেলাব ধৰিছে। ইয়াৰ ফলত মানুহৰ লগত মানুহৰ মিলনৰ পথ ৰুদ্ধ হৈ পৰিছে।

মানুহ হৈ পৰিছে চূড়ান্ত ভাবে আত্মকেন্দ্ৰী, আনকি মানুহ আৰু হিংস্ৰ পশুৰ মাজত যেন একো পাৰ্থক্যই নোহোৱা হৈ পৰিছে । আমাৰ এনেহে ধাৰণা হয় যেন অভিভাৱককে ধৰি প্ৰাপ্তবয়স্ক নাগৰিক সকলে এই বিষময় সামাজিক পৰিৱেশৰ কথা জানিও নজনাৰ ভাও ধৰি আছে, উপৰুৱা লাভ-ক্ষতিৰ হিচাপত তেওঁলোক এনেদৰে বিভোৰ হৈ আছে যেন নিজৰ আৰু জাতিৰ বংশধৰ সকলৰ ভৱিষ্যৎ যে নিশ্চিত ভাৱেই কলুষিত কৰা হৈছে, সেই বিষয়ে যেন অৱগতেই নহয় । সাহিত্যিক সকলে তেওঁলোকৰ সৃষ্টিৰ মাজেদি শ্ৰেণীসমাজে অৱহেলা কৰি অহা এই মহাসত্যৰ স্বৰূপ ফুটাই তুলি, পোনতে প্ৰাপ্তবয়স্ক সকলক সংশোধিত কৰাত গুৰুত্ব আৰোপ কৰিবই লাগিব আৰু তাৰ লগে লগে মনস্তত্ত্ব অনুসৰি শিশুৰ বিকাশৰ অৰ্থেও অৱিহণা আগবঢ়াব লাগিব ।

মনস্তাত্বিকে জানিবলৈ দিছে যে চেতনা লাভৰে পৰা শিশুই বয়স্ক সকলক অনুকৰণ আৰু অনুশীলন কৰিবলৈ লয় । নিচেই শৈশৱ কালৰ শিশুক যুলকুমলীয়া বোলা হয় । তেতিয়া শিশু হৈ থাকে মৰম আকলুৱা, মৰম পালেই হাঁহে আৰু সামান্য আঘাত বা অনাদৰ পালেই কান্দে । বগা কেনভাচত শিল্পীৰ তুলিকাৰ পৰশ লাগি কেনভাচৰ ৰূপান্তৰ ঘটাৰ দৰে শিশুৰ নিষ্কলুষ চিত্তটো আদৰ বা অনাদৰৰ বোল চৰিবলৈ আৰম্ভ কৰে । মাত ফুটাৰ লগে লগে শিশু চিন্তা ব্যক্ত হ'বলৈও লয় । যেতিয়া আখৰ লেখিব আৰু পঢ়িবলৈ লয় তেতিয়া প্ৰতিটো নতুন শব্দই শিশুৰ চিত্তত তোলে কল্পনাৰ আলোড়ন । কিন্তু মনকৰিবলগা কথা এয়ে যে শিশুই লেখিব আৰু পঢ়িবলৈ লোৱাৰ আগতেই ইতিমধ্যে শিশুৰ চৰিত্ৰ গঠন হৈ উঠেই । গতিকে লেখিব-পঢ়িবলৈ লোৱাৰ আগতেই শিশুৰ কাৰণে বুলি ৰচিত নিচুকনি গীত আদিৰ মাজেদি শিশুক যুগৰ উপযোগী কৰি গঢ়ি তোলাৰ ব্যৱস্থা কৰিব লাগিব । কিন্তু এনে নিচুকনি বা ওমলা গীতত যদি কেনেবাকৈ মিছা বা অসত্যৰ আশ্ৰয় লোৱা হয়, তেনেহলে শিশুই তেতিয়াই মিছলীয়াৰূপ ধাৰণ কৰা তেনেই স্বাভাৱিক কথা হৈ পৰে । এই ক্ষেত্ৰত বৈষ্ণৱ কবি শ্ৰীধৰ কন্দলিৰ নামত প্ৰচলিত 'কাণখোৱা' বোলা নিচুকনি গীতটোলৈ আঙুলিয়াব পাৰি । গীত অনুসৰি মাক যশোদাই কাণখোৱা মহাবীৰৰ নাম কৈ পুতেক কৃষ্ণক টোপনি খেদাৰ বিচাৰিছিল । কিন্তু সেই সময়ত পুতেক শিশু কৃষ্ণৰ মাত ফুটিছে । মাকৰ মুখে কাণখোৱাৰ নাম শুনাৰ লগে লগে কাণখোৱা কি আৰু কেনে তাক জনাৰ আগ্ৰহ শিশু কৃষ্ণৰ চিত্তত জাগি উঠিল । কাৰণ সেই-টোৱেই হ'ল শিশুৰ স্বাভাৱিক ৰূপ; নজনাক জনাৰ আৰু নুশুনাক শুনাৰ মন

নেদেখাক দেখাৰ কাৰণে শিশু চিত্তত কি যে প্ৰবল অনুসন্ধিৎসা! যাক গীতত কোৱাৰ দৰে কাণখোৱা বোলা বীৰ এটাক শিশু কৃষ্ণই কেতিয়াও দেখা নাই। শিশুৰ স্বাভাৱিক অনুসন্ধিৎসাৰ ফলতেই কৃষ্ণই মাক যশোদাক খাটনি ধৰিছে— 'কেনেকুৱা গোটে কাণ খাই ফুৰে। চিনোৱা হাবলি মাৰ'। কিন্তু কাণখোৱা বোলা বীৰ এজনতো বাস্তৱত নাই, মাকে কেনেকৈ কাণখোৱাক দেখুৱায়! মাক যশোদা বিমোৰত পৰিল। যশোদাই স্বীকাৰ কৰিবলৈ বাধ্যত পৰিল— 'মিছাকে বুলিছোঁ' বুলি।

বৈষ্ণৱ কবিয়ে শ্ৰীকৃষ্ণক অলৌকিক মাহাত্ম্য সম্পন্ন ৰূপে চিত্ৰিত কৰিছে সঁচা; কিন্তু প্ৰকৃততে শিশুকৃষ্ণ চিৰ শিশুহে। শিশুই বহু কথা জানে, বহুকথা শিকে; জনা বা শিকা কথাৰ অৱলম্বনত নানা কল্পনা কৰে, লগতে আৰু বহু নানা কথা জানিবলৈ বা শিকিবলৈ কৰে বাসনা। শিশু কৃষ্ণৰ আগত এটা মিছা কাণখোৱা বীৰৰ কথা কৈছিল কাৰণে, পিছত কৃষ্ণয়ো মিছা ক'বলৈ আৰম্ভ কৰিছিল বুলি অনুমান কৰাৰ যুক্তি আছে। কাৰণ বৈষ্ণৱ কবিৰে শিশুলীলা অনুসৰি কৃষ্ণই গোকুলবাসীৰ ঘৰে ঘৰে সোমাই ক্ষীৰ-লৱণু আদি চুৰ কৰি খাইছিল, অথচ ঘৰ পাবলে নোখোৱা বুলি আসে মাতিবলৈ এৰা নাছিল। সাধাৰণতে নিষিদ্ধ কথা বা বস্তুৰ প্ৰতি শিশুৰ আগ্ৰহ বেছি। তেনেকৈ আনে খোৱা অথচ নিজে নোখোৱা বস্তু খাবলৈও শিশুৰ প্ৰবল আগ্ৰহ। কৃষ্ণৰ ঘৰত ক্ষীৰ লৱণু ইমান বেছি যে ক্ষীৰ লৱণুৰে নৈ বোৱাব পাৰে। অথচ সেইখন ঘৰৰ শিশু কৃষ্ণই গোকুলৰ ঘৰে ঘৰে ক্ষীৰ-লৱণু চুৰ কৰি খাই ফুৰে। ধৰি লোৱা হ'ল যে আনৰ ঘৰৰ ক্ষীৰ-লৱণু বেছি সোৱাদ বুলি ভাবি কৃষ্ণই ক্ষীৰ-লৱণু চুৰ কৰি খাবলৈ লৈছিল। কিন্তু আনৰ ঘৰৰ ক্ষীৰ-লৱণুও যেতিয়া নিজৰ ঘৰৰ ক্ষীৰ-লৱণুতকৈ ভিন্ন নহয় বুলি জানিলে, তেতিয়া কৃষ্ণই আনৰ ঘৰত ক্ষীৰ-লৱণু চুৰ কৰিবলৈ এৰিব লাগিছিল। কিন্তু কৃষ্ণই কেবেটো শৈশৱ ক্ষীৰ-লৱণু আদি চুৰ কৰি খাবলৈ এৰা নাছিল। এনেহে ধাৰণা হয় জানিবা চুৰ কৰা কৃষ্ণৰ চৰিত্ৰৰ মজ্জাগত কাৰ্য্য হৈ পৰিল। অৱশ্যে বৈষ্ণৱ কবিয়ে কৃষ্ণক সাধাৰণ-সামান্য শিশুৰূপে চিত্ৰিত কৰা নাই; বৈষ্ণৱ কবিৰ সৃষ্টিত কৃষ্ণ পৰমেশ্বৰ ভগৱান। জানিবা তেওঁৰ ভক্ত আৰু ভক্তসকলক আনন্দিত কৰাৰ কাৰণেহে কৃষ্ণক চুৰি কাৰ্য্যত প্ৰবৃত্ত কৰাইছে। ভক্ত সমাজে হয়তো কৃষ্ণৰ চুৰি-চাতুৰিক ভক্তি ৰহস্যময় কথা বুলি পৰম ভাবভক্তিৰে গ্ৰহণ কৰিব পাৰে। কিন্তু অভক্ত আৰু শিশু সমাজ কৃষ্ণৰ চুৰ-চাতুৰিৰ আদৰ্শেৰে বেয়াকৈ প্ৰভাৱিত হোৱাৰ আশংকাই থাকে বেছি। যিহ

গীতত ভগবান ঈশ্বৰ পুৰুষৰ প্ৰেম-প্ৰীতিৰ গইনা নৈ প্ৰতিবাদী কণ্ঠত জানো গোৱা নাই—

প্ৰথমে ঈশ্বৰে জগতখন সৃজিলে
তাৰ পিছত সৃজিলে জীৱ।
সেইজন ঈশ্বৰে পীৰিতি কৰিলে
আমি বা নকৰিম কিয়?

একে প্ৰতিবাদী কণ্ঠত কণ্ঠ মিলাই যদি গায়—

সেইজন ঈশ্বৰে চুৰ-চাতুৰি কৰিলে
আমি বা নকৰিম কিয়?

তেতিয়া সমিধান দিয়া টান হৈ পৰা স্বাভাৱিক। অৱশ্যে আনন্দৰ কথা যে কবি শ্ৰীধৰ কন্দলিয়ে মিছাক প্ৰশ্ৰয় দিয়াৰ উদ্দেশ্যে দিয়া নাই; যশোদাই 'মিছাসে বুলিছোঁ' বুলি স্বীকাৰ কৰা কাৰ্যৰে জানিবা মিছা কোৱা যে অনুচিত তাক মুকলি ভাবে সদৰি কৰি দিয়া হৈছে। এই গীতটোৰেও জানিবা প্ৰাপ্ত বয়স্ক সকলকহে সংশোধিত কৰিব বিচৰা হৈছে। কৃষ্ণৰ বথা আৰু কামৰ মাধ্যমত শিশুৰ অনুসন্ধিৎসা অতি স্বাভাৱিক ধৰণে কিন্তু ৰূপায়িত হৈছে। আৰু যেন অভিভাৱক আৰু প্ৰাপ্ত বয়স্ক সকলক শিশুৰ আগত মিছা নামাতিবলৈ সকীয়াই দিয়াও হৈছে।

'শিয়ালীৰ গীত', 'বগলীকৰা গীত' আদি কৰি নিচুকনি গীত কিন্তু শিশু মনস্তত্ব সম্বলিত উচ্চস্তৰৰ শিশু সাহিত্যৰ নিদৰ্শন।

শিয়ালি এ মাহিৰি বাতি
তোৰে কাণ কাটি লগাম এ বাতি।
শিয়ালীৰ মূৰতে মকৰা ফুল
শিয়ালী পালে গৈ বতন পুৰ।

এটা অনুপম নিচুকনি গীত। শিয়ালৰ হুৱা শুনা গাঁৱলীয়া শিশু কোনো নাই। কিন্তু শিয়ালে হুৱা দিয়ে বাতিহে। গাঁৱলীয়া শিশুয়ো শিয়াল-শিয়ালীক জানে; বাতি বাতি হুৱা দিয়াৰ উপৰি হাঁহ-কুকুৰা-ছাগলী আদি ধৰি নি খাই শিয়ালে মহা পয়মালবো সৃষ্টি কৰে। এনেহেন শিয়ালীৰ কাণ কাটি বাতি লগাব পাৰিলে যে কি মজাৰ কথাই নহ'ব! শিয়ালীৰ মূৰৰ মকৰা ফুলেও শিশুক কল্পনা প্ৰৱণ কৰি তোলে। কল্পনা প্ৰৱণতাই শিশুৰ দেহ মনৰ তেউতি চৰায়; এক সৃজনশীল কল্পনাৰ মাজেদি ক্ৰমবিকাশৰ পথত শিশু আগবাঢ়ে।

ৰগৰিকৰা গীতটো আৰু মধুৰ, আৰু তাৎপৰ্যপূৰ্ণ।

আমাৰ মইনা শুব এ
বাৰীতে ৰগৰি কৰ এ
ৰগৰি লাগি পকি সৰিব
আমাৰ মইনাই বুটলি খাব।

এই গীতটোও শিশু-মনস্তত্ত্বৰ লগত খাপ খোৱা। বৰ হোৱাৰ বা বিখ্যাত হোৱাৰ কল্পনাই সাধাৰণতে শিশুক আকুল কৰি ৰাখে। শিশু কলেৱৰত এধানি-মান, শিশুৰ বিচৰণৰ পটভূমিও ঠেক। কিন্তু শিশু হৃদয় বিচাৰে কলেৱৰ আৰু চিন্তন— মননতো বিৰাট-বিপুল। ৰগৰি কৰ, লাগিব, পকিব, সৰি পৰিব আৰু সেই ৰগৰি বুটলি খাই লভিব শিশুৱে পৰম তৃপ্তি। এনে সৃষ্টি ধৰ্মী কল্পনাই শিশুক কৰি তোলে ভৱিষ্যৎমুখী আৰু হয়তো নিজক ভৱিষ্যতৰ উপযোগী কৰি গঢ়ি তুলিবলৈও পাই অনুপম প্ৰেৰণা। এনে গীত-মাতে সৃজনমূলক পৰিৱেশ সৃষ্টিৰে সমাজৰ পৰম কল্যাণ সাধিবলৈ সমৰ্থ হয় বুলিও অনুভৱ কৰিব পাৰি।

শিশু সাহিত্য ৰচনাৰ ক্ষেত্ৰত বিশেষ মন কৰিব লগা কথা এয়ে যে নেতি-বাচক ভাবাদৰ্শ বা কথাই প্ৰাপ্তবয়স্ক সকলক যিদৰে বিষাদত আচ্ছন্ন কৰে, শিশুক তাতকৈ বহুবেছি বা ব্যাপক ভাবে বিষাদিত বা বিভ্ৰান্ত কৰাৰ আশংকা থাকে। কাৰণ শৈশৱ শিশুৰ বিকাশৰ স্তৰহে, সেই স্তৰত শাৰীৰিক আৰু মান-সিক উভয় ক্ষেত্ৰতেই শিশু কেৱল বিকাশৰ পথতহে আগবাঢ়ে। নেতিবাচক ভাবাদৰ্শই শিশুৰ মানসিক বিকাশত প্ৰচণ্ড ভাবে আঘাত হনাৰ আশংকা থাকে বেছি। যি শিশুৱে কেৱল 'নেতি, নেতি'ৰ মাজেদি কাল যাপন কৰিব লগাত পৰে, সেই শিশুৰ মানসিক বিকৃতি ঘটা তেনেই স্বাভাৱিক হৈ পৰে। সিমানেই নহয়, আনকি শাৰীৰিক বিকাশতো বাধাৰ সৃষ্টি আশংকা কৰা যায়। নৃতাত্ত্বিক অনুসন্ধানৰ পৰা জনা যায় যে গুহা বা গছৰ খোড়ঙত বাস কৰা আদিম মানুহ বিলাক আছিল কুজা, তেওঁলোকে হেনো হালি পৰিহে খোজ দিছিল। মুকলি আকাশৰ তলত মুকলি মনে বসবাস কৰিবলৈ লোৱাৰ পৰাহে মানুহে ক্ৰমে বাজহাড় পোনাই খোজ দিয়া সম্ভৱপৰ হৈছে। নেতি নেতি, বাধা-বিপত্তি বা অনাদৰ-অৱহেলাৰ মাজেদি ডাঙৰ-দীঘল হোৱা শিশু বয়সত নিৰ্দয়, নিৰ্মম, প্ৰতিহিংসা পৰায়ণ, চোৰ, ডকাইত বা নৰহত্যাকাৰী ৰূপে প্ৰতিপন্ন হোৱা একো আচৰিত কথা নহয়। শিশুক সুন্দৰ-সুঠাম মানুহ ৰূপে গঢ়ি তুলিবলৈ হলে ইতিবাচক সবল আশা-বাসনাৰেহে উদ্বুদ্ধ কৰিব লাগিব। শিশুৰ কাৰণে

বুদ্ধি ৰচিত সাহিত্যত নিৰাশা-হতাশাৰে স্থান থাকিব নালাগিব, শিশুক আশা-আশাৰে কৰ্মোদ্দীপ্ত কৰি তোলাৰ সৃজনাত্মক আদৰ্শৰে ৰূপায়িত কৰিব লাগিব। চেতনা লাভৰে পৰা শিশুই উপলব্ধি কৰিব পাৰিব লাগিব যে মুকলি মুৰীয়া পৰিৱেশত কৰা সৎ শ্ৰমেহে শিশুৰ মস্তিষ্ক কোষৰ বিকাশ সাধনতো সহায় কৰে। নৃবিজ্ঞানীয়ে যে মানা অনুসন্ধানৰ ফলত জানিবলৈ দিছে যে আদিম পিথেকানথ্ৰোপাচ মানুহতকৈ শ্ৰম আৰু শ্ৰমৰ আহিলাপাতিৰ উন্নতি ঘটা যুগৰ নিয়ানডাৰথ্যাল মানুহৰ মস্তিষ্ক কোষ ৪০০ ৰ পৰা ৫০০ ঘন ছেণ্টিমিটাৰেই ডাঙৰ আদি সত্য তথ্যও শিশুই অৱগত কৰিব পাৰিব লাগিব। অৱশ্যে মিছা আৰু অসত্যক কোনো পধ্যেও প্ৰশ্ৰয় দিব নালাগিব। বিজ্ঞানে সমৰ্থন নকৰা মনেগঢ়া কথাৰে যাতে শিশুক কোনো পধোও বিভ্ৰান্ত কৰা নহয় তাৰ প্ৰতিও ৰাখিব লাগিব সতৰ্ক প্ৰহৰীৰ দৃষ্টি। শিশুক ন ন সত্য তথ্যৰেও অনুপ্ৰাণিত কৰিব লাগিব, মানৱীয় মহান অনুভূতিৰ মাহাত্ম্যৰ বিষয়েও অৱগত কৰাৰ লাগিব। মানৱীয় মহান অনুভূতিৰ বিকাশ বিনে যে মানুহ অন্যান্য জন্তুৰ পৰা বৈশিষ্ট্য-পূৰ্ণ ৰূপে প্ৰতিপন্ন হ'ব নোৱাৰে, তাকো স্পষ্টভাৱে উপলব্ধি কৰোৱাব পাৰিব লাগিব। এই প্ৰসংগত আৱশ্যক বোধে সমাজ বিকাশৰ বিজ্ঞানসম্মত ধাৰাৰ দ্বাৰাও শিশুক আলোকিত কৰাৰ প্ৰয়াস কৰিব লাগিব।

সাধাৰণতে শ্ৰেণী সমাজত প্ৰভু শ্ৰেণীয়ে শাৰীৰিক শ্ৰমৰ ওপৰত সমূলি গুৰুত্ব আৰোপ নকৰে, শাৰীৰিক শ্ৰমক কেৱল শোষণ কৰি নিজক নিপোটল কৰি তুলিবহে বিচাৰে। অথচ সমাজ, সভ্যতা আৰু সংস্কৃতিৰ মূল ভেটিয়েই হ'ল শাৰীৰিক শ্ৰম। শাৰীৰিক শ্ৰমৰ উৎকৰ্ষতাৰেহে সমাজ, সভ্যতা, সংস্কৃতিৰ মান নিৰ্ণয় কৰা হয়। এই শ্ৰমৰ বলতেই মস্তিষ্ক কোষৰ ক্ৰম বিকাশ সম্ভৱপৰ হৈছে, শ্ৰমৰ উৎকৰ্ষতাৰ বলতেই মানুহ মানুহ নামৰ উপযোগী হোৱাও সম্ভৱপৰ হৈছে। এই ঐতিহাসিক মহাসত্যৰ দ্বাৰা প্ৰাপ্তবয়স্ক সকল যিদৰে পৰিচিত হোৱা উচিত, শিশুকো ঠিক একেদৰে পৰিচিত কৰা উচিত। শ্ৰমৰ মহাপ্ৰমূল্যৰ প্ৰতি শিশু সমাজক আকৃষ্ট কৰি তোলাৰ ব্যৱস্থা শিশু সাহিত্যৰ মাধ্যমতে কৰিব লাগিব। শিশুৰ কবিতা, শিশুৰ গল্প, শিশুৰ নাটক আদি হ'ব লাগিব শিশুক সকলো প্ৰকাৰৰ দোষৰ পৰা মুক্ত আৰু শ্ৰমৰ প্ৰতি শ্ৰদ্ধা আৰু সম্মানজনক আগ্ৰহ গঢ়ি তোলাৰ আহিলা স্বৰূপ।

সাধাৰণতে আমাৰ শিশু সাহিত্যৰ ৰচক বা আলোচক সকলে পোনছাটে পঞ্চতন্ত্ৰ, কথাসৰিৎসাগৰ বা হিতোপদেশলৈ আঙুলিয়াব বিচাৰে। তেওঁলোকে

গমি নাচায় যে সিবোৰ সামন্ত যুগৰ মহিমা মুখৰ ৰচনাহে। সিবোৰে যেখোন শিশুক সামন্তযুগীয় দাসত্বৰ শিকলিৰেহে আবদ্ধ কৰি ৰাখিব বিচাৰে। সিবো-ৰক কোনো পধ্যেও গণতন্ত্ৰৰ উপযোগী বুলিব নোৱাৰি। আজিৰ যুগ গণতন্ত্ৰৰ যুগ, জনগণতন্ত্ৰৰ যুগ। আজিৰ যুগৰ শিশু সাহিত্যাই শিশুক জনগণতন্ত্ৰৰ অভি-মুখে আগবঢ়াই নিব পাৰিব লাগিব। আমাৰ ভাৰতৰ সংবিধান অনুসৰি ভাৰত গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ আৰু ইয়াৰ লক্ষ্য সমাজতন্ত্ৰ। গতিকে আজিৰ শিশুক কাইলৈৰ সমাজতন্ত্ৰৰ উপযোগীকৈ গঢ়ি তোলাৰ অৰ্থেহে শিশু সাহিত্য ৰচনাত মনোনিৱেশ কৰিব লাগিব।

শিশু সাহিত্য ৰচনাৰ ক্ষেত্ৰত অতীত-প্ৰীতিৰ সমস্যাও মন কৰিবলগীয়া। অতীত-প্ৰীতিৰ ক্ষেত্ৰত দুই ৰকমৰ ক্ৰিয়াই প্ৰতিক্ৰিয়া কৰি থকা দেখা যায়। সেই দুটাৰ এটা হ'ল দূৰ অতীতৰ 'আমি' অৰ্থাৎ সমূহৰ মহিমামুখৰ যুগ আৰু আনটো হ'ল 'মই' অৰ্থাৎ ব্যক্তিত্ববাদী শ্ৰেণী প্ৰভুৰ মহিমামুখৰ যুগ। সমকালীন পৃথিৱীৰ এস্কিমো, পিগ্‌মী, ভেদ্দা, চেংমা আদি কিছু ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতিৰ লোক-সকলে আজিও আদিম সাম্যবাদী সমাজত আমিৰ মহিমামুখৰ সমূহীয়া জীৱনেই যাপন কৰে; কিন্তু তেওঁলোকৰ উৎপাদনৰ আহিলাসমূহ তেনেই অনুন্নত হোৱা কাৰণে তেওঁলোকৰ দিনতীয়া জীৱনৰ মান তেনেই অনুন্নত, অতি সামান্য ভাৱে জীৱন যাপন কৰাৰ কাৰণেই তেওঁলোকে নিতৌ কঠোৰ শাৰীৰিক শ্ৰমত লিপ্ত থাকিব লগাত পৰে। সাংস্কৃতিক বা মানসিক উৎকৰ্ষতা সাধনৰ অৰ্থে চিন্তা-চৰ্চা কৰিবলৈ বা আনকি অৱসৰ বিনোদৰ কাৰণেও তেওঁলোকৰ সময়ৰ তেনেই অভাৱ। আনহাতে শ্ৰেণী প্ৰভুৰ দ্বাৰা নিয়ন্ত্ৰিত সমাজ? প্ৰকৃততে উৎ-পাদনৰ উন্নত আহিলা বা উপায় উদ্ভাৱন কৰিবলৈ সমৰ্থ হৈছিল কাৰণেই সেই শ্ৰেণীৰ লোক শ্ৰেণীপ্ৰভুৰূপে প্ৰতিপন্ন হ'বলৈ সমৰ্থ হৈছিল। আনকি সাম্প্ৰতিক কালতো তেওঁলোকেই উদ্যোগপতি জমিদাৰ-মহাজন। উন্নত ধৰণৰ আহিলা পাতিৰে শ্ৰমৰ মান উন্নত কৰি জীৱনৰ মান উন্নত কৰাতো উদ্যোগ আদিয়ে বিপুল পৰিমাণে অৰিহণা যোগাব পাৰিছে। কিন্তু সকলো সম্পদৰ একচেটিয়া অধিকাৰী হোৱা হেতুকে ধন আৰু যন্ত্ৰেৰে তেওঁলোকে শ্ৰমকাৰী মানুহক যেন দাসত্বৰ শিকলিৰেহে বান্ধি ৰাখিছে। ইয়াক লক্ষ্য কৰিয়ে সমাজ বিজ্ঞানী ফ্ৰেডৰিক এংগেল্‌ছে জানো কোৱা নাছিল যে সভ্যতাৰ প্ৰতিটো অগ্ৰবৰ্তী খোজেই সামাজিকক দাসত্ব শিকলিৰেও আবদ্ধ কৰি ৰাখিছে। শিশুক এইবোৰ তত্ত্বৰ লগতো পৰিচিত কৰাৰ আৱশ্যক আছে। আৰু যুক্তিৰ ভেটিত অহুতৰ

কৰিব দিব লাগে যে সমাজক আমিৰ মহিমামুখৰ সাম্যবাদী সমাজৰেই আৱ-শ্যক; কিন্তু সি গঢ় লৈ উঠিব লাগিব যান্ত্ৰিক উদ্যোগৰ ভেটিত। বৃহৎ উদ্যোগত নিচেই কম সময়ৰ ভিতৰত বহু পণ্য উৎপাদন কৰাৰ সুচল আছে। তাৰ ফলত জীৱন-জীৱিকাৰ কাৰণে নিচেই কম সময় শ্ৰম কৰি বেছি সময় অৱসৰ বিনোদন তথা সাংস্কৃতিক বিকাশৰ কাৰণে নিয়োগ কৰিব পাৰে।

বহুতে ভাবিব বা ক'ব যে শিশুৰ কাৰণে এইবোৰ কথা কেৱল দাড়িৰ মোৱাবা ভালুকৰ সাঙিহে। যেনে ধৰণৰ প্ৰতিবাদী লোকসকলৰ শিশুৰ মনস্তত্ত্বৰ জগত পৰিচয় নাই কাৰণেহে শিশুৰ আগত সমাজতত্ত্ব বা সমাজবিজ্ঞানৰ তত্ত্ব দাঙি ধৰা কাৰ্যো মাথোঁ ভালুকৰ সাঙি। যিসকল লোক শিশু-মনস্তত্ত্বৰ জগত পৰিচিত সেই সকলে কিন্তু জানে যে শিশুৱে বহু কথা জানে আৰু বুজে; শিশুৱে তাতো-কৈও বহু বেছি কথা জানিবলৈ বা বুজিবলৈও চিৰ উদগ্ৰীৱ হৈ থাকে। সেই প্ৰতিবাদী সকলে এই কথাও অৱশ্যেই জনা উচিত যে শিশুৰ বাৰ বছৰ বয়সলৈ শৈশৱ কাল বুলি গণ্য কৰা হয়, তাৰ পিছত হে কৈশোৰ। প্ৰচলিত শিক্ষা ব্যৱস্থাৰ ক্ৰম অনুসৰি শিশুৱে বাৰ বছৰত মজলীয়া স্তৰৰ শিক্ষা সাং কৰে আৰু সেই স্তৰৰ শিক্ষা ব্যৱস্থাৰ মাজেদি শিশুক উপকৰা ভাবে হ'লেও সমগ্ৰ বিশ্বৰ জগত পৰিচিত কৰা হয়। যেনে স্থলত সমাজতত্ত্ব বা সমাজ বিজ্ঞানতত্ত্ব অনুভৱ কৰিবলৈ সমৰ্থ নোহোৱাৰ প্ৰশ্নই নুঠে। শিশু মনস্তত্ত্বৰ জগত সামান্য ভাবে পৰি-চিত সকলেও জানে যে শৈশৱত আকাংক্ষিত সমাজ ব্যৱস্থাৰ জগত শিশুক পৰিচয় কৰি নিদিলে, প্ৰাপ্ত বয়সত শ্ৰেণীহীন শোষণহীন সমাজ গঢ়াৰ প্ৰতি মানুহক আকৃষ্ট কৰা যথেষ্ট কষ্টসাধ্য ব্যাপাৰত পৰিণত হয়। প্ৰতিবাদী সামা-জিক সকলে উপলব্ধি কৰা উচিত যে শ্ৰেণী থাকে মানে ঈৰ্ষা-হিংসা-ঘৃণা থাকিব আৰু ঈৰ্ষা-হিংসা-ঘৃণা থাকে মানে ভয়-সন্ত্ৰাস আৰু হত্যাৰ বিভীষিকাও থাকিব। তেনে সমাজত শান্তি-সম্প্ৰীতি কোনো পধ্যেও আশা কৰিব নোৱাৰি। তেনে সমা-জত মানুহৰ তথা শিশুৰ পৰিপূৰ্ণ বিকাশৰ কামনা কেৱল পৰ্বতত কাছকণী বিচৰা মাথোন। শিশুৰ পৰিপূৰ্ণ বিকাশৰ অৰ্থেই শিশুক সমাজ বিজ্ঞানৰ জগত পৰিচিত কৰিবই লাগিব।

অৱশ্যে শিশু সাহিত্যিক সকলে সততে মনত ৰখা উচিত যে ফুল কুমলীয়া মাতফুটা শিশুৰ কাৰণে যি সাহিত্যৰ প্ৰয়োজন, লেখিব পঢ়িবলৈ শিকা শিশুৰ কাৰণে তাতকৈ বহু বেছি উন্নত স্তৰৰ সাহিত্যৰ প্ৰয়োজন হয়। শাৰীৰিক অৱয়ৱ বঢ়াৰ লগে লগে মানসিক অৱয়ৱো বাঢ়ে, সেই বৰ্দ্ধিত মানসিকতাৰ প্ৰতি সজাগ

দৃষ্টি ৰাখি সাহিত্য সৃষ্টি কৰিব নোৱাৰিলে, শিশুৰ অনুসন্ধিৎসা পূৰণ কৰা টান। শিশুৰ ক্ৰমবৰ্ধিত মানসিকতাৰ প্ৰতি সজাগ দৃষ্টি ৰাখি সাহিত্য সৃষ্টিৰ পৰিবৰ্তে গতানুগতিক পৰম্পৰা সৰ্বস্ব সাহিত্য সিহঁতৰ হাতত তুলি দিলে, স্বাভাৱিকতে শিশুৰ মানসিক বিকাশ বাধাগ্ৰস্ত হয়। তেনে সাহিত্যই শিশুক অমনোযোগী আৰু বহুসময়ত উদভ্ৰান্ত আৰু আনকি বুদ্ধিহীন কৰি তোলাৰ আশংকাও থাকে।

এই ক্ষেত্ৰত শিশুৰ বিদ্যায়তনিক পাঠ্য পুথিৰ কথাও বিবেচনাৰ আছে। আমাৰ দেশৰ পাঠ্যপুথি ৰূপে পৰিচিত সৰহ সংখ্যক পুথি বিজ্ঞানসন্মত ভাৱে ৰচিত নহয়। আচৰিত যে গণতান্ত্ৰিক চৰকাৰৰূপে পৰিচিত যন্ত্ৰটোৱে পাঠ্য পুথি ৰচনা কৰিবলৈ নিয়োগ কৰা এক বিশিষ্ট সংখ্যক বুদ্ধিজীৱী বা পণ্ডিতৰ সমাজ বিজ্ঞানৰ বৈজ্ঞানিক ধাৰাৰ লগতো সুপৰিচয় নাই আৰু সেই সকলৰ শিশুৰ মনস্তত্ত্বৰ লগতো কোনো সুপৰিচয় নাই, তেওঁলোক ৰক্ষণশীল, যুগোপযোগী চেতনাৰে শিশুক গঢ় তোলাৰ ধ্যান-ধাৰণা সেই অংশ পণ্ডিতৰ নাই। সেই কাৰণে সৰহ সংখ্যক পাঠ্যপুথি হয় অপাঠ্য। তেনে পুথি পঢ়িবলৈ শিশুৰ অনীহা। তেনে পাঠ্য পুথিৰ কাৰণেই শিক্ষাৰ মান অৱনত হৈছে, ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা বৈতৰণীত উত্তীৰ্ণ হোৱাৰ কাৰণে দুৰ্নীতিতো লিপ্ত হৈছে।

যি সত্য, সততা, নিষ্ঠা আৰু সাহসিকতাৰে শিশু চিত্ত লোলায়িত কৰা আৱশ্যক, পাঠ্য পুথিৰ ৰচক সকলে তেনেবোৰ অনুভূতিৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়াৰ আৱশ্যকতাই অনুভৱ নকৰে। শিশুক ভাৱবিলাসী কৰিলেও নচলিব, সিহঁতক সত্যৰ অৰ্থে সাহসী সংগ্ৰামী ৰূপে গঢ়ি তোলাৰ ব্যৱস্থাও কৰিব লাগিব। কিন্তু সেই সংগ্ৰাম হ'ব লাগিব যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত গণতান্ত্ৰিক সংগ্ৰামহে। লাচিতৰ 'দেশতকৈ মোমাই ডাঙৰ নহয়' আদৰ্শৰ সমাদৰ সামন্ততন্ত্ৰৰ ক্ষেত্ৰত চিৰদিনেই অটুট থাকিব, কিন্তু গণতন্ত্ৰত সি হ'ব কেৱল স্বেচ্ছাচাৰী কাৰ্যহে নিদৰ্শন। বিনা বিচাৰে মোমাইক শিৰচ্ছেদ কৰা কাৰ্য গণতান্ত্ৰিক সমাজৰ শিশুৰ কাৰণে কোনো পধ্যেও আদৰণীয় বা শিক্ষাপ্ৰদ হ'ব নোৱাৰে। সামন্তযুগৰ আদৰ্শক শিশুই সামন্তযুগীয়া বুলি উপলব্ধি কৰিব পাৰিব লাগিব। সামন্তযুগীয়া ৰাজনীতি গণতন্ত্ৰৰ সম্পূৰ্ণৰূপে পৰিপন্থী, সামন্তযুগীয়া চিন্তা-চেতনাৰ অৱসান নঘটা কাৰণেই অসম-ভাৰতত প্ৰকৃত অৰ্থত গণতান্ত্ৰিক চেতনাৰ উন্মেষেই যে ঘটা নাই, তাক পাঠ্যপুথিৰ ৰচক মাত্ৰেই উপলব্ধি কৰিব পৰা মানসিকতাৰ বিশেষ আৱশ্যক। নৱবৈষ্ণৱ আলোড়নৰ বিচাৰৰ ক্ষেত্ৰতো একে সত্যই পৰিলক্ষিত। ঈশ্বৰ আৰু গুৰুকেন্দ্ৰী নৱবৈষ্ণৱ আলোড়নো মূলতঃ সামন্তযুগীয়া প্ৰভাৱ পুষ্টহে আছিল।

ভকত বৈষ্ণৱৰ মনত গুৰুজনতো মানুহ নাছিল, গুৰুসকল আছিল—

'গুৰুব্ৰহ্মা, গুৰুবিষ্ণু, গুৰুমহেশ্বৰ'

হে। গুৰুসকলৰ বচন বা গীত-মাত-পদ আদি অলৌকিক ব্ৰহ্মা, বিষ্ণু, মহে-শ্বৰৰ বচন বা গীত-মাত-পদ হে যেন। গতিকে সিবোৰ অভ্ৰান্ত। এনে চিন্তা-চেতনা সম্পূৰ্ণৰূপে অগণতান্ত্ৰিক। পাঠ্য-পুথিৰ ৰচক সকলৰ এই সমাজ সত্য মুকলি ভাবে দাঙি ধৰাৰ মানসিকতা বা সাহসিকতাৰ বিশেষ প্ৰয়োজন। সামন্তযুগীয়া চেতনাৰ পৰা মুক্ত হ'ব নোৱাৰা কাৰণেই জানো আনকি এক ব্যাপক সংখ্যক বুদ্ধিজীৱীয়েও 'বলে নোৱাৰা শিলক পৰি নমস্কাৰ' বুলি অন্ধ পৰম্পৰাৰ দাসত্ব মানি চলা নাই। বিচাৰ-বিবেকময় গণতান্ত্ৰিক যুগৰ প্ৰবৰ্তন কৰিব লাগিলে সামন্ততন্ত্ৰৰ অৱসান ঘটাবই লাগিব।

মতান্ধতা, কুসংস্কাৰ, সংকীৰ্ণতাবোধ আদি হ'ল মনুষ্যত্বৰ বিকাশৰ পথৰ প্ৰবল অন্তৰায়। শিশু মনক এইবোৰ অন্তৰায়ৰ পৰা মুক্ত কৰিবলৈ হ'লে সমাজৰ বৈপ্লৱিক পৰিৱৰ্তন সাধনৰ বিশেষ প্ৰয়োজন। কিন্তু সেই বিপ্লৱৰ গাঢ় তোলাৰ ক্ষেত্ৰতো শিশু সাহিত্যই গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিব পাৰে। সাহি-ত্যৰ মাজেদি শিশুই অনুভৱ কৰিব পাৰিব লাগে যে স্থিৰ সিদ্ধান্ত বোলা কোনো কথাই এই জগতত নাই, সকলো গতিশীল, আজিৰ স্থিৰ সিদ্ধান্ত কাইলৈ মাথোন বিতণ্ডাহে। এই গতিশীলতাৰ স্বৰূপ শ্ৰমকাৰী লোক সমাজে উপলব্ধি কৰিছিল কাৰণে আদিতে তেওঁলোকে নিত্য নতুন জীৱনৰ প্ৰতি উন্মুখ হব পাৰিছিল। শ্ৰেণী সমাজেহে নতুনত্ব নিবিচাৰে। শ্ৰেণী সমাজ মতান্ধ-ৰক্ষণশীল। 'ঈশ্বৰ সৃষ্ট' জগতৰ ধাৰণাকে ধৰি সংস্কাৰ বোৰেও মানুহৰ বিকাশৰ পথ ৰুদ্ধ কৰি ৰাখে। আদিম ভাৰতীয় সকলে বঢ়িয়াকৈ অনুভৱ কৰিব পাৰিছিল যে মহাপ্ৰকৃতিত বাজে আন সকলোবোৰ দেখা আৰু শুনা বস্তুৰ স্ৰষ্টা বা প্ৰবৰ্তক মানুহহে। সেই কাৰণেই মহাভাৰতৰ দিনতে উদাত্ত কণ্ঠে ঘোষণা দিব পাৰিছিল,—

'ন মনুষ্যাৎ শ্ৰেষ্ঠতৰং হি কিঞ্চিৎ'

বুলি। ঈশ্বৰ সৃষ্ট আদৰ্শ, দৈৱ, ভাগ্য আদিৰ স্ৰষ্টা বা প্ৰবৰ্তকো শ্ৰেণী সমাজহে। আত্মপক্ষ সমৰ্থন আৰু শ্ৰমকাৰী লোক সমাজক প্ৰতাৰণা কৰাৰ অৰ্থেহে তেওঁ-লোকে এনেবোৰ অবৈজ্ঞানিক সংস্কাৰ প্ৰবৰ্তন কৰিছিল। 'ইয়াক চুলে চুৱা, তাক চুলে চুৱা' আদিৰ দৰে সংস্কাৰ কিমান ঠেক, কিমান সংকীৰ্ণ, কিমান অমানৱীয় তাকো শৈশৱৰে পৰা শিশুই উপলব্ধি কৰিব পৰা হ'ব লাগে। মুঠতে শিশুৰ

ভাব, চিন্তা, আদৰ্শ হ'ব লাগে সম্পূৰ্ণ কৈ বিজ্ঞানময় আৰু শিশু চিত্ত গঢ়ি তুলিব লাগে মুকলি আকাশৰ দৰে মুকলি, উদাৰ, ভংক্তীয়াকৈ। তেতিয়াহে অদূৰ ভৱিষ্যতে ঈৰ্ষা, হিংসা, ঘৃণাহীন মুকলি মানুহৰ এখন মুকলি সমাজ কামনা কৰিব পাৰি। আখৰ লেখিবলৈ আৰু মাতিবলৈ অভ্যস্ত হোৱাৰ লগে লগে যদি শিশুক উদাৰ, সংস্কাৰমুক্ত আৰু বিজ্ঞানসম্মত জীৱনৰ প্ৰতি যথাযথ ভাবে আকৰ্ষণ কৰাৰ চেষ্টা থাকে, তেতিয়া শ্ৰেণীহীন, শোষণহীন সমাজ দূৰণিৰ বিং হৈ থাকিব যে নোৱাৰে, সি স্বাভাৱিক।

শিশুক সৰ্বকাল আৰু সৰ্বদেশৰ শিশু ৰূপে গঢ়ি তুলিব লাগিব। শিশুই সমগ্ৰ পৃথিৱীখনকেই আপোনঘৰ ৰূপে অনুভৱ কৰিব পৰা হ'ব লাগিব। শিশুৱে অনুভৱ কৰিব পাৰিব লাগিব যে ভিন ভিন দেশৰ ভিন ভিন মানুহৰ শ্ৰমৰ বিনিময়তহে আজিৰ মানুহে জীৱন ধাৰণ কৰা সম্ভৱপৰ হৈছে। শিশুৱে মৰ্মে মৰ্মে অনুভৱ কৰিব পাৰিব লাগিব যে আজিৰ মানুহৰ শ্ৰম সৰ্বদেশৰ মানুহৰ কল্যাণৰ কাৰণ। লগতে শিশুৱে ইয়াকো অনুভৱ কৰিব পাৰিব লাগিব যে শোষকৰো, স্বদেশী-বিদেশী বুলি কোনো ভেদাভেদ নাই। বিদেশী শোষকৰ শোষণ স্বদেশী শোষকৰ শোষণতকৈ ভিন্ন নহয়; ফেটীসাপৰ যেনেদৰে ভিন্নতা নাই, শোষকৰো তেনেকৈ ভিন্নতা নাই। শিশুৱে স্পষ্টভাবে অনুভৱ কৰিব পাৰিব লাগিব যে বিদেশী শোষকে যেনেকৈ আমাৰ তেজ-পূজ শুহি আছে, স্বদেশী পুঁজিপতি, জমিদাৰ, মহাজন আৰু বৰ বৰ আমোলাইতেও ঠিক একেদৰেই আমাক লাও-লোটা লোৱা কৰি আছে। পাঠ্যপুথিকে ধৰি বিভিন্ন পুথিৰ মাজেদি এই পৰম সত্য উপলব্ধি কৰিব পৰা হ'লে, শিশু চিত্তৰ পৰা সংকীৰ্ণতাবোধ অৱশ্যেই আঁতৰিব; শিশুৱে দেশী-বিদেশী শোষক মানকে ঘৃণা আৰু দেশী-বিদেশী শ্ৰমকাৰী মানুহ মাত্ৰকে প্ৰাণৰ আপোন বুলি গ্ৰহণ কৰিবলৈ অভ্যস্ত হ'ব। তেতিয়া বিশ্বভাতৃত্ববোধ গঢ় লৈ উঠা হ'ব অৱশ্যম্ভাৱী।

শিশুৰ মানসিক জগতখন যিমানেই বহল-বিস্তৃত হয়, সমাজৰ কাৰণে হয় সিমানেই বেছি মংগলজনক। আজিৰ যুগ আণবিক যুগ, বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ যুগ। পাশ্চাত্যৰ যিবোৰ জাতিৰ শিশুৰ মাজত নিচেই শৈশৱৰে পৰা বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ কথাই আলোড়নৰ সৃষ্টি কৰি আছে, সম্প্ৰতি সিবোৰ জাতিয়ে অসাধ্য বোলা কথা লোপ কৰি দিয়াৰ উপক্ৰম কৰিছে। সেইবোৰ জাতিয়ে গ্ৰহান্তৰত নগৰ পাতি তাৰ সম্পদেৰে পৃথিৱীক ওপচাই পেলোৱাৰ কল্পনা কৰিব পৰাও হৈছে। অসম তথা ভাৰতৰ শিশুৰ মনোজগততো গীত-মাত-নাট-গল্প-

উপন্যাস আদিৰ মাজেদি সেই অনুসন্ধিৎসাৰ সৃষ্টি কৰিবলৈ সমৰ্থ হ'ব লাগিব। শিশু মাত্ৰেই অনুভৱ কৰিব পাৰিব লাগিব যে আনে যি কৰিব পাৰিছে, নিৰন্তৰ চেষ্টা-ৰত থাকিলে, সিহঁতেও তাক সম্পন্ন কৰিব নোৱাৰাৰ কোনো কাৰণ নাই। অৱশ্যে কেৱল অসাধ্য সাধনৰ কল্পনা কৰিলেই নহ'ব, সেই কল্পনা বাস্তৱত ৰূপা-য়িত কৰিবলৈ আৱশ্যকীয় পৰিৱেশ গঢ়ি তোলাৰো ব্যৱস্থা কৰিবলৈ তৎপৰ হ'ব লাগিব। এই প্ৰসংগতে ১৮৬৫ চনতে লুইচ কেৰলে ৰচনা কৰি প্ৰকাশ কৰা 'অদ্ভুত দেশত এলিচ' আৰু 'সপোন দেশত এলিচ' বোলা কাহিনী গ্ৰন্থ দুখনৰ দৰে সৰ্বকাল আৰু সৰ্বদেশৰ শিশুৰ উপযোগী গ্ৰন্থৰ কথা স্বাভাৱিকতেই মনত পৰে। আমাৰ শিশু সাহিত্যিক সকলেও আজি শিশুক চন্দ্ৰ, মংগল, বৃহস্পতি আদি কৰি গ্ৰহ-উপগ্ৰহত উপস্থাপন কৰি অত্যুৎসাহী কাহিনী ৰচনা কৰিব লাগিব।

শিশু মানেই মানুহ। তেওঁলোক বিৰাট মানৱ গোষ্ঠীৰ বংশধৰ আৰু উত্তৰা-ধিকাৰীও তেওঁলোকেই। তাতোকৈও গুৰুত্বপূৰ্ণ কথা যে একেখন আকাশৰ তলত, একেখন পৃথিৱীতে, একে বতাহ আৰু একে পানী সেৱন কৰিয়ে শিশুকে ধৰি আমি আটায়ে ডাঙৰ-দীঘল হৈছোঁ। এইখন পৃথিৱীৰ উন্নত দেশবোৰৰ শিশুৰ মানত অসম্ভৱ বোলা কথা নোহোৱা হৈ পৰিছে। মহাপ্ৰকৃতিৰ উপৰি মহা আকাশকো তেওঁলোকে মানুহৰ কল্যাণ আৰু উত্তৰোত্তৰ বিকাশ সাধনৰ অৰ্থে ব্যৱহাৰ কৰিবলৈ বদ্ধপৰিকৰ হৈ পৰিছে। এনে ক্ষেত্ৰত আমাৰ শিশু পৰমুখা-পেক্ষী হৈ পৰি থাকিব কিয়? সাহিত্যৰ মাজেদি এক মহান প্ৰতিযোগিতাৰ ভাবাবেশ সৃষ্টি কৰিব পাৰিলে, আমাৰ শিশু সেই প্ৰতিযোগিতাৰ পৰা আঁতৰি থাকিবই বা কিয় বা দেশক-জাতিক সকলো দিশতে নদন-বদন কৰি তুলিবলৈয়ে বা পা চালি নিদিব কিয়? কেৱল শিশুক উপলব্ধি কৰাব পাৰিব লাগিব যে সমাজ, জাতি বা মানৱতাৰ বিকাশ মানে তেওঁলোকৰ বিকাশ। উদাৰ মানৱিকতা, অত্যুৎসাহ আৰু অদমনীয় প্ৰেৰণা তথা ইচ্ছা শক্তি হ'ব লাগে শিশু সাহিত্যৰ মূল ভেটি। তাহানি কবি চন্দ্ৰকুমাৰ আগৰৱালাই যে গাই গৈছিল—

ইচ্ছাৰ বিৰোধে ঘোৰ ভীম শত্ৰু শত
সৰ্বথা জিকিব সিটো ইচ্ছা যাৰ যতী;
জীৱন যুদ্ধত ইচ্ছা প্ৰধান সাৰথি
কি ভয় মৰণে ৰণে ইচ্ছা সৰ্বজয়ী।

এই ইচ্ছা শক্তিক শিশু সাহিত্যৰ মাজেদি মূৰ্তিমান কৰি তুলিব লাগিব। কাৰণ

প্ৰবল ইচ্ছা শক্তিৰ বলতে এসময়ৰ উলংগ গুহাবাসী মানুহ আজি মহাকাশ-যাত্ৰাৰ উপৰি মহাজগতৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈও হৈছে দৃঢ়পৰিকৰ।

দ'চাকৰা'ৰে সম্প্ৰতি আমি ভাৰতীয় মহা জাতিটো জ্ঞান, বিদ্যা, শিল্প, উদ্যোগ, আৰু আনকি খেল-ধেমালিতো অন্যান্য বহু জাতিতকৈ পিছপৰা এটা টোকোনা জাতিত পৰিণত হৈছো। অথচ দূৰ অতীতত এইখন ভাৰতবৰ্ষ আছিল জ্ঞান, বিদ্যা, সম্পদ সকলো ক্ষেত্ৰতে সবাতোকৈ অগ্ৰণী, সমগ্ৰ বিশ্বৰ আকৰ্ষণৰ থলী। অলৌকিক ঐশ্বৰিক মহিমা বা দৈৱ বলৰ ফলত কিন্তু সি সম্ভৱপৰ হোৱা নাছিল, হৈছিল মানবীয় ইচ্ছা শক্তিৰ প্ৰাবল্যৰ ফলত। তেতিয়াৰ ভাৰতীয়ৰ চিত্তত 'ন মনুষ্যাৎ শ্ৰেষ্ঠতৰং হি কিঞ্চিৎ' আদৰ্শই যেন সততে তোলপাৰ লগাই আছিল। শ্ৰমৰ উৎকৰ্ষতা সাধনৰ প্ৰতিযোগিতাত দেৱলোকে দেহ-মন একেদৰে পাৰি দিছিল যে সিয়ে দেৱলোকক কৰি তুলিছিল আত্ম প্ৰত্যয়ী। শতপথ ব্ৰাহ্মণৰ কাহিনীয়ে ৰিঙিয়াই কৈ আহিছে যে শ্ৰম যজ্ঞত শ্ৰেষ্ঠত্ব লাভ কৰা হেতুকেহে বিষ্ণু সৰ্বশ্ৰেষ্ঠ দেৱতা ৰূপে প্ৰতিপন্ন হ'বলৈ সমৰ্থ হৈছিল। সমকালীন ভাৰতত সেই মহান মানবীয় আদৰ্শৰ জয়জয়কাৰ হ'ব লাগিলে শিশুক চেতনা লাভৰে পৰা সেই মহা-মন্ত্ৰেৰে অনুপ্ৰাণিত কৰিব লাগিব।

প্ৰাকৃতিক সম্পদত আমাৰ দেশ আজিও বিৰাট চহকী। কিন্তু প্ৰাচুৰ্যৰ মাজত সম্প্ৰতি আমি পৰমুখাপেক্ষী আৰু দৰিদ্ৰ-ভিকহুৰ ৰূপত পৰি আছো। হাবি, বন, গছ লতাৰে আমাৰ দেশ ঠাহ খোৱা। সিবোৰত অমোঘ শক্তিও নিহিত আছে। সিবোৰৰ পৰা নানা দৰৱ, নানা তেলজাতীয় পদাৰ্থ বা ৰাসায়নিক পদাৰ্থৰ সৃষ্টি কৰি দেশক সম্পদশালী কৰি তুলিব পাৰি। নৈ, জান-জুৰিৰে দেশ উপচি আছে কাৰণেই আমাৰ দেশক বোলা হয় নদী মাতৃক। কিন্তু দুখৰ বিষয় যে সিবোৰ আজিও মানুহৰ মহা বিপদৰ কাৰণৰূপেই পৰিগণিত হৈ আছে। নদী নিয়ন্ত্ৰণ কৰি জলবিদ্যুৎ উৎপাদন, খেতি পথাৰত পানী যোগান বা প্ৰকাণ্ড প্ৰকাণ্ড মীনমহল গঢ়ি তুলিলে যে আমাৰ দেশ আনকি সৰ্বাগ্ৰণী ৰূপেও পৰিগণিত হ'ব পাৰে, তাক সাহিত্যৰ মাজেদি শিশু চিত্তত জাগ্ৰত কৰি তোলাৰ ব্যৱস্থা কৰিব লাগিব। সাগৰ-মহাসাগৰৰ বুকুত ৰৈ থকা সম্পদৰাজিৰ কথা কিছু উদ্ঘাটন হ'ব ধৰিছে। সিবোৰ সম্পদ উদ্ধাৰ কৰি যে দেশৰ দুখ-দাৰিদ্ৰ্যক বিলোপ সাধনত বিপুল পৰিমাণে ইন্ধন যোগাব পাৰি তাক শিশুৰ মনোজগতত দাঙি ধৰিব লাগিব।

শিশু সাহিত্যিকৰ দায়িত্ব গধুৰ। শিশুৰ চিত্তত দুৰ্বলতা-হীনতাবোধ বা ভীৰুতা-

। সাধুকথাবোৰ ভিত্তি কৰি সৃষ্টি কৰিব দিব লাগিছিল। আমাৰ দেশ বহু জাতিৰ আৰু বহু ভাষিক। দেশখন কিন্তু দেশৰ সকলোৰে মানুহৰেই দেশ। শিশু সাহিত্যই শিশু মনকেই সেই সকলোবোৰ জাতি-গোষ্ঠী আৰু তেওঁলোকৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল কৰি তুলিব পাৰিব লাগিব আৰু পৰস্পৰে পৰস্পৰৰ মনৰ প্ৰতি কৰি তুলিব লাগিব আগ্ৰহশীল।

একালে শিশুৰ মনত গঢ়ি তুলিব লাগিব বিশ্বাসৰ নিৰ্দোষ প্ৰতিযোগিতাৰ চেতনা আৰু আনফালে সকলো প্ৰকাৰৰ প্ৰতিকূলতাক অনুকূলতাত পৰিণত কৰাৰ দৃঢ়তা আৰু নিষ্ঠা। এই ক্ষেত্ৰত যিসকল বীৰ-বীৰাংগনাই মানৱতাৰ কল্যাণৰ অৰ্থে মহান ত্যাগ আৰু নিৰ্যাতন হেলাৰঙে বৰণ কৰি গ'ল বা বৰণ কৰি আছে, সেই সকলৰ জীৱনবৃত্তও শিশুৰ আগত দাঙি ধৰিবই লাগিব।

আনন্দৰাম বৰুৱাই শিশুৰ কাৰণে কিবা লেখিছিল বুলি জনা নাযায়। তেওঁ বিদেশী ইংৰাজ চৰকাৰৰ এজন বৃহৎ বিষয়া আছিল। এখন জিলাৰ উপাযুক্তৰ দায়িত্ব অতি নিষ্ঠাৰে পালন কৰাৰ উপৰি সাধনাৰ দৃষ্টিৰে সংস্কৃত সাহিত্য সাগৰ মন্থন কৰি সমগ্ৰ মানৱ জাতিৰ কাৰণে বিপুল পৰিমাণৰ মহামূল্যবান অৱিহণা আগবঢ়াই যাবলৈও তেওঁ এৰা নাছিল। মাথোঁ উনচল্লিশ বছৰ বয়সত মৃত্যু বৰণ কৰা আনন্দৰাম বৰুৱাই এটা পূৰ্ণ দৈৰ্ঘ্যৰ জীৱন যাপন কৰিবলৈ পোৱাহেঁতেন যে আৰু কিমান অমূল্য অৱদান আগবঢ়াই গ'লহেঁতেন! আচাৰ্য জগদীশ চন্দ্ৰ বসুৱেই বিদেশী ইংৰাজ চৰকাৰৰ অৱহেলা-অৱমাননা, ঈৰ্ষা-ঘৃণাৰ মাজত থাকিয়েই জানো আধুনিক পৃথিৱীৰ ভিতৰত সৰ্বপ্ৰথমে উদ্ভিদ জগত সজীৱ আৰু অনুভূতিশীল ৰূপে প্ৰমাণ কৰি সমগ্ৰ বিশ্বৰ বুকুত প্ৰবল আলোড়নৰ সৃষ্টি কৰা নাছিল! চন্দ্ৰশেখৰ ভেংকট ৰমণেও ইংৰাজৰ শাসন কালত জীৱনৰ পাতনি মেলিছিল এজন গাণনিক ৰূপেহে। অথচ কৰ্মউদ্যমৰ ফলত সেই জন গাণনিক ভেংকটৰমণ পৰিগণিত হ'ল বিশ্ববৰেণ্য বিজ্ঞানী ৰূপে। তেওঁ আৱিষ্কাৰ কৰা 'ৰমণ ৰশ্মি'ৰ কাৰণে পদাৰ্থ বিজ্ঞানৰ নবেল বঁটা লাভ কৰি সমগ্ৰ বিশ্বব্যাপী এক প্ৰবল আলোড়নৰ সৃষ্টি কৰিবলৈও তেওঁ সমৰ্থ হ'ল। দৰিদ্ৰ ঘৰৰ ল'ৰা শ্ৰীনিবাস ৰামানুজনে কলেজীয়া শিক্ষাকে আধৰুৱা কৰি এৰিব লগাত পৰিছিল। জীৱিকাৰ তাড়নাত এটা বিদেশী কোম্পানীৰ কেৰাণীৰূপে কামত সোমোৱা ৰামানুজনে অনুসন্ধিৎসা প্ৰবল কৰি তোলাহেতুকে সম্মানিত হ'ল সৰ্বকালৰ এগৰাকী সৰ্বশ্ৰেষ্ঠ গণিতজ্ঞ ৰূপে। অবিভক্ত ভাৰতৰ পশ্চিম পঞ্জাবত ওপজা হৰগোবিন্দ খোৰানাও দৰিদ্ৰ ঘৰৰে সন্তান আছিল। তেওঁ ওপজা

সেইটোৱেই গাঁওখনৰেই ইয়াৰ চৰিত্ৰ আছিল যে সেই গাঁৱৰ অভিভাৱক সকলে শিশুৰ শিক্ষাৰ কাৰণে বিদ্যালয় ৰূপে এটা ঘৰ সাজি দিবলৈয়ো অক্ষম আছিল। শিশু হৰগোবিন্দইতো গাঁওখনৰ মাজত থকা বিশাল বটগছ এজোপাৰ তলতহে বিদ্যা শিক্ষা কৰিব লগাত পৰিছিল। সেইজন হৰগোবিন্দই প্ৰৱল উৎসাহেৰে শিক্ষা লাভ কৰি সমগ্ৰ বিশ্বৰ মাজতে আপোনাৰ আসনখন পাৰলৈ সমৰ্থ হোৱাৰ উপৰি বিজ্ঞানৰ নবেল বঁটা লাভ কৰিবলৈও হ'ল সমৰ্থ। পৰীক্ষা নলীত জীৱ-কোষৰ সৃষ্টি কৰি নবেল বঁটা লাভ কৰা হৰগোবিন্দই যে ক'ত কিমান আবিষ্কাৰেই কৰা নাই। তেওঁ আনকি পৰীক্ষা নলীত জীৱৰ সৃষ্টি কৰাৰ দাবী উত্থাপন কৰিবলৈও এৰা নাই।

মানৱ জাতিৰ পৰম কল্যাণৰ অৰ্থে জীৱন পাৰি দিয়া এনে মহান লোক আৰু বহুত আছে। জীৱনী সাহিত্যৰ মাজেদি এই চৰিত্ৰবিলাকৰ মহান মানৱীয় আদৰ্শ শিশুৰ আগত দাঙি ধৰিব লাগিব।

সিমানেই নহয়, শিশু আৰু কিশোৰৰ মাজৰো বহুতে বহু আদৰ্শস্থানীয় বা আদৰণীয় কাম কৰিছে। তেওঁলোকৰ বহুতে নিজৰ জীৱন বিপন্ন কৰি হ'লেও আনৰ জীৱন ৰক্ষা কৰিছে। বিয়াল্লিশৰ শহীদ কনকলতা কৈশোৰৰ দুৱাৰ দলিত উপনীতহে হৈছিল। কিন্তু দেশৰ স্বাধীনতাৰ অৰ্থে যুঁজ দি তেওঁ শহীদ হ'ল। শিশু বা কিশোৰৰ এনে মহান ত্যাগৰ আদৰ্শই স্বাভাৱিকতে শিশু আৰু কিশোৰক প্ৰবল ভাবে আলোড়িত কৰিব পাৰে। কবিতা, কাহিনী, নাটক, উপন্যাস বা জীৱনীৰ মাধ্যমত ইবোৰো আকৰ্ষণীয়কৈ তুলি ধৰিব লাগিব।

শিশু সাহিত্য ৰচনাৰ ক্ষেত্ৰত আন এটা বিশেষ মন কৰিব লগা কথা এয়ে যে হতাশা-নিৰাশা, বিভেদ-বিচ্ছিন্নতা, সাম্প্ৰদায়িকতা আৰু উগ্ৰতাই শিশু সাহিত্যক কোনো পধ্যেও কলুষিত কৰিব নালাগিব। অতিকল্পনাই শিশু সাহিত্যত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে সঁচা; কিন্তু অলৌকিকতা বা দৈৱী-শক্তিৰ মাহাত্ম্যই শিশু সাহিত্যক কোনো পধ্যেও স্পৰ্শ কৰা উচিত নহ'ব। শিশু সাহিত্যক বিমণ্ডিত কৰিব লাগে মানৱীয় মহান মাহাত্ম্যইহে। শিশুৱে জলজলী-য়াকৈ উপলব্ধি কৰিব পাৰিব লাগে যে মানুহৰ পৰম কল্যাণৰ অৰ্থে জীৱন আহুতি দিয়া মানুহ দেৱতা আৰু মানুহক শোষণ-নিষ্পেষণ কৰা মানুহ ভূত, পশু, পিশাচ, দৈত্য, দানৱ। এই দেৱতা আৰু দৈত্য-দানৱ আদি যে ৰূপক অৰ্থতহে ব্যৱহাৰ হৈছে তাকো শিশুৱে অনায়াসে উপলব্ধি কৰিব পৰা হ'ব লাগে। পাঠ্যপুথি হাতত তুলি দিয়াৰ পিছৰে পৰা শিশুক ক্ৰমে যুক্তিবাদী ৰূপে

গঢ়ি তোলাটো শিশু সাহিত্যৰ অন্যতম লক্ষ্য হ'ব লাগে। কাৰণ যুক্তিবাদী বিবেকী মানুহে সাধাৰণতে ভুল নকৰে। শিশু মন চিৰ অনুসন্ধিৎসু, নানাকথা জানিবলৈ আৰু বুজিবলৈ যে শিশুৰ কি প্ৰবল হেঁপাহ! গহীন-গম্ভীৰ বিষয়বোৰ সৰল-সহজ ভাষাৰে শিশুক বুজাই ক'ব জানিলে, শিশুই বুজি পায় বুলিয়ে অভিজ্ঞতালব্ধ আমাৰ ধাৰণা।

বহুতো লেখকে ভাবে যে পুথিৰ কলেৱৰ সৰু হ'লেই সি শিশু সাহিত্য পদ বাচ্য হয়। আনকি অভিজ্ঞতাৰ পৰা দেখিলোঁ যে কলেজৰ উপৰি চৰকাৰী জিলা পুথিভঁৰাল আদিতো শিশু সাহিত্যৰ শ্ৰেণীটোত যিবোৰ পুথি ৰখা হয়, সেইবোৰৰ সৰহ সংখ্যকেই সৰু কলেৱৰ সম্পন্ন কাৰণেহে শিশু সাহিত্য পদবাচ্য কৰা হৈছে, গুণগত ভাবে সেইবোৰ পুথি প্ৰাপ্ত বয়স্কৰ কাৰণেহে ৰচিত। আনকি শিশু সাহিত্য নামকৰণেৰে ৰচিত বহুতো কবিতা, জীৱনী, কাহিনী শিশুমনৰ উপযোগী কৰি তুলিব পৰা হোৱা নাই। আমাৰ বহুতো লেখক-লেখিকাই শিশু সকলক অজ্ঞ বুলি বিবেচনা কৰিহে পুথি লেখিবলৈ লোৱা যেন অনুমান হয়। শিশু সাহিত্যৰ ক্ষেত্ৰত ই এটা অক্ষমনীয় ত্ৰুটি। আচলতে শিশুই বহু কথাই জানে। জনা-বুজা শিশুৰ কাৰণে বুলিহে শিশু সাহিত্য ৰচনাত প্ৰবৃত্ত হোৱা উচিত। প্ৰকাশ ভংগীৰ ক্ষেত্ৰতো শিশুই দীঘলীয়া বৰ্ণনাতকৈ সংলাপৰ ভংগীহে ভাল পায় বুলি ধাৰণা। যিকোনো ক্ষেত্ৰতেই অনুসন্ধিৎসা চৰিতাৰ্থ কৰাৰ অৰ্থে শিশুই প্ৰশ্ন উত্থাপন কৰা এটা সচৰাচৰ ঘটনা। শিশুকো জড়িত কৰি লৈ সংলাপৰ সহায়ত বক্তব্য পৰিস্ফুট কৰি তুলিব পাৰিলে শিশু তেনে ৰচনাৰ প্ৰতি সহজে আকৃষ্ট হোৱা দেখা যায়। এনে প্ৰকাশ ভংগি আনকি প্ৰাপ্তবয়স্কৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য। পুৰাণ আদি কৰি প্ৰাচীন সাহিত্যয়ো জানো এই কথা প্ৰতিপন্ন নকৰে! পুৰাণ আদিৰ কাহিনী যথেষ্ট দীঘলীয়া হোৱা সত্বেও সংলাপৰ ভংগি সংযোগ হোৱা কাৰণে আমনি লগা নহয়। শিশু সাহিত্যিক সকলে বিষয় বস্তু নিৰ্বাচনত সততে সতৰ্ক হৈ থকাৰ দৰে প্ৰকাশ ভংগিৰ ক্ষেত্ৰতো সৰল-সহজ অথচ সংলাপধৰ্মী আকৰ্ষণীয় ভংগি প্ৰয়োগৰ প্ৰতি সততে মনোনিৱেশ কৰিব লাগে। বৈজ্ঞানিক তত্ত্ব আদি বিশ্লেষণৰ ক্ষেত্ৰত সৰল-সহজ পাৰিভাষিক শব্দ বিচাৰি পোৱা টান হ'ব পাৰে; কিন্তু লেখকে সুকৌশলেৰে তেনে টান বা কঠিন শব্দৰ ব্যাখ্যা সংযোগ কৰি বৰ্ণনা শিশুৰ কাৰণে সহজবোধ্য কৰি তুলিব পাৰে। অৱশ্যে মনত ৰখা উচিত যে পুনৰুক্তিয়ে ঠাই পোৱা উচিত নহয়, ক্ৰমে নতুনৰ পৰা নতুনলৈ আগ বাঢ়িব পাৰিলেহে বিষয়ৰ প্ৰতি শিশু বেছি মনোযোগী হ'ব বুলি আশা কৰিব পাৰি।

শিশু সাহিত্যৰ লেখক-লেখিকা মানেই এটা কথা সততে মনত ৰাখিব লাগে যে লেখাৰ মাজেদি শিশুক সুন্দৰ-সুঠামৰূপে গঢ়ি তুলিব বিচৰাৰ আগতেই লেখক-লেখিকাই নিজকো সুন্দৰ-সুঠামৰূপে গঢ়ি তুলিবলৈ যত্নপৰ হ'ব লাগে। কাৰণ প্ৰাপ্তবয়স্ক পঢ়ুৱৈ সকলৰ দৰে শিশুৱেও লেখক-লেখিকাৰ জীৱনলৈ লক্ষ্য নকৰাকৈ নাথাকে। লেখা কথাৰ লগত সম্পৰ্কহীন জীৱনে শিশুক বিভ্ৰান্ত কৰে আৰু সিয়ে শিশুৰ জীৱনত মচিব নোৱাৰা দাগ বহুৱায়।

পৰ্যবেক্ষণৰ পৰা দেখা গৈছে যে শিশুৰ চিত্ত চঞ্চল আৰু অধীৰ। কোনো কথা বহুসময় ধৰি শুনাৰ বা পঢ়াৰ ধৈৰ্য শিশুৰ সাধাৰণতে নাথাকে। গতিকে শিশু সাহিত্য যথাসম্ভৱ চুটি হোৱাই বাঞ্ছনীয়। আন এটা গুৰুত্বপূৰ্ণ কথা এয়ে যে শিশু সাহিত্য সচিত্ৰ হোৱাহে উচিত। চিত্ৰৰ মাজেদি বা চিত্ৰৰ সহায়ত বক্তব্য দাঙি ধৰিব পাৰিলে চিত্তগ্ৰাহী হয় বুলি অনুমান কৰা যায়। সম্প্ৰতি অসমতো সচিত্ৰ পুথিৰ প্ৰচলন হোৱা দেখা গৈছে, কিন্তু ই এতিয়াও পৰ্যাপ্ত হৈছে বুলি তুষ্টি লভাৰ উপায় নাই। সচিত্ৰ শিশু সাহিত্যৰ বিকাশৰ পথৰ প্ৰধান অন্তৰায় অসমৰ জনগণৰ দাৰিদ্ৰ্য। অভিভাৱকৰ দাৰিদ্ৰ্য হেতুকে আনকি শ্ৰেণীৰ কাৰণে আৱশ্যকীয় পুথি কেইখনকে শিশুক সংগ্ৰহ কৰি দিয়া বহুতো অভিভাৱকৰ কাৰণে অসম্ভৱ ব্যাপাৰ। তেনে অভিভাৱকে শিশুক সচিত্ৰ পুথি কিনি দিব কি সন্তে। ১৯৯১ চনৰ লোক গণনা অনুসৰি অসমৰ সৰ্বমুঠ লোক সংখ্যা হ'ল ২২,৪১৪,৩২২ জন। এই সকলৰ ভিতৰত ৬ বছৰৰ তলৰ শিশুৰ সংখ্যা হ'ল ৪৪,২১,৫১১। সেইদৰে ৬ৰ পৰা ১২ বছৰৰ ভিতৰৰ শিশুৰ সংখ্যাও প্ৰায় সিমানেই হ'ব। ই এটা নগণ্য সংখ্যা নহয়। ইমান শিশুৱে পুথি-পত্ৰ কিনি পঢ়িব পৰা আৰ্থিক স্বচ্ছলতা সম্পন্ন হোৱাহেঁতেন শিশু সাহিত্য লাখৰ হিচাপত বেচা গ'লহেঁতেন। কিন্তু দাৰিদ্ৰ্য হেতুকে পুথি কিনাৰ অৱস্থা সৰহ সংখ্যক শিশুৰ অভিভাৱকৰেই নাই।

সম্প্ৰতি এক বিশেষ সংখ্যক অভিভাৱক মধ্যবিত্ত শ্ৰেণীভুক্ত। পুথি-পত্ৰ কিনাৰ সামৰ্থ তেওঁলোকৰ আছে। কিন্তু তেওঁলোকৰ একাংশ কেৱল ধনৰ পিছত লৰিফুৰা ধন গুটে, সংস্কৃতি সম্পন্ন মনৰ অধিকাৰী হ'বলৈ তেওঁলোকৰ বহুতৰে বাকী। তেওঁলোকে শ্ৰেণীৰ পাঠ্যপুথি পঢ়ি শিশুহঁত ডাঙৰ পণ্ডিত হোৱাকে কামনা কৰে মাথোঁ। অতিৰিক্ত ভাবে পুথি কিনা কাৰ্যক ধনৰ অপব্যয় বুলিহে বিবেচনা কৰে। আমাৰ সমাজত এনে অভিভাৱকো আছে যিসকলে গৃহ শিক্ষক নিযুক্ত কৰি শিশুক বা সন্তানক পৰীক্ষা বৈতৰণীত পাৰ কৰাবলৈ বুলি ধন ভাঙিবলৈ টান নাপায়, টান পায় শিশুৰ চৰিত্ৰ গঠন কৰি দিব পৰা পুথি কিনিবলৈহে।

এইবোৰ কাৰণতে শিশু সাহিত্যৰ সমাদৰ এতিয়াও আকাংক্ষিত ধৰণে বাঢ়িব পৰা নাই ; সচিত্ৰ পুথিৰ দাম বেছি কাৰণে তাৰ আদৰ আৰু কম।

আমাৰ অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীবো একো অংশ অপসংস্কৃতিগ্ৰস্ত। তেওঁলোক জাতি, বৰ্ণ, ধৰ্ম, সম্প্ৰদায়ৰ জালত পৰি ককবকাই থকা মনুষ্যবিশেষ মাথোন। শিশুক সৰ্বকাল আৰু সৰ্বদেশৰ উপযোগী নাগৰিক ৰূপে গঢ়ি তোলাৰ আদৰ্শ তেওঁলোকৰ মনে-চিত্তে নাই। শিশুক জাতি, বৰ্ণ, ধৰ্ম, সম্প্ৰদায়ৰ নিগড়ৰ মাজত আবদ্ধ কৰি ৰাখিব বিচৰা হয় মাথোন। এনে পূতিগন্ধময় পৰিৱেশত পৰি আছে আমাৰ দেশৰ, জাতিৰ আশা-ভৰসাৰ থল আমাৰ শিশু সকল।

প্ৰতিভাশালী আৰু বিজ্ঞান সম্মত দৃষ্টিভংগি সম্পন্ন শিশু সাহিত্যিকৰ সৃষ্টি আমাৰ অসমতো নোহোৱা নহয়। কিন্তু কেৱল শিশু সাহিত্য ৰচনা কৰি জীৱন-জীৱিকা নিৰ্বাহ কৰাৰ পৰিৱেশ গঢ় লৈ নুঠা কাৰণে শিশু সাহিত্যিক সকলে নিষ্ঠাৰে শিশু সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিব পৰা নাই। সেই একে কাৰণে ৰঙীণ ছবিযুক্ত মূল্যবান শিশু সাহিত্য প্ৰকাশৰ প্ৰতি আমাৰ প্ৰকাশক সকলে আৱশ্যকীয় ধৰণে উৎসাহ দেখুৱাব পৰা নাই। গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ ভাৰতৰ শিশুক সৰ্বকাল আৰু সৰ্বদেশৰ উপযোগী নাগৰিকৰূপে গঢ়ি তোলাৰ প্ৰধান দায়িত্ব কিন্তু মূলতঃ দেশৰ চৰকাৰৰ। কিন্তু আমাৰ দেশৰ চৰকাৰ সংগঠিত হৈছে একাংশ বুৰ্জোৱাৰ দ্বাৰাহে। চৰকাৰৰ মন্ত্ৰী-পাত্ৰ আৰু সৰু বৰ আমোলা সকলৰ সৰহ সংখ্যক চৰিত্ৰহীন শোষকহে। শিশুক আদৰ্শ নাগৰিক ৰূপে গঢ়ি তুলিলে যে তেওঁলোকৰ অবাধ শোষণৰ সাহ্দহ থোৱা বালি ভল যাব! গতিকে শিশুক যথাৰ্থ গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ উপযোগী কৰি গঢ়ি তোলাত তেওঁলোক নাৰাজ। নানা প্ৰকাৰৰ চলাহিমৰা কথাৰে নিৰ্বাচন বৈতৰণী পাৰ হোৱাই হ'ল সম্প্ৰতি গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ ভাৰতৰ চৰকাৰৰ নেতৃমণ্ডলীৰ জীৱনৰ লক্ষ্য। বৰ বৰ আমোলা সকলেও বিচাৰে কেৱল প্ৰভুত্বৰ গাদী। গাদীৰ মান-মৰ্যাদা ক্ষুণ্ণ হোৱাৰ আশংকাত তেওঁলোকো আতংকিত। আৰু সেয়ে দেশৰ শিশুক গণতান্ত্ৰিক প্ৰজা-তন্ত্ৰৰ উপযোগীকৈ গঢ়ি তোলা কথাত তেওঁলোকৰো মতি নাই।

শিশু মানকে সৰ্বদেশ আৰু সৰ্বকালৰ শিশুৰূপে পাব বিচাৰিছিল প্ৰজাতান্ত্ৰিক ছোভিয়েট দেশৰ প্ৰশাসনে। ছোভিয়েট দেশৰ প্ৰশাসনে শিশুকে ধৰি সকলো স্তৰৰ নাগৰিকৰ কাৰণে পুথি ৰচনা আৰু প্ৰকাশত যিদৰে গুৰুত্ব আৰোপ কৰিছিল বা ছোভিয়েট দেশৰ প্ৰতিটো ভাষাৰ উপৰি অসমীয়াকে ধৰি পৃথিৱীৰ প্ৰায় সকলোবোৰ ভাষাত সচিত্ৰ পুথি প্ৰকাশ কৰি বিতৰণৰ ক্ষেত্ৰতো যি গুৰুত্ব আৰোপ

কৰিছিল, তাৰ কথা সুঁৱৰিলেও আমাৰ আনন্দ অনুভৱ কৰিব নোৱাৰি। সমাজ-তান্ত্ৰিক ছোভিয়েটদেশে শ্ৰেণীহীন, শোষণহীন পৃথিৱী গঢ়ি তোলাৰ পথত সঁচাকৈয়ে দৃঢ় পদক্ষেপ দিছিল। লোকচীন প্ৰমুখ্যে সমাজতান্ত্ৰিক দেশবোৰেও একে আদৰ্শেৰে উদ্বুদ্ধ হৈ এখন নতুন বিশ্বসমাজ গঢ়ি তোলাৰ পথত ধীৰে ধীৰে আগ নবঢ়াকৈ থকা নাই।

শিশুৰ শিক্ষাৰ ক্ষেত্ৰত ইংৰাজ জাতিৰ প্ৰশংসনীয় প্ৰচেষ্টাৰ কথাও সুঁৱৰিব-লগীয়া। অৱশ্যে তেওঁলোক সাম্ৰাজ্যবাদী জাতি। সাম্ৰাজ্য অটুট ৰখাৰ প্ৰচেষ্টা আজিও তেওঁলোকৰ মাজত অব্যাহত আছে। কিন্তু সেই সীমাৰ মাজতে শিশুৰ বিকাশত তেওঁলোকে সৰ্বাধিক গুৰুত্ব আৰোপ কৰে। ইংৰাজ জাতিৰ শিশু দেশৰ ভিতৰত সৰাতোকৈ বেছি সুবিধাভোগী, শিশুক দেশৰ কাৰণে উপযোগীকৈ গঢ়ি তোলাত তেওঁলোকে সৰ্বাধিক গুৰুত্ব আৰোপ কৰে। আজিও ইংৰাজ শিশুক গঢ়ি তোলাৰ পূৰা দায়িত্ব সেই দেশৰ চৰকাৰৰহে। অভিভাৱকে কেৱল জন্মহে দিয়ে, লালন-পালনৰ সমস্ত দায়িত্ব বহন কৰে সেই দেশৰ ৰাষ্ট্ৰ যন্ত্ৰইহে।

এই প্ৰসংগতে মনত পৰে কালিদাসৰ সমকালীন ভাৰতবৰ্ষৰ কথা। কালি-দাসে গুপ্তবংশৰ ৰাজত্বকালৰ পটভূমিত ৰচনা কৰিছিল তেওঁৰ মহাকাব্য ৰঘুবংশ। দিলীপ ৰজাৰ প্ৰজাবৎসলতাৰ বৰ্ণনা প্ৰসংগত কালিদাসে কৈ গৈছে যে দিলীপৰ ৰাজ্যৰ প্ৰজা সকলৰ পিতৃ-মাতৃ আছিল কেৱল জন্ম দিয়াৰ কাৰণেহে, প্ৰজা মানৰে লালন-পালনৰ দায়িত্ব বহন কৰিছিল ৰজা দিলীপেহে। কবি কালিদাসৰ এই বৰ্ণনাত অতিৰঞ্জনৰ বহল সম্ভৱ হৈছে বুলি ভবাৰ সুচল থাকিলেও সি যে বাস্তৱৰ লগত সম্পৰ্কিত সমাজ চিত্ৰ আছিল সেই বিষয়ে সন্দেহৰ থল নাই নিশ্চয়। বৰ্তমান ভাৰতত চলিব ধৰিছে বুৰ্জোৱা গণতন্ত্ৰ। ইয়াত গণতন্ত্ৰ সৰ্ব-সাধাৰণ জনগণৰ মাজলৈ সম্প্ৰসাৰিত হোৱা নাই। বৰ্তমান ভাৰতীয় গণতন্ত্ৰ বুৰ্জোৱা শ্ৰেণীৰ মাজতে পৰিসীমিত। সেই কাৰণে দেশৰ জনগণৰ অৱস্থা লেলোৱা-থেন্দোৱা। বুৰ্জোৱা গণতন্ত্ৰক জনগণতন্ত্ৰলৈ ৰূপান্তৰিত কৰিব পৰা নাযায় মানে শিশুকে ধৰি জনগণক দাসত্বৰ শিকলিৰ বান্ধোনৰ পৰা মুক্ত কৰা টান। মুক্ত আৰু স্বাধীন পৰিৱেশতহে আৱশ্যকীয় ধৰণে শিশু সাহিত্যৰ বিকাশ সাধনো সম্ভৱপৰ হ'ব পাৰে।

গতিকে শিশু সাহিত্য তথা শিশুৰ বিকাশৰ পূৰ্বচৰ্ত হ'ল শ্ৰেণীহীন শোষণহীন জনগণতন্ত্ৰ বা সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ অৰ্থে সমাজতান্ত্ৰিক বা জনগণতান্ত্ৰিক বিপ্লৱ সফল কৰা। *

# বিপ্লৱী মনীষা জ্যোতিপ্ৰসাদ

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ বিষয়ে আলোচনা বিলোচনা বহু হৈছে। কিন্তু বিজ্ঞান সম্মত ভাৱে তেওঁৰ প্ৰতিভা, সৃষ্টি আৰু আদৰ্শৰ ক্ৰমবিকাশ বিষয়ক আলোচনা হৈছে যথ কম। প্ৰকাশন পৰিষদে তেওঁৰ যি সম্পূৰ্ণ ৰচনাৱলী প্ৰকাশ কৰিলে, সিও অপূৰ্ণ আৰু বিকৃত, তদুপৰি বিজ্ঞানসম্মত ভাৱে সংকলিত নোহোৱা কাৰণে তেওঁৰ চিন্তা আৰু আদৰ্শৰ ক্ৰমবিকাশ বিষয়ক স্পষ্ট ধাৰণা কৰা টান হয়। তাতোকৈও দুৰ্ভাগ্যৰ কথা যে বিশ্ববিদ্যালয়ৰ পণ্ডিতসকলেও জ্যোতিপ্ৰসাদৰ স্বৰূপ জনগণৰ আগত দাঙি ধৰাৰ সলনি, বিকৃত কৰাতহে যেন মনোনিবেশ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ে 'কাব্যপ্ৰভা' নামৰ যিথন কবিতা সংকলন প্ৰকাশ কৰিছে তাত জ্যোতিপ্ৰসাদৰ 'কাঞ্চন জঙ্ঘাৰ বুৰঞ্জী' নামৰ কবিতাটো বিকৃত ৰূপত হে সন্নিবিষ্ট কৰিছে, কবি জ্যোতিপ্ৰসাদৰ মূল বক্তব্য 'কাব্য-প্ৰতিভা'ৰ পৰা বাদ পৰিছে। তাতোকৈও দুৰ্ভাগাৰ কথা যে বিশ্ববিদ্যালয়ৰ পণ্ডিতসকলৰ এনে অপৰাধৰ বিৰুদ্ধে মাত মতাৰ আৱশ্যকতা বহল সমাজে, বিপুল শিক্ষক মণ্ডলীয়ে আনকি জ্যোতিপ্ৰসাদ প্ৰেমী শিল্পী-সাহিত্যিক সকলেও অনুভৱ কৰা নাই। আহকাণে-পহকাণে শুনিবলৈ পোৱা যায় যে বিশ্ববিদ্যালয় গৱেষণা পৰিচালকসকলে হেনো জ্যোতিপ্ৰসাদৰ বিষয়ে (আৰু হেনো বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়েও) ইচ্ছুক গৱেষকক গৱেষণা কৰাৰ পৰা বিৰতহে কৰে।

আমাৰ পণ্ডিতসকলৰ এনে বিকৃত মানসিকতাৰ মূল এয়ে হ'ব পাৰে যে তেওঁলোকৰ সৰহ সংখ্যকেই ৰক্ষণশীল। কিন্তু জ্যোতিপ্ৰসাদ আছিল প্ৰকৃত অৰ্থতে প্ৰগতিশীল"। তেওঁ সমাজবিকাশৰ বিজ্ঞান সম্মত বিৱৰ্তনবাদৰ দৃঢ় সমৰ্থক আছিল কাৰণেই 'ৰূপান্তৰেহে সৃষ্টি ধুনীয়া কৰে' বুলি দৃপ্ত কণ্ঠে গাব পাৰিছিল। মহান সমাজবিজ্ঞানী এঞ্জেলছৰ কোৱা কথা—"ক্ষুদ্ৰতমৰ পৰা বৃহত্তমলৈ, এটা ধূলি কণাৰ পৰা সূৰ্যলৈ, আদিম জীৱকোষৰ পৰা মানুহলৈ, সমগ্ৰ প্ৰকৃতি আবিৰ্ভূত আৰু তিৰোহিত হৈছে, প্ৰতি মুহূৰ্তে পৰিৱৰ্তন সংঘটিত হৈ আছে সকলো বস্তুৱেই নিৰৱচ্ছিন্ন গতি আৰু ৰূপান্তৰৰ অৱস্থাতে আছে।" এ জগত জগতৰ অসংখ্য প্ৰগতিবাদীৰ দৰে জ্যোতিপ্ৰসাদৰো স্বৰূপবিচয় নিশ্চয় ঘটিছিল। কাৰণ জ্যোতিপ্ৰসাদে

নিশ্চিত ভাৱে অনুভৱ কৰিছিল যে এই গতি আৰু ৰূপান্তৰ শাশ্বত, এই ৰূপান্তৰৰ গতিত যিবোৰ ক্ষয়প্ৰাপ্ত হৈছে সিবোৰ ক্ষয়িষ্ণু আৰু যিবোৰৰ বিকাশ ঘটিছে সিবোৰ বৰ্ধিষ্ণু বা বিকাশমান। 'ক্ষয়িষ্ণুশক্তি অতীতমুখী, কিন্তু বিকাশমান শক্তি ভৱিষ্যৎমুখী। অতীতমুখী শক্তি ৰক্ষণশীল আৰু ভৱিষ্যৎমুখী শক্তি প্ৰগতিশীল।

অতীতমুখী ৰক্ষণশীল চিন্তাৰ স্থান জ্যোতিপ্ৰসাদৰ মনে-চিতে নাই। তেওঁ সম্পূৰ্ণৰূপে ভৱিষ্যৎমুখী। তেওঁৰ আন এটা বিশেষ উল্লেখযোগ্য ৰূপ হ'ল এয়ে যে তেওঁ বিশ্বমুখী, তেওঁ বিশ্বক ধুনীয়া কৰা শিল্পীহে আছিল কাৰণ তেওঁ আছিল যুগৰ মানুহ। এই যুগ বিজ্ঞানৰ যুগ, এই যুগৰ 'মানুহ কেৱল বিশ্ব-মানৱৰ চিন্তা-চৰ্চা, জ্ঞান-বিজ্ঞানৰ আলোকে আলোকিতই নহয়— আনকি খাৱন, পিন্ধন, শোৱন, ভ্ৰমণ আদিতো বিশ্বজনতাৰ দ্বাৰা উৎপাদিত উপাদান সমূহৰ দ্বাৰা জীৱিত, প্ৰতিপালিত। সেই কথা স্পষ্টকৈ উপলব্ধি কৰিব পাৰিছিল গুণেই তেওঁ—

বিশ্বসুৰৰ ন ৰূপটো
ক'ত বিচাৰি পাওঁ....

বুলি বিশ্বজনতাৰ বিকাশমান ৰূপৰ সন্ধান কৰি ফুৰিছিল, আনকি—

আমাৰ গাঁৱৰ নাম যৰলৈ
পৃথিৱীকে মাতিম
আমি গাঁৱত সৰগ পাতিম।

বুলি বিশ্বসুৰেৰে অনুপ্ৰাণিত এখন নতুন সমাজ গঢ়াৰ দৃঢ়তা প্ৰকাশ কৰিছিল, যিখন সমাজত—

পাৰলীয়া বাটেৰে লুইতৰ ঘাটেৰে
পৃথিৱী সোমাব ব্যৱস্থা থাকিব।

আনকি শিশুৰ প্ৰতি অতি যত্নেৰে ৰচনা কৰিবলৈ লোৱা 'জ্যোতি ৰামায়ণ (অসম্পূৰ্ণ)ৰ মাজেদিও তেওঁৰ ভৱিষ্যৎমুখী আৰু লগতে বিশ্বমুখী ভাবাদৰ্শৰ অনুপম বিকাশ ঘটিছে। তেওঁ তাৰ এঠাইত গাইছে—

বুভুক্ষু ভাৰত আজি কংকাল সাৰ;
বোধিব নোৱাৰে আত্মীয় অধিকাৰ।
মহাতপা ক্ষণজন্মা সত্যাগ্ৰহী বীৰে।
জগাই তুলিছে আত্মা মহতী তপেৰে।

আহিব লাগিছে যাব নৱ ভাৰতৰ ।
দিব্য অন্ন ধৰি মুক্তি দিব জগতৰ ॥
মহামানৱৰ হ'ব নৱ অৱতাৰ ।
ভাৰত উদ্ধাৰ হ'ব শোষক সংহাৰ ॥
যন্ত্ৰযুগৰ এই হৃদপিণ্ড চিৰি ।
অন্ন-তন্ত্ৰ উলিয়াব তোহাৰি বিদাৰি ॥

× × ×

নৱ ভাৰতৰ যৌগিক সভ্যতাই
সমূহ বেগেৰে যাব পৃথিৱী ঢৌৱাই
কবি হৃদয়ৰ অনুভৱেৰে ইয়াক
ভৱিষ্যৰ কথা মই শুনালোঁ তোমাক ।

এইজন ভৱিষ্যৎবাদী আৰু বিশ্বক মহান কৰা কবি শিল্পীয়ে কিন্তু কথাই কথাই ৰামায়ণ-মহাভাৰত, গীতা-উপনিষদৰ কথা, কাহিনী, চৰিত্ৰ আৰু চিত্ৰ চিত্ৰিত কৰে । এই ৰূপটোলৈ লক্ষ্য কৰি কোনো কোনোৱে তেওঁক অতীতমুখী ভাৰতীয় বুলি ক'বলৈও কিন্তু বাদ দিয়া নাই । জ্যোতিপ্ৰসাদক অতীতমুখী ভাৰতীয় ৰূপে অভিহিত কৰিব বিচৰাৰ কাৰণ এয়ে হ'ব পাৰে যে এই অংশই জ্যোতিপ্ৰসাদৰ সম্পূৰ্ণ ৰচনাৱলী পঢ়া নাই আৰু তেওঁলোকে যিখিনি পঢ়িছে তাকো নিজৰ নিজৰ মানসিকতাৰ 'প্ৰিজম'ৰ মাজেদিহে নিৰীক্ষণ কৰিছে । জ্যোতিপ্ৰসাদে কিন্তু সততে "পুৰণি পৃথিৱীক নকৈ চাই" লোৱাৰ ব্যৱস্থাহে কৰিছিল । ৰামায়ণ, মহাভাৰত, গীতা-ভাগৱত আদিৰ চিত্ৰ, চৰিত্ৰ আৰু কাহিনী আদি তেওঁ যুগোপযোগী কৰিহে প্ৰয়োগো কৰিছিল আৰু বিচাৰো কৰিছিল । ভাৰতীয় মাত্ৰেই জন্মৰে পৰা এই-বোৰ চিত্ৰ, চৰিত্ৰ আৰু কাহিনীৰ লগত পৰিচিত, চিত্ৰ, চৰিত্ৰ আৰু কাহিনীৰ সহায়ত জনগণক তেওঁ নতুন ভাৰত গঢ়াৰ সংগ্ৰামৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰয়াসহে কৰিছিল । তেওঁ শাসক-শোষকক বুলিছিল কৌৰৱ, শোষিত-নিৰ্যাতিত জনগণক বুলিছিল পাণ্ডৱ আৰু শ্ৰমকাৰী শোষিত জনগণৰ পৰম বন্ধু সাম্য বাদী দলক বুলিছিল কৃষ্ণ । তেওঁ হয়তো ইয়াকে অনুভৱ কৰিছিল যে মহাকাব্য ৰামায়ণ, মহাভাৰত আৰু পুৰাণ আদি সমাজৰ ৰূপক ভিন্ন আন একো নহয় ; সেয়ে তেওঁ ৰূপকধৰ্মী চিত্ৰ, চৰিত্ৰ কাহিনীৰ মৰ্মকথা মুকলি কৰি দাঙি ধৰিবলৈ গীত, মাত, নাট, নিবন্ধ আদিৰ মাজেদি প্ৰযত্নবান হৈছিল । 'জ্যোতি ৰামায়ণ' ৰচনা কৰিবলৈ লৈ তেওঁ—'আহিব লাগিছে যাব নৱভাৰতৰ' বুলি কৈও প্ৰকৃততে

শ্ৰেণীহীন শোষণহীন ভাৰত গঢ়িবলৈ প্ৰতিজ্ঞাবদ্ধ হোৱা সাম্যবাদী বিপ্লৱী দল-লকেই যে বাম অৰ্থাৎ বৰণীয় কল্পনীয় ৰূপত চিত্ৰিত কৰিছে তাক অস্বীকাৰ কৰা অকণো কষ্টসাধ্য নহয়।

এই প্ৰসংগতে স্বীকাৰ কৰি লোৱা উচিত হ'ব যে জ্যোতিপ্ৰসাদ ভাববাদী আদৰ্শৰ প্ৰভাৱৰ পৰা মৃত্যুৰ আগলৈকেই মুক্ত হ'ব পৰা নাছিল। ই প্ৰকৃততে পৰিবেশৰ প্ৰভাৱৰেই ফল। তেওঁ নিজেই কৈ গৈছে যে তেওঁলোকৰ পৰিয়াল আছিল এক বিশিষ্ট বৈষ্ণৱ পৰিয়াল। তেওঁৰ ককাক হৰিবিলাসেই প্ৰথম কীৰ্ত্তন-ঘোষা-দশম আদি প্ৰকাশ কৰি উলিয়াইছিল। তেওঁৰ দেউতাক পৰমানন্দ আৰু মাক কিৰণময়ীও আছিল বৈষ্ণৱ। বৈষ্ণৱ দৰ্শন ভাববাদী দৰ্শন। সেয়ে নহয়, জন্মৰে পৰা আকাশে-বতাহেও যেন তেওঁ ভাববাদী দৰ্শনৰ আদৰ্শকেই অনুভৱ কৰিবলৈ পাইছিল, তাৰ মাজতেই তেওঁ ওপজিছিল, তাতেই জীৱন হৈছিল আৰু তাৰ মাজতেই যেন মৃত্যুও বৰণ কৰিছিল। আন বহুজনৰ দৰে তেওঁ যেন অনুভৱ কৰিছিল যে ঈশ্বৰে মানুহক গঢ়ি পিতি আৰু পূৰ্বজন্মৰ কৰ্মফল অনুসৰি ভাগ্য নিৰ্ণয় কৰিহে মৰ্ত্ত্য জগতলৈ পঠিয়াই দিয়ে আৰু যেন সেই কাৰণেই তেওঁৰ দৃষ্টিত "আদিম সৃষ্টিতেই জনম পাই চকুত ওপজোতেই সৌন্দৰ্য্যৰ কাজল পিন্ধি অহা মানুহটো শিল্পী।" এনে ধাৰণা যে অবৈজ্ঞানিক আৰু বিভ্ৰান্তিকৰ সেই বিষয়ে সন্দেহৰ থল নাই। আন এটা বিশেষ উল্লেখযোগ্য কথা এয়ে যে তেওঁ কৈশোৰৰ পৰা গান্ধীবাদীও আছিল। বৈষ্ণৱ দৰ্শনৰ লগত গান্ধীবাদৰ বিশেষ প্ৰভেদ নাই। সেই কাৰণেই অন্যান্য ভাববাদীৰ দৰে তেওঁ বিশ্বাস কৰিছিল যে চিন্তা-ধাৰণা সৎ আৰু মহৎ হলে তাৰ ফলো অৱশ্যেই সৎ আৰু মহৎ হ'বই।

কিন্তু দেশ স্বাধীন হোৱাৰ পিছৰে পৰা তেওঁৰ চিন্তাৰ পৰিবৰ্ত্তন ঘটিবলৈ ধৰে, তেওঁ ক্ৰমে বস্তুবাদী আদৰ্শৰ প্ৰতি আকৃষ্ট হ'ব ধৰে, ক্ৰমে নিজক সমাজ-তান্ত্ৰিক-সাম্যবাদী বিপ্লৱীৰূপে গঢ় দিবলৈ আৰম্ভ কৰে। দেশ স্বাধীন হোৱাৰ প্ৰায় এবছৰ আগতে গঢ় লৈ উঠা ভাৰতীয় গণনাট্য সংঘৰ অসম ৰাজ্যিক সংগঠনৰ সংস্পৰ্শয়ো যে জ্যোতি প্ৰসাদক সাম্যবাদী বিপ্লৱীৰ পথলৈ আকৰ্ষণ কৰিছিল এই কথাও অস্বীকাৰ কৰাৰ উপায় নাই। শ্ৰেণী সমাজ প্ৰবৰ্ত্তন হোৱাৰ পৰা এই শতিকাৰ চল্লিশৰ দশকত প্ৰকাশ্যে ভাৰতৰ সাম্যবাদী দল গঠন হোৱালৈকে সৰ্বত্ৰ ভাৰতভূমি ভাববাদী আদৰ্শৰেই অতুল প্ৰভাৱ আছিল। যুদ্ধ খামখুমীয়াত গণ-নাট্য সংঘ সংগঠিত হোৱাত আৰু তাৰ পিছত প্ৰকাশ্যে সাম্যবাদী দল সংগঠিত হৈ গণ সংগঠন আৰু গণবিপ্লৱৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ পিছত হে ভাৰতীয় শিল্পী

সাহিত্যিক প্ৰমুখ্যে একাংশ বুদ্ধিজীৱী বস্তুবাদী দৰ্শন আৰু সাম্যবাদৰ প্ৰতি আগ্ৰহী হয়। জ্যোতিপ্ৰসাদো ইয়াৰ ব্যতিক্ৰম নহয়।

অৰণ্যে তেওঁ কৈশোৰৰে পৰা লোকজীৱন আৰু 'লোক সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈছিল' বুলিও নিশ্চিত ভাৱে কব পাৰি। এই ক্ষেত্ৰতো তেওঁ পৰিবেশৰ দ্বাৰাই প্ৰভাৱান্বিত হৈছিল। ঊনবিংশ শতিকাৰ ভাৰতীয় নৱজাগৰণৰ প্ৰেৰণাৰ সৃষ্টি জোনাকীযুগৰ প্ৰৱৰ্তক চন্দ্ৰকুমাৰ আগৰৱালা জ্যোতিপ্ৰসাদৰ মাজু বৰ দেউতাক আৰু সাহিত্য গুৰু। বিশিষ্ট পুৰাতাত্ত্বিক পণ্ডিত আনন্দচন্দ্ৰ আগৰৱালাও জ্যোতিপ্ৰসাদৰ অন্যতম বৰ দেউতাক। তদুপৰি 'শোণিত কুঁৱৰী' নাটকৰ পাতনিত জ্যোতিপ্ৰসাদে নিজেই স্বীকাৰ কৰিছে যে দেউতাক পৰমানন্দ আগৰৱালাই অৰ্গেনত কীৰ্ত্তনৰ পদ, বিয়া গীত, লোকগীত আদি গোৱা শুনিয়ে তেওঁ 'শোণিতকুঁৱৰী'ত লোকগীত-ভৰঁয়া গীত সংযোগ কৰিবলৈ প্ৰয়াস পাইছিল। 'শিল্পীৰ পৃথিৱী' বোলা নিবন্ধত তেওঁ নিজে ঘোষণা দিয়াৰ দৰে কিন্তু তেওঁ শিল্পী হৈও ওপজা নাছিল, বিদ্ৰোহী বিপ্লৱী হৈও ওপজা নাছিল। সূক্ষ্ম আৰু সুস্থিৰ ভাবে বিচাৰ কৰিলে দেখা যায় যে সকৰে পৰা পোৱা নিজৰ ঘৰ আৰু বহল সমাজখনৰ প্ৰভাৱেহে তেওঁক শিল্পী-সাহিত্যিক ৰূপে গঢ়ি তুলিছিল, বহল সমাজৰ প্ৰভাৱেই জগত ধুনীয়া কৰাৰ দৃঢ় হাবেও অনুপ্ৰাণিত কৰিছিল। তেওঁ সমাজৰেই সৃষ্টি আৰু তেওঁ নিজকো সম্পূৰ্ণৰূপে নিয়োগ কৰিছিল সমাজক, জগতক, মানৱতাক নতুন ৰূপত গঢ়ি তুলিবলৈ। কলাৰ কাৰণে কলা জ্যোতিপ্ৰসাদে সৃষ্টি কৰা নাই, সমাজ, জগত আৰু বিশ্বমানৱতাৰ কাৰণেহে তেওঁ কলা সাহিত্যৰ সৃষ্টি কৰিছিল। এই কাৰণেই তেওঁ আছিল এক বৰেণ্য দায়বদ্ধ শিল্পী সাহিত্যিক।

প্ৰসংগক্ৰমে আন এটা বিবেচনাৰ বিষয় এয়ে যে জীৱনৰ আৰম্ভৰ আদৰ্শই ব্যক্তিৰ ব্যক্তিত্ব বা জীৱন দৰ্শন নিৰ্ণয় নকৰে; জীৱনৰ সামৰণিৰ ব্যক্তিত্ব বা জীৱন দৰ্শনেহে ব্যক্তিৰ স্বৰূপ নিৰ্ণয় কৰে। জ্যোতিপ্ৰসাদৰ জীৱনৰ আগছোৱাৰ ৰচনা 'জ্যোতি শংখ' আদিয়ে তেওঁৰ আবেগ প্ৰৱণতাৰ স্বৰূপ ফুটাই তোলাৰ লগতে তেওঁৰ যৌৱনোচ্ছল উগ্ৰ ৰূপটোৰ আভাস নিদিয়াকৈ থকা নাই। কিন্তু দেশৰ গণতান্ত্ৰিক মুক্তি আন্দোলনৰ লগত বিজড়িত হোৱাৰ পিছত উগ্ৰতা ৰূপান্তৰিত হয় গণতান্ত্ৰিকতালৈ, 'মই অসমীয়া' আদি কবি কবিতাৰ মাজেদি কেৱল সংমিশ্ৰণ সমন্বয় আৰু সমাহৰণৰ ভেটিত এখন নতুন সমাজ গঢ়াৰ দৃঢ়তাই দেখুৱা নাই; সেইবিলাকৰ (আজিও বহু পৰিমাণে) শ্ৰেণীসমাজৰ দ্বাৰা অৱহেলিত অপমানিত আৰু লাঞ্ছিত বহুৱাসকলক— 'নতুন দিনৰ বণুৱা/নতুন মনৰ মজুৱা মই' বুলি

মহত্ত্বপূৰ্ণ স্বীকৃতি দিছে আৰু "জয় মজুৰীৰ জয়, জয় শ্ৰমজীৱীৰ জয়" বুলি অভিনন্দন জনাইছে। সমাজত শ্ৰমকাৰী মানুহৰ গুৰুত্বপূৰ্ণ ভূমিকাকো প্ৰকাশ্যে ঘোষণা কৰিব পাৰিছে।

ভাৰতীয় গণনাট্য সংঘৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি নিৰ্বাচিত হোৱাৰ আগলৈকে তেওঁ আছিল গান্ধীবাদী অহিংস সংগ্ৰামী। গান্ধীজীয়ে যেনেকৈ অহিংসা আৰু প্ৰেমেৰে সকলোকে জয় কৰিব পাৰে বুলি ভাবিছিল আৰু প্ৰচাৰো কৰিছিল, জ্যোতিপ্ৰসাদেও তেনেকৈ ভাবিছিল আৰু প্ৰচাৰো কৰিছিল। বিয়াল্লিশৰ মুক্তি সংগ্ৰামৰ সময়ত গান্ধীজীৰ নিৰ্দেশ শিৰোধাৰ্য কৰি গোপনে থাকি পৰা ওলাই আহি চৰকাৰৰ ওচৰত আত্ম সমৰ্পণ কৰা কাৰ্যই ইয়াক সমৰ্থন কৰে। কিন্তু দেশ স্বাধীন হোৱাৰ পিছত যেতিয়া দেখিলে যে পূৰ্বৰ তথাকথিত অহিংস আৰু প্ৰেমৰ পূজাৰী সকলে ক্ষমতাৰ গাদী দখল কৰি কেৱল অবাধ শোষণৰ পথহে বিধি সন্মত কৰি ললে; তেতিয়া তেওঁ আৰু অহিংস সংগ্ৰামী হৈ নাথাকিল। যথাৰ্থ বিপ্লৱীৰ দৰে গীতৰ মাধ্যমেৰেই গৰ্জি উঠি নেতৃবৰ্গক সাৱধান কৰি দি গালে "ভয় জনা নাই। ভয় মূৰ্খ জাৰ, মূৰ্খ জনতা, জড় জনতা, বুলি। তাৰ হ'ব খোজ স্বয়ং সিদ্ধ নেতা। সেই জনতা আজি প্ৰবুদ্ধ হ'ল।" জ্যোতিপ্ৰসাদৰ জীৱনৰ ই এটা নতুন উপলব্ধি, এই উপলব্ধি সাম্যবাদী বিপ্লৱীৰ উপলব্ধি, মাৰ্ক্সবাদ-লেনিনবাদৰ প্ৰতিষ্ঠাপক সকল ইয়াৰ প্ৰবৰ্তক। সিমানেই নহয়, 'মহাশূদ্ৰ' বোলা কবিতাটোত শ্ৰেণী সমাজে চিৰকাল অপমান-অৱহেলা কৰি অহা শ্ৰমকাৰী মানুহ শূদ্ৰ সকলক মহান মানৱীয় স্বীকৃতি দিয়াৰ লগতে এই 'মহাশূদ্ৰ' শ্ৰমকাৰী জনগণে শোষক নিপীড়ক শ্ৰেণীৰ বিলোপ সাধন কৰিব বুলিও দৃঢ় কণ্ঠে অভিমত প্ৰচাৰ কৰিছে, যেন এই শোষক নিপীড়কইতৰ প্ৰতি "নাই, নাই, নাই / কোনো অনুকম্পা নাই / মেই জ্যোতিৰ্ময় মহা-কঠোৰ / অন্তৰত নাই নাই / কোনো অনুকম্পা নাই।" অৰ্থাৎ শিল্পী জ্যোতিপ্ৰসাদৰ দৃঢ় অভিমত যেন শোষক-নিপীড়ক শ্ৰেণীৰ বিনাশ সাধন বিনে সমাজৰ নতুন ভৱিষ্যৎ অসম্ভৱ।

যিসকলে ভাবে আৰু কয় যে শিল্পী সাহিত্যিক সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰি থাকিব লাগে, সেই সকলৰ প্ৰতি প্ৰত্যাহ্বান জনায়ে যেন 'আমাৰ গাওঁ' বোলা উপন্যাসত শিল্পী অভিনৱৰ মাজেদি সুস্পষ্ট ভাষাত অভিমত ব্যক্ত কৰি গৈছে যে শিল্পী-সাহিত্যিক, ৰাজনীতি, অৰ্থনীতি আৰু সমাজনীতিৰ পৰা কোনোপধ্যেও আঁতৰি থাকিব নোৱাৰে। এই উপন্যাসখনত তেওঁ শোষক শ্ৰেণীক বুলিছে ডকাইত আৰু যেশৰ শাসন নীতিয়ে যেন এই ডকাইতইতৰ ডকাইতি

অৰ্থাৎ অবাধ শোষণহে বিধি বদ্ধ কৰি তুলিছে। ইয়াৰ পৰা জনগণক মুক্ত কৰি-বলৈ হলে তত বুদ্ধি সম্পন্ন মুক্তিকামী মাত্ৰেই যেন নিজক ৰাজনীতি, অৰ্থনীতি আৰু সমাজনীতিৰ লগত সক্ৰিয় ভাবে বিজড়িত কৰিবই লাগিব। এয়ে আছিল মহান শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ শেষ জীৱনৰ স্পষ্ট উপলব্ধি। আৰু প্ৰকৃততে শোষণমুক্ত সমাজ গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰা কাৰণেই জ্যোতি-প্ৰসাদ মহান।

অন্তিমৰ এই গৰাকী জ্যোতিপ্ৰসাদ ভাববাদী নহয়, সমাজতান্ত্ৰিক বাস্তৱ-বাদী হে। তেওঁ 'কাঞ্চনজঙ্ঘাৰ যুৱতী,' 'নতুন' আদি কবিতাত মুক্ত কণ্ঠে গাই গৈছে যে যুগে যুগে অৰ্থাৎ ছোভিয়েট দেশ আদি কৰি বিভিন্ন দেশত শ্ৰমকাৰী জনগণৰ সম্মিলিত বিপ্লৱী শক্তিয়ে শোষক নিপীড়ক সাম্ৰাজ্যবাদী আৰু ধনতন্ত্ৰবাদীহঁতৰ বিলোপ সাধন কৰিব পাৰিছে, তাত জনগণৰ অবাধ বিকাশৰ পথ মুকলি হোৱা সম্ভৱপৰ হৈছে। ই ঐতিহাসিক সত্য। তেওঁ আমাৰ দেশৰ নিৰন্ন নিৰ্বস্ত্ৰ অনাহাৰী জনগণক সচেতনৰূপে গঢ়ি তোলাৰ ওপৰত সঠিক ভাবেই গুৰুত্ব আৰোপ কৰিব পাৰিছে। এই সকলক তেওঁ নিমাতী কইনা বুলি অভি-হিত কৰিছে। দেশৰ সকলো সম্পদ, সকলো ঐশ্বৰ্যৰ স্ৰষ্টা এই নিমাতী কইনা ৰূপ শ্ৰমকাৰী জনগণেই। কিন্তু শোষণ-নিপীড়নৰ বিৰুদ্ধে মাত মাতিবলৈ যেন তেওঁলোকৰ কণ্ঠত ভাষা দিয়া হোৱা নাই, প্ৰতিবাদ কৰিবলৈ কোনেও শিকোৱা নাই। প্ৰকৃত শিল্পী-সাহিত্যিকৰ কৰ্তব্য যেন জনগণক প্ৰতিবাদ মুখৰ হ'বলৈ সচেতন কৰি তোলা। এই দায়িত্ব পালন কৰিবলৈ যেন তেওঁ সংকল্পবদ্ধ। নাটক-খনত মহান শিল্পী ৰূপকোঁৱৰক প্ৰতিক্ৰিয়াশীল সমাজে অগ্ৰাহ্য আৰু পেংলাই কৰাৰ দৰে জ্যোতিপ্ৰসাদৰ সমকালীন সমাজেও তেওঁৰ আদৰ্শক অগ্ৰাহ্য আৰু পেংলাই কৰিছিল। কিন্তু তেওঁ হতাশ হোৱা নাছিল। গীতৰ সুৰত প্ৰতিক্ৰিয়া-শীল চক্ৰলৈ বুলি প্ৰত্যাহ্বান জনায়ে যেন গাইছিল— "জানোঁ। জানোঁ। জানোঁ। বিফলে নাযায়ো মোৰো গানো......।" জনগণলৈ আকুল আহ্বান জনায়ো তেওঁ দৃপ্ত কণ্ঠেৰে গাইছিল— "তোৰে মোৰে আলোকৰে যাত্ৰা অব্যৰ্থ......." বুলি।

এইজন আশাবাদী জ্যোতিপ্ৰসাদ সেই কাৰণেই মুক্তিকামী জনগণৰ "প্ৰাণৰো প্ৰাণৰ মনৰো মনৰ শিল্পী", তেওঁ যেন মুক্তিকামী জনগণৰ প্ৰাণত সঁচাকৈয়ে লুকাই লুকাই আছেই। যথাৰ্থ শিল্পী, সাহিত্যিক আৰু বুদ্ধিজীৱী মানেই জ্যোতি-প্ৰসাদৰ এই বিপ্লৱী মনীষাক গভীৰ আন্তৰিকতাৰে শ্ৰদ্ধা কৰে। *

* গণ-সাহিত্য, ১৯৮৩ চনৰ শিল্পী দিবস সংখ্যাত প্ৰকাশিত।

# তাত নদী নাছিল

## ( এখন আধুনিক উপন্যাস )

"তাত নদী নাছিল" বিশিষ্ট ঔপন্যাসিক মেদিনী চৌধুৰীৰ এখন বৈশিষ্ট্যপূৰ্ণ আধুনিক উপন্যাস। পৰম্পৰাগত উপন্যাসৰ দৰে ইয়াত আদি, মধ্য, অন্ত্য যুক্ত এটা বিশেষ কাহিনী সংযোগ কৰা হোৱা নাই, আনকি উপন্যাসৰ সামৰণিৰ লগে লগে কাহিনীৰ অন্ত পৰিছে বুলিও অনুভৱ নহয়। বৰং নায়ক 'সি' নতুন মানৱীয় চেতনাৰে উদ্দীপ্ত হৈ দৃঢ়তাৰে জীৱন সংগ্ৰামত ব্ৰতী হোৱা কাৰণে উপন্যাসৰ কাহিনীৰ গতি উন্মুক্তহে যেন হ'ল। উপন্যাসৰ নায়ক তেনেই দুৰ্বল, মনত খু-দুৱাই থকা কথাখোৰ মুখেৰে প্ৰকাশ কৰাৰ সাহসো তাৰ নাই; সিমানেই নহয়, সি মনৰ ভাব ব্যক্ত কৰাৰ আৱশ্যকতাই অনুভৱ নকৰে। কেৱল কিবা এটা দেখিলে বা শুনিলে সেই বিষয়ে নানা কথা ভাবে বা চিন্তা কৰে। নায়কৰ চিন্তা-চেতনা অৱচেতন মনৰ চিন্তা-চেতনাহে। তদুপৰি নায়ক জনপূৰ্ণ সমাজত থাকিও যেন সম্পূৰ্ণৰূপে অকলশৰীয়া; সি যেন নিৰ্জন দ্বীপৰ অকলশৰীয়া অধিবাসীহে। এয়ে যেন আধুনিক জীৱন। উপন্যাসখনৰ মাজেদি এই আধুনিক জীৱনক প্ৰায় সাৰ্থক ভাবেই চিত্ৰিত কৰিবলৈ যত্নপৰ হৈছে বিজ্ঞান আৰু মনস্তত্ত্বৰ পোহৰত।

আধুনিক উপন্যাসে প্ৰায়েই আত্মজীৱনীমূলক উপন্যাসলৈ গতি কৰে। কাৰণ আধুনিক উপন্যাসত প্ৰায়েই লেখক আৰু নায়ক এক আৰু অভিন্ন হৈ পৰে; লেখকে যেন ব্যক্তি স্বাতন্ত্ৰ্যবোধ লোপ কৰি নায়কৰ চৈতন্যৰ পৰিশুদ্ধ স্তৰতহে উপনীত হয়। এই উপন্যাসখনো আত্মজীৱনীমূলক উপন্যাসেই। যিসকলে ঔপন্যাসিক মেদিনী চৌধুৰীক জানে, সিসকলে অৱশ্যেই অনুভৱ কৰে যে উপন্যাসখনৰ নায়ক 'সি' ঔপন্যাসিক মেদিনী চৌধুৰী ভিন্ন আন কোনো নহয়। উপন্যাসৰ কাহিনীভাগ নায়ক 'সি'ক কেন্দ্ৰ কৰি

গঢ় লৈ উঠিছে। ইয়াত ৰূপায়িত হৈছে নায়কৰ শৈশৱ আৰু ছাত্ৰকাল। কিন্তু প্ৰকাশভংগী বা ৰচনাশৈলী বিজ্ঞানসন্মত। নায়কক ৰূপ দি তোলা হৈছে এজন আধুনিক মানুহ। সি সম্পূৰ্ণৰূপে আত্মকেন্দ্ৰিক, শ্ৰমবিমুখ, অলস, আনৰ শ্ৰমৰ ওপৰত জীয়াই থকাৰ বা তথাকথিত বৰ মানুহ হোৱাৰ আকাংক্ষাতেই যেন সি বিভোৰ হৈ আছিল। পিতৃ বিয়োগৰ পিছত যেতিয়া তাৰ ভিত্তিভূমিয়েই লোপ পালে তেতিয়া সি ধোঁৱাকোৱা দেখিলে, হতাশা-নিৰাশাই তাক আগচি ধৰিলে। পঢ়া-শুনা জলাঞ্জলি দি ঘৰৰ ল'ৰা ঘৰলৈ উভতি অহাত বাদে যেন তাৰ গত্যন্তৰ নাথাকিল। জীৱনৰ সেই সংকটপূৰ্ণ মুহূৰ্তত নায়কৰ পৌৰুষ উদ্ৰেকত সহায় কৰিলে বহল জগত আৰু জীৱনৰ বিষয়ে কিছু ব্যাপক ধাৰণা থকা হুংৰাম বোলা নায়কৰ সম্পৰ্কীয় পেহাক গাঁৱৰ পোষ্ট মাষ্টৰ ভনেহে—

"... ... ... তই এতিয়া ঘৰলৈ যাব? যা। তই পিতাৰাতকৈ বেলেগ হবি বুলি আশা কৰিছিলোঁ; অন্ততঃ জগত মৌজাদাৰৰ বংশৰ নাম ৰাখিব পাৰিবি বুলি ভাবিছিলোঁ। কিন্তু কি হ'ব, বাবাজীৰ পুতেক তই। বাহিৰত ক'তো একো কৰিব নোৱাৰি গাঁৱৰ বোকাত জোকবোৰে আৰকাণি লেটা কুন্দিয়াই থকাৰ দৰে বাপেৰায়ো গাঁৱতে মুখ লুকাই আছিল তোন। তই আৰু ক'ত ভাল হ'বি।"

গৰিহণাৰ এই ভংগিও বিজ্ঞানসন্মতই। এই গৰিহণাই যেন নায়কৰ পৌৰুষত আঘাত হানিলে; লগে লগে উদ্ৰেক হ'ল যেন তাৰ মনুষ্যত্ববোধ।

"মাষ্টৰ পেহাকৰ নিৰ্দেশিত পথেৰেই সি আগ বাঢ়িল। যন্ত্ৰচালিতৰ দৰে কিছুদূৰ যোৱাৰ পাছত সি অনুভৱ কৰিলে বিশ্লেষণাতীত এক আশ্বাস। সন্মুখৰ পথটোৱে যেন অতীতৰ বিভিন্ন দিনৰ বিভিন্ন স্মৃতিৰ পাপৰি তাৰ যোৱাৰ ঢুকাৰে ছটিয়াই গ'ল। সি আশ্বস্ত হ'ল, কতেক পাছতে তাৰ মনৰ সমস্ত কুণ্ঠা, পথৰ সমস্ত অন্তৰায় আঁতৰ হ'ব আৰু সি আস্বাদ লভিব এক নতুন উন্মুক্তিৰ।"

নতুন উন্মুক্তিৰ প্ৰত্যাশাৰে উপন্যাসখনৰ সামৰণি পৰিল সঁচা, কিন্তু কাহিনীৰ সামৰণি হলে নপৰিল, ভৱিষ্যৎ উন্মুক্ত হৈয়ে থাকিল। সম্ভাবনাময় নতুন ভৱিষ্যৎ উন্মুক্ত কৰি দিয়া কাৰণে 'ভাত নদী নাছিল' যেন এখন আধুনিক মুক্ত উপন্যাস ৰূপে অনুভৱ হ'ল আৰু ঔপন্যাসিক নিজেই নায়ক ৰূপে প্ৰতিপন্ন হোৱা কাৰণে ই এখন আত্মজীৱনীমূলক উপন্যাসৰূপেও প্ৰতিপন্ন হ'ল।

উপন্যাসখনত নায়কৰ জন্ম আৰু শৈশৱৰ লীলা ভূমি বুলিছে বামচা গাঁও। এইখন গোৰেশ্বৰৰ এখন গাঁও। উপন্যাসখনত গোৰেশ্বৰ নামটো ক'তো উল্লেখ

কৰা নাই আৰু উল্লেখ কৰা নাই নায়কে মাধ্যমিক শিক্ষা লাভ কৰা সৰু চহৰখনৰ আৰু বিদ্যালয়খনৰ নাম। অৱশ্যে ঔপন্যাসিকৰ ব্যক্তিগত জীৱনৰ লগত পৰিচিত লোক মাত্ৰেই জানে যে সৰু চহৰখন আছিল নলবাৰী আৰু বিদ্যালয়খন আছিল নলবাৰীৰ গৰ্ডন হাইস্কুল। অৱশ্যে উচ্চ শিক্ষা লাভ কৰা গুৱাহাটীৰ কটন কলেজৰ নাম হ'লে তেওঁ সঠিকভাৱেই উল্লেখ কৰিছে। উপন্যাসত চিত্ৰিত অসংখ্য পুৰুষ তিৰোতা, ডেকা-গাভৰু চৰিত্ৰবোৰো তেওঁ বাস্তৱত লগ পোৱা সঁচা চৰিত্ৰই হ'ব লাগে। অৱশ্যে কল্পনাৰ সহায়ত যে চৰিত্ৰসমূহক সমুজ্জ্বল কৰি তুলিছে সেই বিষয়ে সন্দেহৰ থল নিশ্চয় নাই। জনপদৰ বাৰমাহৰ অতীত-বৰ্তমান, আকাশ-বতাহ, গছ-লতা, তৰু-তৃণ, হাবি-বননি, খাল-বিল, জোনাই-চিৰিকটি ইয়াত চিত্ৰৰ দৰে আৰোপিত; তাত আছিল "বনত গছ, জুৰিত মাছ, বিলত বিধে বিধে বনৰীয়া হাঁহ আৰু পাৰত কহুৱা, তৰা, নৰজা, উলুবনীৰ বিস্তীৰ্ণ প্ৰান্তৰ।" সেইখন গাঁৱৰ "ঘৰসৰ আইতাক, দূৰ লোৱা ঠাইখিনিত আৰু খাটা-ইতৰ হাঁহি-ধেমালি, আঁহত গুৰিৰ বোৱতী পানীৰ খালৰ সিপাৰে জাকে জাকে কোঢ়াল লগাই উৰি যোৱা শৰালিৰ খিলখিল মাত, সিলখানাৰ ভাউকৰ বিননি, গুখুনা কেৰপাই মঙলুইতৰ সংগ" আনকি বাইজৰ দেও-ভূত, তন্ত্ৰ-মন্ত্ৰৰ বিশ্বাস, খেল-ধেমালি, নাচ-গান, হাঁহি-কান্দোন প্ৰভৃতি সকলোবোৰে যেন উপন্যাসখনত জুমুৰি দি ধৰিছে। কিন্তু সিবোৰক অভিজ্ঞতাৰ সামগ্ৰী বা যাদুঘৰ ৰূপে চিত্ৰিত কৰা হোৱা নাই; সকলোবোৰকে কৰি তোলা হৈছে যেন বাংময় আৰু যেন এই-সকলোবোৰ হৈ পৰিছে উপন্যাসখনৰ অংগ-প্ৰত্যংগ স্বৰূপ।

উপন্যাসখনত কোনো বিশেষ কাহিনী কিন্তু জুৰি দিয়া হোৱা নাই। নায়কে এই বৈশিষ্ট্যপূৰ্ণ পৰিবেশৰ মাজত জন্ম লাভ কৰি উমলি-জামলি শিক্ষা লাভৰ কাৰণে গৈ ভৰ্ত্তি হৈছে বিদ্যালয়ত। নক'লেও হ'ব যে সেই বিদ্যালয়খনেই বৰ্ত্তমানৰ গে বেশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়। তাৰ শিক্ষক আৰু চৌকিদাৰৰ জীৱন সহানুভূতিৰেই চিত্ৰিত কৰিছে। সম্ভৱ তেতিয়া সেইখন এখন ইংৰাজী মজলীয়া বিদ্যালয়হে আছিল। মাধ্যমিক শিক্ষাৰ কাৰণে গৈ ভৰ্ত্তি হ'ল সৰু চহৰখন (নলবাৰী)ৰ মাধ্যমিক বিদ্যালয় (গৰ্ডন স্কুল)ত। দ্বিতীয় মহাসমৰ আৰু বিয়াল্লিশৰ স্বাধীনতা আন্দোলনৰ ধামখুমীয়াৰ মাজেদি মাধ্যমিক শিক্ষা সমাপ্ত কৰি আহি গুৱাহাটীৰ কটন কলেজত ভৰ্ত্তি হ'ল উচ্চ শিক্ষাৰ আশাৰে। কিন্তু স্নাতক মহলাত উঠাৰ আগে আগে পিতাকৰ মৃত্যু ঘটাত যেন নায়কে অকস্মাৎ হেকৰাই বিবুধিত পৰি ধোঁৱাকোৱা দেখে। হতাশাগ্ৰস্ত হৈ ওজতে

ধৰিলে । কিন্তু বাহিৰত আংশিকভাৱে লগ পালে দৌহিত্ৰীৰ মুক্তিৰ পেহাকক ; তেওঁৰ সজাল-পৰিবেশ্য আৰু উপদেশে অলপ আৰু হতাশাগ্ৰস্ত নায়কক কৰিলে সজাগ-সজীৱ আৰু নতুন জীৱনৰ আকাংক্ষাত জীৱন পাবি দিবলৈ পালে প্ৰেৰণা ।

এইদৰে কথা সকল ঔপন্যাসিকে তেওঁৰ নিজৰ জীৱনবৃত্তৰ অৱলম্বনতহে চিত্ৰিত কৰিছে । কিন্তু এটা কাহিনী কোৱা যেন ঔপন্যাসিকৰ আদৰ্শ হৈ নহয় ; আধুনিক জীৱন আৰু আধুনিক সমাজৰ বিজ্ঞানসন্মতভাৱে বিচাৰ-বিশ্লেষণ কৰাহে যেন ঔপন্যাসিকৰ লক্ষ্য । আধুনিক সমাজ মানে কিন্তু সমকালীন সমাজ নহয় আৰু আধুনিক মানুহ মানেও সমকালীন মানুহ নহয় । ৰাজনীতি, অৰ্থনীতি, ধৰ্মনীতি, প্ৰেম, দৰ্শন, সাম্প্ৰদায়িকতা, বিভেদ, বিচ্ছিন্নতা আদি এশ এবুৰি সমস্যা জৰ্জৰিত সমাজখনহে আধুনিক সমাজ আৰু সেই সমস্যা জৰ্জৰিত সমাজৰ বিক্ষুব্ধ মানুহহে আধুনিক মানুহ । এই আধুনিক মানুহ কিন্তু মানসিকভাৱে অতি দুৰ্বল ; মনত খু-দুৱাই থকা ভাব-চিন্তা মুখ ফুটাই কোৱাৰ সাহস পৰ্যন্ত আধুনিক মানুহৰ যেন নাই । আধুনিক মানুহ স্বাৰ্থান্ধ ; ব্যক্তিগত স্বাৰ্থত ব্যাঘাত পৰাৰ আশংকাত আধুনিক মানুহ আতংকিত । উপন্যাসখনত নায়কক তেনে প্ৰবৃত্তি সম্পন্ন আধুনিক মানুহৰ দৰেই চিত্ৰিত কৰিছে । আৱশ্যক অনুসৰি বিজ্ঞান-ৰাজনীতিৰ আশ্ৰয় লৈছে, সময়ে সময়ে যেন চাৰ্লচ ডাৰউইনে প্ৰবৰ্তন কৰা বিবৰ্তনবাদকো আশ্ৰয় লৈছে আৰু নায়কক ভিতৰৰ মানুহটোৰ লৈতে স্পষ্ট-ভাৱে চিত্ৰিত কৰাৰ অৰ্থে সঘনাই আশ্ৰয় লৈছে ফ্ৰয়ডিয়ান অৱচেতনাবাদকো ।

এই উপন্যাসখন যিহেতু আত্মজীৱনীমূলক, গতিকে ঔপন্যাসিক সৰ্বজ্ঞৰূপে প্ৰতিপন্ন হোৱাই স্বাভাৱিক ; অৱশ্যে পৰম্পৰাগত উপন্যাসতো ঔপন্যাসিক সৰ্বজ্ঞই । সৰ্বজ্ঞ ঔপন্যাসিকে ইয়াত বৰ্তমানৰ পটভূমিত অৱতীৰ্ণ হৈ অতীতৰ বুকুতো পোহৰ নিক্ষেপ কৰিছে আৰু ভৱিষ্যতৰ বিষয়েও সজাগ সংকেত দিছে । অৱশ্যে কাহিনী-ভাগে মনৰ প্ৰকাশ্য আৰু অপ্ৰকাশ্য. অৰ্থাৎ চেতন অৱচেতন অৱস্থাক আশ্ৰয় কৰিহে প্ৰকাশ লাভ কৰিছে । আৰু সেই কাৰণেই প্ৰকাশভংগী বা ৰচনাশৈলী বিজ্ঞানসন্মত ৰূপে অনুভূত হৈছে । দ্বন্দ্ব বা সংঘাত সংগ্ৰামেই যে ন ন সমাজ, সভ্যতা আৰু সংস্কৃতিৰো জননী তাকো অন্ততঃ ব্যঞ্জনাৰ সহায়ত অনুভৱ কৰাত সহায় কৰিব পাৰিছে ।

অতীতমুখিতা আধুনিক ঔপন্যাসত নাই । কিন্তু সমাজ বিৱৰ্তনৰ স্বৰূপ উপলব্ধিৰ কাৰণেই অতি কৌশলেৰে আৰু কলাত্মকভাৱে অতীতৰ বুকুতো পোহৰ নিক্ষেপ কৰিছে । নায়ক উপজিছে এখন আধা সামন্তবাদী আধা আমোলাতান্ত্ৰিক পৰিয়ালত । নায়কৰ ককাক জগত কাননগো তথা মৌজাদাৰ ইমান প্ৰতিপত্তি-

পানী আছিল যে মানুহে তেওঁক 'বৰা' বুলি সম্বোধন কৰিছিল আৰু পাঁচিৰামটোক বুলিছিল 'বাজাৰ ঘৰ'। অগত্যা কানবলোৱ মাম ভজিতে ঘোঁৰা বাঘে হাঁহে একেলগে একে ঘাটতে পানী খাইছিল। সেই 'বাজাৰ-ঘৰত' ওলোৱা ভাৱধাৰাই নায়কৰ পিতাকে সমাজত লাভ কৰিছিল মান-সন্মান আৰু বৰাই সেইবাকে উচ্চকাৰী সহজ-সৰল মানুহৰ ওপৰত চলাব পাৰিছিল বিনা বাধাত অবাধ অত্যাচাৰ আৰু নিৰ্যাতন, অথচ বৰাই দেৱাক আছিল এজন কানিৰ মহলদাৰহে। নিজাতেই নহয়, সেই 'বাজাৰ ঘৰত' জন্ম কাৰণেই ওচৰ-চুবুৰীয়াই শৈশৱতে থকা প্ৰজাসকলো এক বিশেষ সন্মানৰ চকুৰেহে চাইছিল; অথচ নায়ক যেন তাৰ কাৰণে দায়ৰ চেতনা নাছিল।

নায়কৰ যথন আৰু পৰিবেশটোৰ স্পষ্ট উপলব্ধিৰ কাৰণে একাধিক জীৱন্ত ছবি উপন্যাসখনত চিত্ৰিত হৈছে। নায়কৰ সমকালীন অন্য জাত মুৰা পৰিয়ালটোৰ পৰিবেশ কেনে অপসংস্কৃতি সম্পন্ন আছিল তাৰ স্পষ্ট উপলব্ধিৰ কাৰণে নিৰীহ হালোৱা দথৰক কিদৰে বৰাইদেৱাকে সোঁকাৰে কোবাই কোবাই পিঠিৰ ছাল ফটাই শৰাৰ বক্তাক্ত কৰিছিল তাৰ সহানুভূতিৰে চিত্ৰিত কৰাৰ লগতে সমাজৰ অত্যাচাৰিত লোকসকল কেনে বৰৰ সদৃশ নিৰ্বোধ আৰু নিবোকা আছিল তাকো চিত্ৰিত কৰি কৈছে—

"দথৰৰ পিঠিখনত কোবে প্ৰতি ফাটি ফাটি তেজ ওলোৱা সত্বেও দথৰে নীৰৱে সহ্য কৰা দেখি সি অপৰিসীম অস্বস্তি ভোগ কৰিছিল। কোনোত তাৰ কান্দি পেলাবৰ মন গৈছিল। এই মুহূৰ্ত্ত তাৰ হৃদিৰৰ মন হৈছিল, দথাৰেকে ইমান অন্যায়ভাৱে অত্যাচাৰ কৰা সত্বেও তাৰ কিয় কঁপালৰ শিৰবোৰ থুপ খোৱা নাছিল, সক সক চকুহাল এক লহমাৰ বাবেও কিয় ৰাক ভিৰবিৰাই উঠিল।"

কিন্তু মন কৰিব লগা কথা এয়ে যে ই নায়কৰ অন্তৰৰ অপ্ৰকাশ্য অনুভূতিহে, বাস্তৱত এই অনুভূতিৰ বিকাশ ঘটা নাই। এই অপ্ৰকাশ্য চেতনাৰ বিকাশ সাধনৰ মাজেদিয়ে যেন ঔপন্যাসিকে সেই 'আধা সামন্তবাদী সমাজ ব্যৱস্থাৰ বিৰুদ্ধে ঘৃণাৰ উদ্ৰেকেৰে মানুহক কৰি তুলিব বিচাৰিছে বিদ্ৰোহ। সমাজ বিজ্ঞানী মাত্ৰেই অনুভৱ কৰে যে সামন্তযুগীয়া সমাজত শৃংখলা ৰক্ষা কৰিছিল গোৰোহা লাঠিৰ কোবেৰেই আৰু পুঁজিবাদী সমাজত শৃংখলা ৰক্ষা কৰিব বিচাৰে শ্ৰমকাৰী মানুহৰ পেটৰ শোষণিৰে।

শ্ৰেণী বিভক্ত সমাজত শ্ৰমকাৰী মানুহৰ জীৱন শ্ৰেণী প্ৰভুৰ বাবত পণ্যদ্ৰব্যতকৈও হীন। পণ্যদ্ৰব্যৰ হানি-বিঘিনি হোৱা কাৰ্য শ্ৰেণী প্ৰভুৱে সহিব

লোৱাদে। কিন্তু ক্ষমতাধাৰী হৱো-হালোৱাৰ ৰূপহী জীয়াৰী-বোৱাৰীৰ ৰূপ-যৌৱন উপভোগ কৰি কটা জোতাৰ দৰে দলিয়াই পেলোৱা কাৰ্য যেন সেই প্ৰভু শ্ৰেণীৰ মানত কোনো কথাৰ কথাই নহয়। নায়কৰ ককাক জগত কাননগো। তেওঁ ঘনাই তহচিলদাৰক তুষ্ট কৰিব পাৰিলে—

"মৌজা লোৱাতো কথাৰ কথাই নহয়। তাৰ পাছত? তাৰ পাছত চাহাবক ধৰি মেলি এখন কানিৰ মহল। হাতৰ পাচ। তেতিয়া চাৰি-পাঁচ পুৰুষলৈ কোনো চিন্তাই নাই।"

সেই আকাংক্ষাৰেই তোলাৰ অসূৰ্যম্পশ্যা ৰূপহী ঘৈণীয়েকক নি ভেটিছিল ঘনাই তহচিলদাৰক স্বয়ং জগত কাননগোই।

হালোৱা দখৰ দলাইবেৰেকে লোৱাদে কোনোৱা প্ৰসংগতে কৌশলেৰে সামন্ত-যুগীয়া শ্ৰেণীপ্ৰভুই চলোৱা অবাধ আৰু অমানবীয় অত্যাচাৰ-নিৰ্যাতনৰ ছবিও সমাজ-চেতনা উদ্ৰেকৰ আকাংক্ষাৰেই চিত্ৰিত কৰি কৈছে—

"বহুদিন আগতে হেনো সিহঁতৰ গাওঁ এৰি চাৰিখনমান গাওঁ পাৰ হৈ প্ৰায় এবেলাৰ বাটত এখন অৰণ্যাকীৰ্ণ গাওঁ আছিল। তাতে বাস কৰিছিল মহাপৰাক্ৰমী কোনোবা বৰুৱা নে ফুকন এজন। যাৰ অখণ্ড প্ৰতাপ, যাৰ ভয়ত ছাগে-বাঘে একেটা ঘাটতে পানী খাইছিল। আৰু যিয়ে তাৰ খেয়াল চৰিতাৰ্থ কৰিবলৈ ব্যৰ্থ হোৱা অক্ষম প্ৰজাৰ ওপৰত নিৰ্মম অত্যাচাৰ চলাবলৈ নিতে নিতে উদ্ভাৱন কৰিছিল অভিনৱ কৌশল। পিতাকে তেনে এটা নৃশংস কৌশলৰ কথাকে কৈছিল, যাৰ দ্বাৰা সি অক্ষম নিৰীহ প্ৰজাবোৰক ধৰাই আনি, ডিঙিলৈকে থিয়ৈ থিয়ৈ মাটিত পুতি ওপৰেদি গধুৰ মৈ চলাই দিছিল। আৰু মালিক ইমান আমোদী আছিল যে শাস্তি দিয়া প্ৰতিটো গাতত একোজোপা ঔগছ ৰুই দিছিল। কাহিনীটো মনত পেলালেই দেহৰ কৰবাত তেজবোৰ উথলি অহা যেন অনুভৱ কৰিছিল সি।"

অতীত আৰু নায়কৰ সমকালীন সমাজৰ এনেবোৰ অমানবীয় অত্যাচাৰ-নিৰ্যাতনৰ ছবি কিন্তু লক্ষ্যহীনভাৱে চিত্ৰিত কৰা নাই। অপসংস্কৃতি সম্পন্ন অতীত আৰু সমকালীন সমাজৰ বিৰুদ্ধে ঘৃণাৰ উদ্ৰেক কৰি ৰাইজক সচেতনভাৱে বিক্ষুব্ধ কৰি তোলাহে যেন আছিল একান্ত লক্ষ্য আৰু যেন সেই কাৰণেই তেনেবোৰ অত্যাচাৰ-নিৰ্যাতনৰ কাহিনী শুনি বা স্বচক্ষে দেখি নায়ক নিজে বিচলিত হৈ পৰিছিল, 'তেজবোৰ উথলি অহা যেনো অনুভৱ কৰিছিল।' অৱশ্যে সি আছিল নায়কৰ মনৰ অনুভূতিহে।

সমাজ বিৱৰ্তনৰ ধাৰাৰ লগত বাইৰৰ প্ৰভাৱ কৰোৱাৰ অৰ্থেই ঔপন্যাসিকে দ্বিতীয় মহাসমৰে কিদৰে সামন্ততন্ত্ৰৰ ভেটিত পুঁজিবাদৰ প্ৰতিষ্ঠা কৰিলে তাকো উপলব্ধি পূৰ্ণকৈ চিত্ৰিত কৰিবলৈ এৰা নাই। নায়কৰ পিতাকে সামন্তযুগীয়া ভেম আৰু তৰক ৰক্ষা কৰিবলৈ গৈয়ে গ'ল ঋণত পোত; ঋণৰ তৰতেই হেৰুৱালে মৌজা আৰু অজস্ৰ মাটি-বৃত্তি, সেই যেমৰ তৰকতে শেষত পৰিণত হ'লগৈ টোকোনাও। নায়কৰ পিতাকৰ মৃত্যুৰ পিছত পৰিয়ালটো ইমান নিঃকিনৰূপে প্ৰতিপন্ন হ'ল যে ঠিকা-ঠুকলি আৰু অন্যান্য ব্যৱসায়-বাণিজ্য কৰি ধনাঢ্য হোৱা প্ৰসন্ন মহাজনৰ ওচৰত বন্ধা থাকিব লগা অৱস্থাতো যেন পৰিলগৈ। অতীতমুখী ভেমসৰ্বস্ব সামন্তযুগীয়া মনোবৃত্তিসম্পন্ন লোকসকল নৈকে উঠি অহা পুঁজিপতি শ্ৰেণীৰ হাতত কি নিষ্ঠুৰভাবে আহত হৈছিল তাক উপলব্ধি কৰোৱাৰ উপৰি সামন্তযুগৰ ভেটিত পুঁজিবাদৰ প্ৰতিষ্ঠা যে অৱশ্যম্ভাৱী, সেই সমাজতাত্ত্বিক সত্য উপলব্ধি কৰোৱাও যেন ঔপন্যাসিকৰ লক্ষ্য। আনকি দেশৰ স্বাধীনতায়ো যে জনসাধাৰণৰ আৰ্থসামাজিক পৰিস্থিতিৰ কোনো ৰূপান্তৰ সাধিব নোৱাৰিলে; ঘৰ-বাৰী এৰি পেটৰ জুইৰ জ্বালাত দিহিঙে-দিপাঙে অনাই-বনাই ঘূৰি ফুৰিব লগা হ'ল; স্বাধীনতা সংগ্ৰামৰ মুক্তি যুঁজাৰুসকলৰো যে সামান্য সাধাৰণসকল যেনেকৈ অৱহেলিত আৰু অপমানিত হৈয়ে থাকিল, তাকো অতি কৌশলেৰে উদঙাই দাঙি ধৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাই।

মানুহৰ চিন্তা-ভাবনা আদিও চিৰচঞ্চল, ই যেন চিৰকাল জাতৰ পথা গতি কৰি আছে অজ্ঞাতলৈ। এই চিন্তাৰ সোঁত বা প্ৰবাহৰ ফল স্বৰূপেই ঔপন্যাসিক অৱতীৰ্ণ হয় সৰ্বজ্ঞৰূপে, তেওঁ অতীত-বৰ্তমান আৰু ভৱিষ্যতৰ কথা কৈ যায় বিনা দ্বিধাই। সেই কাৰণেই এই উপন্যাসখনত অতীতৰ সামন্তযুগীয়া নিপীড়ন আৰু বৰ্তমানৰ সামন্তবাদৰ ওপৰত প্ৰতিষ্ঠিত পুঁজিবাদী অত্যাচাৰ-নিপীড়নৰ ছবি চিত্ৰিত কৰিয়ে ঔপন্যাসিক ক্ষান্ত থকা নাই; পুঁজিবাদে সৃষ্টি কৰা সন্ত্ৰাসবাদী সমাজৰ নিৰ্মমতাৰ কথাও উপন্যাসখনৰ অন্যতম বিশিষ্ট চৰিত্ৰ হৃতিৰামৰ মুখেদি ব্যক্ত কৰি কোৱাইছে,

"এঃ মানুহ চিনি পোৱা নাই হবলা ! এতিয়া মানুহ দেখি সাহস কৰিছ ! কিন্তু আৰু বেছিদিন নাই, মানুহ দেখিলে ভয় কৰা হ'বি। তেতিয়া বাঘৰ ভয়, ভূতৰ ভয় নাথাকিব। মানুহেই ভয়ৰ কাৰণ হ'ব। মানুহৰ পৰা আঁতৰি ফুৰিবলৈ বহা নোপোৱা হ'ব।"

মানুহৰ বিষয়ে এনে ভৱিষ্যৎবাণীৰ মূল কাৰণ হ'ব পাৰে উপন্যাসখন ৰচনা-

কালৰ অসমৰ তথা ভাৰতীয় সমাজত গঢ় লৈ উঠা ৰক্ষণবাদী সামাজিক পৰিৱেশ। ইয়ে কিন্তু ঔপন্যাসিকৰ ভৱিষ্যৎ দ্ৰষ্টাৰূপে প্ৰতিপন্ন নকৰাকৈ থকা নাই। ইও হ'ল আধুনিক ৰচনাৰেই এক বিশিষ্ট নিদৰ্শন।

আধুনিক যুগ যিহেতু বৈজ্ঞানিক যুগ; গতিকে আধুনিক যুগৰ মানুহৰ মানসিকতা যুক্তিৰ অধীন আৰু পক্ষপাত শূন্যও। উপন্যাসখনত নায়কক যুক্তিবাদী আৰু পক্ষপাত শূন্যৰূপে চিত্ৰিত কৰিয়ে এৰা নাই, মতান্ধতা বা অন্ধ সংস্কাৰৰ পৰাও মুক্তৰূপে চিত্ৰিত কৰিবলৈ যত্নপৰ হৈছে।

"পিতাকৰ মৃত্যুৰ দৰে নিদাৰুণ সত্যটোক সি অবিচলিত মনেৰে গ্ৰহণ কৰিছিল। তাৰ সঁচাকৈ কান্দিবৰ বা দুখ কৰিবৰ জোখাৰে কোনো গভীৰ অনুভৱ মনলৈ অহা নাছিল। মৃত্যুৰ সময়ত পিতাকৰ কাষত থকা-নথকাৰ মাজত কিবা পাৰ্থক্য আছিল বুলিও সি নাভাবিলে। শৰাধৰ দিনা সি মূৰো খুৰালে, পিণ্ড দিলে। গাঁৱৰ চৰতইতে ক্ষীণ প্ৰতিবাদ কৰিছিল যদিও ভাল-বেয়া বিচাৰৰ ভাৰ শিক্ষিত ল'ৰা হিচাপে তাৰ ওপৰতে অৰ্পণ কৰিলে। সি বিচাৰ কৰিয়ে সেইবোৰ কৰ্তব্য কৰা নাছিল।"

পিতাকৰ মৃত্যুৰ পিছত নায়কৰ মনত দুখ আৰু বিষাদৰ উদ্ৰেক নোহোৱাকৈ অৱশ্যে থকা নাছিল; কিন্তু অন্য কাৰণতহে:

"সি দুঃখীত হৈছিল, পিতাকৰ মৃত্যুৰ বাবে নহয়, বহুত বিভিন্ন কাৰণতহে। সি চাৰিওপিনে অনুভৱ কৰিছিল এক বিশাল শূন্যতা। এক গভীৰ আৰণ্যক নিৰ্জনতা।"

কাৰণ সামন্তযুগীয়া আৰু পুঁজিবাদী শোষণে নায়কহঁতৰ গাঁওখন উচ্ছন্ন কৰি পেলাইছিল; দাৰিদ্ৰ্য আৰু নিপীড়নৰ হেঁচাত তাৰ অতি মৰমৰ গাঁৱৰ মানুহখিনি জীৱিকা আৰু নতুন আশ্ৰয়ৰ সন্ধানত দশোদিশে আঁতৰি গৈছিল। গাঁওখন যেন পৰি ৰৈছিল এজনী ব্যাধিগ্ৰস্তা বৃদ্ধাৰ দৰেহে। কিন্তু মন কৰিব লগা কথা এয়ে যে এনেবোৰ অনুভূতিও আছিল অপ্ৰকাশ্য, মনৰ প্ৰকোষ্ঠৰ মাজতে আবদ্ধ। নায়ক প্ৰায় সকলো ক্ষণতে আধুনিক মানুহ ৰূপেই অৱতীৰ্ণ হৈ আছে। আনকি সি বহুতৰ মাজত থাকিও সম্পূৰ্ণৰূপে যেন অকলশৰীয়াহে। সি কলেজলৈ পুনৰ পঢ়িবলৈ যোৱা-নোযোৱাকৈ ককায়েকৰ লগত তৰ্ক-বিতৰ্ক চলিব ধৰিছে, আনকি গাঁৱৰ মানুহেও আহি সেই তৰ্ক-বিতৰ্কত অংশগ্ৰহণ কৰিছে। কিন্তু তাৰ মাজেদিয়ে নায়ক মানসিকভাৱে অকলশৰীয়া হৈ পৰি যেন পৰিভ্ৰমণ কৰিব ধৰিলে পূৰ্বপুৰুষ নাগৰইতৰ জীৱন চৰ্যাৰ মাজত,

"তাৰ মনৰ চোতালত কিন্তু ভিৰ কৰি ওলাই আহিল বহুদিন পাহৰি থকা অতীতৰ কিছুমান ছবিৰ মিছিল। সি কেতিয়া অকলশৰীয়া হৈ পৰিছিল তাৰ চেতনাই নাছিল। সি মাথোন অনুভৱ কৰিছিল এক গভীৰ আৰণ্যক নির্জনতা। য'ৰ মাজেদি আহি আছিল সিহঁতৰ উপৰিপুৰুষ সাগৰৰ পিছে পিছে এটা মানুহৰ দল।"

এই প্ৰসংগত স্বাভাৱিকতে ভার্জিনিয়া ওলফৰ নায়িকা মিচেচ ডেল'ৱেৰ নিঃসংগতা আৰু বিচ্ছিন্নতাবোধৰ কথা মনত নপৰাকৈ নাথাকে। মিচেচ ডেল'ৱে অকলশৰীয়া হৈ পৰিছিল তেওঁৰ জন্ম দিনৰ উৎসৱ চলি থকা সময়ত অতিথি-সকলক সেৱা-শুশ্ৰূষা কৰি থকা অৱস্থাতেই। এই উপন্যাসখনতো যেন তাৰ ধ্বনি-প্ৰতিধ্বনিহে অনুৰণিত হৈছে। এই উপন্যাসখনৰ অন্যান্য প্ৰসংগতো এই নিঃসংগ চেতনা বাৰ বাৰ অনুভৱ কৰা যায়। আৰু ইয়ে উপন্যাসখনক চেতনা-স্ৰোত উপন্যাসৰ শাৰীত অন্তর্ভুক্ত কৰিবও বিচাৰে।

উপন্যাসখনত নায়িকা নাই; গতিকে নায়ক-নায়িকাৰ প্ৰেমৰ ছবিৰো স্থান নাই। কিন্তু অৱচেতন মনত যৌন আকাংক্ষাই সৃষ্টি কৰা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ কলাত্মক বর্ণনা হ'লে বহু ঠাইত চিত্ৰিত হৈছে। ফুটুকী আইতা আৰু কঁচু বোলা চেঙেলীয়া যুৱকজনৰ মাজত গঢ় লৈ উঠা অবৈধ যৌন সম্পৰ্কই নায়কক শৈশৱতে কেনেদৰে আলোড়িত কৰিছিল তাৰ অনুভৱ কৰাৰ সূচনা উপন্যাসখনত আছে। দোভাগী নায়কতকৈ বয়সত ডাঙৰ আৰু সম্পৰ্কত বায়েক। তাই দোভাগীয়ে অকলশৰে নির্ভাৱনাৰে গা ধুই থকা ছবি অকৃত্ৰিম মুকলিমূৰীয়া গাঁৱলীয়া জীৱনৰে ছবি। সি চিত্তগ্ৰাহী আৰু ভাবোদ্দীপকো। কিন্তু সিয়ে চেমনীয়া নায়কৰ অৱচেতন মনত তুলিছে যৌন আকাংক্ষাৰ ঢৌ। দোভাগীৰ গাভৰু দেহে বাৰবাৰ নায়কৰ অৱচেতন মনত সৃষ্টি কৰিছে যৌন আকাংক্ষাৰ। আনকি মাছ মাৰি অহা দোভাগীৰ বুকুৰ "মুক্ত হৈ পৰা অংশটো চাবলৈ তাৰ লাজ লাজ লাগিছিল অথচ দৃষ্টিও আঁতৰ কৰি আনিব পৰা নাছিল।" দোভাগীৰ প্ৰতি তাৰ অৱচেতন মনত যৌন আকাংক্ষা ইমান তীব্ৰ হৈ উঠিছিল যে তাই মহেশ্বৰলৈ পলাই যোৱা বাতৰি শুনাৰ লগে লগে সি হতাশাচ্ছন্ন হৈ পৰিছিল। সাধিৰ নৱপৰিণীতা গাভৰু ঘৈণীয়েকৰ সান্নিধ্যয়ো নায়কৰ যৌন আকাংক্ষা উথলাই তুলিছিল। গাঁৱৰ টেমা প্ৰভৃতি যুৱতীহঁতৰ ৰূপ-যৌৱনেও নায়কৰ অৱচেতন মনত তুমুল সংঘাতৰ সৃষ্টি নকৰাকৈ নাছিল। আনকি পঢ়িবলৈ অহা সৰু চহৰখন (নলবাৰী)ত নায়কক গাখীৰ দিবলৈ অহা পাটগাভৰুজনীৰ ৰূপ-যৌৱনেও নায়কৰ চিত্ত-চাঞ্চল্যৰ সৃষ্টি নকৰাকৈ থকা

নাছিল। ক্ৰমে কৈ যোৱাৰ দৰে ঔপন্যাসিক মেদিনী চৌধুৰীৰ মানতো মানুহৰ প্ৰতিটো দৃষ্টিতে যেন যৌন আকাংক্ষা নিহিত হৈ আছে। আধুনিক মানুহৰ ক্ষেত্ৰত ই এক তাণ্ডৱ সত্য। ই আধুনিক আৰু চেতনাস্ৰোত উপন্যাসৰো অন্যতম বিশিষ্ট উপাদান।

আধুনিক সমাজৰ সভ্যতা-সংস্কৃতি, ভেৰ-ভণ্ডামি, যুঁজ-বাগৰ একোৱেই উপন্যাসখনৰ পৰিধিৰ বাজত থকা নাই। আৰু বিশেষ মন কৰিব লগা কথা এয়ে যে সকলো দিশকে সমালোচনাত্মক দৃষ্টিৰেহে বিচাৰ কৰিবলৈ যত্নপৰ হৈছে। বিয়াল্লিছৰ স্বাধীনতা আন্দোলনত চহা জনগণে জপিয়াই পৰি কাৰাবৰণকে ধৰি নানা ৰূপে শাস্তি ভোগ কৰিছে; কিন্তু নেতৃস্থানীয় সকল ফুৰিছে পলাই। ছুতিৰাম পোষ্টমাষ্টৰে তথুনা প্ৰভৃতি চহা জনগণক কাৰাবৰণ কৰিবলৈ উচটাই আছে; কিন্তু নিজে আগবাঢ়ি যোৱাৰ কথা হলে কোনো দিনেই বিবেচনা কৰা নাই। নায়কৰ পিতাক জিৎৰামে গ্ৰেপ্তাৰৰ হাত সাৰি থকাৰ কাৰণে পলাই থকা বুলিও জানি-বলৈ দিছে। মুক্তি সংগ্ৰামীসকলে পুঠিমাৰী আৰু সাপেখাটিত ৰেল বগৰোৱা, সৰভোগত সামৰিক বাহিনীৰ বাহৰ পোৰা, বা সক চহৰথন (নলবাৰী) ত বোমা বিস্ফোৰণ ঘটোৱা আদিৰ সংবাদ সংযোজনেৰে স্বাধীনতা সংগ্ৰামৰ সংগ্ৰামী ৰূপৰ ব্যাপক বিশালতা অনুভৱ কৰিব পৰা হোৱাৰ দৰে আৰক্ষী আৰু সেনা বাহিনীয়ে ৰাইজৰ ওপৰত চলোৱা নিৰ্বিচাৰ অত্যাচাৰ আৰু আনকি হত্যাকাণ্ডৰ ছবিও জীৱন্ত হৈ উঠিছে। দ্বিতীয় মহাসমৰে সৃষ্টি কৰা বিভীষিকাৰ ছবিও স্পষ্ট কৰি তুলিছে, যুদ্ধৰ আশ্ৰয়প্ৰাৰ্থীসকলৰ করুণ ছবি চিত্ৰণেৰে। সেই সময়ত বিদেশী ইংৰাজ চৰকাৰ এনে নিৰ্মম আৰু কঠোৰ হৈ পৰিছিল যে চুলীয়াৰ ভাৰৱীয়াই ব্ৰিটিছ প্ৰধানমন্ত্ৰীক উপলুঙা কৰা কাৰণে চুলীয়াৰ ভাৰৱীয়াই গ্ৰেপ্তাৰ বৰণ কৰিব লগাত পৰিছিল। অৱশ্যে ইয়োৱে যুদ্ধহীন, শোষণ-শাসনহীন মুক্ত আৰু স্বাধীন সমাজ গঢ়ি তোলাৰ অনুকূলে সুগভীৰ চেতনাৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে বুলি অনুভৱ কৰাৰ সুচল অৱশ্যে উপন্যাসখনত নাই। কাৰণ এনে জালেমান কথা সংবাদপত্ৰৰ সংবাদৰ ৰূপতহে যেন পৰিবেশিত হৈছে।

মানুহক সামগ্ৰিকভাৱে সচেতন কৰি তোলাই আধুনিক উপন্যাসৰ অন্যতম লক্ষ্য হোৱা হেতুকে শিক্ষা ব্যৱস্থাৰ ক্ৰটি-বিচ্যুতি, সাম্প্ৰদায়িকতা, ৰক্ষণশীলতা আদি কোনো কথাকেই এই উপন্যাসখনৰ পৰিধিৰ বাজত থাকিব দিব বিচৰা নাই। সৰু চহৰখন (নলবাৰী) ত নাম গোৱা ভকতৰ মাজতো জাত বিচাৰ, নায়ক তথাকথিত নিম্নজাত ভুক্ত লোক হোৱা হেতুকে আনকি হৰিনামত অন্যান্য সকলৰ

ৰবে নামৰ প্ৰসাদ গ্ৰহণ কৰাতো বাধা। স্কুলৰ সৰস্বতী পূজাত অন্যান্য ছাত্ৰৰ লগত একেলগে বহি ভোজন কৰাত আনকি বাধা আৰোপ কৰিছে বৰং 'প্ৰভাত-চাৰে'। এনেবোৰ সামন্তযুগীয় সামাজিক প্ৰতিবন্ধকতাই যে আধুনিক সমাজ গঢ়াত হেঙাৰৰ সৃষ্টি কৰিছে, তাক উপলব্ধি কৰোৱাই যেন এইক্ষেত্ৰত ঔপন্যাসিকৰ মুখ্য লক্ষ্য। গুৱাহাটীৰ কটন কলেজৰ শিক্ষক বিশেষক আকৌ চিত্ৰিত কৰিছে ক্ষেমপুৰীয়া সামন্তপ্ৰভুৰ ৰূপত। সেই অংশ শিক্ষক যেন সাধাৰণভাৱে সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি, আৰু বিশেষভাৱে, তথাকথিত এই নীচকুলীয়া ছাত্ৰ-ছাত্ৰী-সকলৰ প্ৰতি উদাসীন।

ধাৰাবাহিকতা সাধাৰণতে আধুনিক বা চেতনাস্ৰোত উপন্যাসত আশা কৰা নাযায়; নানা স্তৰৰ বিচ্ছিন্ন বা বিক্ষিপ্ত চেতনাৰ অনুভূতিয়েহে ইয়াত স্থান পায়। এই উপন্যাসখনো এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। কিন্তু তথাপি ইয়াত নায়কৰ জীৱনৰ এছোৱাকাল বৰ্ণিত হোৱা কাৰণে, একপ্ৰকাৰৰ ধাৰাবাহিকতাই ঠাই নোপোৱাকৈ থকা নাই; যদিও মূলতঃ সি উপন্যাসখনৰ লক্ষ্য নহয়। লেখকে কিন্তু উপলব্ধি কৰাব বিচাৰিছে যে সুসংহত আৰু আন্তৰিকতাহীন চিন্তাই হ'ল আধুনিক জীৱনৰ অশান্তিৰ অন্যতম কাৰণ। সাম্প্ৰদায়িকতা বা জাত-কুলৰ ব্যৱধান যে আধুনিক সমাজৰ কাৰণে এক মহাব্যাধি আৰু সেই ব্যাধি যে অজ্ঞানতা প্ৰসূত, অবৈজ্ঞানিক, তাকো উপলব্ধি কৰাবলৈ কলাসন্মত ভাবেই যত্নপৰ হোৱা দেখা যায়। অৱশ্যে অৱচেতন মনৰ যৌন আকাংক্ষা বা যৌন অনুভূতিৰ কাৰণে অপৰাধবোধৰ সৃষ্টি কৰাৰ আৱশ্যকতাও ঔপন্যাসিকে অনুভৱ কৰা নাই। উপন্যাসখনৰ আন এটা বিশেষ আকৰ্ষণৰ কথা উল্লেখ কৰি অহা হৈছে যে সামৰণিত কাহিনীৰ আয়তনৰ হ্ৰাস হোৱা নাই। বৰং কাহিনীয়ে প্ৰসাৰতাহে লাভ কৰিছে। সিমানেই নহয়, নায়কৰ উদ্দীপ্ত চেতনাই পঢ়ুৱৈ সমাজকো অনুপ্ৰাণিত নকৰাকৈ নাথাকে। ইও চেতনাস্ৰোত উপন্যাসৰেই অন্যতম বিশিষ্ট লক্ষণ।

এনেদৰে নানা দিশৰ পৰা বিচাৰ কৰিলে 'তাত নদী নাছিল'খনক এখন চেতনাস্ৰোত উপন্যাসৰ লক্ষণযুক্ত আধুনিক উপন্যাসৰূপে অভিহিত নকৰি নোৱাৰি। এটা বিশেষ অঞ্চলৰ ভিত্তিভূমিক কেন্দ্ৰ কৰি ৰচনা কৰা সত্বেও, এই উপন্যাসখনে সফলভাৱে ৰূপায়িত কৰিব পাৰিছে যেন আধুনিক যুগ-মানসক। *

* সূত্ৰধাৰৰ ১৯৯৫ চনৰ ১৬—৩০ জুন সংখ্যাত প্ৰকাশিত

# লোকনাট্যৰ স্বৰূপ
# নলবাৰী জিলা অঞ্চলৰ লোকনাট্যৰ আধাৰত

লোকনাট্য লোকসাহিত্যৰ অন্যতম বিশিষ্ট অংগ। লোকনাট্যৰো স্রষ্টা আৰু সৃষ্টিৰ কাল অজ্ঞেয় আৰু সেই কাৰণে লোকনাট্যকো লোকসমাজৰ সমূহীয়া সৃষ্টিৰূপে পৰিগণিত কৰা হয়। নৃত্য, গীত, মুদ্ৰা আৰু সংলাপ সংযুক্ত লোক সাহিত্য মানকে বোলা হয় লোকনাট্য; এইবোৰৰ কোনোবাটো উপাদান ঘাটি থাকিলে বোলা হয় অৰ্ধনাট্য অনুষ্ঠান। যেনে পুতলা, ওজাপালি, ঢুলীয়া, মাৰৈ পূজাৰ গীত, বাঁশী পুৰাণ গান, ভাসান যাত্ৰা, কাতি পূজাৰ গীত, চড়ক পূজাৰ গীত, হুচুম পূজাৰ গীত, সোমাৰায় পূজাৰ গীত, মদন কামৰ গীত, জয়ঢুলীয়াৰ গীত, নাগাৰা নাম প্ৰভৃতি নাট্য অনুষ্ঠানক পূৰ্ণাংগ লোকনাট্য অনুষ্ঠান ৰূপে পৰিগণিত কৰা হয়। তেনেকৈ কুশান, ধাৰাতাল, সত্যপীৰ, তাওগান, খাৰা-পুৰাণ বা ভাৰীগান, ময়ানখৰী, মনাইযাত্ৰা, ময়নামতী, আয়নামতী, গোৱালনী যাত্ৰা, ভুলুমযাত্ৰা, কালুকাজী, শ্বেতপৰী, চাৰিযুগী, পালাগান বা দোতৰা গান আদি নাট্য গুণ বিশিষ্ট অনুষ্ঠানবোৰক বোলা হয় অৰ্ধনাটকীয় অনুষ্ঠান। পচতি অনুষ্ঠানতো লোকনাট্যৰ উপাদান নিহিত হৈ আছে। আনকি বিহুনৃত্যত যুৱক-যুৱতীসকলে যেতিয়া সংলাপধৰ্মী গীতৰ মাধ্যমত কথা কটাকটি কৰে তেতিয়া সি অৰ্ধনাটকীয় ৰূপ লাভ কৰে। বড়োসকলৰ মাজত প্ৰচলিত ভিনিহিয়েক বা খুলশালীয়েকৰ বা জোঁৱায়েক-শাহুয়েকৰ মাজত হোৱা কথা কটাকটি কৰা বিহুগীতকো অৰ্ধনাটকীয় অনুষ্ঠান নুবুলি নোৱাৰি। বড়ো সকলৰ খেৰাই, মিচিং সকলৰ পৰবাগ বা নৰাছিগা বিহু, কাৰবি সকলৰ চমাংকান নৃত্য-গীত, ৰাভা সকলৰ ফাৰ্কান্তি বা ভুকুৰীয়া নৃত্য-গীত আদিকো লোকনাট্য অনুষ্ঠান নুবুলি নোৱাৰি। বিচাৰ কৰিলে দেখা যাব যে অকল অসমতে লোক সমাজৰ মাজত নানা তৰহৰ লোকনাট্য অনুষ্ঠান গঢ় লৈ উঠিছিল আৰু সিবোৰৰ বহু অনুষ্ঠান আজিও প্ৰচলিত হৈ আহি আছে।

**লোকনাট্যৰ উৎপত্তি :**

সূক্ষ্মভাৱে বিচাৰ কৰিলে অনুভৱ হয় যে প্ৰবল সফলতাৰ কামনাই আছিল লোকনাট্যৰ উৎপত্তিৰ মূল প্ৰেৰণা। আদিতে মানুহৰ মুখত মাত ফুটা নাছিল; দেহৰ বিভিন্ন ভংগি বা মুদ্ৰাৰ সহায়ত মনৰ ভাব প্ৰকাশ কৰিছিল। সেই আদিম যুগতে প্ৰবল সফলতাৰ কামনাত মানুহে উদ্বুদ্ধ কৰিছিল নাচৰ। সেই আদিম বনবাসী মানুহৰ মানত আটাইতকৈ আৱশ্যকীয় সম্পদ আছিল শস্য বা খাদ্য আৰু সন্তান। সুধীৰা জয়ন্তবালে মগ্‌বেৰৰ সহায়ত বিচাৰ কৰি দেখুৱাইছে যে আনকি বেদৰ দিনতো খাদ্য বা আহাৰ্য সংগ্ৰহেই আছিল মানুহৰ সৰ্বপ্ৰধান কাম।[১] সেই আদিম বিপদ সংকুল জীৱনত প্ৰতিকূলতাক জয় কৰি অনুকূলতাৰ সৃষ্টি কৰাৰ আকাংক্ষাৰে নৃত্যযুক্ত বিভিন্ন ভংগিৰ মাজেদি প্ৰকাশ কৰিছিল মনৰ আকুতি।[২] অনুভূতি প্ৰকাশক মুদ্ৰা বা ভংগিযুক্ত আদিম মানুহৰ সেই নৃত্যকে বুলিব পাৰি আদিম নাট্য অনুষ্ঠান। আদিম মানুহৰ সেই মৌন বা মূক অভিনয়ৰ নিদৰ্শন আজিও নাটকৰ অভিনয়ৰ মাজেদি পৰিলক্ষিত। আজিৰ নাটক মূলতঃ চিন্তা প্ৰধান নাটক আৰু চিন্তাৰ বিকাশ ঘটে মুদ্ৰা বা ভংগিৰ মাজেদিও। আদিম মানুহৰ যাদুযুক্ত সেই নৃত্যও আছিল চিন্তা-প্ৰধানেই। গভীৰ ভাৱে চিন্তা নকৰিলে, সেই নৃত্যৰ মাজেদি প্ৰকাশিত ভাৱ-অনুভূতিৰ লগত পৰিচিত হোৱা সম্ভৱপৰ নহয়। গতিকে নাটকৰ উৎপত্তিৰ মূল যাদুহে, বহুতে ভবাৰ দৰে ধৰ্ম নহয়। সমাজ বিজ্ঞানী সকলৰ অভিজ্ঞতা জনিত স্পষ্ট ধাৰণা যে ধৰ্মৰ উৎপত্তি হৈছে যাদুৰ পৰাহে। সেথ প্ৰিংগল পটিছনে 'ধৰ্মৰ দৰ্শনৰ বিষয়ে অধ্যয়ন' গ্ৰন্থত কঁহিয়াই দেখুৱাইছে যে মানুহৰ মাত ফুটাৰ পিছত যেতিয়া দেখিলে যে নৃত্যযুক্ত যাদুৱে সুফল নিদিয়াত পৰিছে, তেতিয়া সৃষ্টি কৰিছিল মন্ত্ৰৰ। মন্ত্ৰক কোৱা হয় যাদুৰ বাহন। কালক্ৰমত যেতিয়া মন্ত্ৰয়ো সুফল নিদিয়াত পৰিল, তেতিয়া বিচৰা হ'ল মন্ত্ৰবিশেষজ্ঞ। এই মন্ত্ৰবিশেষজ্ঞকে কোৱা হৈছে পুৰোহিত। তেঁৱেই পোনপ্ৰথম শ্ৰেণীপ্ৰভু। ধৰ্মৰ প্ৰৱৰ্তক পুৰুষো তেঁৱেই। তেওঁ নিজক অলৌকিক মাহাত্ম্য সম্পন্ন দৈৱী পুৰুষ ৰূপে প্ৰতিপন্ন কৰিলে। তেওঁ যেন নিজেই দেৱতা বা দেৱতাৰ প্ৰতিনিধি। তেওঁক তুষ্ট কৰিলেই দেৱতা ঈশ্বৰ ভগৱানো তুষ্ট হয়। ধৰ্মৰ মূলত এনে ধাৰণা বা বিশ্বাসো নিহিত আছে যে এই বিশ্বচৰাচৰ এক অতিপ্ৰাকৃত পৰম শক্তিৰ নিৰ্দেশ বা ইচ্ছা অনুসৰি সৃষ্ট আৰু পৰিচালিত হয়। এই পৰম শক্তিক পূজা-সকাল, বলি-বিধান বা প্ৰাৰ্থনা আদিৰে তুষ্ট কৰিব পাৰিলে অভীষ্ট বা

কামনা-বাসনা সিদ্ধ হয় । ধৰ্ম বুলিলে যাইকৈ অনুভৱ হয় সেই পৰম শক্তিত বিশ্বাসৰ কথা আৰু সেই পৰম শক্তিক তুষ্ট কৰাৰ কথা ।[৩] যাদুই ধৰ্ম নহয়, পাৰ্থক্য আছে । ধৰ্মৰ লগত জৰিত আছে আত্ম বিসৰ্জনৰ ধাৰণা, কিন্তু যাদু-মন্ত্ৰৰ লগত নিহিত আছে আত্ম প্ৰতিষ্ঠাৰ ধাৰণা । আদিম মানুহে প্ৰকৃতি আৰু পৰিৱেশৰ ওপৰত নিজক প্ৰতিষ্ঠা কৰিবহে বিচাৰিছিল । আজিও 'হুহংকাৰ, চাৰি বা লংকাৰ সিপাৰ, নাহিবি মোৰ ৰোগীৰ সীমা সকাৰ' বুলি মন্ত্ৰ মাতি ওজাই প্ৰতিকূলতাৰ ওপৰত আত্মপ্ৰতিষ্ঠাৰ দৃঢ়তা প্ৰকাশ নকৰাকৈ নাথাকে । কিন্তু স্বীকাৰ নকৰি উপায় নাই যে সম্প্ৰতি মন্ত্ৰকে ধৰি বিভিন্ন কলা-কৃতি ধৰ্মীয় প্ৰভাৱৰ পৰা মুক্ত থাকিব পৰা নাই ; বহু মন্ত্ৰই হৈ পৰিছে দেৱ-দেৱী বা পৰম শক্তিক তুষ্ট কৰা প্ৰাৰ্থনা ।

অৱশ্যে ভৰত মুনিৰ নাট্যশাস্ত্ৰত স্বয়ং ব্ৰহ্মাৰ পৰা নাট্য কলাৰো উৎপত্তি বুলি কোৱাৰ দৰে পুতলা নাচ, ঢুলীয়াৰ ভাওঁ, খুলীয়াৰ ভাওঁ প্ৰভৃতিৰো গুৰু-ঘঁাতত ব্ৰহ্মাৰ পৰায়ে ইবোৰৰো সৃষ্টি বুলি বৰ্ণোৱা হয় । ভাৰতীয় ব্ৰাহ্মণ্যবাদী সংস্কৃতি অনুসৰি ভাৰতীয় সমাজ, সভ্যতা আৰু সংস্কৃতি জগতত ব্ৰহ্মাৰ স্থান অতি গুৰুত্বপূৰ্ণ । বেদাদি গ্ৰন্থত কিন্তু আদিতে ব্ৰহ্মাত অলৌকিকত্ব আৰোপ কৰা নাছিল ; ঘৰৰ গৃহপতি বা গৃহস্থৰ দৰে আদি বৈদিক যুগত গণগোষ্ঠী সমাজৰ নেতা জনক বোলা হৈছিল 'ব্ৰহ্মা' সেই ক্ষুদ্ৰ গণগোষ্ঠী সমাজখনক বুলিছিল 'ব্ৰহ্ম' ( সমগ্ৰ বা সমূহ ) । ব্ৰহ্মাৰ নিৰ্দেশত হে ব্ৰহ্ম পৰিচালিত হৈছিল ।[৫] এই সত্যৰ আভাস অনুভৱ কৰা যায় বৰ্তমানেও অনুষ্ঠিত যজ্ঞ অনুষ্ঠানৰ মাজেদি । তাত এজন ব্ৰহ্মা নিৰ্বাচিত হয় আৰু সেই ব্ৰহ্মাই পৰিচালনা কৰে যজ্ঞ অনুষ্ঠান । বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰোঁতেও ব্ৰহ্মাৰ অনুমোদন বিনে ৰামায়ণ ৰচনা কাৰ্যত হাত দিয়া নাছিল ।[৬] সময়ত জীৱন আৰু সমাজৰ সকলো ক্ষেত্ৰতে পৰম শক্তিৰ পৰম কৰুণা বা দয়াৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰাৰ দৰে জ্ঞান-গুণ, কলা-সংস্কৃতিৰে সমগ্ৰ বিশ্ব জগতকেই ব্ৰহ্মাৰ সৃষ্টি ৰূপেও পৰিগণিত কৰা হ'ল । গতিকে বাস্তৱতাৰ অৱলম্বনত বিচাৰ কৰিবলৈ অভ্যস্ত হলে অনুভৱ কৰিব পৰা যাব যে ব্ৰহ্মাৰ পৰা উৎপত্তি বা উদ্ভৱ বুলি কলেই কলাকৃতি বা আন যিকোনো কৃতিক ধৰ্মৰ পৰা উদ্ভৱ বা উৎপত্তি বুলি ঠাৱৰোৱাৰ যুক্তি তেনেই ক্ষীণ ।

**লোকনাট্যৰ আদৰ্শ :**

ভাৰতীয় লোকনাট্য বিচাৰৰ অন্যতম বিশিষ্ট পথ প্ৰদৰ্শক জে, চি, মথুৰে ভৰাৰ

দৰে সাধাৰণ আনন্দ বিনোদনেই কেৱল লোকনাট্যৰ প্ৰকৃততে আদৰ্শ নহয়। ৭ অৱশ্যে তেওঁ ভবাৰ দৰে লোকনাট্যৰ মাজেদি লোকসমাজৰ স্বৰূপ ৰূপায়িত হৈ হয় সি সঁচা কথা। সম্প্ৰতি যিবোৰ লোকনাট্য অনুষ্ঠানৰ প্ৰচলন আছে সেই-বোৰলৈ লক্ষ্য কৰিলে দেখা যায় যেন ভৰত মুনিৰ নাট্য শাস্ত্ৰত উল্লেখ থকাৰ দৰে লোকনাট্যয়ো অধাৰ্মিকক কৰে ধাৰ্মিক, কামাসক্ত জনক দিয়ে কামৰ তুষ্টি, উদ্ধত জনক কৰে শাসন, দুৰ্বিনীত জনক কৰে সংযত, নিস্তেজ জনক দিয়ে তেজ বা সাহস, বীৰ আৰু মানীজনক দিয়ে উৎসাহ, মূৰ্খক দিয়ে জ্ঞান আৰু পণ্ডিত জনক দিয়ে প্ৰজ্ঞা। ৮ সাধাৰণতে লোকসমাজ হাস্য মুখৰ ; জীৱনৰ নানা ঘাত-প্ৰতিঘাত, অপমান-অৱহেলা, শোষণ-নিপীড়ন বা উত্থান-পতনকো নেওচি সেই সকলোবোৰকে অতি সৰল-সহজ ভাবে গ্ৰহণ কৰাৰ মানসিকতা আয়ত্ত কৰিবলৈ লোকসমাজ সমৰ্থ হোৱা হেতুকেই লোকসমাজ হাস্যমুখৰ আৰু লোকনাট্য লোক সমাজৰ অভিব্যক্তি হোৱাহেতুকে সিবোৰ হয় সাধাৰণতে হাস্যৰস প্ৰধান। মহাপ্ৰকৃতিৰ দৰেই লোক সমাজো অকৃত্ৰিম-স্বাভাৱিক, লুকাবলৈ তেওঁলোকৰ একোৱেই নাই। লোকনাট্যৰ মাজেদি সেই অকৃত্ৰিম জীৱন ৰূপায়িত হয় কাৰণে শ্ৰেণীপ্ৰভু আৰু একাংশ বিশিষ্ট নাগৰিক পণ্ডিত-সুজনৰ মানত লোকনাট্য এসময়ত হয়তো অশ্লীল বা অমাৰ্জিত ৰূপেও বিবেচিত হৈছিল। এনে ধাৰণা কিন্তু সমৰ্থন যোগ্য নহয়, কাৰণ যৌনাংগকে ধৰি নানা নগ্ন কথাৰ উল্লেখ থাকিলেও সি অসভ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয় আৰু বিশেষতঃ তেনে নগ্নতা বা অশ্লীলতাৰ লক্ষ্য হ'ল বহুজনৰ হিত আৰু বহুজনৰ কল্যাণ সাধন হে। সমকালীন পৃথিৱীয়ে ক্ৰয়ডিয়ান মনস্তত্ত্ব বা লিবিডোতত্ত্বক যেনেকৈ অশ্লীল বা নগ্ন ৰূপে প্ৰতিপন্ন কৰিবলৈ এৰিছে, লোকসমাজে কোনোবা কাহানিয়েই যৌনতত্ত্ব বা যৌনাংগ বিষয়ক শব্দৰ উল্লেখক অশালীন বুলি বিবেচনা কৰিবলৈ ইচ্ছা কৰা নাছিল। সভ্য-ভদ্ৰৰূপে বিবেচিত আৰু সন্মানিত একাংশ লোকৰ দৰে মাৰ্জিত সাজপাৰৰ মাজেদি অন্তৰত অমাৰ্জিত ৰূপটো পোষণ কৰি নাথাকে কাৰণেই লোক সমাজ হে সমাজ আৰু নৃবিজ্ঞানীৰ দৃষ্টিত সুসংস্কৃত। লোকনাট্যৰ বিচাৰৰ ক্ষেত্ৰত আন এটা বিশেষ মনকৰিব-লগীয়া কথা এয়ে যে হুদুমপূজাৰ গীত আদি কেৱল সম্পূৰ্ণ নগ্নবেশতেই যে গোৱা হয় তেনে নহয়, সেই গীতত যৌনাংগৰো বহুল ভাবে উল্লেখ থাকে ; কিন্তু সিবোৰ যাদুকৰী অৰ্থত হে প্ৰয়োগ হয়। সমগ্ৰ পৃথিৱী ব্যাপীয়ে তেনে যাদু-কৰী লোকনৃত্যৰ প্ৰচলন আছিল, আজিও আছে। ড° অভয় কুমাৰ চক্ৰৱৰ্তীয়ে সঠিক ভাবেই অনুভৱ কৰিব পাৰিছে যে হুদুম পূজাৰ গীতৰ উদ্দেশ্যই হৈছে বৰ্ষণ

আৰু প্ৰজনন'[৯] অৰ্থাৎ শস্য (খাদ্য) আৰু সন্তান লাভ।

অৱশ্যে মুক্তিকে ধৰি বিশিষ্ট আলংকাৰিকৰ বিচাৰ অনুসৰি পূৰ্ণাংগ নাগৰিক নাটক মানৱে উদ্দেশ্য হ'ল সহৃদয় সামাজিকক ৰসোপলব্ধি কৰোৱা। লোক-নাট্যই কিন্তু চিৰদিন লোক সমাজক সহৃদয় সামাজিক ৰূপে গঢ়ি তোলাৰ ওপৰত হে গুৰুত্ব আৰোপ কৰি আহিছে। এই ক্ষেত্ৰত বিশেষ মন কৰিব লগা কথা এয়ে যে সমকালীন পৃথিৱীৰ বিশিষ্ট প্ৰগতিবাদী নাট্যকাৰ সকলেও নাট্য সাহিত্যৰ মাজেদি সামাজিকক জ্ঞানী আৰু চিন্তাশীল ৰূপেহে গঢ়ি তুলিব বিচাৰে অৰ্থাৎ সামাজিকক সহৃদয় ৰূপে গঢ়ি তোলাই যেন আধুনিক নাটকৰো লক্ষ্য। এপিক বা মহাকাব্যিক-নাটকৰ প্ৰৱৰ্ত্তক বিশিষ্ট জাৰ্মান নাট্যকাৰ বাৰ্টোল্ট ব্ৰেখটৰ মতে লোক সমাজৰ ভাষাত কোৱা, লেখা, লোক সমাজক বিশিষ্ট ৰূপে গঢ়ি তোলাই সমকালীন নাট্যকাৰ বা সাহিত্যিকৰ জৰুৰী কৰ্ত্তব্য ৰূপে বিবেচিত।[১০]

লোকনাট্যৰ নাট্যকাৰ সকল সাধাৰণতে সাহসী আৰু লক্ষ্যত অটল। পূৰ্ণাংগ নাগৰিক নাটকৰ একাংশ নাট্যকাৰ কিন্তু এই ক্ষেত্ৰতো সুবিধাবাদীৰ ভূমিকাত হে প্ৰতিষ্ঠিত। তেওঁলোকৰ সৰহ সংখ্যকেই 'যি ৰজা, তাৰেই প্ৰজা' মনোবৃত্তি সম্পন্ন। শাসক শ্ৰেণীৰ অন্যায়-অনাচাৰৰ বিৰুদ্ধে মাত মতাৰ সাহস নাগৰিক নাট্যকাৰ সকলৰ বহুতৰেই নাই। কিন্তু লোকনাট্যৰ পুতলা, ওজাপালি, চুলীয়া প্ৰভৃতি অনুষ্ঠানে প্ৰত্যক্ষ ভাৱে বিদেশী ইংৰাজ শাসনৰ বিৰোধিতা কৰি দেশপ্ৰেমৰ পৰিবেশ সৃষ্টিত গুৰুত্ব দিছিল। দেশ স্বাধীন হোৱাৰ পিছতো চৰকাৰ পক্ষ আৰু বিৰোধীপক্ষৰ অৱতাৰণা কৰি চৰকাৰী অপশাসনক কঠোৰ ভাৱে সমালোচনা কৰিবলৈ দ্বিধাবোধ কৰা নাছিল। সিমানেই নহয়, পুতলাৰ ভাৱৰীয়া চৰিত্ৰই নাচ নচুৱাবলৈ আমন্ত্ৰণ কৰি অন্য গৃহস্থ ঘৰৰ দোষ-ত্ৰুটিও হাস্য-ব্যংগৰ সহায়ত থুকুচি সমালোচনা নকৰাকৈ নাথাকে। এইলোকনাট্য অনুষ্ঠান সমূহ যেন সমাজৰ জাগ্ৰত প্ৰহৰীহে, সাংবাদিকে নিতৌ ন ন সংবাদ পৰিবেশন কৰি সামাজিকক সমাজ-সচেতন ৰূপে গঢ়ি তুলিব বিচৰাৰ দৰে লোকনাট্য অনুষ্ঠান বোৰেও সামাজিকক নিত্য নতুন চেতনাৰে সজাগ কৰি তুলিব বিচাৰে। লোকনাট্য অনুষ্ঠানবোৰক প্ৰকৃত অৰ্থতে ত্ৰিমাত্ৰিক নাট্য অনুষ্ঠানো বুলিব পাৰি; ইবোৰে বাস্তৱৰ ভেটিত থিয় দি অতীতকো সমালোচনা কৰে আৰু ভৱিষ্যতৰ বুকুলৈও আগবাঢ়ে। আন এটা বিশেষ আকৰ্ষণীয় কথা এয়ে যে লোকনাট্যৰ কোনো লিখিত ৰূপ নথকা কাৰণে বিবৰ্ত্তমান সমাজ-সভ্যতাৰ লগত নিজক খাপ খুৱাই ল'ব পাৰে। আৰু সেই কাৰণেও লোকনাট্যক প্ৰগতিশীল বুলিব পাৰি।

লোক প্ৰকাশৰ স্ফূৰ্তি, আনন্দ আৰু সজাগ-সচেতনতাই লোকনাট্যৰ লক্ষ্য হোৱাহেতুকে ওজাপালিৰ দৰে অনুষ্ঠানে পদ-ভাওনিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। পুতলা, ঢুলীয়া আদি অনুষ্ঠানৰ ভাৱৰীয়াই কেৱল হুহুৱাই নেৰে, অভিনয়ৰ বক্তব্যও সামাজিকে সুস্পষ্ট ভাৱে উপলব্ধি কৰাত সহায় কৰে। ভাৱৰীয়াৰ হাঁহি অসাৰ্থক নহয়, প্ৰায়েই ব্যংগাত্মক হাঁহি। লোকনাট্য অনুষ্ঠানৰ ভাৱৰীয়াই তীব্ৰ ভাৱে অনুভৱ কৰে যে সভ্য-ভদ্ৰ সমাজৰ একাংশই লোক সমাজৰ অকৃত্ৰিম, মুকলি-মূৰীয়া ভংভঙীয়া কপটোক ঘৃণা আৰু তুচ্ছ-তাচ্ছিল্য কৰে। সেই অংশ সভ্য-ভব্যৰ এনে হীনমন্যতাক ব্যংগ-বিদ্ৰূপ কৰাও লোক নাট্যৰ অন্যতম লক্ষ্য। তদুপৰি জীৱন জিজ্ঞাসাৰ পৰাই লোকনাট্যৰ ভাৱৰীয়া সকলে জানে যে হাঁহিয়েই স্বাস্থ্য। আৰু সেই কাৰণেও লোকনাট্য অনুষ্ঠানে সময়ে সময়ে অৰ্থহীন হাঁহিৰে হুহুৱাই পেটুনাডী ছিঙিব নিবিচৰাও নহয়।

সাধাৰণতে সামগ্ৰিক ভাৱেই লোক সমাজ আখৰিক শিক্ষা বিহীন, বা দুই-চাৰিজনহে হয়তো আখৰিক শিক্ষা সম্পন্ন। সম্প্ৰতি আখৰিক শিক্ষা সম্পন্ন লোকৰ সংখ্যা বাঢ়িছে। কিন্তু দাৰিদ্ৰ্য, শোষণ, নিপীড়ন, অপমান, অৱহেলাই বহু আখৰীকো কৰি তুলিছে অনাখৰী। জীৱনৰ ঘাত-প্ৰতিঘাত আৰু অপমান অৱহেলাই লোক সমাজৰ একাংশক ঠেলি নি আছে বৰ্বৰতাৰ মাজলৈ। পৰম্পৰাগত আৰু শ্ৰেণীসমাজ প্ৰবৰ্তিত কুসংস্কাৰ আৰু মতান্ধতাই লোক সমাজৰ এই অংশৰ চিত্ত ঢাকি ধৰি আছে। অৱশ্যে জীৱনৰ অভিজ্ঞতায়ে লোক সমাজৰ আন একাংশক কৰি তুলিছে প্ৰবুদ্ধও। সেই প্ৰবুদ্ধ অংশয়ে ভাও লয় লোকনাট্যত আৰু নানা ভাও-ভংগিৰ অৱতাৰণা কৰি লোক সমাজক সংস্কাৰ মুক্ত কৰাৰ লগতে আত্ম আৰু সমাজ সচেতন কৰি তুলিবও বিচাৰে। ভূতৰ ভয়, স্পৃশ্য-অস্পৃশ্য, জাতি-বৰ্ণৰ বিভেদ, দৈৱবাদ আদি যে মানুহৰ বিকাশৰ পথৰ প্ৰধান অন্তৰায় তাক লোকনাট্যৰ ভাৱৰীয়া সকলে অনুভৱ কৰে। হাস্য-ৰহস্যৰ অৱতাৰণা কৰি ঐক্য-সংহতিৰ ভেটিত এখন স্পন্দনপূৰ্ণ সমাজ গঢ়ি তোলা লোকনাট্যৰ যাই লক্ষ্য।

মুঠতে লোকনাট্যৰ স্ৰষ্টাও লোক সমাজ, বিষয় বস্তুও লোক সমাজৰ পৰা গৃহীত, অভিনয়ত অংশ গ্ৰহণো কৰে লোক শিল্পীয়েই আৰু লোকনাট্যৰ লক্ষ্যও হ'ল আনন্দ-বিনোদনৰ মাজেদি লোক সমাজক জাগ্ৰত আৰু প্ৰবুদ্ধ বিশ্বমানৱতাৰ আদৰ্শেৰে অনুপ্ৰাণিত কৰা।

**নলবাৰী জিলা অঞ্চলৰ কেইটামান লোকনাট্য অনুষ্ঠানৰ স্বৰূপ :**

সম্প্ৰতি সমগ্ৰ বিশ্বব্যাপী তেজৰ তাৰ নোহোৱা মানুহ বিচাৰি পাবলৈ যেনেকৈ টান, তাৰ নোহোৱা কলা-সংস্কৃতিও তেনেকৈ পাবলৈ টান। আবহমান কালৰ পৰা ঘটি অহা মানৱজাতিৰ মহাপ্ৰব্ৰজন আৰু তাৰ ফলশ্ৰুতিত ঘটা মিলন-মিশ্ৰণ, সমন্বয়-সমাহৰণৰ ফলত আজি সমগ্ৰ মানৱজাতিও তেওঁলোকৰ কলা-কৃষ্টি-সংস্কৃতি আদিৰ সৈতে বৰ্ণসংকৰত পৰিণত হৈছে। লোকনাট্যৰ ক্ষেত্ৰতো ই সমানেই সত্য। নলবাৰী জিলা অঞ্চলৰ জনপ্ৰিয় লোকনাট্য অনুষ্ঠান পুতলা, চ্লীয়া, ওজা-পালিলৈ লক্ষ্য কৰিলেও দেখা যায় যে ইবোৰ প্ৰকৃততে আন্তৰ্জাতিক লোক নাট্য অনুষ্ঠান হে ; কেৱল ঠাই বা অঞ্চল ভেদে প্ৰকাশৰ মাধ্যম ভাষা ভিন্ন ভিন্ন বা কলা-কৌশলৰ ক্ষেত্ৰত সামান্য তাৰতম্য পৰিলক্ষিত ; ভাৱাদৰ্শ প্ৰায় অভিন্ন। কেৱল লোকনাট্য বুলিয়েই নহয়, সামগ্ৰিক ভাবে লোক-সাহিত্যৰ ক্ষেত্ৰতেই ই সত্য। গতিকে লোক নাট্যৰ কোনো অনুষ্ঠানকে কোনো এক অঞ্চলৰ বা দেশ বা ৰাজ্যৰ বৈশিষ্টপূৰ্ণ সৃষ্টি বুলি কোৱা টান। অৱশ্যে এটা বিশেষ মন কৰিব লগা কথা এয়ে যে বিশেষ বিশেষ জনগোষ্ঠীৰ মাজত বিশেষ বিশেষ লোকনাট্য অনুষ্ঠানৰ বিশেষ জনপ্ৰিয়তা পৰিলক্ষিত হয়। অবিভক্ত কামৰূপ, অবিভক্ত গোৱালপাৰা আৰু বৰ্তমানৰ দৰং জিলা অঞ্চল প্ৰাচীন কোঁচ-কমতা ৰাজ্যৰ অন্তৰ্ভুক্ত ; এই অঞ্চল কোঁচ, ৰাজবংশী আৰু বড়ো-ৰাভা জনজাতি অধ্যুষিত। এই সমগ্ৰ অঞ্চলটোত পুতলা, চুলীয়া, ওজাপালি, খেৰাই আদি লোকনাট্য অনুষ্ঠান যিমান জনপ্ৰিয় ; উজনি অসমত এইবোৰ লোকনাট্য সিমান জনপ্ৰিয় নহয় ; উজনি অসমত জনপ্ৰিয় অনুষ্ঠান বিহুহে। দৰং, অবিভক্ত কামৰূপ আৰু অবিভক্ত গোৱালপাৰা একে ৰাজনৈতিক শাসন আৰু সাংস্কৃতিক অঞ্চল ভুক্ত হোৱা সত্ত্বেও সম্ভৱতঃ ১৭ শ শতিকাৰ তৃতীয় দশক মানৰ পৰা ১৯ শ শতিকালৈ প্ৰায় দুশবছৰ ক্ৰমে মোগল আৰু ইংৰাজৰ অধীনত অসমৰ পৰা বিচ্ছিন্ন হৈ থাকিব লগা হেতুকে গোৱালপাৰাৰ লোকনাট্যকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান সমূহে এটা বৈশিষ্ট্যপূৰ্ণ স্বকীয়া ৰূপ লাভ কৰিছিল যেনো অনুমান হয়। আৰু সম্ভৱতঃ সেই কাৰণেই গোৱালপাৰা অঞ্চলৰ জনপ্ৰিয় লোকনাট্য অনুষ্ঠান মাৰৈ পূজাৰ গীত, ৰাণী পুৰাণৰ গান, ভাসান যাত্ৰা, কাতিপূজাৰ গীত, চড়কপূজাৰ গীত, হুদুম পূজাৰ গীত, সোণাৰায় পূজাৰ গীত, প্ৰভৃতিৰ অবিকৃত প্ৰচলন বা সমাদৰ কামৰূপ বা দৰং অঞ্চলত সাধাৰণতে পৰিলক্ষিত নহয়। কিন্তু বৰ্তমানৰ নলবাৰী জিলা অঞ্চল তথা অবিভক্ত কামৰূপ আৰু দৰং অঞ্চলৰ মাত-কথাকে ধৰি লোকনাট্য অনুষ্ঠানলৈ সকলো ক্ষেত্ৰতে বহু

পৰিমাণে অনুৰূপ সাদৃশ্য পৰিলক্ষিত হয়। গতিকে নলবাৰী বা কামৰূপ জিলা অঞ্চলৰ লোকনাট্যক সম্পূৰ্ণৰূপে মৌলিক বা বৈশিষ্ট্যপূৰ্ণ বোলা টান, অন্যান্য ঠাইৰ লোকনাট্যৰ লগত সাদৃশ্য বা সম্পৰ্ক আছেই।

## পুতলা নাচ :

পুতলা নাচ আন্তৰ্জাতিক লোকনাট্য অনুষ্ঠান। অসমকে ধৰি ভাৰতবৰ্ষত যেনেকৈ পুতলা নাচ সুপ্ৰাচীন নাট্য অনুষ্ঠান, তেনেকৈ ভূমধ্য সাগৰীয় দেশবোৰৰ উপৰি মিছৰতো ই সুপ্ৰাচীন লোকনাট্য অনুষ্ঠান। অসমৰ পুতলাৰ দল যেনেকৈ ভ্ৰাম্যমাণ আছিল তেনেকৈ ইউৰোপৰ পাবেল থিয়েটাৰ, মেক্সিকোৰ পুতলা থিয়েটাৰ আদিও আছিল অত্যন্ত জনপ্ৰিয় আৰু ভ্ৰাম্যমাণ দল। আনকি আমাৰ দেশত সম্প্ৰতি পুতলাৰ অনাদৰ হোৱাৰ দৰে ইউৰোপতো ঊনবিংশ শতিকাৰ শেষভাগৰ পৰা পুতলাৰ আদৰ ক্ৰমে টুটিছে। [১১]

সম্ভৱতঃ মঞ্চৰ ওপৰত অভিনীত প্ৰাচীনতম্ নাট্য অনুষ্ঠান পুতলা। আৰু সেই কাৰণেই সঠিক ভাবেই অনুমান কৰা হয় যে সংস্কৃত নাটককে ধৰি সকলোবোৰ লিখিত পূৰ্ণাংগ নাটক পুতলা অভিনয়ৰ ক্ৰম বিবৰ্তিত ৰূপত মাথোন।

সমগ্ৰ অসম বা ভাৰতত পুতলা কিমান প্ৰাচীন তাক সঠিক ভাবে কোৱা যেনেকৈ অসম্ভৱ, তেনেকৈ নলবাৰী অঞ্চলতো পুতলা কিমান প্ৰাচীন তাক সঠিকভাবে কোৱা টান। ঋগ্‌বেদ [১৩] আৰু মহাভাৰতত [১৪] পুতলাৰ উল্লেখ থকাৰ পৰা সহজে অনুমান কৰিব পাৰি যে অন্ততঃ ঋগ্‌বেদ আৰু মহাভাৰতৰ আগৰে পৰা ভাৰতত পুতলাৰ আদৰ গঢ় লৈ উঠিছিল। কিন্তু সেই পুতলাৰ ৰূপ কেনে আছিল তাক জনাৰ আজি আৰু কোনো উপায় নাই। অসমত অন্ততঃ নৱবৈষ্ণৱ আলোড়নৰ আগৰে পৰা যে পুতলাৰ সমাদৰ আছিল তাক শংকৰদেৱৰ ৰচনা

ভকতৰ পদে দেখাই মনুষ্য চেষ্টাক।

গোপীক নচান্ত যেন ছায়া পুতলাক। [১৫]

ৰপৰা জনা যায়। সম্প্ৰতি অসমত ছাঁয়া পুতলাৰ প্ৰচলন নাই, কাঠ পুতলাহে প্ৰচলন আছে, নলবাৰী অঞ্চলতো। অৱশ্যে সমকালীন পৃথিৱীত কাঠ, মাটি আৰু প্লাষ্টিকেৰে নিৰ্মিত হাত পুতলাৰে বজাৰ উপচি পৰাৰ দৰে অসমৰ তথা নলবাৰী জিলা অঞ্চলৰ বজাৰ আৰু ড্ৰয়িংৰুম হাত পুতলাৰে উপচি নপৰাকৈ থকা নাই। হাত পুতলা কিন্তু শিশুৰ খেলৰ সামগ্ৰী আৰু ড্ৰয়িংৰুম সুশোভন কৰাৰ অৰ্থেহে ব্যৱহাৰ কৰা দেখা যায়। অভিনয়ৰ ক্ষেত্ৰত ব্যৱহাৰ হয় কুঁহিলাৰে নিৰ্মিত কাঠপুতলাহে।

এই বিলৰ শতিকাৰ আদি ভাগতো নলবাৰী জিলা অঞ্চলৰ আপাৰকুছি, মালিকুছি, চান্দকুছি, ম'হখলি, শিমেলবাৰী আদি ঠাইত পুতলা নাচৰ দল আছিল। কিন্তু সম্প্ৰতি চান্দকুছি, ম'হখলি আৰু পিপেলবাৰীৰ দল হে কিছু সক্ৰিয় অৱস্থাত আছে বুলি জনা যায়, বাকীবোৰৰ অৱস্থিতি নাই। এই দলবোৰ কিমান প্ৰাচীন তাকো, লিখিত কোনো বিৱৰণ নথকা কাৰণে, জনাৰ উপায় নাই। কিন্তু চান্দকুছি আৰু ম'হখলিৰ দল ৫।৬ পুৰুষ আগৰ পৰা চলি থকা বুলি জনা যায়। দেশ স্বাধীন হোৱাৰ পিছতো পুতলা নাচ পঞ্চাশৰ দশকৰ প্ৰাৰম্ভলৈ ইমান জনপ্ৰিয় আছিল যে চুবুৰীয়া গাওঁবোৰত প্ৰায় প্ৰতিযোগিতামূলক ভাবে পুতলাৰ দল সংগঠিত হৈছিল। উদাহৰণ স্বৰূপে চান্দকুছিৰ মেধিপাৰাত আছিল আতহু মেধিৰ পুতলাৰ দল, ম'হখোলিত আছিল হৰিকান্ত বৰ্মনৰ দল আৰু শিমেলবাৰীত আছিল গোপীকান্ত মালাকৰৰ দল। এই তিনিওখন চুবুৰীয়া গাওঁ, পুৰুষানুক্ৰমে এই গাওঁ তিনিখনত পুতলাৰ দল আছিল আৰু আজিও আছে।

পুতলাৰ স্ত্ৰী-পুৰুষ চৰিত্ৰবোৰ সাধাৰণতে ৩ই ফুটৰ পৰা তিনিফুট মান ওখকৈ সজা দেখা যায়। পুতলা নিৰ্মাণ কৰে পুতলাৰ দলৰ মানুহে নিজে। তেওঁলোক চতুৰ হস্তশিল্পী; কুঁহিলাৰ পৰা ইমান নিপুণভাবে পুতলাবোৰ সজাই তুলি ৰং-ৰহণ সানে যে জীৱন্ত যেন অনুভৱ হয়। মুখটোও সুন্দৰকৈ কাটি উলিয়াই, নাক, মুখ, চকু আদি বেছ স্পষ্ট কৰি তোলে। পুতলা চৰিত্ৰটোইতৰ মান-মৰ্যাদা অনুসৰি সাজ-পাৰ, আ-অলংকাৰেৰেও সুশোভিত কৰে। সকলো পুতলাৰ ভৰি নাথাকে, কঁকালত জামাৰ দৰে ওলমি থকা আভৰণ পিন্ধোৱা হয়। পুতলাৰ হাত, মূৰ আৰু অন্যান্য অংগত ক'লা কিম্বা দুৰৰ পৰা মনিব নোৱাৰা অতি সূক্ষ্ম ৰচি বান্ধি ৰখা হয়, যাতে আৱশ্যক অনুসৰি অভিনয়ৰ কালত অংগ-প্ৰত্যংগ সঞ্চালন কৰিব পাৰে তাৰ কাৰণে আৰু যাতে অভিনয়ৰ সময়ত আৱশ্যক অনুসৰি কাপোৰ কানি-টনা-আজোৰা কৰিব পাৰে, তাৰ কাৰণে পুতলাৰ গাৰ কাপোৰত পিন মাৰি ক'লা ৰচি আঁৰিও থোৱা হয়। কাহিনীৰ লগত সম্পৰ্ক থকা বান্দৰ আদি চৰিত্ৰও বৰ আকৰ্ষণীয় আৰু স্বাভাৱিক ৰূপত উপস্থাপন কৰা হয়। মান অনুসৰি পুতলাক বহিবলৈ আসন দিয়াৰ ব্যৱস্থাও আছে। আ'ক মন কৰিব লগা কথা এয়ে যে আসন আদিও পুতলা চৰিত্ৰৰ দ্বাৰাই দিওৱা হয়। মুঠতে ৰসভংগ যাতে নহয়, তালৈ পুতলাৰ দলে চকু ৰাখে।

আগতে পৰম্পৰা অনুসৰি পুতলাই মহাকাব্য ৰামায়ণৰ সীতাহৰণ, লংকাদাহ, ৰাৱণবধ, সীতাৰ অগ্নিপৰীক্ষা আদি কাহিনীৰ অৱলম্বনত অভিনয় কৰিছিল।

সম্প্ৰতি চৰকাৰৰ প্ৰচাৰ বিভাগৰ পৃষ্ঠপোষকতা ক্ৰমে জাতীয় সংহতি, পৰিৱেশ প্ৰদূষণ, সাম্প্ৰদায়িক অনৈক্য প্ৰভৃতি বিষয়ে অভিনয় কৰিবলৈ লোৱা দেখা গৈছে।

একোটা পুতলাৰ দলত মানুহ থাকে খুব বেছি ৬/৭ জন। তাৰে ভিতৰত এজন সূত্ৰধাৰ আৰু এজন বায়ন। সূত্ৰধাৰ আৰু বায়নৰ আৰু বিশেষকৈ সূত্ৰধাৰৰ নিপুণতা আৰু পাৰদৰ্শিতাৰ ওপৰত নিৰ্ভৰ কৰে পুতলা-অভিনয়ৰ সফলতা-বিফলতা। সাধাৰণতে পুতলাৰ অভিনয় য'তে ত'তে যেতিয়া পৰা যায়। এখন মুকলি চোতাল বা নামঘৰ আদিৰ চোতালৰ এমূৰে এখন সামান্য ওখকৈ মঞ্চ সজা হয়। মঞ্চৰ পিছফালে এখন ক'লা বস্ত্ৰৰ আঁৰ কাপোৰ স্থিৰ ভাবে তৰা হয়। আঁৰ কাপোৰৰ আঁৰত পুতলা নাচৰ সাজঘৰ। তাত পুতলা লৰোৱা লৈতে স্থান লয় সূত্ৰধাৰে আৰু সূত্ৰধাৰৰ এজন সহায়কে। মঞ্চৰ বাওঁত দৰ্শক আৰু মঞ্চৰ মাজত স্থান লয় গায়ন-বায়নে। গায়ন-বায়নৰ পূৰ্ববংগ বা গুৰুঘাঁত অনুষ্ঠানেৰে পুতলা নাচৰ পাতনি মেলা হয়। আদিতে গুৰুঘাঁত সম্পূৰ্ণৰূপে বাদ্য প্ৰধান অনুষ্ঠান আছিল যদিও পৰৱৰ্তী কালত, বিশেষকৈ নৱবৈষ্ণৱ আলোড়নৰ কালৰ পৰা, গুৰু-ঘাঁত বৈষ্ণৱ প্ৰভাৱ যুক্ত হয়। গুৰুঘাঁতৰ পিছৰ অনুষ্ঠান প্ৰস্তাৱনা। প্ৰস্তাৱনাত পুতলা সূত্ৰধাৰ আৰু বায়নৰ সংলাপৰ মাজেদি প্ৰচাৰ কৰা হয় অভিনয়ৰ বিষয়বস্তু। তাৰ পিছত অন্যান্য চৰিত্ৰৰ প্ৰৱেশ ঘটোৱা হয় আৰু লগে লগে আৰম্ভ হয় নাট্য কাহিনী তথা অভিনয়। পুতলাৰ অভিনয় আগবাঢ়ে চৰিত্ৰৰ সংলাপ আৰু গায়ন-বায়নৰ গীতাংশৰে। যি কাৰ্য পুতলাৰদ্বাৰা অভিনয় কৰোৱা সম্ভৱপৰ নহয়, সেইখিনি কাৰ্য বা কাহিনী গায়ন-বায়নৰ গীতৰ সহায়ত প্ৰচাৰ কৰা হয়। গায়ন-বায়নৰদলৰ বায়ন মুখ্য চৰিত্ৰ, তেওঁ চিন্তাশীল, বিবেচক আৰু নানা বিষয়ে অভিজ্ঞ। তেওঁৰ ডিঙিত ওলমি থাকে এটা খোল। তেওঁ সুগায়কো। গীতাংশত হাতত তাল লৈ বায়নক সহায় কৰে আন দুই বা তিনিজনে। অভিনয় পৰিচালনা কৰে আঁৰ কাপোৰৰ আঁৰত থাকি সূত্ৰধাৰে। সূত্ৰধাৰে আৱশ্যক অনুসৰি চৰিত্ৰৰ প্ৰৱেশ-প্ৰস্থানো ঘটাই আৰু মুখত পেঁপা লৈ পুতলাৰ বচন বা সংলাপো মাতে। সংলাপৰ লগত মিল ৰাখি আৱশ্যক অনুসৰি অংগ আদি সঞ্চালন কৰাই সূত্ৰধাৰে অভিনয় ইমান মনোগ্ৰাহী কৰি তোলে যে অকৃত্ৰিম যেন অনুভৱ হয় আৰু প্ৰকৃততে ৰসোপলব্ধিও হয়। পুতলাৰ অভিনয়ৰ মাজেদি সাধাৰণতে শৃংগাৰ ৰসৰ উদ্ৰেক কৰিব বিচৰা হয়, বিকৃত শৃংগাৰৰ মাজেদি উদ্ৰেক কৰিব বিচৰা হয় হাস্য ৰসৰ। ঠায়ে ঠায়ে বা সময়ে সময়ে করুণ বা বীৰ ৰসৰ আভাসো অনুভূত নোহোৱাকৈ নাথাকে। অভিনয় সৰস কৰি ৰখাৰ আকাংক্ষাৰে সৃষ্টি কৰা হয় পুতলা বন্ধা বা

ক্লাউন ( Clown ) চৰিত্ৰ। দৃশ্য বিশেষৰ অন্তত আহে বহুৱা চৰিত্ৰটোৰ প্ৰৱেশ ঘটোৱা হয়; বহুৱাই বায়নৰ লগত কথা পাতি নাট্য কাহিনীটো বেশ দৰ্শকৰ ভুক্তিৰ অৰ্থে ব্যাখ্যা কৰে আৰু সমকালীন আৰ্থ, সামাজিক, ৰাজনৈতিক প্ৰভৃতি বিভিন্ন পৰিস্থিতিৰ বিষয়ে হাঁহি আৰু ব্যংগৰ সহায়ত কঠোৰ সমালোচনা দাঙি ধৰি লোক সমাজক সমাজ-সচেতন কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে। পুতলা অভিনয়ৰ এই দিশটোই পুতলাক সাংবাদিকৰ ভূমিকাতো অৱতীৰ্ণ নকৰোৱাকৈ নাথাকে। আচলতে এই সকলোবোৰ কাম সমাধা কৰে সূত্ৰধাৰেহে। সূত্ৰধাৰৰ নিপুণতা, পাৰদৰ্শিতা, কলা কুশলতা আৰু বিশেষকৈ ব্যক্তিত্বই পুতলা-অভিনয়ৰ বৈশিষ্ট্য নিৰূপণ কৰে। পুতলা অভিনয় মংগলসূচক গুৰুঘাঁতেৰে আৰম্ভ কৰাৰদৰে মুক্তিমংগল ভটিমাৰ সদৃশ গায়ন-বায়নে গোৱা গীতেৰে যৱনিকা টনা হয়।

**পুতলাৰ ভৱিষ্যৎ :**

লোকনাট্য হিচাবে পুতলা অভিনয়ৰ জনপ্ৰিয়তা আছিল অতুলনীয়। নাট্যকলাৰ বিকাশতো পুতলাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কিন্তু আধুনিক বৈজ্ঞানিক যুগৰ অৱদান বোলছবি, দূৰদৰ্শন আদিৰ লগত তাল মিলাব নোৱাৰি পুতলা পিছ হুহকিবলৈ বাধ্য হৈছে। ইও সমগ্ৰ বিশ্ব যুৰিয়ে সত্য। কিন্তু পৃথিবীৰ উন্নত কোনো কোনো দেশত শিশুৰ শিক্ষা আৰু চৰিত্ৰ গঠনত পুতলাৰ অভিনয়ৰ আশ্ৰয় লোৱা হৈছে। আমাৰ দেশতো এই বিষয়ে চকু-কাণ দিব পাৰি আৰু সম্ভৱ তেতিয়া পুতলাৰ দলৰ সমাদৰ আকৌ বাঢ়িব পাৰে। কিন্তু সামাজিকে মনত ৰখা উচিত হ'ব যে যি কলাকৃতিৰ পৰিবেশনে তাৰ লগত জড়িত লোকসকলক যুগোপযোগী স্বাচ্ছন্দ্যপূৰ্ণ জীৱন-জীৱিকা তথা সংস্থানৰ ব্যৱস্থা কৰি দিব নোৱাৰে, সেই কলাকৃতিৰ অৱনতি হেতেনেই অৱশ্যম্ভাৱী। লোকসমাজে জানো কথাই কথাই সুদাই কয় বোলে 'আগে চাউল কথা, পিছেহে ছবিৰ কথা'। জীৱন-জীৱিকাৰ সংস্থান দিব পাৰিলে আৰু যাইকৈ শিশুৰ শিক্ষাৰ উপাদান স্বৰূপে গঢ়ি তুলিব পাৰিলে, পুতলাৰ সমাদৰ অটুট থাকিব বুলি আশা কৰিব পাৰি নিশ্চয়।

**ঢুলীয়াৰ ভাও :**

ঢোলৰ উৎপত্তিও অতি প্ৰাচীন। সম্ভৱ আদিম জনগোষ্ঠী সমাজত পোনতে ঢোলৰ উৎপত্তি হৈছিল বিপদৰ সংকেত সূচক আৰু নৃত্যৰ লগত পৰিবেশন কৰা বাদ্যৰূপে। আদিম যুগত গণগোষ্ঠী সমূহৰ মাজত চলিছিল অনবৰত সংগ্ৰাম।

শত্ৰুৱে আক্ৰমণ কৰিলে বিপদৰ আগজাননী স্বৰূপে ঢোল বজাই সংকেত দিছিল। সেই ৰীতি কোনো কোনো জনজাতিৰ মাজত আজিও প্ৰচলিত আছে বুলি জনা যায়। আনকি যুঁজৰ সময়ত যুৱা সকলক উৎসাহিত কৰিবলৈও বুলিও ঢোল বজোৱা হৈছিল।[16] আমাৰ ভাৰতবৰ্ষতো অতি প্ৰাচীন কালৰে পৰা ঢোলৰ প্ৰচলন আছিল বুলি জনা যায়। অথৰ্ববেদত কাঠৰ খোলত চামৰা লগাই তৈয়াৰ কৰা ঢোলৰ প্ৰচলনৰ উল্লেখ আছে।[17] মহেঞ্জোদাৰোত বিচাৰি পোৱা মাটিৰ মোহৰ আবিষ্কাৰ হৈছে সেইবোৰৰ কেবাটাতো ঢোলৰ দৰে ঢুলীয়াৰ প্ৰতিকৃতি আছে আৰু তেতিয়াই যে ঢুলীয়াই নাচনীক সহায় কৰিছিল তাকো জানিব পৰা হৈছে।[18]

অসমতো ঢোলৰ প্ৰচলন অতিপ্ৰাচীন। পৰ্বত-ভৈয়াম ব্যাপী সমগ্ৰ অসমত বিপদৰ সংকেত স্বৰূপে, উৎসাহজনক বাদ্য স্বৰূপে আৰু আনকি মাংগল্যসূচক দেৱবাদ্য স্বৰূপে সুপ্ৰাচীন কালৰে পৰা ঢোলৰ প্ৰচলন হৈ আহি আছে। বিয়া-বাৰ, উৎসৱ-পাৰ্বনত ঢোলৰ বাদ্য অপৰিহাৰ্য ৰূপে বিবেচিত কাৰণেই অনুভৱ কৰিব দিয়ে যে ঢোলৰ বোলৰ লগতো যাদুকৰী শক্তি নিহিত আছিল। দেওধা আৰু দেওধনীক দকত পেলোৱা আৰু দকৰ পৰা তোলা সময়ৰ ঢোলৰ বোলটো লক্ষ্য কৰিলেও অনুভৱ হয় যে ঢোলৰ বোলত যাদু নিহিত বুলি বিশ্বাস আছিল; ঢোলৰ বোলে যেন শুভ বা মংগলো সূচায়। আন এটা বিশেষ মনকৰিবলগা কথা এয়ে যে নলবাৰী অঞ্চল তথা অবিভক্ত কামৰূপ জিলা, দৰং জিলা আৰু অবিভক্ত গোৱালপাৰা জিলা অঞ্চলত সংগঠিত হোৱাৰ দৰে ঢুলীয়াৰ ভাও বা অভিনয়ৰ দল অসম, ভাৰত তথা পৃথিৱীৰ আন ঠাইত সংগঠিত হৈছিল বুলি জনাৰ সুযোগ এতিয়ালৈকে পোৱা নাই। ঢুলীয়াৰ ভাও অৰ্থাৎ অভিনয় এই অঞ্চলৰ ঢুলীয়াৰ প্ৰধান আকৰ্ষণ। আকাৰ-আকৃতি অনুসৰি ঢোল নানা প্ৰকাৰৰ; ডবা-মৃদং-খোল আদিও ঢোলৰ ভিতৰুৱাই; কিন্তু ভাও বা অভিনয় কৰা ঢুলীয়াৰ দলে সাধাৰণতে বৰ বৰ আকাৰৰ বৰঢোলৰ পৰা ক্ৰমে সৰু আকাৰৰ পাতিঢোল লৈ ব্যৱহাৰ কৰা দেখা যায়। ঢোলবোৰ ঢুলীয়াৰ দলৰ শিল্পীয়েই নিৰ্মাণ কৰি লয়। আম গছ আদিৰ গা গছ কাটি কেঁচাই থাকোঁতেই মাজখন খুলি শুকোৱা হয়। এই খলাটো ভালকৈ শুকালে তাত চামৰাৰে দুয়োমুখ ঢকা হয়, দুয়োমুখক টানটনীয়াকৈ বন্ধা হয় চামৰাৰ ৰচিৰে। ঢোলৰ লগত সংগত কৰা হয় কাঁহৰ ভোৰতাল। সাধাৰণতে একো একোটা ঢুলীয়াৰ দলে সাতটাৰ পৰা নটালৈ ঢোল আৰু পাঁচ জোৰৰ পৰা সাত জোৰলৈ তাল পৰিবেশন

কৰিছিল, আজিও কৰে।

ঢুলীয়াৰ ভাও পৰিবেশন কৰা হয় মুকলি ঠাইত ৰাইজৰ মাজৰ এখন আয়তক্ষেত্ৰাকাৰ খোলাত। ঢুলীয়াৰ ভাওৰ মাজেদিয়ে সেই খোলা বা ৰভা ঘৰৰো পৰিচয় পোৱা যায়। খোলাৰ বৰ্ণনাত পোৱা যায়,—

চাৰিকাষে পুতিলন্ত কদলিৰে খুঁটা।
তাৰে উপৰে পাৰি দিলাক থাকলীৰে জুৰা॥
উপৰে দিলাক চাইন মালী খান।
তলে দিছি ৰৰধান ধানৰ মাৰা॥

এনে এখন ৰভাৰ তলত আৰম্ভ হয় ঢুলীয়াৰ ভাও। ঢুলীয়াৰ ভাৱো পোনতে গুৰুঘাঁত অনুষ্ঠানেৰে আৰম্ভ হয়। ই মাংগল্যসূচক আৰু ইয়াৰ লগত যাদু নিহিত আছিল বুলি অনুভৱ কৰাৰ যুক্তি আছে। ঢুলীয়াৰ দল বিলাকে ইয়াক জাগেন্নী অৰ্থাৎ জাগৰণ অনুষ্ঠান বুলিও আখ্যা দিয়ে। নিচেই গুৰিত বৰ ঢোল লৈ অৱতীৰ্ণ হয় ঘাই ঢুলীয়া, তাৰ পিছত ক্ৰমে সৰু ঢোল লৈ অৱতীৰ্ণ হয় পাতিঢুলীয়া। বৰ ঢোলৰ পিছফালে ঠাই লয় তালুৱৈ আৰু অন্যান্য গায়ক বিলাকে। এই গুৰুঘাঁত বা জাগেনী অনুষ্ঠানেৰে ঘাইকৈ দুটা লক্ষ্য সাধন কৰা হয়: প্ৰথম সকলোৰে অশুভ নাশ কৰি শুভ কামনা কৰা আৰু দ্বিতীয় লোক সংস্থাপন বা ৰাইজক আকৰ্ষণ কৰা। ঢুলীয়াৰ পিন্ধনত চুৰীয়া, গাত পতীয়াপতি ৰঙৰ চোলা, হাতত ৰঙা কাপোৰ বা ৰঙা ঘুন্টচাৰ বান্ধ, মূৰত গামোচা, কঁপালত পিঠাগুৰিৰ ফোট। ঢুলীয়াই নাচি নাচি ঢোল বজাই থাকে আৰু লগে লগে তালুৱৈ আৰু গীতাল বিলাকে গীত বা নাম গায়। অগ্নিশালাৰ ঢুলীয়াৰ দলে গোৱা জাগেনী গীতটো এনে আছিল,—

জয়কৃষ্ণ গোপাল গোবিন্দ বনমালী।
সভাৰ জন্ম কথা কওঁ শুনা কৰ্ণ ভৰি॥
আদি পূৰ্বে সভাখন গোলোকত আইছ্‌লা।
বৰহ্‌মাদেৱক স্তুতি কৰি ভাৰক্তে আইন্‌লা (নমাইলা)॥
চাৰিবাগে চাৰি ডালি কলপুলি পুতিলা।
তাহাৰ তলত ভগৱন্ত বহি ৰহিলা (বৈলা)॥
চাৰি বাগে চাৰিডাল কদলিৰে খুন্টা।
বাসুকি নাগ ডৈলা মাকলিৰে জুন্টা॥
হংসৰ পাখেদি চাইন আবৰণ কৰিলা।

তাহাৰ তলত ত্ৰিদশকোটি দেৱতা বহিলা ॥
দুবাহাতে সাৰ কৰে গন্ধৰ্ব সকল ।
তাক দেখি ব্ৰহ্মাদেৱৰ মনত বিকল ॥
ব্ৰহ্মাই বোলে সভাসদ হাত তালি মাৰা ।
এহি কাৰণ পিতাল দিলু ফ্লাল গঢ়ে লোৱা ॥
গন্ধৰ্ব বোলে ব্ৰহ্মাদেৱ কওঁ আলৰ আচিত্তৰি ।
বিশ্বকৰ্মা দিলে তাল গঢ়া চৰা লোৰি ॥
ব্ৰহ্মাৰ আদেশে দেৱে গোলোকে চলি গৈলা ।
সেহিমতে দেৱগণে মুখপাতি দৈছিলা ॥
বায়ু ভৈলা হাথী মাজে নিথাবে গণপতি ।
কাৰ্তিকে ভৈলন্ত আসি মাইৰ বাক লাগি হাথ বি ।
ৰাম সৰস্বতী ভনে এৰা আন কাম ।
পাতক চাৰক ডাকি বোলা ৰাম ৰাম ॥

এই জাগেনী গীতটো বৰ অৰ্থবহ । ই বহু তথ্যৰ সন্ধেদ দিয়ে । প্ৰথম কথা এয়ে যে ব্ৰহ্মাৰ আদেশত ভগৱন্তত দেৱতাসকলে সমূহীয়া প্ৰয়েৰে তাল অৰ্থাৎ ঢোল-তাল আদি নিৰ্মাণ কৰিছিল । স্থানান্তৰত পাই আহিছো যে ব্ৰহ্মা তাৰতৰ আদি জনগোষ্ঠী সমাজৰ নেতা আছিল । ব্ৰহ্মাৰ আদেশ বিনে সেই জনগোষ্ঠী ব্ৰহ্মত কোনো কামেই সংসাধিত নহৈছিল । সুকীৰা জয়চৱাল প্ৰভৃতি সমাজ বিজ্ঞানীয়ে বেদাদি গ্ৰন্থৰ অৱলম্বনত বিচাৰ কৰি ইয়াকো দেখুৱাইছে যে সেই আদিম জনগোষ্ঠী বা গণগোষ্ঠী সমাজৰ সমূহ সম্পদক বোলা হৈছিল ভগৱৎ বা ভগৱন্ত । সেই গণগোষ্ঠীয় সম্পদৰ প্ৰতিজন অংশীদাৰকে বোলা হৈছিল ভক্ত আৰু ভগৱন্তৰ একো একো অংশক বোলা হৈছিল ভক্তি ।[১১] ওপৰুক্ত জাগেনী গীতটোৰ পৰা দেখা যায় যে পৰৱৰ্তী কালত ধৰ্মৰ ৰহণ চৰোৱা হৈছে যদিও আদিম সমাজৰ আদিম ৰূপটো অনুভৱ কৰাত ব্যাঘাত নজন্মে । যেন ব্ৰহ্মাৰ নিৰ্দেশত ভগৱন্তৰ সকলো দেৱতা অৰ্থাৎ অধিবাসীয়ে তাল গঢ়োৱাত ব্যস্ত হৈ পৰিল ; কাৰ্তিক, গণেশ, বায়ু, বৰুণ আদি কোনোৱেই বাদ নপৰিল । এই জাগেনী গীতটো এটা লোকগীত, ই লোক সমাজৰ সৃষ্টি । কিন্তু তাক পিছত পৰিবেশন কৰা হৈছে শ্ৰেণীসমাজত । সাধাৰণতে শ্ৰেণী সমাজত সমষ্টিৰ প্ৰতি-ভাক তুচ্ছ কৰি ব্যক্তিৰ প্ৰতিভাক উচ্চস্থানত প্ৰতিষ্ঠা কৰা হয় । সেয়ে গীতটোত প্ৰতিষ্ঠা কৰিলে ৰাম সৰস্বতীক অৰ্থাৎ গীতটোৰ ৰচক যেন বিশিষ্ট

কৰি থাকি পৰম্পৰাগতভাৱে । অথচ গীতটোৰ প্ৰকৃত ৰচক ঢুলীয়াৰ দল হে ।

সমাজ বিকাশৰ বৈজ্ঞানিক ধাৰাৰ লগত অপৰিচিত কোনোৱে এই গীত-টোক ঢুলীয়াৰ দলৰ হাহি-খিকিন্দালিময় গীত বুলি উৰাই দিব পাৰে ; কিন্তু ই এটা অসাধাৰণ গীতেই, ইয়ে সমাজৰ বিৱৰ্তমান ধাৰাৰ এটা স্পষ্ট আভাস দিয়াৰ উপৰি ঢুলীয়াৰ প্ৰাচীনত্ব নিৰ্ণয়তো সহায় কৰে ।

গুৰুঘাঁত অনুষ্ঠানৰ পিছত ক্ৰমে খৰ-ষুতি আৰু শেষত অভিনয় আৰম্ভ হয় । কিন্তু মন কৰিব লগা কথা এয়ে যে প্ৰতিটো অনুষ্ঠানৰ অন্ত আৰু নতুন অনুষ্ঠানৰ আৰম্ভৰ মাজৰ বিৰতি কাল চোৱাত মাথোঁ এটা পাতি ঢোল লক তালৰ লগত সংগত কৰি তাও প্ৰদৰ্শন কৰা খলাখন পৰিভ্ৰমণ কৰে । নলবাৰী অঞ্চলৰ ঢুলীয়াই ইয়াক বোলে 'খলা ফুৰেনি' । ইও বৰ তাৎপৰ্যপূৰ্ণ । এই 'খলা ফুৰেনি' বাজনাৰ বিয়া-বাৰু, উৎসৱ-পাৰ্বণত সংগত কৰা ঢোলৰ বাজনাৰ লগত সাদৃশ্য থকা দেখা যায় । এই আটাইবোৰ অনুষ্ঠানৰ আদৰ্শ হ'ল কুশল বা মংগল কামনা । 'খলা ফুৰেনি' বাজনাৰো লক্ষ্য অনুকূলতা প্ৰতিষ্ঠা কৰা । ইয়াৰ মাজেদি প্ৰকৃততে যাদুকৰী শক্তিৰ প্ৰাবল্য ঘোষণা কৰা হৈছে ; ঢোলৰ বোল যেন যাদুময় হে ।

ঢোল, ঢুলীয়া, ঢোলৰ যাদুময় বাজনা আদি প্ৰাচীন, এই বাজনা সুললিত কৰাৰ অৰ্থে ঢোলৰ লগত সংগত কৰা হয় 'কালি' বোলা এবিধ পেঁপা । কালি সংগত কৰা জনক বোলা হৈছিল কালীয়া । ভাওনা বা অভিনয় নকৰাকৈও কালীয়াৰ লৈতে ঢুলীয়াই ঢোলৰ বোলৰ মাজেদিও বক্তব্য প্ৰকাশ নকৰাকৈ থকা নাছিল । বিয়া-বাৰুত দৰা অহাৰ পিছত কইনা ঘৰৰ চোতালত দুয়ো পক্ষৰ ঢুলীয়াৰ মাজত ঢোলৰ বোল আৰু কালীয়াৰ পেঁপাৰ সুৰৰ মাজেদি বাদানুবাদ চলিছিল আৰু তাক বুলিব পৰা গৈছিল নাট্য অনুষ্ঠানৰ সংলাপ । ভাও নকৰা-কৈও কেৱল ঢোলৰ বোল আৰু কালিৰ মাজেদি ঢুলীয়াই প্ৰকৃততে নাট্য অনুষ্ঠানৰ সৃষ্টি কৰিছিল । ই বহু প্ৰাচীনো । যথাই ওজা আৰু তেওঁৰ ভাই সথাই ওজাই ঢোলৰ বোলক কিদৰে সবাক কৰি তুলিছিল, তাৰ স্মৃতিয়েই অসমৰ ঢুলীয়াৰ বোলৰ মাজেদি কিদৰে সংলাপ ধৰ্মিতাৰ সৃষ্টি হৈছিল তাক অনুভৱ কৰা সহজ হৈ পৰে । অগ্নিশালাৰ ঢুলীয়াৰ মুখ্য ভাৱৰীয়া ( ক্লাউন ) গোপী ভাংৰাই কান্ধত ঢোল এটা ওলোমাই লৈ মুখেৰে কৈছিল—

হে গুৰু ধেই ধেই তাতাতাথিতা ধেই ধেই তা
মাকুটু মাৰি দেও গাঁওথন যা ।

তাৰ পিছত ঢোলত হাত ফুৰাই বোলৰ মাজেদি অবিকল মুখৰ কথা খিনি প্ৰতি-

কৰিত কৰি দৰ্শকক ৰাইজক আনন্দত আপ্লুত কৰিছিল। ঢুলীয়াৰ বস্ত্ৰ পোছাকবিধ লগা এনে বহু বৈশিষ্ট্যপূৰ্ণ দিশ আছিল। আৰু ইবোৰ আছিল সাধাৰণতে পৰম্পৰাগত, সুপ্ৰাচীনো।

কিন্তু ধাৰণা হয় যেন ঢুলীয়াৰ দলৰ খৰ-কুস্তি আৰু নাট্য অভিনয় অৰ্বাচীন। এই কুৰি শতিকাৰ প্ৰথম ভাগত ৰচনা কৰা ৰজনীকান্ত বৰদলৈৰ উপন্যাস দন্দুৱাদ্ৰোহত হে সম্ভৱ পোন প্ৰথম ঢুলীয়াৰ খৰ-কুস্তি আৰু অভিনয়ৰ উল্লেখ পোৱা যায়। অন্ততঃ মাধৱকন্দলিৰ ৰামায়ণৰ পৰা ঢোল আৰু ঢুলীয়াৰ উল্লেখ পোৱা যায়, কিন্তু সিবোৰত খৰ-কুস্তি বা অভিনয়ৰ কোনো প্ৰকাৰ উল্লেখ কতো পাবলৈ নাই। নলবাৰী জিলা অঞ্চলৰ ঢুলীয়াৰ ভাওৰ পম বিচাৰি দেখা গৈছে যে প্ৰায়বোৰ ঢুলীয়াৰ দল ঊনবিংশ শতিকাৰ শেষ বা বিংশ শতিকাৰ আৰম্ভণৰ লগে লগে সংগঠিত হৈছিল। সম্ভৱ সমগ্ৰ ভাৰতৰ লগতে অসম ব্যাপী ঊনবিংশ শতিকাৰ শেষ ভাগত যি নৱজাগৰণৰ সৃষ্টি হৈছিল তাৰ প্ৰেৰণালব্ধ লোক সমাজে গঢ়ি তুলিছিল গাঁৱে গাঁৱে ঢুলীয়া আৰু ওজাপালিৰ দল আৰু সিবোৰৰ মাজেদি গঢ়ি তুলিছিল মানৱীয় মুক্তিৰ চেতনা। খৰ-কুস্তিৰ ক্ষেত্ৰত চাৰ্কাচৰ দলৰ প্ৰভাৱো পৰিলক্ষিত হ'ব পাৰে।

ঢুলীয়াৰ দলৰ খৰ-কুস্তিৰ বৈশিষ্ট্য এয়ে যে তেওঁলোকৰ মাজত সাধাৰণতে কোনো প্ৰশিক্ষকৰ স্থান নাই, অনুশীলনৰ দ্বাৰা নিজে নিজে আয়ত্ত কৰে। নায়-কোণা আৰু অগ্নিশালাৰ ঢুলীয়াদলৰ চেকলুৰামৰ খৰৰ কথা এই প্ৰসংগত সুঁৱৰিবলৈ মন যায়। চাৰ্কাচৰ দলৰ খৰ বিশেষজ্ঞও চেকলুৰামৰ খৰ দেখি লাজত অৱনত হ'ব লগা কথাই আছিল। চাৰ্কাচ দলত খুৱীয়াৰ উপৰি অন্যান্য সকলৰ নিৰাপত্তাৰ কাৰণে জাল তৰা হয়, কিন্তু ঢুলীয়াৰ ক্ষেত্ৰত কোনো নিৰাপত্তাৰ ব্যৱস্থাও নাথাকে; তেওঁলোক যেন 'অভ্যাসৰ নৰ, কৰ্ণপথে কৰে শৰ' আদৰ্শৰ হে নিখুঁত অনুগামী আছিল।

ঢুলীয়াৰ খৰ-কুস্তিৰ লগত কিন্তু নাটকীয় উপাদান নিহিত নাথাকে; সিবোৰ লোক বিনোদন, লোক সংস্থাপনৰ কাৰণেহে যেন সংযোজিত হৈছিল; সিবোৰ উপভোগ কৰি কিশোৰ আৰু যুৱক সমাজ অনুশীলন ৰত হৈছিল আৰু যেন লোক স্বাস্থ্যৰ বিকাশতো অৰিহণা যোগাইছিল। অৱশ্যে খৰ-কুস্তিৰ সময়ত ঢোল-তাল সংগত কৰি অনুপ্ৰেৰণা যোগোৱা হৈছিল, আজিও হয়।

খৰ-কুস্তি চলি থকা সময়তো দৰ্শক সামাজিকক হাস্যমুখৰ কৰি ৰখাৰ অৰ্থে জাৱৰীয়া ( ক্লাউন ) ৰ ভাও বা চঙৰ অৱতাৰণা কৰা হয়। সাধাৰণতে বৈসাদৃশ্য

পূৰ্ণ ৰাত্ জগি থাকিব লগাকৈ সেই হাহিৰ সৃষ্টি কৰা হয়। কেতিয়াবা কয় তিনি মাহাত্ম্য, অৰ্থাৎ তিনিৰ পৰা কিমান লাভ হৈছে একালৰ পৰা বৰ্ণাই যায়, কেতিয়াবা কয় কুহিৰ মাহাত্ম্য— চান্দকুহি, বৌকুহি, তামকুহি, গুৱাকুহি আদি কৰি গাওঁবোৰৰ লাগি মিহিছিা বৰ্ণনা। ইবোৰে ভাৱৰীয়াৰ আবিষ্কাৰধৰ্মী মনৰ পৰিচয় দিয়ে, দৰ্শক ৰাইজৰ মাজতো অনুসন্ধিৎসাৰ সৃষ্টি নকৰাকৈ নাথাকে। আন কেতিয়াবা গাই পচলা পুৰাণৰ গীত বা মালিতা,

সজেনী (সকজনী) উঠি বুলে ৰজেনী (ৰৰজনী) বাই।
আজি দেখুন দিপ্ ৰাক (দুপৰীয়া) লাগিন আজাৰ দিহা নাই॥
দাখনি লৈ কুবে তাই ৰাৰীৰ আগে আগে।
থোক পৰা তীৰ কল ডাল আকুকে (এক) ঘাপে কাটে॥
পচলা কুটে তাই হুছাৰ হুছাৰ ক'ৰি।
পচলাৰ আগাত পানী সেই আঠু সমান ক'ৰি।
পচলাৰ আগা থেনি উঠিল ৰাগে পাগে।
পচলাৰ আগাত কামাৰ দিলি যুযুতিৰ ছ'লি জাগে॥
আক ডথাৰ (একডোখৰ) পচলা তাৰে কাউৰে লৈ যায়।
সেই ডথ্ৰা পচলা সি ছয়মাহ ৰহি খায়॥

তেনেকৈ চাহপুৰাণ, কানীয়াৰ মেল আদি কৰি ভিন ভিন বিষয়ে মালিতা গীত দাঙি ধৰি বৈপৰিত্যৰ সৃষ্টিৰে দৰ্শক ৰাইজক হঁহুৱাই পেটুনাৰী ছিঙিব বিচাৰে।

সৰ্বশেষত আৰম্ভ হয় অভিনয়।.অভিনয়ৰ নাটক পুতলাৰ দৰে মৌখিক, ৰচক প্ৰকৃততে সমগ্ৰ ঢুলীয়াৰ দলটো। খটাসুৰ বধ, বকাসুৰ বধ, কীচক বধ, দুৰ্যোধনৰ উৰুভংগ প্ৰভৃতি, পুৰাণ-মহাভাৰত নিসৃত কাহিনীৰ ওপৰত ৰচনা কৰা নাটকৰ অভিনয় হৈছিল বৰ কম। সাধাৰণতে সমকালীন ঘটনা, সত্য বা তথ্যৰ ভেটিত ৰচিত নাটকৰ অভিনয় হৈছিল বেছি। স্বৰাজ-স্বাধীনতা, ৰাষ্ট্ৰীয় ঐক্য, ডাক্তৰ-ডাক্তৰণী, শিক্ষক-পঢ়াশালি, সদাগৰ-চোৰ, বেল্‌গা পুৰাণ, তেল শোধনাগাৰ আন্দোলন, আনকি আশীৰ দশকৰ ছাত্ৰ আন্দোলনৰ অৱলম্বনতো অভিনয় কৰিবলৈ ঢুলীয়াৰ দলে বাদ দিয়া নাই। এইবোৰ অভিনয় লোক সমাজৰ মানত চলন্ত সমাজ সমালোচনা বা জাগ্ৰত সাংবাদিকতা। নাগৰিক সমাজৰ বিশিষ্ট সকলে অনুভৱ কৰিবলৈ টান পাই যে চহা সৰল-সহজ লোক সমাজ একমুঠ হৈ স্বাধীনতা সংগ্ৰামত জপিয়াই নপৰাহেঁতেন স্বাধীনতা সংগ্ৰাম কোনো পধ্যেও সফল নহ'ল-হেঁতেন। সেই লোক সমাজক জগাই তোলাত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছিল

ঢুলীয়াকে ধৰি লোকনাট্য অনুষ্ঠান সমূহেও। সমাজ, বাস্তৱৰ উপৰি, সিহঁতে পৌৰাণিক কাহিনীৰ অৱলম্বনত অভিনয় কৰিছিল। সিহঁতৰ আছিল মূলতঃ ধৰ্মৰ জয়, অন্যায়-অসত্যৰ ঠাইত ন্যায় আৰু সত্যক প্ৰতিষ্ঠা কৰাই আছিল সিহঁতৰো লক্ষ্য।

ঢুলীয়াৰ ভাওৰ কিন্তু কেৰিকেচাৰ ধৰ্মী, হাঁহি-ধেমালি আৰু ব্যংগৰ মহাৰত বক্তব্য দাঙিধৰা মূল লক্ষ্য। ভাৰবীয়া বা ক্লাউনে প্ৰতিদায় বা একি হাইতৰৰ সহায়তো ইহওৱাৰ চেষ্টা কৰাটো লক্ষ্য কৰিলে স্বাভাৱিকতে অনুভৱ হয় যে ইহওৱাই হ'ল ঢুলীয়াৰ ভাওৰো মূল কথা। যথাযথ পৰিৱেশ সৃষ্টিৰ কাৰণে আৱশ্যক অনুসৰি চৰিত্ৰ বিলাকে মুখাও ব্যৱহাৰ কৰে। ধৰ, বুদ্ধি, অভিনয়কে ধৰি ঢুলীয়াৰ ভাও পৰিচালনা কৰে যাইচ্‌ ঢুলীয়াই। তেওঁ শাস্ত্ৰজ্ঞ আৰু ধুৰুচি সম্পন্ন লোক। তেওঁৰ এহাতে পোহৰৰ মহলা আৰু আন হাতে এপাট চমটা। ঢুলীয়াৰ লক্ষ্য যিহেতু ইহওৱা আৰু হাঁহিৰ মাজেদি জ্ঞান বিতৰণ কৰা, গতিকে ভাৰবীয়া ক্লাউনকে ধৰি প্ৰায়, আটায়ে বিষয়ৰ পৰা বিষয়ান্তৰলৈ গতি কৰেই আৰু যাই ঢুলীয়াই চমটাৰে কোবাই কৰে যেন নিয়ন্ত্ৰণ।

ঢুলীয়াৰ ভাওৰ সাজ-পাৰ তেনেই সামান্য, প্ৰসাধনৰ ভিতৰত ব্যৱহাৰ কৰে কেৱল পিঠাগুৰি; মুখতো সানে আৰু তাৰে কঁপালতো ফোঁট লয়। নাৰীৰ ভূমিকা ৰূপায়ণ কৰে পুৰুষেই, আনকি গুফীয়া পুৰুষেও। কেৱল অভিনয়ৰ কালত এখন ৰুমালেৰে গোঁফ কোঁচা ঢাকি ৰাখিবলৈ অসাৰ্থক চেষ্টা কৰে। পুৰুষে পিন্ধিথকা চুৰিয়াখনৰ এটা লোচ গাত মেৰিয়াই মূৰত ওৰণি কৰি ল'লে পুৰুষ স্ত্ৰীভূমিকাত অৱতীৰ্ণ হ'ব পাৰে। যক্ষ, ৰক্ষ, অসুৰ, দানৱ আনকি চাহাব-মেমেও মুখা ব্যৱহাৰ কৰিছিল। প্ৰবুদ্ধ নাগৰিক সমাজৰ চকুত ঢুলীয়াৰ ভাও অমাৰ্জিত আৰু অশালীন ৰূপে বিবেচিত হ'ব পাৰে; কিন্তু ঢুলীয়াৰ দল লোক সমাজৰ দ্বাৰা সংগঠিত, লোক সমাজৰ আনন্দ-বিনোদন আৰু মনস চিন্তনৰ প্ৰতি লক্ষ্য ৰাখি লোক সমাজকে ৰূপায়িত কৰে কাৰণে লোক সমাজে কিন্তু অশালীনতা বা অশ্লীলতাৰ গোন্ধ-ভাপ অনুভৱ নকৰে। উপকৰাকৈ চালে ঢুলীয়াৰ হাঁহি অসাৰ্থকেই; কিন্তু অলপ টলকি চাবলৈ অভ্যস্ত হ'লেই বিশিষ্ট তাৎপৰ্য উপলব্ধি কৰিব পৰা যায়। গুফীয়া পুৰুষক তিৰোতা সজা কথাটো মন কৰিলেও দেখা যায় যে তাৰ মাজেদিও যেন লোক সমাজক প্ৰবুদ্ধই কৰিব বিচাৰিছিল; ঢুলীয়াৰ মানত কেৱল গোঁফ ৰাখিলেই মানুহ পুৰুষৰূপে প্ৰতিপন্ন হ'ব নোৱাৰে, সাহ-পিত আৰু সৌৰ্যহীন পুৰুষ যেন তিৰোতা ভিন্ন আন একো নহয়। ব্যংগৰ ছিটিকনি

সিঞ্চিত নোজোৱা হাঁহি ঢুলীয়াৰ ভাওত বৰ কম। ঢুলীয়াই হাঁহি হাঁহি কন্দুৱায়ো। শিক্ষক আৰু পঢ়াশালিৰ ভাওটো লক্ষ্য কৰিলেও এই কথা সহজে উপলব্ধি কৰিব পাৰি। শিক্ষাৰ নামত অশিক্ষা প্ৰবৰ্ত্তি থকা কাৰণে ঢুলীয়াই শিক্ষকক জগৰীয়া কৰিবলৈ দ্বিধাবোধ কৰা নাই। তেনেকৈ আৰ্থ-সামাজিক বিকাশৰ অন্তৰায় স্বৰূপে যথাৰ্থ দেশপ্ৰেম আৰু দূৰদৰ্শিতাহীন ক্ষমতা থকুৱা ৰাজনৈতিক নেতাক চিত্ৰিত কৰিবলৈও শংকাবোধ কৰা নাই। সেয়ে ঢুলীয়াৰ ভাও অসাৰ্থক নহয়; সহানুভূতিৰে বিচাৰ কৰিবলৈ অভ্যস্ত হ'লে ঢুলীয়াৰ ভাওৰ ব্যঞ্জনা লোকদৰ্শনৰ লগত সহজে সুপৰিচিত হ'ব পাৰি।

দেশ স্বাধীন হোৱাৰ পিছত ক্ৰমে ক্ৰতগতিত বাঢ়ি অহা মধ্যবিত্ত শ্ৰেণীটোৰ ৰুচি-অভিৰুচি বোলছবি, ভ্ৰাম্যমাণ থিয়েটাৰ আৰু দূৰদৰ্শন মুখী হোৱা কাৰণে আৰু দেশৰ চৰকাৰ লোক-সংস্কৃতিৰ প্ৰতি তেনেই উদাসীন হোৱা কাৰণে এই বিংশ শতিকাৰো প্ৰথম ভাগৰ অত্যন্ত জনপ্ৰিয় লোক নাট্য অনুষ্ঠান ঢুলীয়াৰ ভাও সম্প্ৰতি তেনেই জুকলা-জুপুৰা। কৈহাটী, বৰ্ণি, বেলবাৰী, শ্ৰীপুৰ আদিত কেইটামান ঢুলীয়াৰ দলহে সম্প্ৰতি বেকো-জেকোকৈ কিছু সজীৱ হৈ আছে। চান্দকুছি, অগ্নিশালা, বালিলোচা, বৰথলা, নামথলা, গুৱাকুছি, নামকোণা, ৰবিগাওঁ, দতৰা, জাগাৰা, বুৰ্কিয়া, পোলমাৰা, জোৰাদ্দি, সিনহা প্ৰভৃতিৰ বিশিষ্ট ঢুলীয়াৰ দলবোৰৰ কথা সম্প্ৰতি প্ৰায় বিস্মৃত। জীয়াই থকা কাৰণে কৈহাটীৰ মোহন ভাৱৰীয়াৰ কথা সম্প্ৰতি একাংশ অনুসন্ধিৎসুৰ মুখে মুখে; কিন্তু বিশেষ প্ৰতিভাশালী গোপী ভাইৰা, সধক ভাইৰা, ভকতৰাম ভাইৰা, মিঢ়িৰাম ভাইৰা, বুড়ো ভাইৰা প্ৰভৃতি ক্ৰমে বিস্মৃতিৰ গৰ্ভত লোপ পাই আছে। আনকি বিয়াই সবাহে পূজাই-পাৰ্বণে মংগল বা দেৱবাদ্য ৰূপে সংগত কৰা ঢুলীয়াৰ দলো সম্প্ৰতি প্ৰায় তিৰোহিত হৈ আহিছে, তাৰ ঠাই অধিগ্ৰহণ কৰি আছে বেণ্ডে। বৰ্ণিৰ দলে আকৰ্ষণ বঢ়োৱাৰ আশাৰে নাৰীকো অভিনয়ত অংশ গ্ৰহণ কৰিব দিয়া সত্বেও ঢুলীয়াৰ প্ৰতি ৰাইজ আকৃষ্ট হৈছে বুলি শুনা নাযায়।

**ওজাপালি :**

ওজাপালি অন্যতম বিশিষ্ট জনপ্ৰিয় লোকনাট্য অনুষ্ঠান। ওজাপালিও অতি প্ৰাচীন কালত উৎপত্তি হৈছিল যেন অনুমান হয়। ওজাপালিৰ অংগ স্বৰূপ দেওধা বা দেওধনী নৃত্যলৈ লক্ষ্য কৰিলে এনেহে ধাৰণা হয় যেন তাৰ আদিম মানুহৰ যাদুকেন্দ্ৰী মূক বা নিৰ্বাক অভিনয়ৰ লগতহে সাদৃশ্য বিচাৰি পোৱা যায়। আন এটা বিশেষ মনকৰিবলগা কথা এয়ে যে ওজাপালিৰ সদৃশ লোক-

নাট্য অনুষ্ঠান ভাৰতৰ বিভিন্ন প্ৰান্তৰ উপৰি লগতে পৃথিৱীৰ অন্যান্য দেশতো আছিল। প্ৰাচীন গ্ৰীচৰ কোৰাছগান প্ৰায় ওজাপালিৰ সদৃশ। গ্ৰীক দেশত "কোৰাছগান বিলাক ৰংগমঞ্চৰ আগত এডোখৰ বিশেষ ঠাইত গোৱা হৈছিল। ইয়াৰ নাম অৰ্কেষ্ট্ৰা। সাধাৰণতে পোন্ধৰ জন গায়ক মিলি বাইবৰ ছন্দত গাইছিল আৰু নাচিছিল।" ২০ কোৰাছৰ গানবোৰ আছিল নানা ভাৱ আৰু নানা ৰসেৰে সম্পৃক্ত। করুণ, বীৰ, প্ৰেম আদি নানা ৰসৰ গানবোৰৰ মাজেদি অকল গ্ৰীক নাটকৰ কাহিনী বৰ্ণনা কৰিয়ে এৰা নাছিল, নাটকৰ ঘটনাবোৰৰ ওপৰত মন্তব্যদান, নায়কৰ ভাগ্য বিপৰ্যয়ৰ সময়ত সহানুভূতি জ্ঞাপন, আৰু জীৱনৰ গুৰুত্বপূৰ্ণ সমস্যা বিলাকৰ বিষয়ে কবিত্বপূৰ্ণ ভাষাত অভিমতো দাঙি ধৰিছিল।

কোৰাছে অভিনয় নকৰিছিল, নাট্য কাহিনীহে ভাবোদ্দীপক ৰূপত বৰ্ণনা কৰিছিল। কিন্তু ওজাপালিয়ে কাহিনীও বৰ্ণনা কৰে আৰু কাহিনীৰ লগত সম্পৰ্কিত নায়ক-নায়িকা প্ৰমুখ্যে ভিন ভিন চৰিত্ৰৰ অভিনয়ো কৰে।

ওজাপালিৰ লগত বংগৰ 'ঢপা-কীৰ্ত্তন', উৰিষ্যাৰ 'পালাগান', কেৰেলাৰ 'কুট্টু' আদিৰ অনুপম সাদৃশ্য আছে। এই সাদৃশ্যলৈ লক্ষ্য কৰিলে এনেহে ধাৰণা হয়, যেন এসময়ত সমগ্ৰ ভাৰত ব্যাপী ওজাপালিৰ সদৃশ নাট্য অনুষ্ঠানৰ ব্যাপক সমাদৰ আছিল। কিন্তু অন্যান্য লোকনাট্যৰ উৎপত্তিৰ কোনো লিখিত বিৱৰণ নথকা কাৰণে যেনেকৈ উৎপত্তিৰ সঠিক পৰিচয় দিয়া টান, তেনেকৈ ওজাপালিৰো কোনো লিখিত বিৱৰণ নথকা কাৰণে উৎপত্তিকালৰ সঠিক পৰিচয় দিয়া টান। ভিন ভিন গৱেষকে কেৱল উৎপত্তি কালৰ বিষয়ে অনুমান হে কৰিছে। মনোৰঞ্জন শাস্ত্ৰী, তীৰ্থনাথ শৰ্মা, ড০ বীৰেন্দ্ৰ নাথ দত্ত প্ৰভৃতি বিশিষ্ট সকলৰ আলোচনাৰ অৱলম্বনত ড০ নবীন চন্দ্ৰ শৰ্মা সিদ্ধান্তলৈ আহিছে যে "খ্ৰীষ্ট-পূৰ্ব ১ম শতিকা বা তাৰো পূৰ্বৰে পৰা প্ৰাগজ্যোতিষ-কামৰূপত ওজাপালি সদৃশ অৰ্থনাটকীয় কলাশৈলীৰ চলতি আছিল।" ২১ কিন্তু ওজাপালিৰ আনুষংগিক অনুষ্ঠান দেওধা বা দেওধনী নৃত্যলৈ লক্ষ্য কৰিলে এনেহে অনুমান হয় যেন ই আদিম মূক যাদু-নৃত্যৰ পৰা ৰূপান্তৰৰ মাজেদি আহি বৰ্তমানৰ ৰূপ লাভ কৰিছেহি।

ওজাপালিৰ দল সাধাৰণতে পাঁচ বা ছয়জন লোকেৰে সংগঠিত হয়। এই পাঁচ জনৰ বিশিষ্ট নেতাজনক বোলা হয় ওজা; ওজাৰ প্ৰধান সহায়ক জন হ'ল দাইনাপালি আৰু বাকী কেইজন সাধাৰণ পালি। ওজাই কাহিনী ভাগ বৰ্ণনা

কৰে, পৰ তাওলিয়ে দৰ্শক সমাজক আকৃষ্ট কৰাত সহায় কৰে দাইনাপালিয়ে আৰু ওজাই লগাই দিয়া দিহাবোৰ পুনঃ পুনঃ আবৃত্তি কৰি খুটি তালেৰে তাল বা লয় ৰক্ষা কৰে পালি দিলাকে। এওঁলোকে বাদ্যযন্ত্ৰৰ ভিতৰত একমাত্ৰ খুটি-তাল যে ব্যৱহাৰ কৰে, আটাইকেইজন পালিয়ে সৌহাতত কৌশলেৰে তাল একোযোৰ লৈবিয়াই লয় আৰু খুট খুট কৈ বজাই ৰক্ষা কৰে তাল। ওজাৰ হাতত তাল নাথাকে; ওজাই হাতৰ মুদ্ৰা আৰু ভৰিৰ চালনাৰেহে তাল ৰাখে।

ওজাপালিৰ সাজপাৰো তেনেই সামান্য। ওজাৰ পিন্ধনত চুৰিয়া-চোলা বা জামা, ডিঙিত এখন বগা চাদৰ, মূৰত পাগ, কঁপালত বগা ফোট। পালিৰ মূৰত পাগ নাথাকে, পিন্ধনত চুৰিয়া-চোলা, ডিঙিত চাদৰ বা গামোছা আৰু কঁপালত ওজাৰ দৰে বগা ফোট। সুকনান্নী গোৱা ওজাই কিন্তু পাগ আৰু ফোট নামাৰে।

ওজাপালিয়ে প্ৰথমে গন্ধৰ্বৰাগ গাই গন্ধৰ্ব দেৱতাক তুষ্ট কৰে। তাৰ পিছত গণেশৰ বন্দনাৰে আৰম্ভ কৰি যি দেৱতা বা দেৱীৰ পূজা উপলক্ষে ওজাপালি অনুষ্ঠিত হয়, সেই দেৱতাৰো বন্দনা গায়। দেৱ-দেৱীৰ বন্দনাৰ পিছত গায় গুৰুবন্দনা। গুৰুবন্দনাৰ পিছত গায় সাধাৰণতে ঢুলীয়াৰ দৰে জাগেনী বা জাগৰণ গীত আৰু তাৰ পিছত হে আৰম্ভ হয় কাহিনী বৰ্ণনা। কবি মনকৰৰ মনসা কাব্যত সন্নিবিষ্ট জাগৰণী গীতটোক জাগৰণী গীতৰ প্ৰাচীনতম লিখিত ৰূপ বুলিব পাৰি।

মলবাৰী তথা অবিভক্ত কামৰূপ অঞ্চলত মূলতঃ দুবিধ ওজাপালিৰ প্ৰাধান্য পৰিলক্ষিত হৈছিল। তাৰে এবিধ পুৰুষে গোৱা আৰু আনবিধ তিৰোতাই গোৱা। তিৰোতাই গোৱা ওজাপালিক আপীপজা বোলা হয়। পুৰুষে গোৱা ওজাপালিক আকৌ পাঁচ প্ৰকাৰ মানত বিভক্ত কৰিব পাৰি; সেইবোৰ হ'ল: (১) সুকনান্নী, বা সুকবি নাৰায়ণ দেৱ আদিৰ শক্তিৰ মাহাত্ম্য জ্ঞাপক পদ গোৱা ওজাপালি; (২) বিয়াহ গোৱা বা ব্যাসদেৱ ৰচিত মহাভাৰত আৰু পুৰাণ আদিৰ পদ গোৱা ওজাপালি, (৩) ৰায়মান গোৱা অৰ্থাৎ ৰামায়ণৰ পদ গোৱা ওজাপালি, (৪) বৈষ্ণৱ ওজাপালি অৰ্থাৎ কীৰ্তন-ভাগৱতৰ পদ গোৱা ওজাপালি আৰু (৫) আধুনিক ওজাপালি বা আধুনিক সমাজ সমালোচনাত্মক ওজাপালি।

সুকনান্নী গোৱা মনকৰ আৰু দুৰ্গাবৰ উভয়েই কোঁচ-কমতাৰ অধিবাসী আছিল আৰু তেওঁলোকক শংকৰদেৱৰ অন্ততঃ কিছু বছৰ আগৰ বুলি ঠাৱৰোৱা হয়। তেওঁলোকৰ পিতৃপুৰুষ বা গুৰুসকলো আছিল বিদগ্ধ ওজা। গতিকে

সিদ্ধান্তলৈ আহিব পাৰি যে নলবাৰী বা অবিভক্ত কামৰূপ অঞ্চলৰ ওজাপালি অনুষ্ঠান বৰ প্ৰাচীন । এই অঞ্চল কিৰাত-মংগোল অধ্যুষিত ঠাই কাৰণেই সম্ভৱ শক্তিমাহাত্ম্য জ্ঞাপক সুকনান্নী গোৱা ওজাপালিৰ সংখ্যাই এই অঞ্চলত বেছি । এই অঞ্চলত সুকনান্নীৰ প্ৰভাৱ ইমান বেছি যে দেশ স্বাধীন হোৱাৰ সময়লৈকে একাংশ ইছলামধৰ্মী মুছলমানেও ওজাপালিৰ দল সংগঠন কৰি মনসা মাহাত্ম্য প্ৰচাৰ কৰি ফুৰিছিল । নলবাৰী অঞ্চলত দুৰ্গাবৰী মনসা কাব্য বা গীতিৰামায়ণৰ পদ গোৱা ওজা নাই বুলিবই পাৰি । কিন্তু এই শতিকাৰ প্ৰাৰম্ভৰ কেইটামান দশক ব্যাপী বাৰাংহাটী অঞ্চলৰ মুছলমান ওজাপালীয়ে হেনো দুৰ্গাবৰী পদো গাইছিল । বালিলোচা, নামভগাৰ শিয়াল ওজা, ভুবন ওজা, ওকুলা ওজা আদি হেনো জনপ্ৰিয় মুছলমান ওজা আছিল । ষগ্ৰাপাৰৰ বিলপাৰতো মুছলমান ওজা আছিল বুলি জানিব পৰা গৈছে । মালিকুছি বৰ্তমান নলবাৰী চহৰৰ পূব অঞ্চলৰ এটা অংশ । এই মালিকুছিৰ শাওনা সেখো আছিল বিশিষ্ট ওজা । এলেংগিদলৰ প্ৰায় পঁচাশী বছৰীয়া সৰুক সেখৰ পৰা জানিব পোৱা গৈছে যে তেওঁৰ ককাক (আতাক) ওজাপালি দলৰ দেওধা আছিল কাৰণে মানুহে তেওঁক পীৰ বুলি সন্মান কৰিছিল । কাৰণ তেওঁ মংগল কৈছিল ।

নলবাৰী অঞ্চলত সুকনান্নী গোৱা ওজাৰ সমাদৰ অনুভৱ কৰাত ইবোৰে সহায় কৰে । সাধাৰণতে মাৰৈ বা মনসা পূজাতহে সুকবি নাৰায়ণদেৱৰ পদ্মা-পুৰাণ— সুকনান্নীৰ পদ গাইছিল আৰু আজিও গায় ; দুৰ্গোৎসৱৰ সময়ত গাই কিন্তু মাৰ্কণ্ডেয়চণ্ডীৰ পদহে । সুকনান্নী গোৱা ওজাৰ অংগ স্বৰূপ হ'ল দেউধা বা দেউধনী । সম্প্ৰতি জনজাতীয় লোকসকলৰ মাজতহে দেউধনীৰ অস্তিত্ব আছে, অনাজনজাতীয় সকলৰ মাজত দেখা যায় কেৱল দেওধাহে । জনজাতীয় লোক সকলৰ মাজত দেওধা আৰু দেওধনীৰ বিশেষ সমাদৰলৈ লক্ষ্য কৰিলে আৰু মিচিং সকলৰ পুৰোহিত মিৰ্‌য়ে পঃবাগ বা নবাছিগা বিহুৰ সময়ত জঁক দিয়া বা পিছত শুভ-অশুভ কোৱা কথালৈ লক্ষ্য কৰিলেও অনুমান হয় যে দেওধা-দেওধনী মূলতঃ জনজাতীয় সকলৰ অনুষ্ঠান আছিল । দেওধাই জঁক দিয়ে সাধাৰণতে পদত লক্ষীন্দাৰক সৰ্পই দংশন কৰাৰ কিন্তু আগতে । লক্ষীন্দাৰক সৰ্পই দংশন কৰাৰ ফলত লক্ষীন্দাৰৰ মৃত্যু হয় আৰু তেতিয়া দেওধা দকত পৰে । দেওধাই যেন লক্ষীন্দাৰৰ মূক অভিনয়হে কৰে । বেউলাই নৃত্যৰে দেৱতাসকলক তুষ্ট কৰি লক্ষীন্দাৰক পুনৰ জীৱন দিয়াৰ লগে লগে দেওধা দকৰ পৰা উঠে । ঢুলীয়াৰ ঢোলৰ ছেৱে ছেৱে চোঁৱৰ বা গামোছাৰে ওজাই বিছি বিছি দেওধাক দকৰ পৰা

ঢোলৰ পিছত খিচিলকলৰ মিৰ্দংৰে ভতাভত কোৱাৰ দৰে সেওঁলোকো মৰণা কৰ। দেওধাৰ এটা বিশেষ মনকৰিবলগা কথা এয়ে যে বকত পৰাৰ পৰা বকৰ পৰা উঠাতে এই দীৰ্ঘ কাল ছোৱাত দেওধা থাকি গাৰে হাড়কঁপোৱা জাবৰ দিশাতো এখন আগলতি কলপাতৰ ওপৰত অকণো লাহৰ নোহোৱাকৈ ঠিক শ দেহৰ দৰে পৰি থাকে, কেৱল এখন মগা কাপোৰেৰে শ দেহ ঢাকি থোৱাৰ দৰে ওঁজাই দেহটো ঢাকি থয়। সম্ভৱ এই সহনশীল শক্তিৰ কাৰণেই দেওধাৰ গাত দেৱতা লঙা বুলি কোৱা হয় আৰু দেওধাৰ মুখেৰে ব্যক্ত শুভ-অশুভ কথাৰ ওপৰতো গুৰুত্ব দিয়া হয়। উল্লেখ কৰি থোৱা উচিত হ'ব যে দেওধনী নৃত্যও প্ৰায় দেওধা নৃত্যৰ সদৃশেই।

বিয়াহ গোৱা ওজা কিমান প্ৰাচীন তাকো সঠিকভাবে ঠাৱৰোৱা টান, কিন্তু অনুমান হয় যে ৰামসৰস্বতীয়ে মহাভাৰত আৰু অন্যান্য বিভিন্নজনে বিভিন্ন পুৰাণ অসমীয়া পদত ৰচনা কৰাৰ পিচৰ পৰাহে কি জানি বিয়াহগোৱা ওজাৰ প্ৰচলন হ'বলৈ লৈছিল। অৱশ্যে সুকনান্নী গোৱা ওজায়ো পুৰাণৰ পদ নোগোৱা নহয়। দুৰ্গাপূজাৰ সময়ত সুকনান্নী গোৱা ওজাই মাৰ্কণ্ডেয়চণ্ডীৰ পদ গোৱা কথাই ইয়াৰ উত্তম নিদৰ্শন। বেলশৰৰ নৰো ওজা সুকনান্নী, বিয়াহ আৰু আধুনিক ওজা ৰূপেও অৱতীৰ্ণ হৈছিল। প্ৰকৃততে নলবাৰী অঞ্চলত সুকীয়া বিয়াহ গোৱা ওজা নাই বুলিবই পাৰি।

সুকীয়া ৰায়মাণ গোৱা ওজা কিন্তু আছিল, আজিও আছে। নলবৰীয়া ৰাইজে ৰায়মাণ গোৱা ওজাক বোলে ভাইৰা (ভাৱৰীয়া), কাৰণ নানা ভাও-ভংগীৰে ইহঁতবিলাকে বহু কৰে বেছি। ৰায়মাণ গোৱা ওজাক পূজা-পাৰ্বনত আহ্বান কৰা নহয়, গাঁৱলীয়া ৰৰসৰাহ বা তেনে আনন্দ-উৎসৱত হে দেখা পোৱা যায়। আৰু সেই কাৰণেই ৰায়মাণ গোৱা ভাইৰাৰ দল বৰ কম। এওঁলোকে ৰামায়ণৰ কাহিনীৰ অৱলম্বনত পদ কৰি সীতাহৰণ, লংকাদাহ, সীতাৰ বনবাস, ৰাৱণ বধ আদিৰ কাহিনী গায়। ৰায়মাণ গোৱা ওজাৰ ওজাই জামা কাপোৰ পিন্ধে, মূৰত পাগ আৰু ডিঙিত চেলেং কাপোৰ থাকেই। বাকীবিলাকে পিন্ধে চুৰিয়া-চোলা, ডিঙিত গামোছা বা চেলেং, আটায়ে কঁপালত লয় ফোঁট। ৰায়মাণ গোৱা ভাই-ৰাই ব্যৱহাৰ কৰা তাল ভোৰতাল গঢ়ৰ, পালি বিলাকে দুইহাতে দুপাত তাল লৈ বজায়। ৰায়মান গোৱা ভাইৰাৰ পদ ভাওনি সুকনান্নী গোৱা ওজাৰ পদ ভাওনিতকৈও বেছি হাস্যমধুৰ আৰু সেই কাৰণেই লোক সমাজৰ মাজত বেছি আদৰৰ অনুষ্ঠান। দুবেলা দুমুঠি ভাত, একো দুখৰি লঙ্ক, নিবাৰণৰ কাপোৰ আৰু

সুৰ ভঙ্গিৰহঁত আৰু বাদ্যৰ সংখ্যাৰ কাৰণে হাড়ভঙা অনন্ত ব্যস্ত লোক সমাজে সুকলি মনে অলপ হাঁহিবলৈ পোৱা কম দুৰ্লভ সম্পদ নহয়। নলবাৰীৰ আড্যাৰা বায়নাণ গোৱা তাইবাৰ দলৰ কাৰণে প্ৰসিদ্ধ আছিল। পথো তাৰবাৰী আৰু তিনচেউৰীয়া তাৰবাৰীয়াৰ দল আছিল অসম বিখ্যাত। সম্প্ৰতি বেঙলোকৰ পুত্ৰ সকলেও বায়নাণ গোৱা তাইবা ৰূপে জনপ্ৰিয়তা অৰ্জন কৰি আছে। নলবাৰী চহৰৰ বুকুত চ'ক বজাৰত পৌ গিৰিনাথৈ মহেশ কলিতা আৰু দুলাল বৰ্মনৰ নেতৃত্বত দুটা বায়নাণ গোৱা ওজাৰ দল গঢ় লৈ উঠা কাৰ্যও নিশ্চয় বিশেষ উল্লেখ-যোগ্য কথা। সম্প্ৰতি কিন্তু বিলুপ্ত হৈছে।

বৈষ্ণৱী ওজা নববৈষ্ণৱ আলোড়ন কালৰ পৰা প্ৰচলিত হৈ আহিছে যেন অনুমান হয়। শংকৰদেৱ বেলগুৰি-ধুৱাহাটত থাকোঁতে বৈষ্ণৱী ওজাই সম্ভৱ জন্ম লাভ কৰিছিল আৰু বৰপেটা অঞ্চলত থকা কালত লভিছিল সুবিকাশ। লোক সমাজত বৈষ্ণৱ আদৰ্শ প্ৰচাৰেই আছিল বৈষ্ণৱী ওজাৰ লক্ষ্য। সম্প্ৰতি বৰপেটা অঞ্চলতো বৈষ্ণৱী ওজাৰ প্ৰচলন হ্ৰাস পাই আহিছে, নলবাৰী অঞ্চলত বৈষ্ণৱী ওজাৰ প্ৰচলন সম্ভৱ আছিল, কিন্তু সম্প্ৰতি ক'তো একো সম্ভেদ পোৱা নাযায়।

আধুনিক ওজা আধুনিক যুগৰ সৃষ্টি। ই আধুনিক মানুহৰ ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, সংস্কৃতি প্ৰভৃতি বিভিন্ন সমস্যাৰ অৱলম্বনত গঢ় লৈ উঠে। উল্লেখ কৰি অহা হৈছে যে বেলশৰৰ নবো ওজায়ে সম্ভৱ নলবাৰী অঞ্চলৰ ভিতৰত পোন প্ৰথম আধুনিক ওজাৰ ৰূপত অৱতীৰ্ণ হৈছিল। মুক্তি সংগ্ৰামী নবো ওজাই ঘাইকৈ মুক্তি সংগ্ৰাম আৰু স্বাধীনোত্তৰ কালৰ ৰাজনৈতিক ভ্ৰষ্টাচাৰৰ বিষয়ে নিজে পদ ৰচনা কৰি গাইছিল। সম্প্ৰতি টিহুৰ প্ৰফুল্ল শৰ্মাই এটা আধুনিক ওজাৰ দল গঠন কৰি সমাজতন্ত্ৰ-সাম্যবাদৰ সমৰ্থনত সভাই-সমিতিয়ে পদ গাই ফুৰে বুলি জনা যায়। আধুনিক ওজাৰ দল আৰু আছে। আনকি সুকনান্নী, বিয়াহ গোৱা আৰু বায়নাণ গোৱা ওজায়ো আধুনিক সমস্যাবোৰৰ বিষয়ে ৰাইজৰ চোকা দৃষ্টি আকৰ্ষণ নকৰাকৈ নাথাকে।

কোনো লিখিত বিৱৰণ বা সূত্ৰী নথকা কাৰণে ওজা পালিৰ দলবোৰৰ সঠিক পৰিচয় পোৱা টান। কিন্তু সম্ভৱতঃ ঊনবিংশ শতিকাৰ নৱজাগৰণৰ ফল-স্বৰূপেই চলীয়াবলৰে ওজাপালিৰ দলবোৰো ব্যাপক ৰূপত গঢ়লৈ উঠিছিল। সাধাৰণতে ওজাৰ নামেৰেই দলটোৰ নাম জনাজাত আছিল। এইবোৰৰ ভিতৰত বেলশৰৰ গংগাৰাম ওজা, ৰাখিত ওজা, পদ্ম ওজা, নবোওজা, গৰিয়াৰ কালী

ওজা, উলাকুৰীৰ ধনেো ওজা, সন্নি ওজা, শক্ৰো ওজা; সিংমা ওজা, থাহুৰাম ওজা, ধুমহুছিৰ বাহীৰাম ওজা, আলগাৰ দেৱীৰাম ওজা, গিৰিধৰ ওজা, মাখিবাহাৰ নগক ওজা, পাত্তিকাবাৰ কৃষ্ণ ওজা, ক্ষুদ্ৰশংকৰাৰ ছুখো ওজা, ধমতলাৰ দেৱক ওজা, বুটীনগৰৰ বসন্ত ওজা, গভিয়াৰ হৰেন ওজা, মৈৰাডাঙাৰ ধনেো ওজা, শন্নিয়াৰ ওজা, ভিলানাৰ সুখনা ওজা, বৰআজৰাৰ আদিত ওজা, কৈহাটীৰ ধাতু ওজা; সোণেশ্বৰ ওজা. গামেৰমুৰীৰ কাশী ওজা, জাগাৰাৰ দেবেন ওজা, চণ্ডি ওজা, আদি আছিল নলবাৰী অঞ্চলৰ সুবিখ্যাত ওজা। এওঁলোকৰ মাজৰ দেবেন ওজা আদি কৰি মাথোঁ কেইজন মানহে সম্প্ৰতি সক্ৰিয় হৈ আছে, নৰহ সংখ্যকেই জীৱন লীলা সামৰিছে। কিন্তু নতুন নতুন ওজাপালীৰ দল গঠন হৈছে আছে। তামুলপুৰৰ ওচৰৰ মাদাৰবাৰীত গঠিত ভৃগুৰাম বড়োৰ সুকনাৰী গোৱা ওজাৰ দলেই ইয়াৰ জলন্ত নিদৰ্শন।

## আপী ওজা :

তিৰোতাৰদ্বাৰা সংগঠিত ওজাপালিৰ দল আপীওজা। সাধাৰণতে ওজাজনী অবিবাহিতা গাভৰু, কিন্তু পালিবিলাক বয়সস্থা নাৰী। আপীওজা কিমান প্ৰাচীন তাকো সঠিকভাবে কোৱাটান, কিন্তু ড° নবীন চন্দ্ৰ শৰ্মাই কোৱাৰদৰে আপীওজাৰ জন্মৰ তিনিকুৰি বছৰৰ বেছি হোৱা নাই [২২] কথাষাৰ মানিবলৈ টান। কাৰণ তিনিকুৰি বছৰ আগৰ আমাৰ নিচেই শৈশৱ কালৰ নলবাৰী অঞ্চলৰ গাঁৱে-ভূঞে আপীওজা আছিল জনপ্ৰিয় সাংস্কৃতিক অনুষ্ঠান। আপীওজা হাজো বা ছুবিৰ নটী নৃত্য আৰু দেওধনী নৃত্যৰ সমন্বয়ত গঢ়লৈ উঠা লোকনাট্যও হ'ব পাৰে। নটী নৃত্য আৰু দেওধনী নৃত্যৰ লগত মানুহৰ আদিম আৰু অনন্ত আকাংক্ষা আত্মৰক্ষা আৰু বংশবৃদ্ধি জৰিত থকাৰদৰে আপীওজাৰ লগতো নিহিত আছিল। কাৰণ আপীওজা সাধাৰণতে শিশু উপজিলে অশৌচীয়া নামৰ দিনা শিশুৰ কল্যাণৰ অৰ্থে আয়োজিত হৈছিল আৰু গাইছিলেঁ। মূলতঃ শিশুলীলাৰ পদহে। অৱশ্যে বভ্ৰুবাহনৰ যুদ্ধৰ কাহিনীও সময়ে সময়ে পৰিবেশন কৰিছিল। তাৰ মাজেদি প্ৰকাশ পাইছিল সম্ভাৱনাসম্পন্ন ভৱিষ্যতৰ আশা।

আপীওজা গীতে-মাতে বিয়াহ গোৱা ওজাৰ সদৃশেই; পাৰ্থক্য ইমানেই যে এওঁলোকে খুটিতালৰ সলনি হাত চাপৰি মাৰিহে তাল-মান ৰক্ষা কৰে। এওঁলোকৰ পিন্ধনত মেখেলা-চাদৰ।

মাথোঁ কিছুদিন আগলৈকে নলবাৰী অঞ্চলত আপীওজা বেছ জনপ্ৰিয়েই আছিল। নলবাৰী চহৰৰ গাতে লাগি থকা জাপাৰকুছি গাওঁতেই দিব্য প্ৰিয়া

বৈশ্য আৰু সুভদ্ৰা প্ৰিয়া দাসৰ দুটা আপীওজাৰ দল আছিল। ইহঁতৰ গাওঁ চৰিয়াৰ বাহিৰে ওজাৰ সুখ্যাতি মানুহৰ মুখে মুখে আছিল। উলাবৰী, ধমধুমা, নামকোণা, দক্ষিণ বেজৰা আদিতো কিছুদিন আগলৈ আপীওজা আছিল। সম্প্ৰতি কিন্তু আপীওজাৰ অৱনতি ঘটিছে। ইয়াৰ মূল কাৰণ শিক্ষা; ছোৱালীৰ মাজত শিক্ষা বিস্তাৰ হোৱাৰ লগে লগে ওজা হৈ নাচিবলৈ ছোৱালীহঁতে ভাল নোপোৱা হ'ল; আগৰ ওজা বিলাকৰ বিয়া হৈ যোৱাৰ পিছত নতুন ওজা ওলাই তেওঁলোকৰ খালি ঠাই পূৰণ নকৰা হ'ল। শিক্ষাৰ পোহৰ নপৰা দুই এখন অ'ওহতীয়া গাঁৱত এতিয়াও দুই এযোৰা আপীওজা আছে বুলি জানিবলৈ পোৱা গৈছে। শোলমাৰাৰ, আপীওজাৰ দলৰ কথা বিশেষ ভাবে উল্লেখযোগ্য। কিন্তু সবিশেষ জানিব পৰা নগ'ল।

নলবাৰী অঞ্চলত দেওধা আৰু দেওধনীও কিছুসংখ্যক আছিল। বড়ো দেওধা, মধু দেওধা প্ৰভৃতিয়ে বিয়োগ বৰণ কৰিছে কিন্তু ভকোহাৰ নৃপেন দেওধা বেছ সক্ৰিয় হৈ থকা দেখিবলৈ পোৱা গৈছে। তেনেকৈ দেওধনী মাইপ্ৰিয়া, মৰপী, জাংলী আদি আছিল নলবাৰীৰ বিখ্যাত দেওধনী। জনজাতি সকলৰ মাজত দেওধনী নৃত্য আজিও অব্যাহত আছে।

## অন্যান্য লোক-নাট্য অনুষ্ঠান :

নলবাৰী জিলা অঞ্চলত অন্যান্য নাটকীয় বৈশিষ্ট্য সম্পন্ন সাংস্কৃতিক অনুষ্ঠান আৰু বহু আছে। তাৰ ভিতৰত খেৰাই আৰু নাগাৰা নাম বিশেষ ভাবে উল্লেখযোগ্য। খেৰাই সম্পূৰ্ণৰূপে ধৰ্মভিত্তিক লোকনাট্য অনুষ্ঠান। সাধাৰণতে যুদ্ধযাত্ৰাৰ আগতে খেৰাই নৃত্য নচা হৈছিল, যুদ্ধত জয় লাভ কৰাৰ পিছতো খেৰাই নৃত্য অনুষ্ঠিত হৈছিল। নাচে আৰু গাই গাভৰু ছোৱালীয়ে, খামখাদল আৰু চিফুংবাঁহী সংগত কৰে পুৰুষে। সম্ভৱ আদিম সমাজত সমগ্ৰ জনজাতিটোৱে খেৰাই নৃত্যত অংশ গ্ৰহণ কৰিছিল ২৩। দেওধনী নাচ খেৰাই নৃত্যৰ অপৰিহাৰ্য অংশ। অসাধ্য সাধন কৰা খেৰাই নৃত্যৰ আকাংক্ষা। বড়ো-কছাৰীসকলৰ মাজত খেৰাই আজিও জনপ্ৰিয় লোকনাট্য অনুষ্ঠান।

নলবাৰী অঞ্চলত নাগাৰা নামৰ আকৰ্ষণ বাঢ়ি থকা দেখা গৈছে; প্ৰায় গাঁৱে গাঁৱে আনকি ক'তো ক'তো চুবুৰীয়ে চুবুৰীয়েও নাগাৰা নামৰ দল সংগঠিত হোৱা দেখা গৈছে। নাগাৰা আৰু ভোৰতালৰ লগত গোৱা এই নামক বহুতে দৰঙী নামো নোবোলা নহয়। সম্ভৱ নাগাৰা নাম দৰং অঞ্চলত পোনতে উদ্ভৱ হৈছিল কাৰণেই মানুহে দৰঙীনাম বোলা কৰিছিল। সাধাৰণতে এই নামৰ দলবোৰে

মহাভাৰত আৰু অন্যান্য পুৰাণৰ কাহিনী গায়। সম্প্ৰতি আৰ্থ-সামাজিক বা ৰাজনৈতিক আদৰ্শ কেন্দ্ৰিক নামো পৰিবেশন কৰিবলৈ লোৱা দেখা গৈছে।

নাগাৰা নামৰ উৎপত্তিৰ মূলত জনজাতীয় সংস্কৃতিৰ প্ৰভাৱ বুলি অনুমান কৰাৰ যুক্তিও প্ৰবল। নাগাৰা, ডবা, ঢোল প্ৰভৃতি জনজাতীয় সংস্কৃতিৰ অৱদান। নামৰ লগত ভোৰতাল সংগত কৰা হয়; ভোৰতাল ভোট-তালৰ পৰা অহা বুলি ভবাৰ থল আছে। আনকি ভোট সবলে বৰপেটীয়া খিয় নামৰ সদৃশ এবিধ সমূহীয়া নাম ভেউঁলোকৰ মন্দিৰত এতিয়াও অনুষ্ঠিত কৰে বুলিও জনা যায়। ২৪ এইবোৰ কথা বিজ্ঞান সন্মত ভাৱে ফঁহিয়াই চালে নাগাৰা নাম, খিয় নাম প্ৰভৃতি নামৰ দল জনজাতীয় ভোট সকলৰ সংস্কৃতি নিসৃত ৰূপে হয়তো প্ৰতিপন্ন হ'বও পাৰে। অবিভক্ত কামৰূপ জিলাৰ বৰপেটা, পাটবাউসী, সুন্দৰীদিয়া, ভবানীপুৰ আদিত মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, গোপাল আতা, ৰামচৰণ ঠাকুৰ প্ৰভৃতি বৈষ্ণৱ কলাকাৰ সকলে ৰচনা কৰিছিল অংকীয়া নাট আৰু এই নাটক সমূহৰ অভিনয়ো ব্যাপকভাবেই হৈছিল বুলি চৰিত পুথিয়ে জানিবলৈ দিয়ে। নলবাৰী জিলাৰ কোনোৱে অংকীয়া নাট ৰচনা কৰিছিল বুলি জানিবপৰা হোৱা নাই। কিন্তু অংকীয়া নাটৰ অভিনয় আজিও ছেগাচোৰোকাকৈ হয়। অংকীয়া নাটৰ ভাওনাত পুতলা, ঢুলীয়া, ওজাপালিৰ প্ৰভাৱো প্ৰচুৰ। কিন্তু অংকীয়া নাটৰ ৰচক সকল শংকৰদেৱ আদি দবে বিদগ্ধ পণ্ডিত হোৱা কাৰণে অংকীয়া ভাওনাক লোকনাট্যৰ অন্তৰ্গত কৰা যুগুত নহয়।

একে কথাকে ক'ব পাৰি খুলীয়া বা ৰায়নৰ দলৰ ভাওনা বা অভিনয়ৰ বিষয়েও। খুলীয়া বা ৰায়ন অংকীয়া ভাওনা আৰু আধুনিক নাটকৰ মধ্যবৰ্ত্তী নাট্য অনুষ্ঠান। খুলীয়া ভাওনাত লৌকিকতা আছে, কিন্তু অভিনয় কৰা নাটকৰ ৰচক সাধাৰণতে আধুনিক শিক্ষাৰে শিক্ষিত নাট্যকাৰহে। অবিভক্ত কামৰূপ তথা নলবাৰী জিলা অঞ্চলত কিন্তু উৎসৱ-অনুষ্ঠানত দেৱবাদ্য বা উৎসাহজনক বাদ্য ৰূপে পৰিবেশন কৰা দলকহে বুলিছিল খুলীয়া, অভিনয় কৰা খুলীয়াৰ দলক বুলিছিল 'ৰায়ন' বা ৰায়ন (ৰাইন) পাৰ্টি। আগৰ পত্তিকাত বৰপেটাৰ তিথিৰাম ৰায়নে সমগ্ৰ অসম ব্যাপী অভিনয় কৰি ফুৰিছিল। মুগদিৰ ভোলা ৰাইন মাথোঁ এখন পৰিয়ালৰ মাজত সীমিত আছিল। মবোৰাৰ উবো ৰাইন পিছলৈ অপেৰা দললৈ ৰূপান্তৰিত হৈছিল। নলবাৰীৰ গাঁৱে গাঁৱে আছিল ৰাইনৰ দল। কিন্তু দেশ স্বাধীন হোৱাৰ পিছৰ পৰা ৰাইনৰ দল নলবাৰী তথা অবিভক্ত কামৰূপ অঞ্চলৰ পৰা তিৰোহিত হ'ল। অংকীয়া নাট আৰু খুলীয়া বা ৰায়নে বিশিষ্ট

সাহিত্যিকে ৰচনা কৰা নাটৰ অভিনয় প্ৰদৰ্শন কৰে কাৰণে লোকনাট্যৰ আলোচনাৰ ভিতৰুৱা কৰিব বিচৰা নাই।

এইবোৰেই নলবাৰী তথা অবিভক্ত কামৰূপ অঞ্চলৰ কেতবোৰ লোকনাট্য অনুষ্ঠান।

## লোকনাট্যৰ ভৱিষ্যৎ :

জীয়া জাতিৰ সংস্কৃতি একো একোটা জীৱন্ত প্ৰৱাহ; ইয়াৰ পৰিবৰ্তন-পৰিবৰ্ধন ঘটিয়ে থাকে; কাৰণ ই জীৱন-প্ৰৱাহৰ অনুগামীহে। সমাজৰ ৰুচি-অভিৰুচিৰ পৰিবৰ্তন ঘটিয়ে থাকে; গতিকে সংস্কৃতিৰ ৰূপান্তৰ ঘটি থকাও অৱধাৰিতই। লোকনাট্যকে ধৰি লোক সংস্কৃতিৰ সকলো উপাদানৰ সৃষ্টিৰ লগত নিহিত আছিল যাদু। প্ৰাকৃতিক আৰু আনকি সমাজ বিজ্ঞানৰো সুবিকাশ ঘটাৰ লগে লগে যাদু-মন্ত্ৰৰ ওপৰত মানুহৰ আস্থা ক্ৰমে লোপ পাই আহিছে। ফলত পৰম্পৰাগত অন্ধ বিশ্বাসৰ সলনি ঠাই লৈছে যুক্তি অ'ৰু বিচাৰে। ই বিশ্বব্যাপক। ইয়াৰ ফলত সমগ্ৰ বিশ্ব যুৰিয়ে লোকনাট্য আদিৰ সমাদৰ ক্ৰমে টুটিছে। অসমতো ইয়াৰ ব্যতিক্ৰম দেখা নাযায়। কিন্তু দেশ স্বাধীন হোৱাৰ পিছত জনজাতি সকলৰ মাজত একপ্ৰকাৰ সাংস্কৃতিক অভ্যুত্থান ঘটা দেখা গৈছে। তাৰ ফলত জনজাতি বিলাকে পৰম্পৰাগত লোক-সংস্কৃতিৰ সংৰক্ষণত গুৰুত্ব আৰোপ কৰিছে। কিন্তু সূক্ষ্মভাৱে বিচাৰ কৰিলে দেখা যায় যে তেওঁলোকৰ মাজতো আধুনিক বিজ্ঞান সম্মত শিক্ষাৰে শিক্ষিত সকলৰ একাংশই যাদু-মন্ত্ৰকেন্দ্ৰী সমাজৰ ঠাইত যুক্তি আৰু বিচাৰ সম্পন্ন আধুনিক সমাজ আৰু সংস্কৃতি গঢ়ি তোলাৰ সপক্ষেহে থিয় দিয়ে। আধুনিক শিক্ষাৰ সুবিকাশৰ লগে লগে জনজাতীয় সকলৰো ৰুচি-অভিৰুচিৰ পৰিবৰ্তন ঘটিব বুলি নিশ্চয় আশা কৰিব পাৰি।

কিছুদিনৰ পৰা সাম্প্ৰদায়িকতাক ৰাজনৈতিক লক্ষ্য সাধনৰ শক্তিশালী অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিবলৈ লোৱাৰ পৰা অৱশ্যে ভিন ভিন সম্প্ৰদায়ৰ মাজত কৃত্ৰিম ভাৱে হলেও সাংস্কৃতিক পুনৰ উজ্জীৱন ঘটা যেন অনুভৱ হৈছে। কিন্তু ই নিশ্চিত যে লোক সমাজৰ মাজত বিজ্ঞান সম্মত শিক্ষাৰ বিস্তাৰৰ লগে লগে ৰুচি-অভিৰুচিৰ ৰূপান্তৰ ঘটিবই। আৰু তেতিয়া যাদু মন্ত্ৰকেন্দ্ৰী লোকনাট্য আদিৰ প্ৰতিও হয়তো মনোনিবেশ কৰিবলৈ মন নকৰা হ'ব।

পুতলা, ওজাপালি বা নাগাৰা নাম আদিত আধুনিকতাই অনুপ্ৰবেশ কৰাৰ দৰে হয়তো ঢুলীয়া, খেৰাই আদিতো আধুনিকতাই ঠাই কৰি ল'ব পাৰে। তেতিয়াহ'লে অনুষ্ঠানবোৰ জহিপমি যোৱাৰ আশংকা নাথাকে। আজিৰ দিনৰ

আদি মানুহে বিলাকে আলোচিত নাট্য অনুষ্ঠানবোৰ উৎপত্তি কালত কেনে ৰূপত অৱতীৰ্ণ হৈছিল, সেই বিষয়ে কোনো স্পষ্ট ধাৰণা কৰিব নোৱাৰো ; সিবোৰে বিবৰ্তমান সময়ৰ প্ৰভাৱেৰে যে ক্ৰমে ৰূপান্তৰ লাভ কৰি আহিছে সেই বিষয়ে সন্দেহৰ অৱকাশ নাই। সেই কাৰণেই বৰ্তমানেও সিবোৰে ক্ৰমে ৰূপান্তৰ লাভ কৰিলে আক্ষেপ কৰাৰ যুক্তি নাথাকে। নাগৰিক সাহিত্যৰ ক্ষেত্ৰত যেনেকৈ আজি আৰু কোনেও মাধৱ কন্দলি, শংকৰদেৱ প্ৰভৃতি মধ্যযুগৰ বিদগ্ধ সাহিত্যিক সকলৰ অবিকল অনুশীলন বাঞ্ছা নকৰে, লোকসাহিত্যৰ অন্যান্য দিশৰ দৰে লোকনাট্যৰ ক্ষেত্ৰতো অপৰিবৰ্তনীয় ৰূপ আশা কৰা হ'ব আচহুৱা কথা। কিন্তু মধ্যযুগীয়া সাহিত্যৰ সংৰক্ষণ, অধ্যয়ন, গৱেষণা অটুট থকাৰ দৰে লোকনাট্য অনুষ্ঠান সমূহৰো যথাসম্ভৱ অবিকৃত সংৰক্ষণ হ'ব লাগে, তথ্যচিত্ৰ আদিৰ মাধ্যমত, আৰু হ'ব লাগে বিজ্ঞান সম্মত মুকলি আলোচনা আৰু গৱেষণা। তেতিয়া মধ্য যুগীয়া সাহিত্যই সৃষ্টিৰ কাৰণে নতুন প্ৰজন্মক অনুপ্ৰেৰণা যোগাই থকাৰ দৰে লোকনাট্য সমূহেও নতুন প্ৰজন্মক নতুন ৰূপত লোকনাট্য সৃষ্টি কৰিবলৈ অনুপম প্ৰেৰণাৰ যোগান ধৰি থাকিব বুলি আশা কৰিব পাৰি। বাৰ্টোল্ট ব্ৰেখ্ট আদিৰ দৰে বৰেণ্য নাট্যকাৰে মহাকাব্যিক নাটকত সূত্ৰধাৰৰ অৱতাৰণা কৰাৰ দৰে কোনো বিশিষ্ট নাট্যকাৰে পুতলা, ঢুলীয়া, ওজাপালি, খেৰাই আদিকো সুকৌ-শলেৰে নতুন নতুন নাটকত ঠাই দিবলৈ যত্নপৰ হ'ব পাৰে। কাৰণ গোটেই জগত ব্যাপী জ্ঞানী-গুণীসকলৰ একাংশ লোক সাহিত্য আৰু লোক সংস্কৃতিৰ প্ৰতি ইতিমধ্যে আগ্ৰহী হৈ উঠিছেই। লোকসমাজমুখী সমাজ ব্যৱস্থা তথা ৰাজনীতি প্ৰৱৰ্তন কৰিব পাৰিলে যে লোক সাহিত্য-লোকসংস্কৃতিৰ অবাধ বিকাশত বিশেষ গুৰুত্ব আৰোপ কৰিবই, তাক জানো দোহাৰিব লাগিছে। ৰূপকোঁৱৰৰ ভাষাৰেই দোহাৰিব পাৰি যে 'ৰূপান্তৰেহে জগত ধুনীয়া কৰে'। ৰূপান্তৰৰ মাজেদি পৰম্পৰাগত লোকনাট্য অনুষ্ঠানক জীয়াই ৰখা সংস্কৃতিসম্পন্ন জীয়া জাতিৰ লক্ষণ। লোকনাট্য অনুষ্ঠানক জীয়াই ৰাখিব লাগিলে সমাজে লোকশিল্পীসকলে যাতে স্বাচ্ছন্দ্যপূৰ্ণভাৱে সম্ভ্ৰান্ত জীৱন যাপন কৰিব পাৰে তাৰো সমুচিত ব্যৱস্থা কৰিবই লাগিব।

## সংকেত সূচী :


১ সুবীৰা জয়ছৱাল : The origin and Development of Vaisnavism, বাংলা অনুবাদ, পৃঃ ৪৪-৪৭, ১৬৩ ।

২ Seth Pringle Pattison : Studies in the Philosophy of Religion, 1934, P. 28.

৩ Sir James Frazer, The Golden Bough, P. 50.

৫ S. A. Dange, India From Primitive Communism to Slavery, 1972, PP. 50 58.

৬ ৰামায়ণ, আদিকাণ্ড, ২য় সৰ্গ, ২৩-৩৫ শ্লোক ।

৭ J. C. Mathur, Drama in Rural India, 1964, P. 4.

৮ নাট্যশাস্ত্ৰ, ১ম অধ্যায়, ১০৮-১০৯

৯ বীৰেন নাথ, গোৱালপৰীয়া লোক সাহিত্যত দৃষ্টিপাত, ২৪১ পৃঃ ত উধৃত ।

১০ বাৰ্টোল্ট ব্ৰেখট, জনপ্ৰিয়তা আৰু বাস্তৱ (শিল্পীৰ আয়ুধ বোলা বাংলা গ্ৰন্থত সন্নিবিষ্ট, পৃঃ ১১৩) ।

১১ Chamber's Encyclopaedia, Puppet Drama.

১৩ ঋগবেদ, ৪।৩২।২৩

১৪ মহাভাৰত, বনপৰ্ব, ৩।৩০।২৬, উদ্যোগ পৰ্ব, ৫।৩৯।১

১৫ শংকৰদেৱ, আদিদশম, পদ ১২৯০ ।

১৬ Chamber's Encyclopaedia, Drama.

১৭ অথৰ্ববেদ, দুন্দুভিসূক্ত, ৫। ।১

১৮ গায়ত্ৰী চট্টোপাধ্যায়, ভাৰতেৰ নৃত্যকলা, পৃঃ ২৩

১৯ সুবীৰা জয়ছৱাল, ওপৰুক্ত গ্ৰন্থ, পৃঃ ১৬৩

২০ কৃষ্ণকান্ত সন্দিকৈ, গ্ৰীক নাটকৰ গান

২১ ড০ নবীন চন্দ্ৰ শৰ্মা, অসমৰ ওজাপালি, পৃঃ ৯

২২ উক্ত গ্ৰন্থ, পৃঃ ৪০

২৩ ধুপাৰাম বসুমতাৰী, বড়ো-কছাৰীৰ বাথৌ ধৰ্ম আৰু সমাজ-সংস্কৃতি, পৃঃ ৪৪

২৪ দিলীপ ভৰালী, যোৰা কীৰ্তনৰ ওজা-শিল্পী বুঢ়া আতা, 'বৰপেটা সত্ৰৰ প্ৰথম অধিকাৰ শ্ৰীশ্ৰীমথুৰা দাস বুঢ়া আতা' গ্ৰন্থত সন্নিবিষ্ট, পৃঃ ৮৫ ।


* কামৰূপাৰ ৰূপালী জয়ন্তী সংখ্যাত প্ৰকাশিত ।